# প্ৰান্তিক

৫ম বছৰ ১৯শ সংখ্যা ১—১৫ ছেপ্টেম্বৰ '৮৬


প্ৰস্তাৱিত আই· আই· টি·

অসমৰ অৰ্থনৈতিক ব্যৱস্থা



ভাওনা

OKDISCD



'মৰমৰ' উপহাৰ ক্ৰমবৃদ্ধিমান উপহাৰ

# চিলড্ৰেনচ গিফ্ট গ্ৰোথ ফাণ্ড ১৯৮৬

এই বিনিয়োগ ১২ গুণলৈ বৃদ্ধি হয়—লগতে প্ৰতি ৫ বছৰত বোনাচ লভ্যাংশ

এইটোৱেই সেই বিনিয়োগ যাৰ বাবে আপুনি অপেক্ষাকৃত।

লৰা ছোৱালীৰ বাবে ১৯৮৬-ৰ ক্ৰমবৃদ্ধি উপহাৰ এটা তেনে ধৰণৰেই আৰ্চনি যি প্ৰকৃততে প্ৰকাশ কৰে আপোনাৰ অতি মৰমৰ লৰা ছোৱালীক কিমান মৰম কৰে আৰু সিহঁতৰ বাবে আপুনি কিমান উদ্বিগ্ন।

এই আচনিত শতকৰা ১২.৫ ভাগ লভ্যাংশ নিশ্চিত, যি প্ৰত্যেক বছৰে আকৌ নিজে নিজেই পুনঃ জমা হৈ যায়। আৰু প্ৰত্যেক পাচ বছৰৰ শেষত এটা বিশেষ ওপৰঞ্চি লভ্যাংশ পাব। যাৰ অৰ্থ এয়ে যে—আপোনাৰ উপহাৰ ৬ বছৰত দুগুণ আৰু ২১ বছৰত ১২ গুণ হয়গৈ।

আন গঠনসমূহঃ
যি কোনো বয়সস্থ—মাকদেউতাক, কুটুম্ব বা শুভাকাঙ্ক্ষী—১৫ বছৰৰ সৰু যি কোনো সন্তানৰ বাবে এই উপহাৰ প্ৰয়োগ কৰিব পাৰে। বয়সৰ সত্যতা প্ৰমাণ কৰাৰ একো প্ৰয়োজনেই নাই।

সন্তানৰ ২১ বছৰ বয়সত এই উপহাৰ পৰিপক্ক হয়। ১৮ বছৰ বয়সত উঠাই লোৱাৰ এটা ইচ্ছাধীন দিয়া হয়। তেতিয়ালৈ কোনেও মুলধন বা লভ্যাংশৰ টকাত হাত দিব নোৱাৰে।

১৯৮৬ চনৰ বিত্ত আইনমতে উপহাৰ কৰৰ ৰেহাইৰ মাত্ৰা ২০,০০০ টকালৈকে বঢ়োৱা হৈছে।

ইউনিট ট্ৰাষ্ট অৱ ইণ্ডিয়া

(এটা পাবলিক চেক্টৰ অৰ্থ সংস্থা)

আঞ্চলিক অফিচ
২ এন্ড ৪, ফেয়াৰলি প্লেচ, কলিকাতা–৭০০ ০০১
ফোনঃ ২৩-৯৩৯১, ২৩-১৬৩৮

শাখা অফিচ
আশা নিভাচ, ২৪৬ লোউইচ ৰোড, ভুবনেশ্বৰ ৭৫১ ০১৪
ফোনঃ ৫৬১৪১
পি ডি চলিহা ৰোড, শিলপুখুৰী, গুৱাহাটি–৭৮১ ০০৩
ফোনঃ ২৩১৩১
জীৱন দীপ বিল্ডিং, একজিবিচন ৰোড, পাটনা ৮০৩ ০০১
ফোনঃ ২২৪৭০

Sista's-UTI-056 ASM



প্ৰান্তিক

৫ম বছৰ ১৯শ সংখ্যা ১—১৫ ছেপ্টেম্বৰ '৮৬ | মূল্য চাৰি টকা

ডাকঘৰ ঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩


## অহা সংখ্যাত

নেপালী আৰু বাংলাদেশীৰ অনুপ্ৰৱেশৰ সমস্যা দুটা সম্পূৰ্ণ পৃথক সমস্যা। দুয়োটা সমস্যাৰ সৈতে দুখন সম্পূৰ্ণ পৃথক আন্তঃৰাষ্ট্ৰীয় চুক্তি জড়িত হৈ আছে। সেয়েহে নেপালী অনুপ্ৰৱেশকাৰীৰ সমস্যা ৰোধ কৰিবলৈ হ'লে এক সম্পূৰ্ণ পৃথক সমাধানৰহে প্ৰয়োজন।

নেপালী অনুপ্ৰৱেশকাৰীসকল এতিয়াও মধ্যবিত্ত অসমীয়া শ্ৰেণীটোৰ সৈতে সংঘাতলৈ নাহাফলতে তেওঁলোকৰ অনুপ্ৰৱেশৰ সমস্যাটো যেন তল পৰি আছে, কিন্তু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ জনজাতীয় অঞ্চল বিলাকত সেই সমস্যাটোৱে ভয়ানক ৰূপ লবলৈ আৰম্ভ কৰিছে।

**অসমত নেপালী অনুপ্ৰৱেশৰ সমস্যা, গোৰ্খালেণ্ড, আৰু অন্যান্য প্ৰসংগ ঃ পৰাগ কুমাৰ দাস**

এখন পাৰমাণৱিক যুদ্ধ হৈ যোৱাৰ পাছত পৃথিৱীৰ অৱস্থা কেনে হ'ব?

**পাৰমাণৱিক শীতকাল ঃ তপন নেওগ**

**পিকাছোৰ কাগজত আঁকা ছবি ঃ বিশ্বৰ বিভিন্ন সংগ্ৰহৰ এক অনুপম সমাহাৰ
ড° নিৰোদ কুমাৰ বৰুৱা**

কেঁচামাল থকা ৰাজ্যতহে সংশ্লিষ্ট উদ্যোগবোৰ পৰ্তাটো সাধাৰণ নীতি হিচাপে গ্ৰহণযোগ্য নে? সকলো ক্ষেত্ৰতে এই নীতিতো প্ৰযোজ্য নে?

**অসমৰ গেছ-তেলভিত্তিক উদ্যোগ স্থাপনৰ সমস্যা ঃ এটা দৃষ্টিভংগী
দ্বিজেন্দ্ৰ নাথ শৰ্মা**

## এই সংখ্যাত

চুক্তি প্ৰস্তাৱিত শোধনাগাৰটোৰ দোহাই দি সম্প্ৰসাৰণ হ'বলগীয়া প্ৰায় এশ-বছৰীয়া পুৰণি ডিগবৈ শোধনাগাৰটোক এইদৰে ক্ৰমান্বয়ে মৃত্যুৰ পথলৈ আগবঢ়াই দিয়াৰ যুক্তি সঁচাকৈ আছেনে?


**অসমৰ প্ৰস্তাৱিত চতুৰ্থ তেলশোধনাগাৰটো আৰু ডিগবৈ শোধনাগাৰ : ৰাণু বৰুৱা** ।১৩।


অসমৰ পিছপৰা অৱস্থাৰপৰা উদ্ধাৰ পাবলৈ হ'লে আমি আমাৰ চৰকাৰ, চৰকাৰী বিভাগসমূহ, বিভিন্ন স্থানীয় নিগমসমূহ আৰু বাইজৰ স্বেচ্ছাসেৱী অনুষ্ঠানবোৰক সক্ৰিয় কৰিব লাগিব কেৱল কেন্দ্ৰীয় চৰকাৰক দোষ দি আমাৰ নিজৰ অকৰ্মণ্যতা ঢাকিবলৈ চেষ্টা কৰা স্বভাৱ পৰিত্যাগ কৰি, নিজৰ দায়িত্ব স্বীকাৰ কৰি আগবাঢ়িলেহে আমাৰ অৰ্থনৈতিক—সামাজিক—সাংস্কৃতিক ভেটি দৃঢ় হ'ব।


**প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ এটি পৰ্যালোচনামূলক প্ৰবন্ধ ঃ অসমৰ অৰ্থনৈতিক ব্যৱস্থা** ।২৪।


মহাসাগৰৰ লগত মানুহৰ সম্পৰ্কৰ ইতিহাস অতিশয় দীঘলীয়া আৰু সুদূৰপ্ৰসাৰী অৱশ্যে মহাসাগৰৰ গভীৰতম অংশৰ লগত মানুহৰ সম্পৰ্ক সীমিত আৰু মাথোন যোৱা শতিকাৰ পৰাহে প্ৰকৃতাৰ্থত এই অংশৰ ওপৰত মানুহে বৈজ্ঞানিক অধ্যয়ন চলাবলৈ সক্ষম হৈছে। পৃথিৱীৰ জনসংখ্যা বৃদ্ধিয়ে মহাসাগৰৰ লগত মানুহৰ সম্পৰ্ক ক্ৰমে নিবিড় কৰি তুলিছে।


**মহাসাগৰ আৰু আমি ঃ অৰুনী কুমাৰ ভাগৱতী** ।৩০।

পত্ৰালাপ ।৪। ধ্বনি-প্ৰতিধ্বনি ।৮। ঘটনা-প্ৰবাহ ।৯। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।১১। ডিগবৈ শোধনাগাৰ ।১৩। মূল্যবৃদ্ধি আৰু প্ৰশাসনীয় দুৰ্দশা ।২০। এম. এ. পৰীক্ষাত অসমীয়া বিষয়াৰ ফলাফল ।২১। অস্ত্ৰোপচাৰ নে ভেলকি-বাজি ।২৩। অসমৰ অৰ্থনৈতিক ব্যৱস্থা ।২৪। বিজ্ঞান ।৩০। অসমৰ আই. আই. টি. ।৩৩। প্ৰজ্ঞা ।৩৮। দৈনন্দিন ।৩৯। গল্প ।৪১। কবিতা ।৪৪। উপন্যাস ।৪৫। কলা-সংস্কৃতি ।৫০। ক্ৰীড়াংগন ।৫৫। শেষ পৃষ্ঠা ।৫৮।


বেটুপাতৰ ছবি ঃ দীপক বেজবৰুৱা


মুখ্য সম্পাদক ঃ ড° ভবেন্দ্ৰনাথ শইকীয়া

নিবন্ধকাৰ ঃ কুলদীপ নায়াৰ * বদন বৰুৱা * ড° নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ড° দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ড° কৃষ্ণগোপাল ভট্টাচাৰ্য * ড° সুনীল পৱন বৰুৱা * ড° কুলেন্দু পাঠক * অনিল বৰুৱা * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * গণেশ দাস * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

সহকাৰী সম্পাদক ঃ ইমৰান হুছেইন
অংগসজ্জা দেবানন্দ উলূপ, সীমান্তজ্যোতি বৰুৱা আলোকচিত্ৰ ঃ দীপক বেজবৰুৱা

মুদ্ৰাংকন ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ
প্ৰদীপ বৰুৱাৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত





OKDISCD

# আকৌঁৱালি লওঁ

বৰ্তমান অসমীয়া ভাষাক অনাঅসমীয়া স্কুলবিলাকত তৃতীয় ভাষা হিচাপে বাধ্যতামূলক কৰিব খোজা ঘটনাটোৱে এটা বিতৰ্কৰ সৃষ্টি কৰিছে। ইয়াৰ বিৰুদ্ধে বৰাক উপত্যকাত আন্দোলন গঢ়ি উঠিছে। পৰিস্থিতিয়ে শিক্ষামন্ত্ৰীক এই ক্ষেত্ৰত খৰখেদাকৈ কোনো সিদ্ধান্ত নলব বুলি কবলৈ বাধ্য কৰাইছে। ইতিমধ্যে হিন্দী ভাষাক তৃতীয় ভাষা হিচাপে শিকাই অহা বড়ো মাধ্যমৰ স্কুলবিলাকতো অসমীয়া ভাষাক বাধ্যতামূলক হিচাপে গ্ৰহণ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰা হৈছে। এই ক্ষেত্ৰত বিগত ছবছৰীয়া আন্দোলনৰ ফল আৰু শেহতীয়াকৈ অসম চুক্তিৰ গইনা লৈ সৃষ্টি হোৱা সংযুক্ত সংখ্যালঘু মৰ্চাৰ আশ্ৰয় লোৱা ব্ৰহ্মপুত্ৰ উপত্যকাৰ ন-অসমীয়া পমুৱা মুছলমানসকলে কিন্তু তেওঁলোকৰ পূৰ্বৰ মনোভাবকে দোহাৰিছে। ন-অসমীয়া মুছলমানসকলে ইমানদিনে স্বতঃস্ফুৰ্তভাৱে নিজৰ অঞ্চলত অসমীয়া মাধ্যমৰ স্কুল পাতি অসমীয়া মাধ্যমত পঢ়িবলৈ লৈছে আৰু বৰ্তমান অসমীয়া ভাষাক তৃতীয় ভাষা হিচাপে গ্ৰহণ কৰিব খোজা সিদ্ধান্তক আদৰণি জনাইছে। অলপতে এখন ৰাজহুৱা সভাত স· স· ম· ৰ বিধায়িনী দলৰ নেতা গোলাম ওচমানিয়ে ব্ৰহ্মপুত্ৰ উপত্যকাৰ ন-অসমীয়া মুছলমান অধ্যুষিত অঞ্চলবোৰত থকা স্কুলত বাংলা মাধ্যমত শিক্ষা গ্ৰহণ কৰিবলৈ দিয়া আহ্বানৰ পৰিপ্ৰেক্ষিতত দলত ভাঙোনে দেখা দিছে বুলি বাতৰিত প্ৰকাশ। ইয়ে আকৌ নতুনকৈ দেখুৱালে যে ন-অসমীয়া মুছলমানসকল অসমীয়া মাধ্যমত শিক্ষা গ্ৰহণ কৰি অসমীয়া জাতিৰ ঘাই সুঁতিৰ লগত মিলি যাবলৈ আগ্ৰহী। কিন্তু আমি অতি দুখেৰে লক্ষ্য কৰিছোঁ যে এইখিনি মানুহ 'অসমীয়া' জাতিৰ লগত মিলি যোৱা প্ৰক্ৰিয়াটো বৰ লেহেম হৈছে। কেতিয়াবা-কেতিয়াবা ব্যাহত হোৱাৰ উপক্ৰমো হৈছে আৰু তেওঁলোকক যেন উদ্দেশ্য প্ৰণোদিতভাৱেই 'ন-অসমীয়া' কৰি ৰখা হৈছে। এই ক্ষেত্ৰত বৰ্তমান অসম চৰকাৰ আৰু অসম সাহিত্য সভাই এই প্ৰক্ৰিয়াটো খৰতকীয়া কৰি তুলিবলৈ কাম হাতত লবলৈ আমি কেইটামান পৰামৰ্শ আগবঢ়ালো।

১· ন-অসমীয়া অধ্যুষিত অঞ্চলবোৰত অসম সাহিত্য সভাৰ শাখা খুলিব লাগে আৰু তাৰ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অসমীয়া ভাষাৰ গল্প, উপন্যাস আদিৰ প্ৰতিযোগিতা পাতিব লাগে। ইয়ে তেওঁলোকক অসমীয়া ভাষাৰ বিষয়সমূহ অধ্যয়ন কৰিবলৈ আগ্ৰহী কৰি তুলিব।

২· বিভিন্ন কিতাপ-আলোচনীত ন-অসমীয়া লেখক-লেখিকাই লিখা লিখনিৰ বাবে অসম সাহিত্য সভাৰ অধিবেশনত তেওঁলোকক মানপত্ৰ দি উৎসাহিত কৰিব লাগে আৰু অসম সাহিত্য সভাত উপযুক্ত আসন দিব লাগে।

৩· অসমীয়া স্বেচ্ছাসেৱক যুৱক-যুৱতীয়ে এইবোৰ অঞ্চললৈ গৈ, তাত অসমীয়া সংস্কৃতিৰ অনুষ্ঠান পাতিব লাগে।

—মিৰাজ আহমেদ,
বৰাজোল, নলবাৰী

## যিমানে অনুন্নত সিমানে শোষিত?

অলপতে প্ৰায় পোন্ধৰদিনমান উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ হাফলং আৰু মাইবাঙত থকাৰ সৌভাগ্য ঘটিছিল। তাত থাকি নিজে বজাৰ কৰি বয়বস্তুৰ দাম দেখি কেৱল আচৰিত হোৱাই নহয়, লগতে মনত প্ৰশ্ন জাগিছিল— এই দুখন ঠাই অসম ৰাজ্যৰ ভিতৰতে পৰেনে? ৰাইজৰ জ্ঞাতাৰ্থে দুপদমান বস্তুৰ দাম উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলো। এযোৰ কণীৰ দাম ৩·৫০ টকাৰ পৰা ৪·০০ টকা পৰ্যন্ত; এযোৰ নেমুৰ দাম ৩ টকা; আলু, জিকা, ভেণ্ডি, পটল, তিয়হ আদিৰ প্ৰতি কেজিত ৪ টকা। সপ্তাহত এদিন মাংস (গাহৰি, কুকুৰা) আৰু শুকান মাছ পোৱা যায়। দামটো পাঠকসকলে অনুমান কৰি লওক। সৰ্বসাধাৰণ ৰাইজ, বিশেষকৈ জনজাতীয়সকলে ভোজন কৰিব নোৱাৰে বাবেই চাগে সাপ্তাহিক বজাৰৰ দিনা দলেবলে আহি সেইবোৰ বস্তু দৰ্শন কৰি যায়। তাৰে স্থানীয় নেতাসকল (ৰাজনীতিত পাকৈত?) পৃথক ৰাজ্যৰ দাবীত ব্যস্ত আছে। এখন সুন্দৰ অসম গঢ়িব খোজা নেতাসকলে এইক্ষেত্ৰত অনতিপলমে বলিষ্ঠ পদক্ষেপেৰে আগবাঢ়ি গৈ সৰ্বসাধাৰণ ৰাইজক সকাহ দিবনে?

—ধৰণীধৰ দাস,
গুৱাহাটী

## পৰম্পৰা ঃ পৰীক্ষা পিছুৱালে!

"পৰীক্ষা পিছুৱালে নহয়, তুমি গমেই পোৱা নাই নেকি?" গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই স্নাতকোত্তৰ মহলাৰ পৰীক্ষাৰ তাৰিখ ঘোষণা কৰা সময়ত প্ৰতি বছৰেই এই কথাখিনি কি শক্তিৰ প্ৰভাৱত জানো প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীৰে মুখে-মুখে শুনিবলৈ পোৱা যায়। এটা সময়ত বিশ্ববিদ্যালয় কৰ্তৃপক্ষয়ো ঘোষণা কৰা তাৰিখমতে পৰীক্ষা পাতিব নোৱাৰি পৰীক্ষা পিছুৱাবলৈ বাধ্য হয়। কিন্তু কৰ্তৃপক্ষৰ কি এই অৱস্থা হয়? আন্দোলন চলি থকা অৱস্থাত পৰীক্ষা পাতিব নোৱৰাটোত কৰ্তৃপক্ষক দোষ দি লাভ নাই; কিয়নো তেতিয়া আমি সকলোৱে আমাৰ জাতিটোৰ বাবে যুঁজিব লগীয়া হৈছিল। কিন্তু এতিয়া কিয়? অসমৰতো বৰ্তমান পৰিস্থিতি সম্পূৰ্ণ স্বাভাৱিক। আনৰ কান্ধত বন্দুক থৈ গুলী ফুটাই ভালপোৱা একশ্ৰেণীৰ উঠি পৰি লাগে প্ৰতি বছৰেই এইদৰে পৰীক্ষা পিছুৱাবলৈ। বিনিময়ত এক অপূৰণীয় ক্ষতি হয় সমূহ ছাত্ৰ-ছাত্ৰীৰে শিক্ষা জীৱনৰ আৰু লগতে অৰ্থনৈতিকভাৱে ভুগিবলগীয়া হয় জোৰা-তাপলি মাৰি বিশ্ববিদ্যালয়লৈ শিক্ষালাভৰ বাবে অহা দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীখিনিয়ে।

বিশ্ববিদ্যালয়ৰ youth intellectual অৰ যুৱমানসিকতা যদি এইদৰেই প্ৰতিবছৰে পৰীক্ষা পিছুউৱাৰ "পৰম্পৰা" ৰক্ষাত প্ৰতিফলিত হয়, তেতিয়া আমি জাতিটোৰ বাবে কি বৰঙণি যোগাব পাৰিম?

—খগেন নাথ,
গুৱাহাটী বিশ্ববিদ্যালয়

## ভাবী শিক্ষক

অলপতে যোৰহাটৰ ট্ৰেজাৰি অফিছ আৰু ষ্টেট বেংকলৈ লগৰ বন্ধু এজনে লৈ গৈছিল। উদ্দেশ্য,— অসম চৰকাৰৰ খালী হোৱা শিক্ষক পদৰ বাবে আবেদনৰ ট্ৰেজাৰি চালান দিয়া। ষ্টেট বেংকত কিছুমান যুৱকৰ কাণ্ড দেখি আচৰিত নহৈ নোৱাৰিলো। মানুহ বেছি হৈ অহাৰ লগে লগে ভিৰৰ মাজৰপৰা যি অশ্লীল শব্দ! পাছত এনেকুৱা এটা পৰিস্থিতিৰ উদ্ভৱ হ'ল যে পুলিছ আহিও অৱস্থা নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে। কৰ্মচাৰীজনে (চালানৰ টকা লোৱা) পৰিস্থিতি দেখি চালান নলওঁ বুলি কোৱাত, লগে লগে ভিৰৰ মাজৰ পৰা যি অশ্লীল শব্দেৰে কোনোবাই চিঞৰি উঠিল যে আমি যেন এখন অসভ্য ৰাজ্যতহে বাস কৰিছোঁ।

এতিয়া প্ৰশ্ন হ'ল, সেইসকল যুৱক প্ৰাথমিক বা মজলীয়া বিদ্যালয়ৰ শিক্ষক পদৰ বাবে যোগ্য প্ৰাৰ্থী নে? বৰ্তমান আমাৰ ছাত্ৰী-ছাত্ৰীসকল যে বেয়া হৈছে, তাৰ এটা কাৰণ ইয়ো নহয় বুলি ক'ব নোৱাৰি।

—লোহিত হাজৰিকা,
তিতাবৰ তিনিআলি

## ভাং—ধ্যান

অসমত মাদকদ্ৰব্যৰ ব্যৱহাৰ দিনে দিনে শংকাজনকভাৱে বাঢ়ি অহাটোলৈ লক্ষ্য ৰাখি অসমৰ এটা সময়ৰ কথা মনলৈ আহিছে। এটা সময়ত অসম কানীয়াৰ দেশ নামেৰে জনাজাত আছিল। কানীৰ ধোঁৱে অসমীয়া সৰ্বসাধাৰণ ৰাইজৰ স্বাস্থ্য, সম্পদ উটুৱাই লৈ গৈছিল। অৱশ্যে বৰ্তমান ইয়াৰ প্ৰচলন বিশেষ নাই যদিও একেবাৰে লোপ পোৱা নাই। এতিয়া অসমক ভাঙৰ ধোঁৱে ধোঁৱাইছে। ইয়াৰ প্ৰচলন বাঢ়কৈয়ে বাঢ়িছে। শিৱস্থানৰ সংখ্যা বাঢ়িছে। ভাল কথা। কিন্তু শিৱস্থান বুলিলেই ৰাতিপুৱাৰপৰা ৰাতিলৈকে এজাক মানুহে ভাঙৰ চিলিমত ধৰি থকাকে বুজায়। এই কামে ভগৱানক সেৱা কৰা বুজায়। প্ৰায়বোৰ লোকেই শিৱস্থানক ভাং খোৱাৰ থলী হিচাপেহে ব্যৱহাৰ কৰিছে। ফলত বেছিভাগলোকেই নিজৰ স্বাস্থ্য হেৰুৱাইছে, ঘৰত কন্দল বঢ়াইছে। শিৱস্থানৰ প্ৰকৃত চৰিত্ৰ এনেলোকে উপলব্ধি কৰা নাই। অলপতে এজন শিক্ষিত যুৱকে কোৱামতে, আজিকালি যিজন ছাত্ৰই মদ-ভাং বেছি খায়, তেৱেঁই জনপ্ৰিয় 'বছ' হৈ পৰে। তদুপৰি নোখোৱাজন ঠাট্টা-মস্কৰাৰ সন্মুখীন হৈ পৰে। ফলত মদ-ভাং খোৱা লোকৰ সংখ্যা বাঢ়ে। বিবাহ উৎসৱ আদিত মদ-ভাং খাই অশান্তিৰ সৃষ্টি কৰা লোকৰ সংখ্যা কম নহয়। এইবোৰ কিহৰ লক্ষণ? অসম আকৌ "কানীয়াৰ দেশ"ৰ পৰা "ভঙুৱাৰ দেশ"লৈ আগবঢ়া নাই জানো?

—উৎপল বৰা,

## "অসমত সংবাদপত্ৰ প্ৰকাশৰ উদ্যম"

শ্ৰীপ্ৰসন্ন কুমাৰ ফুকনদেৱে অসমত সংবাদপত্ৰ সম্পৰ্কীয় চমু সমীক্ষাটোত (১।৬।৮৬) বৰ্তমানৰ দৰংজিলাখনক বাদ দি গ'ল। অসংখ্য আলোচনী আৰু বাতৰিকাকত এই অঞ্চলটোত প্ৰকাশিত হৈছে আৰু সময়ে সময়ে সেইবোৰৰ মৃত্যু ঘটিছে। মই তাৰে দুখনমানৰ কথা উল্লেখ কৰিব খুজিছোঁ।

১৯৪৯ চনত মঙলদৈৰপৰা এই লেখকৰ পিতৃদেৱ শ্ৰীগোবিন্দ ৰাম ডেকা আৰু পেহীদেউ শ্ৰীমতী লক্ষেশ্বৰী ডেকাৰ যুটীয়া সম্পাদনাত জাগৃতি নামৰ এখন মাহেকীয়া আলোচনী প্ৰকাশিত হৈছিল। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে সম্পাদকলৈ এখন চিঠিত লিখিছিল, "বৰ্তমান জাতিৰ সাংস্কৃতিক জীৱন গঢ়ি তুলিবলৈ আমাৰ দেশত কাকত-পত্ৰৰ …অভাৱ। এনে সময়ত আপোনাৰ চেষ্টা সঁচাকৈয়ে শলাগিব লগীয়া।" ইয়াৰ উপৰিও শিশু আলোচনী কাঁচিজোন (১৯৫১-৬৪, সম্পাদক এম ইব্ৰাহীম আলি), তফজুল আলিৰ সঙ্গম, সমৰেন্দ্ৰ নাৰায়ণ দেৱৰ প্ৰতিশ্ৰুতি আৰু সুন্দৰম (১৯৬৮-৭৪) উল্লেখযোগ্য। বড়ো সাহিত্য সভাৰ সম্পাদক শ্ৰীবিষ্ণুৰাম বড়োৰ সম্পাদনাত বনজাৰ (১৯৭২) নামে বড়োভাষাত এখন কাকত প্ৰকাশিত হৈছিল। উল্লেখযোগ্য, বৰ্তমানৰ অগ্ৰদূত (তিনিদিনীয়া) কাকতৰ জন্ম পষেকীয়া হিচাপে মঙলদৈত (১৯৭১)।

জয়ন্ত ডেকা, মঙলদৈ

### দুই

প্ৰবন্ধটোত উনেছ শতিকাৰ কেইখনমান আলোচনী বাদ পৰি যোৱা বাবে, আৰু ভৱিষ্যতলৈ শ্ৰীফুকন দেৱৰ সুবিধাৰ বাবে কিছু কথা সংযোগ কৰাৰ প্ৰয়োজন বোধ কৰিলো। 'ল'ৰা বন্ধু' (১৮৮৮ সম্পাদক, কৰুণাভিৰাম বৰুৱা), 'বিজুলী' ১৮৯০ সম্পাদক, কৃষ্ণপ্ৰসাদ বৰুৱা), 'পখিলা' আৰু 'ৰংঘৰ' ১৯২৩, ১৯৪৮ সম্পাদক, হৰেন্দ্ৰনাথ শৰ্মা), 'অৰুণ' (১৯২৬ সম্পাদক, মহাদেৱ শৰ্মা), 'পাৰিজাত' (১৯৪০ সম্পাদক, দীননাথ শৰ্মা), 'কাঁচিজোন' (১৯৫১ সম্পাদক, এম· ইব্ৰাহীম আলি), 'ন-জেউতি' (১৯৬৫ সম্পাদক, হলধৰ শৰ্মা), 'দীপক' (১৯৫৪-৬৬), জোনবাই (১৯৬১-৭০),—এই কেইখন আলোচনীৰ নামো সন্নিবিষ্ট কৰিব লাগে। তদুপৰি, গুৱাহাটীৰপৰা প্ৰকাশিত মাহেকীয়া 'বিস্ময়' আলোচনীখনৰ প্ৰকাশ বছৰ ১৯৭১ চনৰ সলনি ১৯৬৯ (জানুৱাৰী) হ'ব লাগিছিল।

মাণিক দেউৰী,
লাংহিন তিনিআলি কাৰবি আংলং।

## বান্দৰৰ তীৰ্থদৰ্শন ?

অসমৰ শাক্ত-ধৰ্মানুষ্ঠানসমূহৰ ভিতৰত অন্যতম ডুবিৰ পৰিহৰেশ্বৰ দেৱালয়ৰ বিষয়ে সকলোৱে জানে। এই ডুবি গাঁৱৰ উত্তৰ দিশত আমাৰ গাঁওখন। ইয়ালৈ উত্তৰপিনৰ পৰা প্ৰতিবছৰে বছৰটোৰ মাঘ মাহৰপৰা বহাগ মাহৰ ভিতৰত এটা হনুমান বান্দৰ আহে। এই অঞ্চল বা ইয়াৰ ওচৰে-পাজৰে বান্দৰ নোহোৱা বাবে বান্দৰ দেখিবলৈ নোপোৱা সৰু সৰু ল'ৰা-ছোৱালীবোৰে আনন্দতে কিৰিলি পাৰি বান্দৰটোৰ পিছে পিছে দৌৰি ফুৰে। আমিও সৰুতে বান্দৰটোৰ পিছে পিছে তেনেকৈ দৌৰি ফুৰিছিলো। তেতিয়াৰেপৰা বান্দৰটো প্ৰতিবছৰে অহা নিজ চকুৰে দেখিছোঁ।

এতিয়া কথা হ'ল, একেটা (?) বান্দৰ প্ৰতিবছৰে দুই তিনিদিনৰ কাৰণে এই অঞ্চললৈ আহে কিয়? বুঢ়াসকলে কয়, বুঢ়াগোঁসাইক দৰ্শন কৰিবলৈ অহা বুলি। (ইয়াৰ মানুহে পৰিহৰেশ্বৰ দেৱালয়ক বুঢ়াগোঁসাইৰ ঘৰ বোলে)। বান্দৰটোৱে উত্তৰৰ পৰা আহি আমাৰ গাঁৱত দেখা দি দক্ষিণলৈ যায় আৰু তাৰ এদিন বা দুদিন পাছত আমাৰ গাঁৱৰ মানুহৰ বাৰীৰ গছ বগাই পুনৰ উত্তৰলৈ উভতি যায়। কিন্তু বুঢ়াগোঁসাইক দৰ্শন কৰে নে নকৰে সেই কথা গোঁসাইঘৰৰ কৰ্মকৰ্তাসকলে ক'ব নোৱাৰে। সেইকাৰণে বুঢ়াসকলৰ এইকথা সঁচা নে মিছা কোৱা টান।

চৰাইৰ দৰে বান্দৰেও প্ৰব্ৰজন কৰে বুলি আমি নাজানো। কৰিলেও এটা বান্দৰে অকলশৰীয়াভাৱে, মাত্ৰ দুই তিনি দিনৰ বাবে প্ৰব্ৰজন কৰেনে? নে বয়স্কসকলৰ কথাই সঁচা?

—দামোদৰ দাস,
গাড়ীসত্ৰ, পাঠশালা

## বিষ্টুৰাম

প্ৰান্তিকত এগৰাকী গৱেষক বন্ধুৱে গুৱাহাটী নবীনবৰদলৈ হল লাইব্ৰেৰিৰ কথা লিখিছে। সেইখিনি পঢ়ি মই তাহানিৰ (পঞ্চম দশকৰ) যোৰহাট বিষ্টুৰাম বৰুৱা লাইব্ৰেৰিৰ কথা এষাৰ লিখিলো। দ্বিতীয় মহাসমৰৰ কালত বিষ্টুৰাম হল সৈন্যবিভাগে লোৱাত কিতাপৰ আলমাৰিকেইটা উকীল থানাৰ কোঠালি এটালৈ নিয়া হ'ল। তাত মুঠতে এহেজাৰ কি দহ কিতাপ আছিল আৰু ভালেখিনি মূল্যবান কিতাপ আছিল; আৰু বন্ধাই থোৱা পত্ৰিকাও আছিল। ১৯৪৪ চনত মই নগাঁৱলৈ আহোঁ। তাৰপাছত এবাৰ ৫১-৫২ চনমানত যোৰহাটলৈ যাওঁতে তাৰ একো চিনচাব পোৱা নগ'ল। নতুনকৈ চৰকাৰে পতা জিলা লাইব্ৰেৰিয়ে একো কব নোৱাৰিলে। উকীলথানাৰ ঘৰৰপৰা সেই কিতাপবোৰৰ ক'ত হৰমোহন দিলে, কোনে কব? অতি বুঢ়া উকীল দুই এজন আছে, তেখেতসকলে অনেক কথা পাহৰি গ'ল। আমাৰ সমনীয়া দুই এজন উকীল আছে, তেখেতসকলে কিবা ক'ব পাৰে নে কি? যোৰহাটৰ বন্ধুছাত্ৰসকলে কথাটোৰ গম লবচোন। গোটেই কিতাপবোৰ ক'ত লীন হ'ল?

—যজ্ঞেশ্বৰ শৰ্মা, প্ৰাক্তন অধ্যাপক,
জগন্নাথ বৰুৱা মহাবিদ্যালয়, নগাঁও

## গুৱাহাটী বিশ্ববিদ্যালয় আৰু কুমৰ হৰণ

কোনো ছাত্ৰ-ছাত্ৰীৰ মাজত ভুল ধাৰণা, মই বি· এ অনাৰ্ছৰ ইংৰাজী আৰু অসমীয়াৰ প্ৰশ্ন কাটোঁ। সিমান গুণ-গৰিমা মোৰ গাত নাই বুলি জানিবই লাগে, তথাপি অলপতে অসমীয়া অনাৰ্ছৰ প্ৰথম খণ্ডৰ (নতুন ক'ৰ্ছ) দুই-চাৰি পৰীক্ষাৰ্থী মোৰ ওচৰলৈ ইটো-সিটো সুধিবলৈ আহিছিল। প্ৰথম পত্ৰৰ বক্ৰবাহু যুদ্ধ পাবলৈকে নাই। মোৰ হাতত,

কেইটামান পাত আছিল, তাকে দিলো। তাৰ লগতে কুমৰ হৰণ কাব্যৰ কথা কলে। ড° কাকতীৰ কুমৰ হৰণৰ পাতনিৰ কথা এওঁলোকে শুনাই নাই। অৱশ্যে ড° কাকতীৰ পাতনি সত্ত্বেও ক'ব লাগিব যে কুমৰ হৰণ কাব্য আহোমৰ ৰাজত্বৰ শেষৰ ফালে চন্দ্ৰ ভাৰতীৰ নামৰ আঁৰত কোনোবা কবিয়ে কামকুমাৰ হৰণ নামৰ সংকৰ নাটকৰ গীতৰ তাল বান্ধি ৰচনা কৰা শৃংগাৰ-ৰসাশ্ৰিত কবিতা পুথি। বৈষ্ণৱসাহিত্যৰ যুগ বস্তু 'ভক্তি'ৰ নামমাত্ৰ ইয়াত নাই। কাব্যৰ প্ৰথমতে দুৰ্গা শিৱ বিষ্ণুৰ বন্দনা— শিৱসাগৰ পুখুৰীৰপাৰৰ তিনটা দ'লৰ দেৱতাৰ প্ৰতি প্ৰণতি। সেই সময়ৰ আহোম ৰাজ-সভাৰ প্ৰিয় শৃংগাৰ শাস্ত্ৰত স্নান-পান-আচ-মন-ৰমন কৰি ওপঙি আৰু তল গৈ থকা কবি আৰু শ্ৰোতাৰ মন তুষ্ট কৰা কুমৰহৰণ কাব্য। কৃষ্ণ গোঁসাইৰ নাতি অনিৰুদ্ধৰ ব্যৱহাৰ চিত্ৰ লেখাৰ প্ৰতি কেনে? চিত্ৰ লেখাৰ ৰঙ্গাৰঢ়াও আহোম ৰজাসকলৰ খানা।

মহাপুৰুষ শংকৰদেৱে পীতাম্বৰ কবিক কামৰসৰ কবি বুলি নিন্দা কৰিছিল। মহা-পুৰুষৰ উচ্ছিষ্ট বিচৰা কৰিব পক্ষে এনে কাব্য অৰ্থাৎ কুমৰ হৰণ ৰচনা সম্ভৱ নে? কুমৰ হৰণৰ বাহিৰে সেই যুগত আন কাব্য ৰচনা হোৱা নাছিল নে? কুমৰ হৰণৰ নিৰ্বাচনে স্নাতকোত্তৰ পুথিবছা সমিতিৰ নিৰংকুশ অজ্ঞতা প্ৰমাণ কৰিলে। অসমীয়া সাহিত্যৰ প্ৰতি এয়া বিশ্ববিদ্যালয়ে কৰা অপমান। নাক কটা!!

—হোমেশ্বৰ শৰ্মা পাঠক,
জালুকবাৰী

## স্বীকৃতি আৰু কৃতজ্ঞতা

ড° দিলীপ দত্তৰ "ফলি লোৱা বুৰঞ্জী" (১৯৮৬ চনৰ ফেব্ৰুৱাৰীত প্ৰকাশিত) শীৰ্ষক পুথিখন পঢ়ি বৰ ভাল লাগিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্মৰ লগত জড়িত বহু কথা তথ্যসহ ড° দত্তই বৰ ৰসালভাৱে বৰ্ণনা কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য স্বৰ্গীয় ফণীধৰ দত্তদেৱৰ সংঘাতময়, বৈচিত্ৰ্যময় জীৱনৰ কথাবোৰ সঁচাকৈয়ে উপন্যাসৰ দৰেই বৰ্ণনা কৰা হৈছে।

এই চিঠিখন লিখাৰ মুখ্য উদ্দেশ্য হ'ল: কিছুদিন আগেয়ে অসম চৰকাৰে কটন কলেজৰ প্ৰশাসনীয় ভৱনক, মাণিক চন্দ্ৰ বৰুৱা প্ৰশাসনীয় ভৱন, ইউনিয়ন হলক কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা প্ৰেক্ষাগৃহ আৰু ছাত্ৰাবাস/ছাত্ৰীবাসবোৰক বিভিন্ন স্মৰণীয় ব্যক্তিৰ নামেৰে নামকৰণ কৰিছে। তেনে-দৰে, গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষলৈ আমাৰ অনুৰোধ: উক্ত বিশ্ববিদ্যালয়ৰ এজন অক্লান্ত আৰু সুদক্ষ কৰ্মী স্বৰ্গীয় ফণীধৰ দত্তৰ নামেৰে বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় ভৱনটি নামকৰণ কৰা হওক। উক্ত বিশ্ব-বিদ্যালয়ৰ কিছু ছাত্ৰাবাস, প্ৰেক্ষাগৃহটো, পুথিভঁৰালটো ইতিমধ্যে নামকৰণ কৰা হৈছেই। প্ৰশাসনীয় ভৱনটো এতিয়ালৈকে কোনো ব্যক্তিৰ নামত নামকৰণ কৰা হোৱা নাই। এইটো দত্ত দেৱৰ নামেৰে নামকৰণ কৰিলে এগৰাকী নিষ্ঠাবান আৰু সৎ ব্যক্তিক মৰণোত্তৰভাৱে কৃতজ্ঞতা জনোৱা হ'ব বুলি আমাৰ ধাৰণা।

—শিশিৰ কুমাৰ দাস,
শাশ্বতী বৰুৱা, গুৱাহাটী

## বিদেশীৰ সংজ্ঞা

শ্ৰীকুলদীপ নায়াৰৰ নিবন্ধত (১৫।৭।৮৬) অসম চৰকাৰৰ বিদেশী সম্পৰ্কত দৃষ্টি-ভংগীৰ বিষয়ে কিছু কথা কোৱা হৈছে। ইয়াৰ সপক্ষে-বিপক্ষে আপুনি পত্ৰ আহ্বান কৰিলেও মই একো ক'ব খোজা নাই। কাৰণ এই কথা চৰকাৰেই কোৱা উচিত।

২৫ জুলাই সংখ্যাৰ 'জনমভূমি'ত বিদেশী চিনাক্তকৰণৰ কাম চলি থকা বুলি এটা বাতৰি পৰিসংখ্যাৰে সৈতে ওলাইছে। এই বিষয়েও মোৰ ক'ব লগা একো নাই।

মই মাত্ৰ কিছু তথ্য আপোনালৈ পঠালো। আপুনি প্ৰকাশ কৰিলে ভাল পাম। যোৱা প্ৰায় এমাহ শিৱসাগৰত এটা পুলিচৰ অভিযান চলিছে। কিছুমান মানুহক মাটিৰ পট্টা আদি দেখুৱাই তেওঁলোক যে ভাৰতীয় সেইটো সাব্যস্ত কৰিবলৈ আহ্বান জনোৱা হৈছে। এই কাম পুলিচে কি সূত্ৰে, কেনেকৈ, কিয়, কৰিছে জনা নাযায়। মানুহক যথেষ্ট আমনি দিয়া হৈছে। মই আপোনাৰ জ্ঞাতাৰ্থে অনেকৰ মাজৰ দুই-চাৰিটা পৰিয়ালৰ কথা উল্লেখ কৰিলো।

১। মৃত ৰহমতউদ্দৌলাৰ পৰিয়াল। দৌল্লা পৰিয়ালৰ কথা আটায়ে জানে।

২। মৃত আলহাজ্ব ড° নুৰুল হুদাৰ পৰি-য়াল। অসমৰ প্ৰাচীনতম মুছলিম পৰিয়ালৰ অন্যতম।

৩। মঃ লুৎফুল্লাৰ পৰিয়াল। একালৰ অসম সাহিত্য সভাৰ সুখ্যাত কৰ্মী মুহিবুল্লাৰ ভতিজাক; খ্যাতনামা কেফায়ৎ উল্লাৰ পুত্ৰ।

৪। শ্ৰীযুতা তাৰা বেগমৰ পৰিয়াল। শ্ৰীযুতা তাৰা বেগম ডঃ ময়িদুল ইছলাম বড়াৰ বিধৱা। নুৰ-মফিচউত্তৰ কথা এৰিছোঁৱেই।

—ইনাম আলি,
শিৱসাগৰ

## আমাৰ শিক্ষাৰ প্ৰতিবন্ধক মদ

যোৱা ১-১৫ মে '৮৬ সংখ্যাৰ প্ৰান্তিকত শ্ৰীগুৰুপ্ৰসাদ ৰাভাৰ "আমাৰ শিক্ষাৰ প্ৰতিবন্ধক মদ" শীৰ্ষক চিঠিখন পঢ়ি দুটামান কথা লিখিলো।

মই আহ্বান জনাইছোঁ— জনজাতীয় ভাই-ভনীসকলক,—ৰাজনৈতিকভাৱে শক্তি-শালী হৈ উঠাৰ লগতে বা আগতে সামা-জিকভাৱে শক্তিশালী হৈ উঠক। মদৰ টেকেলি নহ'লে বিয়া নোহোৱা বা অসন্মান হোৱা,— এনে ব্যৱস্থাবোৰ ধ্বংস কৰক। আমাক ইটো লাগে, আমাক সিটো লাগে, —এনে চিন্তাবোৰ বাদ দি, নিজৰ ঘৰৰ, নিজৰ গাৱঁৰ "টেকেলি নিধন পৰ্ব"ৰ সূচনা কৰক। শ্ৰীৰাভা, কথাটো মন কৰক।

একে সংখ্যা প্ৰান্তিকত শ্ৰীনৰেশ ৰাজ-খোৱাৰ "উত্তৰ পূৱ-ভাৰতত মাদক দ্ৰব্য সেৱন" শীৰ্ষক প্ৰবন্ধত লিখা—"মাদক দ্ৰব্য সেৱন কৰাটো আমাৰ উত্তৰ-পূৰ্বাঞ্চলত, বিশেষকৈ জনজাতীয় লোকসকলৰ মাজত এটা সামাজিক আৰু ধৰ্মীয় প্ৰথা।"— কথা-ষাৰ ভৱিষ্যতে মিছা বুলি প্ৰমাণ কৰিবলৈ আগুৱাই আহক।

শ্ৰীৰাভা, অভিযান আৰম্ভ কৰক। প্ৰতিটো মুহূৰ্ত্তত আপুনি মোৰ সহায় পাব। নহ'লে চাব, ভৱিষ্যতৰ ৰাজসভা আৰু টেকেলি-শোভাৰ মাজত পাৰ্থক্য একো নাথাকিব। নৱকৃষ্ণ ব্ৰহ্ম, আপাৰ বাবুপাৰা, তুৰা, পশ্চিম গাৰোপাহাৰ

## মাছৰ তেলত ভজা মাছ

আমাৰ এটা ব্যক্তিগত কথা। এমাহত পঞ্চাছখন প্ৰান্তিকৰ (এবাৰত ২৫ খনকৈ দুবাৰত) মুঠ দাম দুশ টকা। তাৰ কমিছন পাওঁ ২৫% হিচাপত পঞ্চাছ টকা। মোৰ নিজৰ দুখন প্ৰান্তিক বিনামূলীয়া হয়। (৫০ খনৰ ভিতৰৰে)। আৰু কমিছনৰ পইচাৰে অগ্ৰদূত, প্ৰকাশ, স্পৰ্টছ উইক, আজিৰ সময়, কেইখন নিয়মীয়াকৈ নিজৰ গাঁঠিৰ ধন নভঙাকৈ পঢ়িবলৈ পাওঁ।

—পবিত্ৰ খাটনিয়াৰ, ভিতৰুৱাল

## বিধবাৰ আহাৰ

ব্ৰাহ্মণ সম্প্ৰদায়ৰ প্ৰচলিত এটা নিয়ম হৈছে স্বামীৰ মৃত্যুৰ লগে লগে পত্নীয়ে নিৰামিষ আহাৰ খাব লাগে। এই নিয়ম বেছিভাগ পত্নীয়ে মানে। কিন্তু ইয়াৰ অৰ্থ কি? যুক্তি কি? পুৰুষৰ ক্ষেত্ৰততো এই নিয়ম নাই! ভাৰতবৰ্ষত বহুতো সম্প্ৰদায় আছে যি সম্প্ৰদায়ৰ লোকে নিৰামিষ আহাৰ খায়। তেওঁলোকৰ ডেকা, বুঢ়া, ল'ৰা সকলোৱেই খায়। সেইসকলক মই আমিষ আহাৰ খাবলৈ কোৱা নাই। কিন্তু সদায় আমিষ আহাৰ খাই থকা এগৰাকী তিৰোতাই স্বামীৰ মৃত্যুৰ লগে লগে নিৰামিষ খাবলৈ আৰম্ভ কৰাৰ কাৰণ কি? একেটা কোঠাতে আমি মাছ, মাংস, কণীৰে ভাত খাওঁ, মোৰ বিধবা আইতা, বৰমা আৰু পেহীয়ে পিয়াঁজ নোহোৱা দাইলেৰে ভাত খায়। কাৰণ মোৰ ককা বৰদেউতা আৰু পেহাৰ মৃত্যু হ'ল। ককা, বৰদেউতা, পেহা জীয়াই থকা দিনালৈকে এখেতসকলে মাছ মাংসৰে ভাত খাইছিল আৰু জীয়াই থকা হ'লে খায়েই থাকিলহেঁতেন।

আমাৰ অসমীয়া সমাজত কিছুমান পুৰণি প্ৰচলিত নীতি নিয়মৰ বিজ্ঞান সম্মত যুক্তি আছে সেইবোৰ আমি মানি থাকিম। কিন্তু কিছুমানৰ নাই। সেইবোৰ আমি মনা উচিত নহয়। তেনেহলে যিসকল তিৰোতাই নিজ ইচ্ছাই মাছ-মাংস এৰে, তেখেতসকলৰ বিষয়ে আমি একো নকওঁ, কিন্তু কাকো "নিয়ম"ৰ হেঁচাত বাধ্য কৰাব নালাগে।

—বিস্মিতা খাউণ্ড, যোৰহাট

## বটলব্ৰাছ আৰু কেন্সাৰৰোগ

অসম চৰকাৰৰ বনবিভাগে সামাজিক বনানীকৰণ আঁচনি অনুসৰি অসমৰ বিভিন্ন ঠাইত বৃক্ষৰোপন কৰিছে। এই গছবিলাকৰ ভিতৰত বটলব্ৰাছ অন্যতম। বিভিন্ন অনু-ষ্ঠান-প্ৰতিষ্ঠান, ঘৰ আদিত এই গছবোৰ ৰোৱা হৈছে। এইখিনিতে মনকৰিবলগীয়া কথা এয়ে যে, এই গছবোৰৰ বাবে কেন্সাৰ ৰোগ হয় বুলি মানুহে এতিয়া সেইবোৰ কাটি পেলাইছে। মই মোৰ ঘৰত দহ জোপা বটলব্ৰাছ কইছিলো, আৰু এতিয়া গছবোৰ যথেষ্ট ডাঙৰ হৈছে। মোক বহুত মানুহে সেই গছবোৰৰপৰা কেন্সাৰ ৰোগ হয় বুলি কৈ কাটি পেলাবলৈ কৈছে।

ৰাইজৰ এই বিশ্বাস আঁতৰাবলৈ মই প্ৰান্তিকৰ জৰিয়তে অসম চৰকাৰৰ বনবিভা-গক এটা বিবৃতি দিবলৈ অনুৰোধ জনালো।

দিব্যজ্যোতি দুৱৰা,
পানবাৰী মাজগাঁও, নাৰায়ণপুৰ

## অকৃতজ্ঞ

অলপতে উত্তৰ গুৱাহাটীলৈ গৈছিলোঁ। সেই ঐতিহাসিক, অসম গৌৰৱ উত্তৰ গুৱাহাটী য'ত পণ্ডিত আনন্দৰাম বৰুৱাৰ দৰে মনীষীৰ জন্ম হৈছিল। সেই আনন্দৰাম বৰুৱাৰ বাসগৃহ আজিলৈকে সংগ্ৰহালয় নহ'ল। আনন্দৰাম বৰুৱাৰ নামত এটা গৱেষণা কেন্দ্ৰ নহ'ল। এনেবোৰ কথাকেই গভীৰ আক্ষেপেৰে ভাবি ভাবি গৈ আছিলোঁ।

অভয়পুৰ পালোঁ। পোনে পোনে গ'লে উত্তৰ গুৱাহাটি মহাবিদ্যালয় পায়। সোঁ ফালে তাহানিৰ ঐতিহাসিক মোমাইকটা গড়টো আছিল হাবি-বননিৰে ভৰি। গড়টোৰ ওপৰতে কেইবছৰমান আগেয়ে সজা 'বেংক অৱ ইণ্ডিয়া'ৰ ঘৰটো। বিস্ময় আৰু বেদনাত আহত হলোঁ। গড়টো কোনোবাই কাটি সমান কৰিছে,—মাত্ৰ কিমান মাটি কাটিছে তাৰ জোখৰ বাবে মাটিৰ সৰু সৰু ঢিপ কেইটামান আছে!

জালুকবাৰীতো আমি এই অৱস্থাই দেখিলোঁ। ঐতিহাসিক মোমাইকটাগড়ৰ ওপৰত কোনোবাই কাৰখানা খুলিছে, কোনোবাই স্কুল সাজিছে, কোনোবাই দোকান দিছে, কোনোবাই থকা ঘৰ সাজিছে!

—শংকৰ শইকীয়া, দদৰা

## এখন পুৰণি ছবি আৰু এটি বিশেষ অনুৰোধ

প্ৰান্তিক'ত ধাৰাবাহিক ৰূপে প্ৰকাশ হৈ যোৱা অধ্যাপক ড° মহেশ্বৰ নেওগ দেৱৰ 'জীৱনৰ দীঘ আৰু বাণি'ৰ একৈছ নম্বৰ অধ্যায়ত (১৬।১।৮৫ জানুৱাৰী, ১৯৮৫) এইটি সোঁৱৰণ আছে: "... ৩১ জানুৱাৰী ১৯৪৫ ৰ দিনা শিৱসাগৰ এৰিলোৱেই আৰু ২ ফেব্ৰুৱাৰীত মৰিয়নীত ৰেলত উঠি পাছদিনা পুৱা গুৱাহাটী পালো-হিয়েই। পায়ে অধ্যাপক বিৰিঞ্চি কুমাৰ বৰুৱাৰ পুৰণি ঘৰতে (বৰ্তমান ঘৰৰ ঠাইতে) উঠিলো। দেৱকান্ত বৰুৱা আৰু ভোলা বৰুৱা কলেজৰ অধ্যক্ষৰূপে কিছুদিন আগতে যোগ দিয়া হেমবৰুৱাও তাতে আছিল। চাৰি তাৰিখৰ দিনা আৰ্মিৰ লিয়েঁজ অফিচাৰ সচ্চিদানন্দ ৱাৎসায়নৰ (হিন্দী সাহিত্যৰ বিশ্ৰুত 'অজ্ঞেয়' আৰু পাছত জ্ঞানপীঠ পুৰস্কাৰলব্ধ সাহিত্যকাৰ) গাড়ীত উঠি অধ্যাপক বৰুৱা, দেৱকান্ত বৰুৱা আৰু হেমবৰুৱা, তদুপৰি ৰবীন্দ্ৰনাথ বৰুৱা আৰু ধ্ৰুৱকুমাৰ বৰুৱা (অধ্যাপক বৰুৱাৰ ভতিজা) আৰু মই —এই সকলোৱে মিলি ৱশিষ্ঠাশ্ৰমত লগ [লাগি] চাহজলপান খালোঁগৈ। ..."

সেই দিনটোতে উক্ত লোকসকলক লৈ—আৰু সম্ভৱত কবি সাহিত্যিক ৱাৎসায়নেই তোলা— ৪ × ৫ ছেঃ মিঃ জোখৰ নাওমান, তেনেই নিস্তেজ ছবি এডোখন পুৰণি পেৰাৰ পৰা উলিয়াই আমি বহু কষ্টেৰে ডাঙৰ কৰোৱাই 'প্ৰান্তিক'লৈ বুলি পঠিয়ালো; লগতে এটা অনুৰোধ গাঠি দি: ১৯৪৮ চনত শান্তিনিকেতনত পঢ়ি থাকোঁতে হঠাৎ পৰলোক হোৱা ধ্ৰুৱকুমাৰ বৰুৱাৰ বিষয়ে তেওঁৰ স্কুলীয়া বা কলেজীয়া সহপাঠীৰ, বা তেওঁক জনা আন কাৰোবাৰ কিবা বিশেষ ক'ব লগীয়া কথা থাকিলে অনুগ্ৰহ কৰি আমাক প্ৰান্তিকৰ ঠিকনাত জনাবনে? তেওঁ আছিল নগাঁৱৰ সমাজ-সেৱক স্বৰ্গীয় ড° ললিত কুমাৰ বৰুৱাৰ পুত্ৰ। আমি স্বৰ্গীয় ড° বৰুৱা সম্পৰ্কে এখনি পুথি যুগুতাব লাগিছো।

লগৰ ছবিখনৰ লোকসকল (ওপৰৰ পৰা তললৈ আৰু বাওঁ ফালৰ পৰা) ধ্ৰুৱকুমাৰ বৰুৱা, মহেশ্বৰ নেওগ আৰু হেম বৰুৱা (গছৰ ডালত বহি), ৰবীন্দ্ৰ নাথ বৰুৱা আৰু দেৱকান্ত বৰুৱা, আৰু একেবাৰে তলত বিৰিঞ্চি কুমাৰ বৰুৱা।

—নিৰোদ কুমাৰ বৰুৱা,
ক'লন, পশ্চিম জাৰ্মেনি,
২১ জুলাই, ১৯৮৬







OKDISCD

## স্বপ্ন দেখাৰ সময় নাই ! ৰাজীৱ গান্ধী ? কোন তেওঁ ?

স্বপ্ন ? অসম্ভৱ ! স্বপ্ন দেখাৰ সময় নাই। মোৰ পাচোটা ল'ৰা-ছোৱালীৰ বাবে মই গোটেই দিনটো হাড় ভঙা শ্ৰম কৰো। মোৰ উপাৰ্জন যথেষ্ট নহয়। আপুনি ভাবে নেকি মোৰ দৰে মানুহ সুখী হ'ব পাৰে বুলি ? এই দেশত দুখীয়াৰ কোনো স্থান নাই। [এজন পানী-পুৰী বিক্ৰী কৰি ফুৰা মানুহ]।

পৰ্যটকসকলে যেতিয়া ইমামবাৰাৰ জাকজমকপূৰ্ণ শোভাৰ বিষয়ে কয় মোৰ তেতিয়া উশাহ বন্ধ হৈ যোৱা যেন লাগে। মই এনে এজন মহান লোকৰ স্বপ্ন দেখো যি এদিন আহি বিলাস বহুল ঘৰ-দুৱাৰ সজাৰ পৰিবৰ্তে আমাৰ চকুলো মচি দিবহি। [এজন গাইড]।

মোৰ বাবে স্বাধীনতাৰ কোনো অৰ্থ নাই। মোৰ সকলো আশাৰ মুদা মৰিছে। এই চৰকাৰৰ ওপৰতো মোৰ বিশ্বাস নাই। [এজন পিয়ন]।

মোৰ লক্ষ্য এটাই— এই দেশত সৰ্বাত্মক বিপ্লৱ ঘটোৱা। এজন ইঞ্জিনিয়াৰ বা ডাক্তৰ হোৱাৰ বুৰ্জোৱা আকাংক্ষা মোৰ নাই। মই নক্সালপন্থী ৰাজনীতিৰ যোগেদি সমাজ ব্যৱস্থাটো ওলটপালট কৰি দি নকৈ সজাব খোজো। [এজন নক্সালপন্থী ছাত্ৰ]।

মই পেটত ভোক লৈ ৰাতি বিচনাত পৰিবলৈ ঘিণ কৰো। সেই দেখি মোৰ একমাত্ৰ স্বপ্ন দিনটোত দুসাজ ভাতৰ যোগাৰ কৰা। ভাৰত-ফাৰত লৈ মই মূৰ নঘমাওঁ। ৰাজীৱ গান্ধী ? মই কেতিয়াও সেইজন মানুহৰ বিষয়ে শুনা নাই। [ৰেলত গান গাই জীৱিকা নিৰ্বাহ কৰা এজন ডেকা]।

[সৰ্বসাধাৰণ মানুহৰ আশা-আকাংক্ষা-স্বপ্ন : 'দি ইলাষ্ট্ৰেটেড উইকলী'ৰপৰা]

## কোনে জানে মেকুৰীয়ে কেনি জাপ মাৰিব !

ভুলেই হওক বা ঠিকেই হওক, ইতিহাসক আগুৱাই লৈ যোৱাৰ সংকল্প লৈ সংসদত আমাৰ কাম আছে। চিকিৎসাৰ উন্নতিৰ ফলত ৰক্তপাত নোহোৱাকৈ শিশু জন্ম যেতিয়া সম্ভৱ, তেতিয়া জগত জুৰি সমাজবাদৰ প্ৰসাৰত আৰু জনজাগৃতিৰ বিস্তাৰৰ ফলত ৰক্তক্ষয়ী বিপ্লৱ অবিহনে অন্য পথেদি প্ৰকৃত প্ৰগতি সম্ভৱ হয় নে নহয় তাৰ জবাব দিব ইতিহাসে। ইতিমধ্যে এইখন দেশৰ পৰম্পৰাত পাৰ্লামেণ্টৰ দৰে ৰাজনৈতিক প্ৰকৰণৰ প্ৰকৃষ্ট ব্যৱহাৰো যে আৱশ্যিক সেই বিষয়ত সন্দেহ নাই। দুৰ্ভাবনা আজিৰ সংসদখন লৈ য'ত আপাত দৃষ্টিত সৰ্বেসৰ্বা প্ৰধান মন্ত্ৰী কোন পথৰ পথিক তাৰ স্থিৰতা নাই। কোনেও তেওঁৰ হানি নিবিচাৰে কাৰণ শাসকদলৰ বিকল্প এতিয়াও দৃষ্টিগোচৰ নহয়। কিন্তু মেকুৰী টেবুলত উঠি বহিলে কোন পিনে জপিয়াব কোনেও নাজানে— এনে অৱস্থাই আমাৰ ৰাজনীতিলৈ কি বিপদ টানি আনে কোনে জানে ?
[সংসদৰ প্ৰাক্তন সদস্য ছি পি আই নেতা হীৰেন্দ্ৰ নাথ মুখোপাধ্যায় : 'দেশ'ত] ॥

## ৰাজনীতি যেতিয়া আছিল জনগণ

পুৰণা চামৰ এনে বহু ৰাজনীতিক আছে যি মোক কয় যে ৰাজনীতিৰ প্ৰতি আমাৰ ধ্যান-ধাৰণা আৰু দৃষ্টিভংগীৰ ক্ষেত্ৰক আমাৰ কিছুমান আও-পুৰণি, অপ্ৰচলিত হৈ পৰিছো। তেওঁলোকে কয় যে সেৱা আৰু ত্যাগৰ সকলো ধাৰণা এতিয়া আৰু আগৰ দৰে সিদ্ধ বা প্ৰাসংগিক নহয় আৰু কয় যে চাফাৰি ছুট পিন্ধি ফুৰা আৰু পাঁচ তাৰকাযুক্ত হোটেলৰ কক্ষৰপৰা কাৰ্যনিৰ্বাহ কৰা নতুন পুৰুষৰ ৰাজনীতিকসকলক আমি মানি ল'ব লাগিব। মই এই হতাশাৰ দৃষ্টিভংগী গ্ৰহণ কৰিব নোৱাৰো। এই 'চাফাৰি-পাঁচ-তাৰকা' ৰাজনীতিকজন এটা নতুন ঘটনা নহয় বুলি মই বিশ্বাস কৰো। এই বিধ ৰাজনীতিক সদায়েই আছে। আনকি স্বাধীনতা সংগ্ৰামৰ দিনবোৰতো তেওঁ আছিল। (কেতিয়া চাফাৰি ছুট নাছিল— তেওঁলোকে থ্ৰিপিচ ছুট পিন্ধিছিল নেকটাই আৰু বুটসহ)। গান্ধীজীয়েহে (আৰু তেওঁৰ আগেয়ে কিছু পৰিমাণে লোকমান্য তিলকে) ৰাজনীতি ড্ৰইংৰুম আৰু ডিবেটিং ছচাইটীৰপৰা বাহিৰলৈ উলিয়াই আনিছিল আৰু মানুহ য'ত আছে সেই গাঁও, হাটবজাৰ, কল-কাৰখানাৰ গেটৰ মুখৰ মানুহৰ মাজলৈ লৈ গৈছিল। ৰাজনীতি সেইটো নাছিল যিটো ৰাজনীতিক জনৰ আকাংক্ষা, অভিলাষৰ ক্ষেত্ৰত বা তেওঁৰ জীৱনৰ ধাৰাটোৰ ক্ষেত্ৰত ঘটিছিল। ৰাজনীতি আছিল জনগণ। ৰাজনীতি আছিল জনগণক এটা কন্থস্বৰ দিয়া, এটা প্ৰকাশ দিয়া। ৰাজনীতি আছিল সামাজিক আৰু অৰ্থনৈতিক সমস্যাবোৰ—যিবোৰৰ কিছুমান সাম্প্ৰতিক কালৰ আৰু আনবোৰ আমাৰ জনগণৰ ইতিহাসৰ সমানেই পুৰণি—সেইবোৰ খামোচ মাৰি ধৰা। [জৰ্জ ফাৰ্নাণ্ডেজ : 'দি আদাৰ ছাইড'ত] ॥

## কমিউনিষ্টৰ দুখন মুখ

পশ্চিমবংগ প্ৰশাসনটো সবাতোকৈ সাম্প্ৰদায়িক প্ৰশাসনবোৰৰ অন্যতম। জ্যোতি বসুৱে নিজকে এজন মাৰ্ক্সবাদী বুলিব পাৰে, কিন্তু দাৰ্জিলিঙত তেওঁৰ প্ৰশাসন সম্পূৰ্ণ সাম্প্ৰদায়িক। সেয়ে যদি নহয় তেতিয়া হ'লে এই গণতান্ত্ৰিক আন্দোলনটো এনে অমানুষিক দমন-ব্যৱস্থাৰ সন্মুখীন হয় কিয় ? এই অমানুষিক দমনব্যৱস্থা চলাইছে এনে এটা প্ৰশাসনে যিটো নিয়ন্ত্ৰণ কৰিছে এটা পাৰ্টিয়ে যি স্বাধীনতাৰ আগেয়ে নেপাল, ছিক্কিম আৰু দাৰ্জিলিঙক লৈ ভাৰতৰ বাহিৰত এখন বৃহত্তৰ গোৰ্খালেণ্ড, এখন বৃহত্তৰ নেপাল গঠনৰ আহ্বান জনাইছিল। আজি সেই একেটা কমিউনিষ্ট পাৰ্টিয়েই এটা গণতান্ত্ৰিক আন্দোলন দমন কৰিছে—যিটো আন্দোলনৰ একমাত্ৰ দাবী হ'ল ভাৰতৰ ভিতৰত কিন্তু পশ্চিম বংগৰপৰা বেলেগ কৰি এখন গোৰ্খালেণ্ড গঠন কৰা।

[গোৰ্খা নেচনেল লিবাৰেচন ফ্ৰণ্টৰ সভাপতি সুবাস ঘিচিং : 'ফ্ৰণ্ট লাইন'ত] ॥

— অ° বৰুৱা





# বৰাক উপত্যকা লৈ পুনৰ চিন্তা !

অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগত বৰাক উপত্যকাৰ সম্বন্ধটো প্ৰকৃতপক্ষে কি, কি বুলি ধৰি অহা হৈছে আৰু ভৱিষ্যতে কি হোৱা উচিত হ'ব সেই বিষয়ে আলোচনা উত্থাপিত হৈছে। অনা-অসমীয়া স্কুলত অসমীয়া বাধ্যতামূলক বিষয়ৰ ব্যৱস্থা দি জাৰি কৰা ছাকুৰ্লাৰখন লৈ বৰাক উপত্যকাত হোৱা উত্তেজনা আৰু সেই পটভূমিত মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত কৰিমগঞ্জত উপস্থিত হওঁতে যোৱা ২১ জুলাইত সংঘটিত হোৱা হিংসাত্মক ঘটনাই ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ সম্বন্ধটো পুনৰ পৰীক্ষা কৰি চাবলৈ বাধ্য কৰিছে।

কিছু বছৰৰ আগেয়ে অসমৰপৰা কাছাৰক বাদ দিয়াৰ যুক্তিযুক্ততা সাব্যস্ত কৰি বিশিষ্ট বুদ্ধিজীৱী শ্ৰীভৱেন বৰুৱা আৰু ড° মহেন্দ্ৰ বৰাকে মুখ্য কৰি বহুতে প্ৰবন্ধ-পাতি লিখিছিল। সম্প্ৰতি বিশিষ্ট ইতিহাসবিদ পণ্ডিত ড° হেৰম্বকান্ত বৰপূজাৰীয়ে 'দি আছাম ট্ৰিবিউন'ৰ দুটা সংখ্যাত (১১ আৰু ১২ আগষ্ট) এই প্ৰসংগত আলোচনাৰ পাতনি মেলিছে। তেওঁ অকাট্য যুক্তিৰে অসমৰ লগত বৰাক উপত্যকাৰ সম্বন্ধটোৰ অস্বাভাৱিকতা প্ৰতিপন্ন কৰিছে ; তেওঁ লিখিছে : পাৰম্পৰিক ঘৃণা, অবিশ্বাস আৰু সন্দেহৰ এখন এশ বছৰীয়া নিৰৱ যুদ্ধৰ অৱসান ঘটাবলৈ (বৰাক উপত্যকা) পৃথক কৰাৰ প্ৰশ্নটো পুনৰ মুকলি কৰিব লাগে নে নালাগে সেই বিষয়ে উভয় উপত্যকাৰ নেতৃত্বই গুৰুত্ব সহকাৰে চিন্তা কৰিব বুলি আশা কৰা হৈছে। উত্তৰ-পূব ভাৰতৰ শান্তি, স্থিৰতা আৰু প্ৰগতিৰ স্বাৰ্থত আগেয়ে কৰি অহা ভুল শুধৰোৱাৰ আৰু সংখ্যালঘুসকলক যথোপযুক্ত ৰক্ষা কৱচ দি কাছাৰ, কৰিমগঞ্জ আৰু প্ৰয়োজন হ'লে ত্ৰিপুৰাকো লৈ পূৰ্বাঞ্চল বুলি এখন কেন্দ্ৰীয় শাসিত অঞ্চল সৃষ্টি কৰাৰ জৰুৰী প্ৰয়োজনীয়তা সম্পৰ্কে নতুন দিল্লীক প্ৰত্যয় মনোৱাৰ প্ৰয়োজন বুলি আমি ভাবো।

ড° বৰপূজাৰীৰ চিন্তাধাৰাক সমাদৰ জনাই আন এগৰাকী বিশিষ্ট শিক্ষাবিদ শ্ৰীগোপালচন্দ্ৰ শৰ্মা বৰুৱাই সেই একেখন কাকততে এখন চিঠিৰে প্ৰকাশ কৰা মতো প্ৰণিধানযোগ্য।

প্ৰসংগক্ৰমে, ভাষা ছাকুৰ্লাৰখনৰ সম্পৰ্কত বিশিষ্ট কমিউনিষ্ট নেতা শ্ৰীপ্ৰমোদ গগৈয়ে এটা প্ৰবন্ধত (দি আছাম ট্ৰিবিউন : ১৭ আগষ্ট) লিখিছে যে অনা-অসমীয়া মাধ্যমৰ মাধ্যমিক স্কুলত অসমীয়া ভাষা এটা বাধ্যতামূলক ভাষা হিচাপে প্ৰবৰ্তন কৰা প্ৰশ্নটোত সন্দেহ আৰু বিভ্ৰান্তি সৃষ্টি হ'বৰ কোনো থলেই নাই। তেওঁ সুধিছে : এনে কোনো শিক্ষা-ব্যৱস্থা থাকিব পাৰেনে য'ত ৰাজ্যিক ভাষাটোৰ কোনো স্থানেই নাই ? তেওঁ আৰু লিখিছে যে বিষয়টোত ৰাজনীতি সুমুৱাব নালাগে আৰু কোনো গোষ্ঠীৰ সংকীৰ্ণ স্বাৰ্থতো তাক ব্যৱহাৰ কৰিব নালাগে। জনজাতীয় ৰাইজক তেওঁলোকৰ ভাষা আৰু সংস্কৃতি বিকাশ কৰিবলৈ সকলো সুবিধা দিব লাগে। সংখ্যালঘুক সকলো সাংবিধানিক অধিকাৰ দিব লাগে আৰু তেওঁলোকৰ সম্পৰ্কত সকলো বৈষম্যৰ বিৰোধিতা কৰিব লাগে। কিন্তু লগে লগে অসমীয়া যে এটা ৰাজ্য ভাষা আৰু ৰাজ্যৰ প্ৰশাসন আৰু শিক্ষা ব্যৱস্থাটোত যে অসমীয়া ভাষাৰ ন্যায্য স্থান থাকিবই সেইটোও সকলো শ্ৰেণীয়ে স্বীকাৰ কৰিব লাগিব। শ্ৰীগগৈ আৰু তেওঁৰ দল ছি· পি· আইৰ মতে 'অসমীয়া মানুহৰ পৰিচয়টোক প্ৰধান জাতি হিচাপে ৰক্ষণাবেক্ষণ দিয়াৰ আৰু জনজাতীয় ৰাইজ আৰু ভাষিক আৰু ধৰ্মীয় সংখ্যালঘুসকলৰ অধিকাৰসমূহ ৰক্ষা কৰাৰ ভিত্তিতহে অসমত ঐক্য আৰু বন্ধুত্ব গঢ়ি উঠিব লাগিব।'

উল্লেখযোগ্য যে ইতিমধ্যে ভাষা ছাকুৰ্লাৰখন সম্বন্ধে নতুন সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

* নতুন শিক্ষানীতিৰ অধীনত কাৰিকুলাম আৰু পাঠ্যক্ৰমৰ চূড়ান্ত ৰূপ দিয়াৰ উদ্দেশ্যে ১১ আৰু ২৩ ছেপ্টেম্বৰত নতুন দিল্লীত ৰাজ্যিক বিষয়াসকলৰ এখন সৰ্বভাৰতীয় সন্মিলন অনুষ্ঠিত হ'ব। এই সম্পৰ্কীয় খচৰাখন ইতিমধ্যে প্ৰকাশ কৰা হৈছে আৰু ৰাজ্যসমূহে তেওঁলোকৰ পৰামৰ্শাৱলী এই সন্মিলনতে দাঙি ধৰাৰ আশা আছে।

এইক্ষেত্ৰত অলপতে নতুন দিল্লীত অনুষ্ঠিত হৈ যোৱা বিদ্যালয়ৰ পাঠ্যপুথি সম্পৰ্কীয় অষ্টম ৰাষ্ট্ৰীয় সন্মিলনখনে ভালেমান পৰামৰ্শ আগবঢ়াইছে। এই কথা প্ৰকাশ কৰি ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ (NCERT) অধ্যাপক এছ· এইচ· খানে কয় যে এই পৰিষদে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ সৈতে ৰজিতা খোৱাকৈ পাঠ্যপুথি প্ৰণয়নৰ এক পৰ্যায়গত আঁচনি হাতত লৈছে। প্ৰথম পৰ্যায়ত প্ৰথম, তৃতীয় আৰু ষষ্ঠ শ্ৰেণীৰ পাঠ্যপুথিসমূহ ১৯৮৭ চনৰ মাৰ্চ মাহৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠিব। জম্মু আৰু কাশ্মীৰ, হিমাচল প্ৰদেশ, হাৰিয়ানা আৰু মধ্য প্ৰদেশৰ দৰে পৰিষদৰ পাঠ্যপুথি গ্ৰহণ কৰা ৰাজ্যকেইখনে ১৯৮৭-৮৮ চনৰ শিক্ষাবছৰত ছাত্ৰসকললৈ নতুন পাঠ্যপুথিৰ যোগান ধৰিব পাৰিব।

* বাঢ়ি অহা সন্ত্ৰাসবাদ দমন কৰিবলৈ এটা নিয়মীয়া ৰাষ্ট্ৰীয় সুৰক্ষা বাহিনী গঠনৰ বাবে উত্থাপিত বিলখন সংসদে গ্ৰহণ কৰিছে। ১৪০ দফীয়া বিলখনে বাহিনীটোত শতকৰা ৯০ ভাগ লোক সেনা, সীমান্তৰক্ষী আৰু ছি· আৰ· পিৰ পৰা ল'বলৈ অনুমোদন জনাইছে।

* চৰকাৰী সাহায্যলৈ বাট নাচাই শোণিতপুৰ জিলাৰ চিৰাজুলি, বৰচলা আৰু ডুমডুমাৰ গঞা ৰাইজে নিজেই লগলাগি ২০ কিল'মিটাৰ দীঘল এটা জলসিঞ্চন খাল নিৰ্মাণ কৰিছে।



OKDISCD

## চাহপাতৰ কৰ

গ্ৰাম্য নিযুক্তিকৰণ আৰু শষ্য-কৰ্মী কল্যাণ সংক্ৰান্ত এখন আইন প্ৰৱৰ্তন কৰি ৰাজ্যখনৰপৰা ওলাই যোৱা প্ৰতি কিল'গ্ৰাম চাহপাতত দুটকাকৈ কৰ লগোৱাত পশ্চিম বংগৰ চাহ-ব্যৱসায় মহলত প্ৰচণ্ড প্ৰতিক্ৰিয়া হৈছে। কলিকাতাৰ চাহ-ব্যৱসায়ীসকলৰ উদ্ধৃতি দিয়া এটা বাতৰিত কোৱা হৈছে যে অসম চৰকাৰে এইদৰে এটা 'জৰিমনা' বিহিবলৈ লৈছে আৰু ইয়াৰ দ্বাৰা কলিকাতাৰ ব্যৱসায়ত ঘাটি পৰিব।

উল্লেখযোগ্য, কলিকাতাৰ ব্যৱসায়ৰ শতকৰা ৮০ ভাগ চাহেই অসমৰপৰা যায়।

নতুন আইনখন কাৰ্যকৰী হোৱাৰ লগে লগে গুৱাহাটীৰ নিলাম বজাৰ আৰু আমিনগাঁও ইনলেণ্ড কণ্টেইনাৰ ডিপোৰ ব্যৱসায় আৰু ব্যস্ততা বাঢ়িব আৰু ই ৰাজ্যখনৰ অৰ্থনীতি সচল কৰিব। কলিকাতা মহলৰ ভয়টো হ'ল আইনখন হ'লে দেশৰ চাহ-নিলামত তেওঁলোকৰ প্ৰভুত্ব হ্ৰাস পাব।

মন কৰিবলগীয়া কথা হৈছে— পশ্চিম বংগ চৰকাৰৰো চাহৰ ওপৰত দুটা কৰ আছে। এইদুটাৰ এটা হ'ল পশ্চিম বংগ গ্ৰাম্য নিযুক্তি আৰু উৎপাদন কৰ, আনটো পশ্চিম বংগ গ্ৰাম্য উন্নয়ন আৰু শিক্ষা কৰ। প্ৰথমটো অনুসৰি কলিকতা আৰু শিলিগুৰি চাহ নিলাম কেন্দ্ৰৰপৰা সেই ৰাজ্যৰ চৰকাৰে প্ৰতি কেজি চাহত ৩০ পইচাকৈ আৰু প্ৰতি কেজি সেউজীয়া চাহত অতিৰিক্ত ৩০ পইচাকৈ কৰ সংগ্ৰহ কৰে। ইয়াৰ উপৰিও প্ৰতি কেজি পেক কৰা চাহত সৰ্বোচ্চ ১ টকালৈকে কৰ সংগ্ৰহ কৰা হয়।

## ৰাষ্ট্ৰীয় সংগীত বাধ্যতামূলক নহয়

কেৰালাৰ এখন স্কুলৰ এটা ইহুদী ফৈদৰ (Jehovah's Witnesses) তিনিজন ছাত্ৰক স্কুলত ৰাষ্ট্ৰীয় সংগীত নোগোৱা বাবে বহিষ্কাৰ কৰা হৈছিল। এই কামৰ দ্বাৰা সংবিধানৰ ২৫ অনুচ্ছেদ অনুসৰি ধৰ্মীয় বিশ্বাসৰ ব্যক্তিগত অধিকাৰ খৰ্ব কৰা হৈছে বুলি সৰ্বোচ্চ ন্যায়ালয়ৰ এটা ৰায়ত কোৱা হৈছে। উল্লেখযোগ্য যে কিছুদিনৰ আগেয়ে এই ছাত্ৰ তিনিজনে স্কুলৰ পুৱাৰ সমবেশত ৰাষ্ট্ৰীয় সংগীত গোৱাৰ সময়ত থিয় হৈ আছিল যদিও তেওঁলোকৰ ধৰ্মীয় বিশ্বাসৰ পৰিপন্থী বুলি গীতটো গোৱাৰপৰা বিৰত আছিল। এই অপৰাধতে তেওঁলোকক স্কুলৰপৰা বহিষ্কাৰ কৰা হৈছিল।

বেঞ্চৰ হৈ ৰায়টো ঘোষণা কৰি ব্যায়াধীশ অ'. চিনাপ্পা ৰেড্ডিয়ে বহিষ্কাৰৰ নিৰ্দেশটোৱে অনুচ্ছেদ ১৯-১-ক-ৰ অধীনত মত প্ৰকাশৰ অধিকাৰকো অৱমাননা কৰিছে বুলি কয়। ৰায়টোৰ যোগেদি ছাত্ৰ কেইজনক পুনৰ শ্ৰেণীত ভৰ্তি কৰাৰ লগতে তেওঁলোকলৈ কোনো বাধা নোপোৱাকৈ শিক্ষাগ্ৰহণৰ সকলো সা-সুবিধা আগবঢ়াবলৈ নিৰ্দেশ দি কেৰালা উচ্চ ন্যাযালয়ে ইতিমধ্যে বহিষ্কাৰৰ আদেশটো বাহাল ৰাখি দিয়া ৰায়টো ৰদ কৰা হয়।

ৰায়টোত লগতে কোৱা হয় যে সংবিধানৰ ৫১-ক অনুচ্ছেদে প্ৰতিজন ভাৰতীয় নাগৰিককে ভাৰতৰ সংবিধানখন মানি চলিবলৈ বাধ্য কৰোৱাৰ লগতে—ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীতৰ দৰে ইয়াৰ প্ৰতিটো অনুষ্ঠানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ নিৰ্দেশ দিছে। কিন্তু ৰাষ্ট্ৰীয় সংগীতটো গাই থকা অৱস্থাত থিয় হৈ ইয়াৰ প্ৰতি উপযুক্ত সন্মানেই প্ৰদৰ্শন কৰা হৈছে বুলি ৰায়টোত লগতে কোৱা হয়।

## ভাষা সমস্যা আমেৰিকাতো!

পমুৱাৰ দেশৰূপে বিশেষভাৱে পৰিচিত মাৰ্কিন যুক্তৰাষ্ট্ৰ বৰ্তমান ভাষাৰ ক্ষেত্ৰত বিশেষ গোলমলীয়া ঠাই হোৱাৰ পথলৈ আগবাঢ়িছে। উদাহৰণস্বৰূপে নিউয়ৰ্কত গাড়ী চালনাৰ লাইচেন্সৰ পৰীক্ষা স্পেনিছ বা গ্ৰীক ভাষাতো ল'ব পাৰি। আনহাতে চীনা ভাষা জানিলে নিউয়ৰ্কৰ চাইনা টাউনৰ মাজেদি যোৱাত একো অসুবিধাই নহয়। মাটিৰ তলৰ ষ্টেছনসমূহত চীনা ভাষাৰ অনেক প'ষ্টাৰ দেখা যায়। ভালেমান প্ৰদেশে আনকি ভোটাৰসকলক দ্বিভাষী বেলট কাকতো দিয়ে।

পমুৱাসকলে নাগৰিকত্বৰ বাবে আবেদন জনাওঁতে ইংৰাজী জ্ঞানৰ কিছু পৰিচয় দিব লাগে যদিও প্ৰকৃততে আমেৰিকাৰ কোনো চৰকাৰী ভাষা নাই। অৱশ্যে এই পৰম্পৰা সলনি কৰিবলৈ বৰ্তমান অনেকে চিন্তা-চৰ্চা কৰিবলৈ লৈছে। ইংৰাজীক দেশখনৰ একমাত্ৰ চৰকাৰী ভাষাৰূপে ঘোষণা কৰিবলৈ চৰকাৰক সন্মত কৰোৱাৰ অৰ্থে বিভিন্ন মহল বৰ্তমান সক্ৰিয় হৈছে।

অলপতে এক নিযুতৰো অধিক কেলিফৰ্নিয়াবাসীয়ে এখন আবেদনত চহী কৰি কৰ্তৃপক্ষক কেলিফৰ্নিয়াৰ প্ৰধান ভাষা হিচাপে ইংৰাজীৰ ভূমিকা যাতে সংৰক্ষিত আৰু শক্তিশালী হয়, তাৰবাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

ফ্ল'ৰিডাৰ ইংৰাজী-প্ৰেমীসকলেও অহা বসন্তকালৰ ভিতৰত ইয়াৰ সপক্ষে জনমত সংগ্ৰহৰ অৰ্থে এক ব্যাপক চহী সংগ্ৰহ অভিযান চলাইছে। আন বাৰখন প্ৰদেশেও অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰিছে। আমেৰিকাৰ পঞ্চাছখন প্ৰদেশৰ ছখনতহে ইংৰাজীক চৰকাৰী ভাষা হিচাপে ঘোষণা কৰা হৈছে।

বৰ্তমানৰ এই আন্দোলনটোৰ অন্যতম কাৰণ হ'ল মধ্য আমেৰিকাৰপৰা বৈধ আৰু অবৈধ দুই ধৰণৰ পমুৱাৰ প্ৰব্ৰজন। কেলিফৰ্নিয়াৰ বৰ্তমান জনসংখ্যাৰ শতকৰা ২০ ভাগেই মেক্সিকান বংশোদ্ভুত। টেক্সাছত এই হাৰ তাতোকৈও অধিক,—শতকৰা ২৫ ভাগ।

বেছিভাগ চহী সংগ্ৰহ অভিযানৰে নেতৃত্ব লোৱা 'মাৰ্কিন ইংৰাজী' সন্থাই ইংৰাজী ভাষা আন্দোলনটোত আগভাগ লৈ আছে।





# কুলদীপ নায়াৰৰ বিশেষ প্ৰবন্ধ

'আমি ক'লৈ গৈ আছো?'— দেশৰ যেনিয়েই যাব তেনিয়েই এইটো প্ৰশ্নকে শুনিবলৈ পাব। ক'ৰবাত কিবা কথা পাতিবলৈ বহিলেই প্ৰায়ে এইটো প্ৰশ্ন উঠিব। এনেকুৱা এটা প্ৰশ্ন যে এই প্ৰথম সুধিবলৈ লোৱা হৈছে সেইটো নহয়, কিন্তু বৰ্তমানৰ দৰে প্ৰশ্নটোৰ লগত এনে হতাশা আৰু হতবুদ্ধি হোৱা ভাব এটা আগেয়ে কাহানিও নাছিল।

প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী ক্ষমতাত অধিষ্ঠিত হ'বৰ সময়ত তেওঁৰ ওপৰত ৰখা আশাবোৰ ভাগি থানবান হৈ গ'ল— এই ধৰণৰ ভাব প্ৰকাশ কৰা দুই-আষাৰ মন্তব্যৰে সকলো কথা-বতৰা শেষ হয়— তেহেলৈ কথা-বতৰাবোৰ আপুনি যি পিনৰপৰাই আৰম্ভ নকুৰক কিয়? ৰাজীৱ গান্ধী অসমৰ্থ বুলি ওলাই পৰাৰ পাছত এতিয়া কাৰ মুখলৈ চাব উৱাদিহ নাপাই ৰাজনৈতিক নেতা, বৃত্তিজীৱী, শিক্ষাবিদ, আমোলা, উদ্যোগপতি— আচলতে সমাজ জীৱনৰ প্ৰতি ক্ষেত্ৰৰে মানুহ বিতত-বিহ্বল হৈ পৰিছে। পঞ্জাব চুক্তিৰ পাছত অসম চুক্তি কৰি আৰু নতুন অৰ্থ নৈতিক চিন্তাধাৰা প্ৰদৰ্শন কৰি তেওঁ যি আশাৰ সঞ্চাৰ কৰিছিল সি প্ৰায় উৰি গৈছে। বৰং এনে এটা ধাৰণাৰহে সৃষ্টি হ'বলৈ আৰম্ভ কৰিছে যে দেশ যিবোৰ সমস্যাৰ সন্মুখীন হৈছে সেইবোৰ চম্ভালিবলৈ প্ৰয়োজন হোৱা সূক্ষ্ম বিচাৰ শক্তি বা পৰিপক্কতা তেওঁৰ নাই।

সন্দেহ নাই যে মানুহে বৰ নিৰ্মমভাৱে এই ৰায় দিছে, সম্ভৱ ৰাজীৱৰ ৰাজত্বৰ প্ৰথমৰ পিনৰ দিন কেইটাত মানুহে যি উল্লাস দেখুৱাইছিল তাক ঢাকিবৰ বাবেহে এই নিৰ্মম ৰায় দিছে। ইমানবোৰ মানুহে তেওঁৰপৰা অতখিনি আশা কৰাটো তেওঁৰ যে দোষ নহয় সেইটো কথা স্পষ্ট। আৰু ৰাজীৱ নিজেও মানুহৰ প্ৰত্যাশাৰ যোগ্য হ'বলৈ চেষ্টা কৰিছিল যেন লাগে। তেওঁ ঘটনাক্ৰমে আহি ৰাজনীতিত সোমাই পৰে আৰু মাকে অপ্ৰয়োজনীয়ভাৱে দ'মাই থৈ যোৱা সমস্যাবোৰ দূৰ কৰিবলৈ কামত লাগি যায়।

## ৰাজীৱ গান্ধী এতিয়া এটা ৰাজনৈতিক প্ৰাণীত পৰিণত

কিন্তু এতিয়া তেওঁ নিজেই এটা ৰাজনৈতিক প্ৰাণীত পৰিণত হৈ গৈছে। বৃত্তিজীৱী ৰাজনীতিকসকলৰ দৰে তেওঁ যিটো বুজাব খোজা নাই সেইটো ক'বলৈ আৰু যিটো কোৱা নাই সেইটো বুজাবলৈ আৰম্ভ কৰিছে। তেওঁক বুজাই-বঢ়াই পতিয়ন নিওৱা হৈছে যে কেৱল সেইটোৱেহে কাম সিজাব পাৰিব।

ৰাজীৱ গান্ধী তেওঁৰ মাকতকৈ বেলেগ— তেওঁৰ ৰাজনীতি কম আৰু তেওঁ এনে এজন লোক যি পাৰ্টিগত বিচাৰ-বিবেচনাৰ উৰ্ধলৈ উঠিছে বুলি যিসকলে ভাবিছিল সেইসকলৰ বাবে এইটো এটা হতাশাৰ কথা হৈ পৰিছে। ৰাজনীতিত লালিত-পালিত নোহোৱা এদল লোকক তেওঁ লগত লোৱা কথাটোক এটা সুবিধাহে বুলি ধৰা হৈছিল, কাৰণ ইন্দিৰা গান্ধীয়ে সৃষ্টি কৰা খেলিমেলিবোৰৰ সৰহখিনিয়েই তেওঁ ৰাজনৈতিক বিচাৰ-বিবেচনাক আন সকলোৰে ওপৰত স্থান দিয়াৰ কাৰণেই হৈছিল।

ৰাজীৱ গান্ধীৰ ক্ষেত্ৰত যুক্ত হোৱা গুণখিনি অন্তৰ্হিত হ'ল আৰু আগেয়ে ৰাজনীতিত নথকা কম্পিউটাৰ ডেকাসকল ৰাজনীতিক হৈ পৰিল। ৰাজীৱ গান্ধী আৰু তেওঁৰ দলটোৱে এতিয়া কাৰোবাক চৰকাৰ বা সংগঠনত ল'ব লগা হ'লে বা কিবা এটা বিষয়ত সমৰ্থন দিব লগা হ'লে ৰাজনৈতিক লাভ-লোকচানৰ দিশটোৰ মূল্যায়ন কৰে; অৱশ্যে তাৰ ব্যতিক্ৰম নথকা নহয়, কিন্তু হ'লেও সেইবোৰ মানুহৰ প্ৰতি আন কাৰণত ৰাজীৱ গান্ধীৰ ব্যক্তিগত আগ্ৰহ থাকে; উদাহৰণ স্বৰূপে, প্ৰাক্তন পাইলট।

ৰাজীৱ গান্ধীয়ে পঞ্জাব চুক্তি কৰিবৰ সময়ত তেওঁ শিখসকলক উদ্ধাৰ কৰাৰ কথা ভাবিছিল, কিন্তু হাৰিয়ানাৰ ওপৰত তাৰ প্ৰভাব কি হ'ব পাৰে সেই বিষয়ে তেওঁ চিন্তা কৰাৰ প্ৰয়োজন বোধ কৰা নাছিল— পঞ্জাবৰ হিন্দুসকলৰ কথাযে একেবাৰেই ভবা নাছিল। এতিয়া তেওঁ ৰাজনৈতিক পৰিণতি কি হ'ব সেই লৈ উদ্বিগ্ন হৈ পৰিছে, হাৰিয়ানাত ভোটৰ কথা ভাবিছে— অহা বছৰৰ আগভাগতে তাত ভোট হ'ব; তেওঁৰ এই ভয়ো হৈছে যে "তোষণ নীতি"য়ে সমগ্ৰ দেশতে ই-কংগ্ৰেছক পাছলৈ হোহকাই দিব পাৰে, চুক্তিখনত চহী কৰিবৰ সময়ত তেওঁ সেইটো দিশ বিবেচনাই কৰা নাছিল।

সেইদৰে; খোদ অসমতে অসমীয়া-ভাষী মানুহ সংখ্যালঘুত পৰিণত হোৱাটো উচিত নহ'ব বুলি ৰাজীৱ গান্ধীৰ উপলব্ধিৰ ফল হ'ল অসম চুক্তিখন। কিন্তু দিন বাগৰাৰ লগে লগে তেওঁ এইটোও বুজি উঠিল যে ৰাজ্যখনৰ পৰা "বিদেশীসকলক" বাহিৰ



OKDISCD

কৰি উলিয়াই আনিলে আন ঠাইত তাৰ এটা ৰাজনৈতিক প্ৰতিক্ৰিয়া ঘটিব. কাৰণ তেওঁলোকক উলিয়াই নি যিখন ৰাজ্যৰ ওপৰত বলেৰে জাপি দিয়া হ'ব (যিহেতু কোনো ৰাজ্যই তেওঁলোকক গ্ৰহণ কৰিবলৈ আগ্ৰহী নহয়) সেইখন ৰাজ্যই পৰবৰ্তী নিৰ্বাচনত প্ৰতিশোধ ল'ব পাৰে। (যিহেতু বাংলাদেশে কৈছে যে অসমত কোনো বাংলাদেশী নাই গতিকে সমস্যাটো তেওঁলোকৰ লগত মিমাংসা কৰিবলৈ যোৱাটো নিৰৰ্থক কথা হ'ব।) আৰু সেইদেখি কেন্দ্ৰীয় চৰকাৰে নাগৰিকত্ব আইনখন কঠোৰ হোৱাকৈ সংশোধন কৰিলেই যথেষ্ট হ'ব বুলি ভাবিছে আৰু অন্যান্য বিষয়ৰ লগতে এই বিধানো দিব খুজিছে যে মাক বাপেক হাল যদি ভাৰতত নজন্মে তেতিয়াহ'লে অকল সন্তানটো ভাৰতত জন্মিলেই আপোনা আপুনি ভাৰতীয় নাগৰিক হৈ নাযাব।

ৰাজীব গান্ধীয়ে আনকি তেওঁৰ ভিতৰপকীয়া চক্ৰটোৰ ক্ষেত্ৰতো ৰাজনীতি খেলে। আগৰ সেই কম্পিউটাৰ-ডেকাসকল ঘৰুৱা আৰু বন্ধুত্বপূৰ্ণ আলাপ-আলোচনাৰ কাৰণে সমান সমান অংশীদাৰ হিচাপে একেলগে বহাৰ দিনবোৰ এতিয়া আৰু নাই। তেওঁ এতিয়া ইজনক সিজনৰ বিৰুদ্ধে থিয় কৰায় আৰু এঁকোজন মন্ত্ৰীক তেওঁ চৰকাৰ, দল বা সংবাদ মাধ্যমত কিমান শক্তিশালী হৈ পৰিছে তাৰ প্ৰতি চকু ৰাখি তুলি ধৰে বা নমাই দিয়ে। তেওঁৰ পচন্দৰ মানুহবোৰ এটা নিৰ্দিষ্ট সময়ত ৰাজনৈতিকভাৱে কিমান গুৰুত্বপূৰ্ণ হৈ উঠিছে (বা হৈ উঠিব পৰা নাই) তাৰ ভিত্তিত তেওঁ সালসলনি কৰি লয়। অৰুণ নেহৰুৱে নিজাকৈ স্বতন্ত্ৰ ৰাজনৈতিক ভিত্তি গঢ়িবলৈ আৰম্ভ কৰিছিল কাৰণে তেওঁক খৰ্ব কৰা হ'ল। (জনদিয়েক ই-কংগ্ৰেছ নেতাই মোক ক'লে যে অৰুণ নেহৰুৰ পতনৰ এটা কাৰণ হ'ল তেওঁ ৰাজীব গান্ধীৰ ইটালিৰ লগত থকা সম্পৰ্কৰ কথা জানিও দুটা ইটালিয়ান প্ৰতিষ্ঠানৰ ওপৰত চোৰাংচোৱাগিৰি চলাবলৈ নিৰ্দেশ দিছিল)।

কেন্দ্ৰীয় মন্ত্ৰীসভাখনলৈ আৰু কংগ্ৰেছ পাৰ্টিৰ ৱৰ্কিং কমিটিখনলৈ মন কৰক। তেওঁলোকৰ সৰহভাগেই শূন্য অপদাৰ্থ, কিন্তু ৰাজনীতিয়ে তেওঁলোকক পদমৰ্যাদাত ৰাখিছে। তেওঁলোকৰ দুই এজনহে সেইবোৰ পদত থাকিবৰ যোগ্য। এটা সময়ত ৰাজীব গান্ধীয়ে কৈছিল যে কাম কৰি দেখুৱাব নোৱাৰিলে তেওঁ মন্ত্ৰীসকলক সলাই পেলাব। তেওঁলোকৰ কামকাজৰ মূল্যায়ন কৰাৰ মাপকাঠি কি হ'ব পাৰে মই নাজানো। কিন্তু মাপকাঠি যিয়েই নহওক তেওঁলোকৰ নব্বৈ শতাংশই কেৱল যাত্ৰী— তেওঁলোক মুৰব্বী হৈ থকা মন্ত্ৰণালয়টো বা বিভাগটোলৈ তেওঁলোকৰ অৰিহণা একো নাই বুলিলেও হয়।

সংগঠনটো ওপৰ গধুৰ; অনুগামীতকৈ নেতা বেছি। যেতিয়া মন্ত্ৰীসভাৰপৰা বাদ দিয়া হয় তেতিয়া প্ৰতিজন মন্ত্ৰীকে কংগ্ৰেছৰ সাধাৰণ সম্পাদক নিযুক্ত কৰা হয় আৰু যিহেতু অভ্যাস মাৰিলে লগত যায়, গতিকে তেওঁলোকে মন্ত্ৰীৰ হালতে কাৰ্যনিৰ্বাহ কৰি থাকে। ৰাজ্যবোৰৰ বাবে নিযুক্ত কৰা পাৰ্টিৰ পৰ্যবেক্ষকসকলে ৰাজ্যলৈ যাওঁতে সেই ৰাজ্যৰ অতি-মুখ্যমন্ত্ৰীৰ (super chief minister) দৰে আচৰণ কৰে। আৰু মুখ্যমন্ত্ৰীসকলে তেওঁলোকৰ মন যোগাবলৈ যে অপ্ৰত্যাশিত কামো কৰি দিয়ে, অনুগ্ৰহ পাবলৈ নীতি জলাঞ্জলি দিবলৈও কুণ্ঠিত নহয় সেইটো সকলোৰে জনা কথা।

আন যিটো বৈশিষ্ট্য ক্ৰমবৰ্দ্ধমান ৰূপত চকুত পৰা হৈ পৰিছে সেইটো হ'ল ৰাজীব গান্ধীৰ সংসদক গুৰুত্ব দিব নোখোজা ধৰণটো। প্ৰায়ে তেওঁ সদনত নাথাকে আৰু সংসদ ভবনত নিজৰ কক্ষত বহি থাকিবলৈহে তেওঁ পচন্দ কৰে। জুলাই মাহত সাম্প্ৰদায়িকতা বিষয়ত হোৱা সৰহভাগ বিতৰ্কতে তেওঁ অনুপস্থিত আছিল। বিৰোধী পক্ষই জেনেৰেল বৈদ্যৰ হত্যা প্ৰসংগটো উত্থাপন কৰোঁতেও তেওঁ লোকসভাত অনুপস্থিত আছিল। মই ভাবিছিলো প্ৰধানমন্ত্ৰীয়ে যিটো কাম প্ৰথম কৰিব সেইটো হ'ল এটা বিবৃতি দিয়া। তাৰ পৰিবৰ্তে অধ্যক্ষইহে বিৰোধীপক্ষক শান্ত কৰিব লগা হ'ল আৰু আনকি বিবৃতিটো যেতিয়া দিয়া হ'ল সেইটোও দিলে গৃহ দপ্তৰৰ ৰাজ্য পৰ্যায়ৰ মন্ত্ৰী গোলাম নবি আজাদে।

আচলতে, সংসদৰ অধিবেশন চলি থকা সময়ত আঁতৰি থকাটো ৰাজীব গান্ধীৰ এটা অভ্যাসৰ কথা হৈ পৰিছে। তেওঁৰ বিদেশ ভ্ৰমণবোৰ কমাব লাগে বুলি তেওঁক পৰামৰ্শ দিয়াৰ সময় হৈছে। প্ৰধানমন্ত্ৰীৰ পদত থকা দুবছৰতকৈও কম সময়ৰ ভিতৰত তেওঁ বিশ্বৰ অৰ্ধেকৰো বেছি দেখিলে। অক্টোবৰ মাহত তেওঁ অষ্ট্ৰেলিয়া, ইন্দোনেছিয়া আৰু থাইলেণ্ড ভ্ৰমণ কৰাটো চূড়ান্ত কৰা হৈছে।

এই ভ্ৰমণবোৰ নিজৰ দেশৰ সমস্যাবোৰৰ দৰে বৰ জৰুৰী নহয়। তেওঁ নাথাকিলে সমস্যাবোৰ উপেক্ষিত হৈ পৰি থাকে। তেওঁৰ সহকাৰীসকলৰ কোনো ক্ষমতা নাই আৰু তেওঁলোকে কি কৰিব লাগিব বা নালাগিব সেই বিষয়ে তেওঁৰ লগত দিহাপৰামৰ্শ কৰিব লগা হয়। গৃহমন্ত্ৰী বুটা সিঙে যিহকে সাব্যস্ত নকৰক লাগিলে বিসম্বাদী অকালি নেতা প্ৰকাশ সিং বাদল আৰু গুৰুচৰণ সিং তোহৰাক গ্ৰেপ্তাৰ কৰাৰ আগেয়ে তেওঁ প্ৰধান মন্ত্ৰীৰ লগত পৰামৰ্শ কৰি লৈছিল।

কোনো ধৰণৰ অনুষ্ঠানৰ প্ৰতিয়ে শ্ৰদ্ধা নথকা পুতেক সঞ্জয় গান্ধী দৃশ্যপটত ওলোৱাৰ আগলৈকে ইন্দিৰা গান্ধী সংসদখনৰ প্ৰশ্নত অধ্যৱসায়ী আছিল। অৱশ্যে তেতিয়াও তেওঁ গুৰুত্বপূৰ্ণ বিতৰ্কত উপস্থিত থকাৰপৰা কেতিয়াও বিৰত নাথাকিছিল আৰু সদনত এজন মন্ত্ৰীয়ে যি কোনো গুৰুত্বপূৰ্ণ বিবৃতি দিবৰ সময়ত তেওঁ

৫৪ পৃষ্ঠাত চাওক



# অসমৰ প্ৰস্তাৱিত চতুৰ্থ তেল শোধনাগাৰটো আৰু ডিগবৈ শোধনাগাৰৰ ভৱিষ্যত

ৰাণু বৰুৱা

ভাৰত তথা বিশ্বৰে সৰ্বাধিক পুৰণি প্ৰায় ৮৫ বছৰীয়া ডিগবৈ তেল শোধনাগাৰটোৰ ভৱিষ্যত ক্ৰমান্বয়ে অন্ধকাৰাচ্ছন্ন হৈ পৰিছে। ষষ্ঠ পৰিকল্পনাৰেপৰাই আৰম্ভ কৰা ডিগবৈ শোধনাগাৰৰ সম্প্ৰসাৰণ তথা আধুনিকীকৰণ কৰাৰ আঁচনি শেষ পৰ্যায়ত উপনীত হোৱাৰ পাছতো বৰ্তমানে বিভিন্ন অজুহাত দেখুৱাই শোধনাগাৰটোৰ আধুনিকীকৰণো বন্ধ ৰাখিবলৈ কেন্দ্ৰীয় পেট্ৰ'লিয়াম দপ্তৰৰপৰা নিৰ্দেশ আহিছে। মান্ধাতা যুগৰ যন্ত্ৰপাতি সহ পুৰণি প্ৰযুক্তি কৌশলেৰে চালিত আৰু অতি কম শোধন ক্ষমতাৰ ডিগবৈ শোধনাগাৰটো আৰু বেচ কেইবছৰমান ভালদৰে জীয়াই ৰাখিবলৈ যি সময়ত অতি সোনকালে আধুনিকীকৰণ কৰিবলৈ বিশেষজ্ঞসকলে পৰামৰ্শ দিছিল তেনে সময়ত কেন্দ্ৰৰ উক্ত নিদেৰ্শে ডিগবৈ শোধনাগাৰৰ মৃত্যু কিছু আগবঢ়াই আনিছে।

১৮৯০ চনত আৱিষ্কৃত হোৱা উজনি অসমৰ তৈলক্ষেত্ৰৰপৰা খাৰুৱা তেল শোধন কৰিবলৈ ১৯০১ চনতেই বৃটিছ অসম অয়ল কোম্পানিয়ে ডিগবৈত সৰুকৈ এটা শোধনাগাৰ স্থাপন কৰে। তাৰ পাছত ক্ৰমান্বয়ে তেলৰ উৎপাদন কিছু বৃদ্ধি পোৱাত আৰু উন্নত প্ৰযুক্তিবিদ্যা কিছু সহজলভ্য হোৱাত ১৯২৪ চনত এই সৰু শোধনাগাৰটোকেই কিছু সালসলনি কৰি নতুন ধৰণৰ এটা শোধনাগাৰ গঢ়ি তোলা হয়। তেতিয়াৰপৰাই বছৰি মাত্ৰ ০·৫ নিযুত মেট্ৰিক টন শোধন ক্ষমতাৰে তাহানিৰ যন্ত্ৰপাতিবোৰেৰেই আজিও ডিগবৈ শোধনাগাৰটো পূৰ্ণগতিত কৰ্ম কুশলতাৰে চলি আছে। ইয়াৰ অধিক সংখ্যক গোটৰেই যন্ত্ৰপাতিসমূহ প্ৰায় পঞ্চাছ বছৰীয়া পুৰণি। তালিকা-১অত শোধনাগাৰৰ কেইটামান উল্লেখযোগ্য গোটৰ স্থাপনকাল দেখুউৱা হৈছে।



এটা ঐতিহ্যপূৰ্ণ শোধনাগাৰ ধ্বংস কৰি বা বন্ধ কৰি আন এটা নতুন শোধনাগাৰ অসমৰ ৰাইজে বিচাৰেনে কি ?



OKDISCD

তালিকা-১

| গোট | স্থাপনকাল (চন) |
|---|---|
| ৰাক্স প্ৰছেছিং ইউনিট | ১৯২৮ |
| কেৰাছিন ট্ৰিটিং ইউনিট | ১৯৩২ |
| ডাবছ কোকিং ইউনিট | ১৯৩২ |
| খাৰুৱা তেল শোধন গোট | ১৯৩৪-৪০ |
| বিটুমেন ইউনিট | ১৯৩৮ |
| বয়লাৰ কেইটা | ১৯২৮-৫৪ |

ডিগবৈ শোধনাগাৰটো আজিও সুকলমে চলি থকা কথাটো বিশ্বৰ বহুতো ঠাইত বিশ্বাসেই কৰা নহয়। কেইবছৰমানৰ আগতে এখন জাৰ্মান প্ৰতিষ্ঠানৰ এজন অভিযন্তাই কথাটো কাণেৰে শুনি বিশ্বাস কৰিব নোৱাৰি নিজেই ডিগবৈ শোধনাগাৰটো সঁচাকৈয়ে চলি আছে নেকি চাবলৈ ডিগবৈ পাইছিলহি। অতি পুৰণি যন্ত্ৰপাতিবোৰকে ভালদৰে প্ৰতি পালন কৰি শোধনাগাৰটো চলাই থকাৰ কৃতিত্বৰ ভাগ ইয়াৰ কৰ্মীসকলৰ নিশ্চয় আছে। গৌৰৱৰ বিষয় যদিও এনেবোৰ মান্ধাতা যুগৰ যন্ত্ৰপাতিৰে তেল শোধনাগাৰ এটাৰ কাম চলোৱা আজিৰ দিনত অতি কষ্টকৰ আৰু বিপদজনক। কেইটামান গোটৰ স্বাভাৱিক জীৱন কাল কেতিয়াবাই উকলি যোৱাৰ উপৰিও অৰ্থনৈতিক জীৱনকালো অন্ত পৰাত অতি সোনকালেই ডিগবৈ শোধনাগাৰৰ প্ৰায়বোৰ গোটকেই নতুন প্ৰযুক্তিবিদ্যাৰে আধুনিকীকৰণ কৰিব লাগে। নহ'লে অচিৰেই কোনো গুৰুতৰ দুৰ্ঘটনা ঘটাৰ আশংকা প্ৰতি পদে বিৰাজমান। তদুপৰি বছৰি ০·৫ নিযুত টন শোধন ক্ষমতাৰ এটা শোধনাগাৰ অৰ্থনৈতিকভাৱেও লাভজনক নহয়। সেয়ে অৰ্থনৈতিকভাৱে লাভবান হ'ব পৰাকৈও অতি সোনকালেই ডিগবৈ শোধনাগাৰক সম্প্ৰসাৰণ কৰাৰ প্ৰয়োজনীয়তা অতি জৰুৰী বুলি আমি বিবেচনা কৰিছোঁ।

১৯৮১ চনৰ ১৪ অক্টোবৰত বৃটিছৰ হাতৰপৰা ভাৰতীয় তেল নিগমৰ হাতলৈ যোৱাৰ পাছত ডিগবৈ শোধনাগাৰটোৰ সম্প্ৰসাৰণ তথা আধুনিকীকৰণ কৰাৰ সন্মতিসূচক প্ৰস্তাৱ তেতিয়া পেট্ৰলিয়াম মন্ত্ৰীয়ে সংসদত দিছিল। কিন্তু যোৱা ১৮ এপ্ৰিলত কেন্দ্ৰীয় পেট্ৰলিয়াম মন্ত্ৰী দপ্তৰৰ সচিবে অসম অয়ল সংমণ্ডলৰ ভাৰপ্ৰাপ্ত সঞ্চালকলৈ দিয়া এখন চিঠিত অসম চুক্তিৰ প্ৰস্তাৱিত তেল শোধনাগাৰৰ পৰিপ্ৰেক্ষিতত ডিগবৈ শোধনাগাৰৰ আধুনিকীকৰণ কাৰ্যও বন্ধ ৰখাৰ নিৰ্দেশ দিছে। ১৯৮১ চনৰেপৰা আজিলৈকে এই পাঁচ বছৰত ডিগবৈ শোধনাগাৰটোৰ সম্প্ৰসাৰণ তথা আধুনিকীকৰণ কাৰ্যৰ আঁচনিখন সম্পূৰ্ণ হৈ নুঠিল চৰকাৰী ৰঙা ফিটাৰ মেৰপাক আৰু কেন্দ্ৰৰ আওকণীয়া মনোভাবৰ বাবে।

অসম চুক্তিৰ প্ৰস্তাৱিত শোধনাগাৰটোৰ দোহাই দি সম্প্ৰসাৰণ হ'বলগীয়া প্ৰায় এশবছৰীয়া পুৰণি ডিগবৈ শোধনাগাৰটোক এইদৰে ক্ৰমান্বয়ে মৃত্যুৰ পথলৈ আগবঢ়াই দিয়াৰ যুক্তি সঁচাকৈয়ে আছেনে? ঐতিহ্যপূৰ্ণ আৰু উত্তৰ-পূব অঞ্চলৰ জনজীৱনত ঘনিষ্ঠভাৱে জড়িত হৈ পৰা অসম অয়লৰ ডিগবৈ শোধনাগাৰটোক এই অঞ্চলৰ খাতিৰতেই জীয়াই ৰাখিব লাগিব।

### উত্তৰ-পূব অঞ্চলৰ পেট্ৰলিয়াম জাত সামগ্ৰীৰ বজাৰত অসম অয়লৰ অৱদান আৰু কৃতিত্ব

১৯৮১ চনৰ ১৪ অক্টোবৰৰপৰা ডিগবৈ শোধনাগাৰটো পূৰ্বৰ অসম অয়ল কোম্পানিৰ হাতৰপৰা ভাৰতীয় তেল নিগমৰ হাতলৈ আহে। যদিও ঐতিহ্যৰ বাবেই অসম অয়ল কোম্পানিক ভাৰতীয় তেল নিগমত সম্পূৰ্ণভাৱে নিমজ্জিত নকৰি অসম অয়ল সংমণ্ডল (Assam Oil Division) নামেৰে এটা সুকীয়া আৰু তৃতীয় সংমণ্ডল মুকলি কৰা হয়, বৰ্তমানে কিন্তু এই সংমণ্ডলে নিজৰ ডিগবৈ শোধনাগাৰত উৎপাদিত সামগ্ৰী সংমণ্ডলৰ বজাৰ বিভাগে (Marketing Department) বিক্ৰিও কৰে। ভাৰতীয় তেল নিগমৰ মাৰ্কেটিং সংমণ্ডলৰ (Marketing Division, I. O. C.) লগত ইয়াৰ কোনো প্ৰত্যক্ষ সম্পৰ্ক নাই। গুৱাহাটী শোধনাগাৰ হোৱালৈকে অৰ্থাৎ ১৯৬২ চনলৈকে উত্তৰ-পূৰ্বাঞ্চলৰ পেট্ৰলিয়াম জাত সামগ্ৰীৰ বজাৰখন অসম অয়লেই একপ্ৰকাৰ দখল কৰি আছিল। এতিয়াও অসম অয়লেই উত্তৰ-পূৰ্বাঞ্চলৰ আন আন পেট্ৰলিয়াম সামগ্ৰীৰ বিক্ৰি সংস্থাতকৈ আটাইতকৈ বেছি সেৱা আগবঢ়ায়। তালিকা-২ত উত্তৰ-পূৰ্বাঞ্চলৰ পেট্ৰলিয়াম জাত সামগ্ৰীৰ বজাৰখনত বিভিন্ন বিক্ৰি সংস্থাৰ সেৱাৰ এটা তুলনামূলক তথ্য দেখুউৱা হৈছে।

ডিগবৈ শোধনাগাৰত উৎপাদিত বেছিভাগ সামগ্ৰীয়েই ইয়াৰ তিনিচুকীয়াত থকা জমা কেন্দ্ৰৰ (terminal depot) পৰা সৰবৰাহ কৰা হয়। তিনিডাল ৩৫ কিল'মিটাৰ দৈৰ্ঘ্যৰ উৎপাদিত সামগ্ৰীৰ পাইপ লাইনৰ (product pipeline) সহায়েৰে এইবোৰ সামগ্ৰী ডিগবৈৰপৰা তিনিচুকীয়ালৈ যোগানৰ বাবে সৰবৰাহ কৰা হয়। ডিগবৈৰপৰা কেৱল লুবছ (lubes),

তালিকা-২

| | অসম অয়ল | আই·অ'ছি (মাৰ্কেটিং ডিভিজন) | এইচ·পি·ছি· | আই·বি·পি |
|---|---|---|---|---|
| খুচুৰাবিক্ৰি কেন্দ্ৰ | ২২১ | ১২৯ | ২৮ | ৫ |
| এছ· কে·অ'/ এল· ডি·অ' এজেঞ্চি | ৩৪৩ | ১৩০ | — | ১ |
| এল·পি·জি· বিতৰণকাৰী | ৫২ | ৩৭ | — | — |
| | ৬১৬ | ২৯৬ | ২৮ | ৬ |



মম আৰু আন বিশেষ কিছুমান সামগ্ৰীহে পোনপটিয়াকৈ যোগান ধৰা হয়। ইতিমধ্যে বহু দশক ধৰি উত্তৰ পূৰ্বাঞ্চলৰ আটাইতকৈ সংকটপূৰ্ণ ভিতৰুৱা অঞ্চলবোৰলৈ পেট্ৰলিয়ামজাত সামগ্ৰীৰ যোগান ধৰাত অসম অয়লে সফলতা অৰ্জন কৰি আহিছে। উত্তৰ-পূৰ্বাঞ্চলৰ জটিল সমস্যাবোৰৰ ক্ষেত্ৰত অসম অয়ল সম্পূৰ্ণভাৱে অভ্যস্ত আৰু ইয়াৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰাত যথেষ্ট আগ্ৰহী। যথোপযুক্ত ধৰণে চাহিদা পূৰণ কৰিব পৰাকৈ ইতিমধ্যে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ভিতৰুৱা ঠাইত থকা অসম অয়লৰ জমা ডিপোবোৰৰ সঞ্চয় ক্ষমতা বঢ়োৱাৰো আঁচনি লোৱা হৈছে।

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় ২,৫৫,০৩৭ বৰ্গ কিল'মিটাৰ জোৰা অঞ্চলত অসম অয়লে তেলৰ যোগান ধৰে। ইয়াৰ ভিতৰত ৭৩ শতাংশ অঞ্চলেই পৰ্বতীয়া দুৰ্গম অঞ্চল। বানপানী, ভূমিস্খলন, বৰষুণ আদি প্ৰাকৃতিক দুৰ্যোগৰ মাজতো ইমান বছৰে অসম অয়লে ভিতৰুৱা অঞ্চলবোৰত তেলৰ যোগান অব্যাহত ৰাখিব পৰাটো গৌৰৱ তথা সাহসিকতাপূৰ্ণ কাম। পেট্ৰলিয়ামজাত সামগ্ৰী উত্তৰ-পূৰ্বাঞ্চলত বিক্ৰি কৰাৰ উপৰিও নেপথা, মম আৰু পেট্ৰলিয়াম ক'ক ভাৰতৰ অন্যান্য ঠাইলৈও প্ৰেৰণ কৰা হয়।

অন্যান্য সামগ্ৰীৰ উপৰিও যোৱা কেইটামান বছৰত অসম অয়লে এল· পি· জি·ৰ বজাৰতো প্ৰবেশ কৰি এক অভিলেখ বিক্ৰিৰ সফলতা অৰ্জন কৰিছে। অসমৰ প্ৰায়বোৰ নগৰ-চহৰতে এল. পি· জি·ৰ বিতৰণকাৰী দিয়াৰ উপৰিও উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য দুৰ্গম অঞ্চলবোৰতো বিতৰণ কৰাৰ ব্যৱস্থা কৰিছে। উল্লেখযোগ্য যে, উত্তৰ-পূৰ্বাঞ্চলৰ সামৰিক ঘাটিৰ ৰন্ধনশালাবোৰতো এল· পি· জি· দিয়াৰ দায়িত্ব দেশৰ ভিতৰতে প্ৰথম বাৰৰ বাবে অসম অয়লেই পাইছে। বৰ্তমানে অসম অয়লে বছৰি ৩০,০০০ মেট্ৰিক টনতকৈ অধিক পৰিমাণৰ এল· পি· জি·

তালিকা ৩

যোগান চাহিদা ভাৰসাম্য তালিকা (হাজাৰ টন)

(বৰ্তমান শোধনক্ষমতাত দীৰ্ঘকালীন নিম্ন আনুপাতিক চাহিদা বৃদ্ধিৰ হাৰ)

| এছ·কে·অ'/এ· টি· এফ· | ১৯৮৬-৮৭ | ১৯৯১-৯২ | ১৯৯৪-৯৫ | ১৯৯৯-২০০০ |
|---|---|---|---|---|
| চাহিদা | ৩৬৩ | ৫১০ | ৬৪২ | ৮৯১ |
| উৎপাদন | ২৯৯ | ২৯৯ | ২৯৯ | ২৯৯ |
| অতিৰিক্ত/(ঘাটি) | (৬৪) | (২১১) | (৩৪৩) | (৫৯২) |
| **এইছ· এছ· ডি·** | | | | |
| চাহিদা | ৫৯০ | ৮৩৯ | ১০১১ | ১৩৬৫ |
| উৎপাদন | ৭৩১ | ৭৩১ | ৭৩১ | ৭৩১ |
| অতিৰিক্ত/(ঘাটি) | (১৪১) | (১০৮) | (২৮০) | (৬৩৪) |

তালিকা ৪

(বৰ্তমান শোধনক্ষমতাত হ্ৰস্বকালীন উচ্চ আনুপাতিক চাহিদাৰ হাৰ)

| এছ· কে·অ'/এটি·এফ | ১৯৮৬-৮৭ | ১৯৯১-৯২ | ১৯৯৪-৯৫ | ১৯৯৯-২০০০ |
|---|---|---|---|---|
| চাহিদা | ৪৫৭ | ৭০৪ | ৮৮১ | ১২১৯ |
| উৎপাদন | ২৯৯ | ২৯৯ | ২৯৯ | ২৯৯ |
| অতিৰিক্ত/(ঘাটি) | (১৫৮) | (৪০৫) | (৫৮২) | (৯২০) |
| **এইছ· এছ· ডি·** | | | | |
| চাহিদা | ৬৫৪ | ১২৫৭ | ১৫১৮ | ২০৫১ |
| উৎপাদন | ৭৩১ | ৭৩১ | ৭৩১ | ৭৩১ |
| অতিৰিক্ত/(ঘাটি) | (৯৭) | (৫২৬) | (৭৮৭) | (১৩২০) |

বিতৰণ কৰে। চাহ আৰু কয়লাৰ উদ্যোগখণ্ডবোৰতো এল· পি· জি· দিয়াৰ ক্ষিপ্ৰ ব্যৱস্থা হাতত লোৱা হৈছে। নগৰৰ উপকণ্ঠ অঞ্চলবোৰতো এল·পি· জি· যোগান ধৰাৰ ক্ষেত্ৰত যি সময়ত সৰ্বভাৰতীয় ক্ষেত্ৰত ২০,০০০ জনসাধাৰণৰ মাজত এজন বিতৰণকাৰী দিয়া হয়, তেনেক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলত ১০,০০০ জনসাধাৰণৰ মাজত অসম অয়লে এজন বিতৰণকাৰী নিয়োগ কৰিছে।

### উত্তৰ-পূৰ্বাঞ্চলত পেট্ৰলিয়ামজাত সামগ্ৰীৰ চাহিদা যোগানৰ পৰিস্থিতি

চলিত বছৰৰপৰা ধৰি এই শতিকাৰ শেহলৈকে উত্তৰ-পূৰ্বাঞ্চলত অত্যাৱশ্যকীয় পেট্ৰলিয়ামজাত সামগ্ৰী দুটামানৰ ক্ষেত্ৰত চাহিদা যোগানৰ পৰিস্থিতি কেনে হ'ব তাৰ এখন সামগ্ৰিক চিত্ৰ তালিকা ৩ আৰু ৪ত দাঙি ধৰা হৈছে।

তিনি আৰু চাৰি নম্বৰ তালিকাৰ তথ্যৰ পৰা এইটো স্পষ্ট হৈ পৰিছে, যে উত্তৰ পূৰ্বাঞ্চলত ভৱিষ্যতে পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ, বিশেষকৈ কেৰাছিন আৰু হাইস্পিড ডিজেল বৰ্তমানৰ শোধনাগাৰ তিনিটাই চাহিদা অনুপাতে যোগান ধৰিব নোৱাৰিব। তালিকা দুখনত উল্লেখ থকা চাহিদাৰ পৰিমাণ অহা পাঁচবছৰমানত আৰু বৃদ্ধি পোৱাৰ আশা আছে, কিয়নো চৰকাৰে এই অঞ্চলত কৃষি উন্নয়নৰ দিশত অধিক মনোযোগ দিয়াৰ বাবে এই অঞ্চলত কৃষিখণ্ডত আধুনিক যন্ত্ৰপাতিৰ ব্যৱহাৰৰ হাৰ যথেষ্ট বৃদ্ধি পাব আৰু তেতিয়া এই কেইবিধ পেট্ৰ'লিয়ামজাত সামগ্ৰীৰো ব্যৱহাৰ স্বাভাৱিকতেই বৃদ্ধি পাব।

এটা অঞ্চলৰ শিল্পোন্নতিৰ পৰিমাণ তাত হোৱা খনিজ তেলৰ ব্যৱহাৰেৰে



OKDISCD

জুখিব পাৰি। ভাৰতৰ আধাতকৈ বেছি খাৰুৱা তেল উৎপাদন হোৱাৰ পাছতো অসমতে সন্তৱ আটাইতকৈ কম খনিজ তেল ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে —গুজৰাটত বছৰি ১১২৫·৬৫ হাজাৰ টন, তামিলনাডুত ১০৪৮·৭ হাজাৰ টন, পশ্চিমবংগত ১৩৪১·৪০ হাজাৰ টন, বিহাৰত ৫৯৩·৬৫ হাজাৰ টনৰ বিপৰীতে অসমত ব্যৱহাৰ হয় বছৰি মাত্ৰ ৪৪০·১০ হাজাৰ টন! কিন্তু আপেক্ষিকভাৱে কম হলেও অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সপ্তম পৰিকল্পনাৰ কালছোৱাত বিভিন্ন উদ্যোগ বা পৰিবহনখণ্ডত অধিক তেল ব্যৱহাৰ হোৱাৰ এটা আভাস আমি পাইছোঁ আৰু তেতিয়া দেখা যায় যে অসমৰ বৰ্তমান তিনিটা শোধনাগাৰৰ উৎপাদিত সামগ্ৰীয়ে এই চাহিদা পূৰণ কৰিবলৈ ব্যৰ্থ হ'ব। তেনে এটা পৰিস্থিতিত এই অঞ্চলত এটা নতুন শোধনাগাৰ বা বৰ্তমানৰ শোধনাগাৰ তিনিটাৰ শোধন ক্ষমতা বৃদ্ধি কৰাটো আৱশ্যম্ভাৱী হৈ পৰিছে।

শোধনাগাৰ এটা নতুনকৈ স্থাপন কৰিবলৈ বা বৰ্তমানৰ শোধনাগাৰ কেইটাৰ শোধন ক্ষমতা বৃদ্ধি কৰিবলৈ হলে আমি এই অঞ্চলৰ খাৰুৱা তেলৰ ভাণ্ডাৰ পৰীক্ষা কৰিব লাগিব। সপ্তম পৰিকল্পনাৰ কালছোৱাৰ বাবে পেট্ৰ'লিয়াম মন্ত্ৰণালায়ে খাৰুৱা তেল উদঘাটন আৰু উৎপাদনৰ বাবে গঠন কৰি দিয়া উপসমিতিখনে দিয়া তথ্যৰ পৰা দেখা গৈছে যে, সপ্তম পৰিকল্পনাৰ শেহলৈ অৰ্থাৎ ১৯৮৯-৯০ চনমানত প্ৰায় ৭·৯৩ নিযুত টন তেল উৎপাদন হোৱাৰ আশা আছে। (তালিকা ৫)।

ইয়াৰ উপৰিও সপ্তম পৰিকল্পনাৰ কালছোৱাত নতুনকৈ উদঘাটিত হ'বলগীয়া তেলপথাৰৰ পৰা অতিৰিক্ত ১·৮ নিযুত টন তেল উৎপাদন হোৱাৰ আশা আছে। মুঠতে ১৯৯০ চনমানত (৭·৯৩+১·৮) নিঃ টন = ৯·৭৩ নিযুত টন খাৰুৱা তেল এই অঞ্চলত উৎপন্ন হ'ব।

এতিয়া চাওঁ, অসমৰ খাৰুৱা তেল শোধন কৰা শোধনাগাৰ কেইটাৰ অৱস্থা কেনে? বৰ্তমানে অসমৰ তেলেৰে চাৰিটা শোধনাগাৰ চলি আছে।

ডিগবৈ শোধনাগাৰ বছৰি ০· ৫ নিযুত টন
গুৱাহাটী ·৮৫
বঙাইগাঁও ১·০০
বাৰাউনি ৩·৩০
মুঠ বছৰি ৫·৬৫ নিযুত টন

মন কৰিবলগীয়া যে, বাৰাউনি শোধনাগাৰৰ শোধনক্ষমতা অসমৰ আটাইকেইটা শোধনাগাৰৰ মুঠ শোধনক্ষমতাতকৈ অধিক। অসমৰ জনমতক উলাই কৰি অসমৰ খাৰুৱা তেলেৰে বাৰাউনিত বৃহৎ শোধন ক্ষমতাৰ তেল শোধনাগাৰ পতাৰ কাহিনী অসমবাসীৰ বাবে অবিদিত নহয়। স্বাধীনতাৰ পাছত উজনি অসমত আৱিষ্কৃত বৃহৎ পৰিমাণৰ খাৰুৱা তেল শোধনৰ বাবে এটা শোধনাগাৰ স্থাপনৰ স্থান নিৰ্ণয় কৰিবলৈ গঠন কৰি দিয়া ভাৰত-ছোভিয়েট বিশেষজ্ঞ কমিটিয়ে পৰামৰ্শ দিছিল যে, অৰ্থনৈতিক আৰু কাৰিকৰী দিশৰ পৰা তেল শোধনাগাৰটো তেল পথাৰৰ ওচৰতে স্থাপিত হ'ব লাগে। কিন্তু ইয়াত প্ৰযুক্তিবিদ্যাৰ বিশেষজ্ঞ বা অৰ্থনীতিবিদসকলৰ মতামততকৈ ৰাজনৈতিক বিশেষজ্ঞসকলৰহে মতামত অধিক গ্ৰহণযোগ্য। দুৰ্ভাগ্যজনকভাৱে আমাৰ ৰাজনৈতিক দিশৰ দুৰ্বলতাৰ সুযোগ লৈ অসমৰ পৰা সুদূৰ বাৰাউনিলৈ তেল নিবৰ বাবে তৈয়াৰী হ'ল এছিয়াৰ ভিতৰত দীৰ্ঘতম ১৫৭৪ কিল'মিটাৰ দীঘল পাইপ লাইন।

### ডিগবৈ শোধনাগাৰ সম্প্ৰসাৰণ তথা আধুনিকীকৰণ হ'বনে?

১৯৮১ চনৰ ১৪ অক্টোবৰত ভাৰতীয় তেল নিগমৰ অধীনলৈ অহাৰ পাছত অধিক কাৰ্যক্ষম আৰু অঞ্চলটোৰ চাহিদা পূৰাব পৰাকৈ ডিগবৈ শোধনাগাৰটোৰ শোধনক্ষমতা বৃদ্ধিৰ হকে পেট্ৰ'লিয়াম মন্ত্ৰণালয়ৰ অধীনত এটা কাৰ্যকৰী গোট (Working Group) গঠন কৰা হয়।

ডিগবৈ শোধনাগাৰৰ সম্প্ৰসাৰণ তথা আধুনিকীকৰণ সম্পৰ্কীয় সম্ভাৱনা প্ৰতিবেদন (feasibility report) অসম অয়লৰ তৰফৰপৰা প্ৰস্তুত কৰি ১৯৮৫ চনৰ জুন মাহত ভাৰতীয় তেল নিগমৰ ব'ৰ্ড অব ডাইৰেক্টৰছৰ পৰিকল্পনা আৰু প্ৰকল্প কমিটিৰ হাতত দিয়া হয়। জুলাই মাহত কমিটিয়ে প্ৰতিবেদনখন পৰীক্ষা কৰি পুনৰ আৰু কিছু অধ্যয়নৰ বাবে অসম অয়ললৈ ঘূৰাই পঠায়, আৰু সেইমতে অসম অয়লে পূৰ্বৰ প্ৰতিবেদনখনৰ লগতে এখন পৰিপূৰিকা (supplement) সংযোগ কৰি ১৯৮৫ চনৰ জানুৱাৰী মাহত পুনৰ কমিটিৰ হাতত দাখিল কৰে।

১৯৮৫ চনৰ ১৩ ফেব্ৰুৱাৰীত বহা কমিটিৰ সভাত ডিগবৈ শোধনাগাৰৰ সম্প্ৰসাৰণ সম্পৰ্কীয় পৰিপূৰিকাসহ প্ৰতিবেদনখন পৰীক্ষা কৰি অনুমোদনৰ বাবে গ্ৰহণ কৰা হয় আৰু ডিগবৈ সোধনাগাৰত এটা হাইড্ৰক্ৰেকাৰ ইউনিটসহ বৰ্তমানৰ ০·৫ নিযুত টনৰ পৰা এক নিযুত টনলৈ শোধনক্ষমতা বৃদ্ধি কৰাৰ প্ৰস্তাৱত সম্মতি জনোৱা হয়। এই কাৰ্যৰ বাবে মুঠ ব্যয় ধৰা হৈছিল ৩০৯·০৯ কোটি টকা। সেইদিনাৰ সভাতে কমিটিখনে সিদ্ধান্ত কৰে যে, এই প্ৰস্তাৱটো পোনতে কাৰ্যকৰী গোটটোলৈ বিবেচনাৰ বাবে প্ৰেৰণ কৰা হওক আৰু তাৰ পাছত

তালিকা ৫ (নিযুত টন হিচাপত)

| তেল উদঘাটনকাৰী সংস্থা | উদ্‌পাদনৰ পৰিমাণ | | | | |
|---|---|---|---|---|---|
| | ১৯৮৫-৮৬ | '৮৬-'৮৭ | '৮৭-'৮৮ | '৮৮-'৮৯ | '৮৯-'৯০ |
| অ'. এন. জি. ছি. | ২·৮৪ | ৩·২০ | ৩·৫৮ | ৩·৯৭ | ৪·৪০ |
| অয়ল (O.I.L.) | ৩·১১ | ৩·১৪ | ৩·১৮ | ৩·৫৩ | ৩·৫৩ |
| মুঠ | ৫·৯৫ | ৬·৩৪ | ৬·৭৬ | ৭·৫০ | ৭·৯৩ |



চূড়ান্ত অনুমোদনৰ বাবে চৰকাৰলৈ পঠোৱা হওক। সেই অনুযায়ী ফেব্ৰুৱাৰীৰ মাজভাগত কাৰ্যকৰী গোটটোলৈ আৰু '৮৫ চনৰ ২২ মে'ত চৰকাৰলৈও প্ৰতিবেদনখন বিবেচনা আৰু অনুমোদনৰ বাবে পঠিওৱা হয়।

তাৰ পাছত পেট্ৰলিয়াম মন্ত্ৰী দপ্তৰে ১৯৮৫ চনৰ ২৯ মে'ত ভাৰতীয় তেল নিগমলৈ কাৰ্যকৰী গোটটোৱে চৰকাৰক দিয়া নিজা প্ৰতিবেদনখনৰ এটা প্ৰতিলিপিসহ এখন চিঠিৰ (নং —R-15011/4/83 O R I) যোগে জানিবলৈ দিয়ে যে, ভাৰতীয় তেল নিগমে যেন কাৰ্যকৰী গোটটোৱে দিয়া পৰামৰ্শৰ ওপৰত ভিত্তি কৰিহে ডিগবৈ শোধনাগাৰৰ সম্প্ৰসাৰণৰ চূড়ান্ত সম্ভাৱনা প্ৰতিবেদন প্ৰস্তুত কৰে।

### কাৰ্যকৰী গোটটোৱে দিয়া প্ৰতিবেদনত কি পৰামৰ্শ আছে?

গোটটোৱে উত্তৰ পূৰ্বাঞ্চলত অতিৰিক্তভাৱে উৎপন্ন হ'বলগীয়া বছৰি ২·৫ নিযুত টন তেল শোধন কৰিবলৈ তিনিটা বিকল্প ব্যৱস্থাৰ উপায় দিছে:

(ক) ডিগবৈ শোধনাগাৰৰ শোধনক্ষমতা বৰ্তমানৰ ০·৫ নিযুত টনহে ৰাখি বঙাইগাঁৱৰ শোধনক্ষমতা ২·৫ নিযুত টনলৈ বৃদ্ধি কৰিব লাগে।

(খ) হাইড্ৰক্ৰেকাৰ ইউনিটসহ ডিগবৈ শোধনাগাৰৰ শোধনক্ষমতা এক নিযুত টনলৈ বৃদ্ধি কৰি বঙাইগাঁৱলৈ বাকী ২ নিযুত টন যোগান ধৰিব লাগে।

(গ) ২·৫ নিযুত টনৰ আটাইখিনি তেলেই ডিগবৈ শোধনাগাৰতে শোধন কৰিব লাগে।

অৰ্থনৈতিক আৰু কাৰিকৰী দৃষ্টিকোণৰপৰা বিশ্লেষণ কৰি দেখা গৈছে যে, কাৰ্যকৰী গোটটোৱে দিয়া এই তিনিটা বিকল্পৰ ভিতৰত শেহৰ অৰ্থাৎ 'গ' বিকল্প ব্যৱস্থাটোৱেই অতি আকৰ্ষণীয় আৰু বাকীকেইটা বিকল্পতকৈ সহজে গ্ৰহণযোগ্য। কিন্তু কলটোৱে এই তিনিটাৰ ভিতৰত প্ৰথমটো বিকল্প ব্যৱস্থাকহে অগ্ৰাধিকাৰ দিছে। অৰ্থাৎ বঙাইগাঁওশোধনাগৰতেই গোটেইখিনি তেল শোধনৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ দিছে। অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা এইটো ব্যৱস্থা মুঠেই লাভজনক নহয়। গোটটোৱে প্ৰথম বিকল্প ব্যৱস্থাটোক অগ্ৰাধিকাৰ দিয়াৰ সপক্ষে যুক্তি দৰ্শাই কৈছে যে:

(১) ডিগবৈ শোধনাগাৰৰ শোধনক্ষমতা এক নিযুত টনলৈ বৃদ্ধি কৰাটো হেনো ক্ষমতা অনুপাতে অধিক ব্যয়বহুল, সেয়ে ইয়াৰ সম্প্ৰসাৰণ কৰিব নালাগে।

(২) ইন্ধনৰূপে ব্যৱহাৰ হ'বলগীয়া এছোছিয়েটেড গেছৰ মূল্য বৃদ্ধি পালে (?) ডিগবৈ শোধনাগাৰটোৰ শোধনক্ষমতা বঢ়োৱাৰ হেনো কোনো যুক্তি নাই।

(৩) উজনি অসমৰপৰা বঙাইগাঁৱলৈ খাৰুৱা তেল অধিকভাৱে যোগান ধৰিবলৈ প্ৰবাহ বৰ্ধক (flow improver) ব্যৱহাৰ কৰিব পৰা যাব।

(৪) বঙাইগাঁও শোধনাগাৰ সম্প্ৰসাৰণ কৰিবলৈ তাত প্ৰয়োজনীয় মাটি, ইনফ্ৰাষ্ট্ৰাকচাৰ আৰু সামগ্ৰীৰ পৰিবহনৰ বাবে সুবিধা অপৰ্যাপ্তভাৱে আছে।

কাৰ্যকৰী গোটটোৱে দেখুউৱা উক্ত চাৰিওটা যুক্তি ডিগবৈ শোধনাগাৰৰ সম্প্ৰসাৰণ কৰিব নোৱৰা সম্পৰ্কত সঁচাকৈয়ে গ্ৰহণযোগ্য নে? কাৰিকৰী দিশৰ পৰা যিটো শোধনাগাৰৰ সম্প্ৰসাৰণ সম্ভৱ আৰু তাৰবাবে ব্যয়ৰ মাত্ৰা এটা অবাস্তৱ ধৰণৰ নহয়, তেনেক্ষেত্ৰত ডিগবৈ শোধনাগাৰটো সম্প্ৰসাৰণ কৰাৰ ক্ষেত্ৰত অধিক ব্যয়বহুলতাৰ প্ৰশ্নটো এটা অজুহাত মাথোন। তেনেদৰে গেছৰ মূল্য অধিক হোৱাৰ সম্ভাৱনা কিয় দেখিব লগা হ'ল? যি সময়ত অসমতে বছৰি ৯০০ নিযুত ঘন মিটাৰ প্ৰাকৃতিক গেছ নিৰ্মমভাৱে জ্বলাই দিয়া হৈছে, তেনে ক্ষেত্ৰত গেছৰ মূল্য বৃদ্ধি হোৱাৰ দৰে এটা নাভূত-নাশ্ৰুত কথা কাৰ্যকৰী গোটটোৱে কেনেকৈ উত্থাপন কৰিছে সেইয়া আশ্চৰ্যজনক! প্ৰবাহ বৰ্ধকৰ প্ৰয়োগ সম্বন্ধীয় ব্যৱস্থাটো এতিয়াও অমীমাংসিত হৈয়েই আছে; ফলত তৃতীয় কাৰণটোতো কোনো বলিষ্ঠ যুক্তি নাই। আনহাতে বঙাইগাঁও শোধনাগাৰক সম্প্ৰসাৰণ কৰিবলৈ গোটটোৱে যি মাটি, ইনফ্ৰাষ্ট্ৰাকচাৰ থকাৰ কথা কৈছে সেইয়া ডিগবৈতো সম্ভৱ। কিয়নো কাৰ্যকৰী গোটটোৱেই অতিৰিক্ত খাৰুৱা তেলৰ ভাণ্ডাৰ মজুত পালে ডিগবৈ শোধনাগাৰৰ ক্ষমতা বছৰি ৪ নিযুত টনলৈ বৃদ্ধি কৰাৰ অনুমোদন জনাইছিল। তেনে ক্ষেত্ৰত ডিগবৈত মাটি, ইনফ্ৰাষ্ট্ৰাকচাৰৰ অভাৱৰ কথা কৈ ডিগবৈ শোধনাগাৰৰ সম্প্ৰসাৰণ কাৰ্যত বাধা দিয়াৰ আমি কোনো কাৰণ দেখা নাই।

উত্তৰ-পূৰ্বাঞ্চলৰ দুৰ্গম ভিতৰুৱা অঞ্চলসমূহলৈ প্ৰয়োজনীয় পেট্ৰলিয়ামজাত সামগ্ৰীৰ যোগান বৃদ্ধি কৰিবলৈ কাৰ্যকৰী গোটটোৱে অগ্ৰাধিকাৰ ভিত্তিত সুবিধা আগবঢ়াব লাগে বুলি পৰামৰ্শ দিছে, কিন্তু এনেকুৱা সুবিধাবোৰ চিনাক্ত কৰি দেখুউৱাত তেওঁলোক ব্যৰ্থ হৈছে।

আমাৰ বিশ্লেষণৰপৰা দেখা গৈছে যে, উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰুৱা অঞ্চলসমূহৰ বাবে প্ৰয়োজন হোৱা পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ পৰিবহনত আগৰে পৰাই নানা বাধা-বিঘিনি সত্ত্বেও অসম অয়লে সেইবোৰ সুকলমে যোগান ধৰি আহিছে। বঙাইগাঁও শোধনাগাৰ সম্প্ৰসাৰণ কৰিলেও তাত উৎপাদিত হোৱা পেট্ৰলিয়ামজাত সামগ্ৰী উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ঠাইলৈ স্থলপথেৰে পৰিবহন কৰাৰ খৰচ ডিগবৈ শোধনাগাৰতকৈ আপেক্ষিকভাৱে যথেষ্ট বেছি হ'ব। আনহাতে স্পৰ্শকাতৰ সীমান্ত অঞ্চলৰূপে গুৰুত্ব থকা স্থানসমূহলৈ হঠাতে পৰিস্থিতি বিশেষে পেট্ৰলিয়ামজাত সামগ্ৰী যোগান ধৰিবলৈ বঙাইগাঁও শোধনাগাৰতকৈ ডিগবৈ শোধনাগাৰটো যথেষ্ট বেছি সুবিধাজনক অৱস্থাত আছে। তালিকা—৬ ত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন অঞ্চললৈ ডিগবৈ আৰু বঙাইগাঁৱৰ পথ দূৰত্ব তুলনা কৰি দেখুউৱা হৈছে।



OKDISCD

আমাৰ এইটো বক্তব্য নহয় যে, বঙাইগাঁও শোধনাগাৰটো সম্প্ৰসাৰণ কৰিব নালাগে। কিন্তু ডিগবৈ শোধনাগাৰ সম্প্ৰসাৰণ কৰাৰ পটভূমিতহে কাৰ্যকৰী গোটটোৱে দেখুউৱা অযুক্তিকৰ মতামতবোৰ পৰিস্থিতি সাপেক্ষে বিচাৰ কৰি চোৱা হৈছে।

অৱশেষত সম্প্ৰসাৰণৰ সলনি কাৰ্যকৰী গোটটোৱে ১৫০ কোটি টকা ব্যয়সাপেক্ষে ডিগবৈ শোধনাগাৰটোৰ আধুনিকীকৰণৰ বাবেহে মত দিয়ে। গোটটোৰ এই আঁচনি অনুযায়ী ডিগবৈ শোধনাগাৰত বছৰি তিনি লাখ টন ক্ষমতাৰ এটা ক'কিং গোট (coking unit) স্থাপন কৰাৰ উপৰিও নতুনকৈ এটা এফ্লুৱেণ্ট ট্ৰিটমেণ্ট গোট স্থাপন আৰু নতুনকৈ উচ্চক্ষমতাৰ বিদ্যুৎ শক্তি গোট স্থাপন কৰা হ'ব। তদুপৰি জীৱন কাল উকলি যোৱা পুৰণি যন্ত্ৰপাতিসমূহো সলনি কৰা হ'ব। কাৰ্যকৰী গোটটোৱে আকৌ কিন্তু উক্ত আধুনিকীকৰণ আঁচনিখন পৰ্যায়-ক্ৰমেহে কাৰ্যকৰী কৰাৰ সপক্ষে মত দিছে। তেওঁলোকৰ মতে, সপ্তম পৰিকল্পনাৰ মাজভাগলৈকে অৰ্থাৎ ১৯৮৭-৮৮ চনলৈকে প্ৰস্তাৱিত মুঠ খৰচৰ ২০% অৰ্থাৎ ৩০ কোটি টকাহে আধুনিকীকৰণত ব্যয় কৰিব লাগে। গোটটোৰ মতে এই সময়তে অৰ্থাৎ ১৯৮৭-৮৮ চনত এই অঞ্চলত থকা তেল প্ৰাপ্তিৰ এখন পূৰ্ণাংগ ছবি প্ৰতিফলিত হ'ব আৰু ইয়াৰ ভিত্তিতে ডিগবৈ শোধনাগাৰক সম্প্ৰসাৰিত কৰা আঁচনিখনৰ সম্পৰ্কে পুনৰ বিবেচনা কৰা হ'ব, আৰু সম্ভৱপৰ হ'লে ডিগবৈ শোধনাগাৰৰ ক্ষমতা বছৰি ৪ নিযুত টনলৈ বৃদ্ধি কৰিব পৰা যাব।

কাৰ্যকৰী গোটটোৰ এই দুমুখীয়া নীতিৰ প্ৰতিবেদনবোৰৰ কোনো বাস্তৱ ভিত্তি আছেনে? উল্লিখিত আধুনিকীকৰণ আঁচনিখনত ডিগবৈ শোধনাগাৰত বছৰি তিনিলাখ টন ক্ষমতাৰ যিটো ক'কিং গোট দিয়াৰ মত দিছে তাৰ বাবে প্ৰয়োজনীয় ফিডষ্টক (feed-stock) বৰ্তমানৰ শোধনক্ষমতাৰে ডিগবৈ শোধনাগাৰে দিব নোৱাৰে; তেনেক্ষেত্ৰত সম্প্ৰসাৰণ নকৰাকৈ বছৰি তিনি লাখ ক্ষমতাৰ এটা ক'কিং গোট ডিগবৈ শোধনাগাৰত স্থাপন কেনেকৈ কৰাটো সম্ভৱ? আনফালে গোটটোৱে ডিগবৈ শোধনাগাৰৰ শোধনক্ষমতা বছৰি ৪ নিযুত টনলৈ বৃদ্ধি কৰাৰ সম্ভাৱনীয়তা আছে বুলি জানিও শোধনাগাৰটোৰ শোধনক্ষমতা বৃদ্ধি কৰাৰ বিপক্ষে যিবোৰ যুক্তিৰ অৱতাৰণ কৰিছে সেইবোৰৰ কোনটো আমাৰ বাবে গ্ৰহণযোগ্য? ভুৱা তথ্য আৰু যুক্তিৰে কাৰ্যকৰী গোটটোৱে আচলতে কি বিচাৰিছে? শোধনাগাৰটোৰ সম্পৰ্কত এটা ইতিবাচক সিদ্ধান্ত লবলৈ কাৰ্যকৰী গোটটোৰ তথা চৰকাৰৰ আৰু কিমান দিন লাগিব?

### তালিকা ৬

| অঞ্চলসমূহ | ডিগবৈ/তিনিচুকীয়াৰপৰা ৰেল/পথ দূৰত্ব | বঙাইগাঁৱৰপৰা ৰেল/পথ দূৰত্ব |
|---|---|---|
| পূব অৰুণাচল প্ৰদেশ | ৫০ কিল'মিটাৰ | ৭৫৬ কিল'মিটাৰ |
| নগালেণ্ড | ২৫৯ ,, | ৪২৭ ,, |
| মণিপুৰ | ৪৭৫ ,, | ৬৪৩ ,, |
| মিজোৰাম | ৭২৮ ,, | ৭৪৮ ,, |
| শিলচৰ | ৫৪৮ ,, | ৫৬৮ ,, |
| ত্ৰিপুৰা | ৬০৩ ,, | ৬২৪ ,, |

১৯৮৫ চনৰ ১৫ আগষ্টৰ অসম চুক্তি অনুযায়ী অসমত স্থাপিত হবলগীয়া তেল শোধনাগাৰটোৰ পৰিপ্ৰেক্ষিতত ডিগবৈ শোধনাগাৰটোৰো সম্প্ৰসাৰণ তথা আধুনিকীকৰণ কৰা হ'বনে? সম্প্ৰতি তেনে এটা নেতিবাচক মনোভাৱৰ আশংকাই আমাৰ আগত দেখা দিছে। যোৱা ২৮ এপ্ৰিলত কেন্দ্ৰীয় পেট্ৰলিয়াম দপ্তৰৰ সচিবে অসম অয়লৰ ভাৰপ্ৰাপ্ত সঞ্চালকলৈ দিয়া এখন চিঠিত এনে এটা নেতিবাচক ভাৱৰে ইংগিত দিছে। নতুন শোধনাগাৰটো স্থাপন কৰি ডিগবৈ শোধনাগাৰটোৰ ফালে চকু নিদিয়াকৈ থাকিলে ১০-১২ বছৰৰ পাছতে শোধনাগাৰটো অতি পুৰণি যন্ত্ৰপাতিসহ আৰু কম শোধন ক্ষমতাৰে এটা ক্ষুদ্ৰ উদ্যোগলৈ পৰিণত হ'ব আৰু চৰকাৰৰো এইটো শোধনাগাৰ বন্ধ কৰি দিয়াৰ বাহিৰে আন গত্যন্তৰ হয়তো নাথাকিব। এতিয়া প্ৰশ্ন হ'ল, এটা ঐতিহ্যপূৰ্ণ শোধনাগাৰ ধ্বংস কৰি বা বন্ধ কৰি আন এটা নতুন শোধনাগাৰ অসমৰ ৰাইজে বিচাৰেনেকি?

### প্ৰস্তাৱিত নতুন শোধনাগাৰটো

সুদীৰ্ঘ দিন ধৰি দাবী কৰি অহাৰ পাছত অতি গৌণভাৱে কেন্দ্ৰই অসম চুক্তিৰ লগতে সংলগ্ন কৰি এটা তেল শোধনাগাৰ অসমত স্থাপনৰ প্ৰতি সন্মতি জনাইছে। স্বাভাৱিকতেই শোধনাগাৰ এটাৰ উপহাৰে আমাক যথেষ্ট উৎফুল্লিত কৰি তুলিছে। কিন্তু শোধনাগাৰটোৰ স্থাপন সম্পৰ্কীয় কিছুমান প্ৰাৰম্ভিক ক্ৰিয়া-কলাপে আমাক নতুন শোধনাগাৰটোৰ প্ৰতি সন্দিহান কৰি তুলিছে।

নতুন তেল শোধনাগাৰটো ব্যক্তিগত খণ্ডত হ'ব বুলি ইতিমধ্যেই কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে সংসদত কৈছেই। গৃহমন্ত্ৰীৰ এই ঘোষণাত আমি আচৰিত হ'ব লগা হৈছো, কিয়নো এই ঘোষণা ভাৰতীয় ঔদ্যোগিক নীতিৰ পৰিপন্থী। যদিও ১৯৫৬ চনৰ ঔদ্যোগিক নীতিত ব্যক্তিগত মলিকানাৰ পুঁজি লগ্নীভূত কৰাত সম্পূৰ্ণভাৱে বাধা আৰোপ কৰা নাই, তথাপিও চৰকাৰে তেল উদ্ঘাটন আৰু শোধন কাৰ্যত ৰাজহুৱা খণ্ডৰহে পৃষ্ঠপোষকতা কৰি আহিছে। যিসময়ত ডিগবৈ শোধনাগাৰকে ধৰি আন কেইবাটাও উদ্যোগ ৰাষ্ট্ৰীয়কৰণ কৰা হৈছে, তেনেক্ষেত্ৰত আকৌ এটা গুৰু উদ্যোগ ব্যক্তিগত খণ্ডত দিয়াৰ অভিপ্ৰায় কি? বিষয়টো এতিয়াও মীমাংসা নোহোৱাত শেহত নতুন শোধনাগাৰটো ব্যক্তিগত খণ্ডতেই স্থাপিত হোৱাৰ পূৰ্ণ সম্ভাৱনাই দেখা দিছে। ব্যক্তিগত খণ্ডৰ শোধনাগাৰটোৰপৰা অসমৰ অৰ্থনীতি কিমান সবল হ'ব পাৰিব আৰু তাৰপৰা থলুৱা লোক কিমান উপকৃত হ'ব সেইয়া বিচাৰ্যৰ বিষয়।

চুক্তিৰ পাছতে নতুন শোধনাগাৰ এটা অসমত স্থাপন কৰিবলৈ কেন্দ্ৰই যোৱা ১৭ ছেপ্টেম্বৰ তাৰিখে এছ. আৰ. চেটপুৰৰ নেতৃত্বত এখন ছজনীয়া কমিটি গঠন কৰি দিয়ে। কমিটিৰ আন কেইজন সদস্য আছিল ড° জি. জয়াৰামা ৰাও, জে. এছ. মিশ্ৰ আৰু পৰিকল্পনা আয়োগ, বি. আৰ. পি. এল, ভাৰতীয় তেল নিগমৰ প্ৰজেক্টৰে এজনকৈ প্ৰতিনিধি। কিন্তু অসম চৰকাৰৰ এজনো প্ৰতিনিধি কমিটিত লোৱা নহ'ল। অসমতে নতুনকৈ এটা শোধনাগাৰ হ'ব আৰু তাৰ বাবে আগতীয়া যা-যোগাৰত ঘৰৰে এজন মানুহ নথকাটো কেনেকুৱা কথা? ইয়াৰ বাবে কেন্দ্ৰই অসমত এজনো বিশেষজ্ঞ বিচাৰি নাপালেনে? সি যি কি নহওক, কমিটিয়ে তিনিমাহৰ ভিতৰতেই খৰধৰকৈ বিশেষ কিছুমান পৰামৰ্শৰে ইতিমধ্যেই কেন্দ্ৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিলে। প্ৰতিবেদনৰ ভিতৰৰ কথা এতিয়ালৈকে জানিবপৰা হোৱা নাই। এটা বিশ্বস্ত সূত্ৰৰপৰা গম পোৱা মতে নতুন শোধনাগাৰটোৰ শোধনক্ষমতা বছৰি এক নিযুত টন কৰাৰহে হেনো চিন্তা কৰা হৈছে। পেট্ৰলিয়াম দপ্তৰত এইটোও গুণাগথা চলিছে যে নতুনকৈ এটা শোধনাগাৰ স্থাপন কৰিবপৰা যায় নে বৰ্তমানৰ অসমৰ শোধনাগাৰকেইটাৰ শোধনক্ষমতা বৃদ্ধি কৰা যায়। যদিও এতিয়ালৈকে কোনো এটা স্থিৰ সিদ্ধান্তত কেন্দ্ৰ উপনীত হ'বপৰা নাই। আমাৰ মতে, যদি প্ৰস্তাৱিত শোধনাগাৰটোৰ শোধন ক্ষমতা মুঠেই বছৰি এক নিযুত টন কৰাৰ কথাহে ভবা হৈছে, তেন্তে তেনে এটা শোধনাগাৰ লৈ আমাৰ কোনো লাভ নহ'ব।

নতুনকৈ এটা কেৱল শোধনাগাৰ স্থাপন কৰিলে আমাৰ ৰাজ্যখনৰ বিশেষ কিবা এটা লাভৰ আশা কৰাটো মিছা। শোধনাগাৰ এটাৰ পৰা নিয়োগৰ দিশত লাভবান হ'ম বুলি ভবাটো বৰ্তমান অসম্ভৱ। কিয়নো আধুনিক প্ৰযুক্তিবিদ্যাৰে সজ্জিত এটা নতুন শোধনাগাৰত কৰ্মচাৰী, শ্ৰমিকৰ প্ৰয়োজন প্ৰায়েই হ্ৰাস পায়। শোধনাগাৰ এটাৰ স্থাপনৰ ফলত ৰাজ্যখনৰ অঞ্চলবিশেষৰ কিবা সামগ্ৰিক উন্নয়নৰ ধাৰণা কোনোবাই লৈছে যদিও সেইয়া এক ভ্ৰান্ত ধাৰণাহে। কিয়নো দেখা গৈছে, বৰ্তমানে থকা শোধনাগৰ তিনিওটাৰ কাষৰীয়া অঞ্চলসমূহৰ উন্নয়ন আপেক্ষিকভাৱে বহু পিছপৰা।

এতিয়ালৈকে প্ৰস্তাৱিত শোধনাগাৰটো সম্পৰ্কে কেন্দ্ৰই আনুষ্ঠানিকভাৱে কোনো ঘোষণা কৰা নাই। আৰু এই বছৰতে কৰিলেও নতুন এটা শোধনাগাৰ সম্পূৰ্ণ হ'বলৈ কমেও ৭-৮ বছৰ সময় লাগিব। অৰ্থাৎ ধৰি লওঁ আমাৰ প্ৰস্তাৱিত শোধনাগাৰটোৰ শোধন কাৰ্য ১৯৯৬-৯৭ চনমানত আৰম্ভ হ'বগৈ। কিন্তু এই অঞ্চলত থকা তেল প্ৰাপ্তিৰ সম্ভাব্য তথ্যৰ পৰাই দেখা যায় (তালিকা ৫ চাওক) যে ১৯৮৯-৯০ চনতে অতিৰিক্ত প্ৰায় ৪ নিযুত টন তেল উৎপাদন হ'ব। এইখিনি তেলৰ ব্যৱস্থা পিছে কি কৰা হ'ব? শোধন কৰাৰ ব্যৱস্থা ক'ৰবাত ৰখা হৈছে নেকি? কিন্তু এইখিনি অতিৰিক্ত তেল বাৰাউনিলৈ নিবৰ বাবে ইতিমধ্যেই ব্যাপক ষড়যন্ত্ৰ আৰম্ভ হৈছে। বাৰাউনি শোধনাগাৰৰ শোধনক্ষমতা বৃদ্ধিৰ বাবে প্ৰস্তুত কৰা সম্ভাৱনা প্ৰতিবেদন ইতিমধ্যে চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। আনহাতে অসমৰপৰা এই তেল নিবৰ বাবে অয়ল ইণ্ডিয়াই গুৱাহাটী বাৰাউনি খণ্ডৰ পাইপলাইন সম্প্ৰসাৰণৰ বাবে পেট্ৰ'লিয়াম মন্ত্ৰণালয়ৰ যোগেদি বিশ্ব-বেংকৰ ওচৰত শকত পৰিমাণৰ ঋণৰ বাবে আবেদন জনাইছে। এইবোৰ চক্ৰান্তৰ উমঁহ অসম চৰকাৰে বিচাৰি পাইছেনে? এতিয়া ৰাজ্য চৰকাৰে এই আবেদন তৎক্ষণাত নাকচ কৰিবলৈ কেন্দ্ৰৰ ওচৰত প্ৰবল চাপ প্ৰয়োগ নকৰিলে অসমৰ পনীয়া সোণেৰে বাৰাউনিহে অধিক সমৃদ্ধিশালী হৈ উঠিব।

এইখিনি অতিৰিক্ত তেল বাৰাউনিলৈ নিয়াৰ সলনি অসমৰ বৰ্তমানৰ শোধনাগাৰ কেইটাৰ শোধনক্ষমতা বৃদ্ধিৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰৰ ওচৰত দাবী জনাব লাগে। আগতেই কোৱা হৈছে, ডিগবৈ শোধনাগাৰটোৰ সম্প্ৰসাৰণ কৰাৰ আঁচনি অতি আকৰ্ষণীয় হোৱাৰ উপৰিও শেষ পৰ্যায়ত হোৱাৰ পাছতো কাৰোবাৰ ষড়যন্ত্ৰত বন্ধ ৰখা হয়। বাৰাউনিলৈ নিয়াৰ সলনি এতিয়া অনতিপলমেই ডিগবৈ শোধনাগাৰক অগ্ৰাধিকাৰৰ ভিত্তিত কিমানলৈ পৰা যায় শোধনক্ষমতা বৃদ্ধি কৰিবলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰৰ ওচৰত সজোৰে দাবী জনাওক। এই শতিকাৰ শেহলৈ থাকৰা তেলৰ উৎপাদন এই অঞ্চলত আৰু বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। গতিকে থাকৰা তেল প্ৰাপ্তিৰ অভাৱৰ প্ৰশ্নটোক লৈ আমি বোধকৰোঁ চিন্তা কৰিবলগীয়া ন'হব। গতিকে চতুৰ্থ শোধনাগাৰটো স্থাপন হোৱাৰ উপৰিও ডিগবৈ শোধনাগাৰক সম্প্ৰসাৰণ কৰাৰ যথেষ্ট থল আছে বুলি আমি দৃঢ়ভাৱে বিশ্বাস কৰোঁ।

OKDISCD

# মূল্যবৃদ্ধি আৰু প্ৰশাসনীয় দৃঢ়তা

গকুল হাজৰিকা

যোৱা জুন মাহৰ প্ৰথম সপ্তাহৰ কথা। অসমৰ প্ৰতিখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত এটি গুৰুত্বপূৰ্ণ সামাজিক সমস্যাৰ বাতৰি যত্নসহকাৰে পৰিবেশিত হৈছিল। সদৌ অসম ছাত্ৰ সন্থাই সমগ্ৰ অসম জুৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাবনীয় মূল্য বৃদ্ধিৰ বিৰুদ্ধে প্ৰত্িবাদ দিবস পালন কৰে। মূল্য-বৃদ্ধিৰ প্ৰতিবাদ কাৰ বিৰুদ্ধে— চৰকাৰ নে অসাধু ব্যৱসায়ীগোষ্ঠীৰ বিৰুদ্ধে কথাষাৰ বৰকৈ স্পষ্ট নহ'ল। তেতিয়াও। আজিও।

বছৰেকত এশটামান নানা দিবস পালনত সদাব্যস্ত আজিৰ ৰাজনৈতিক আৰু সমাজ ব্যৱস্থাৰ দিনত আৰু এটা দিবস পালন কৰা হ'ল। বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত বাতৰি ওলাল। দিন পাৰ হ'ল। 'মূল্য বৃদ্ধিয়ে জুৰুলা কৰা জনসাধাৰণে দিবসটিৰ কথা পাহৰিলে।

খাদ্যবস্তুৰ মূল্যবৃদ্ধিৰ চকা লাহে লাহে উৰ্দ্ধ লৈ উঠি থাকিল জনসাধাৰণৰ ডিঙিৰ ওপৰেদি। ৰাইজে প্ৰমাদ গণিলে। সমাজৰ নিম্ন আৰু নিম্ন-মধ্যবিত্ত শ্ৰেণী প্ৰধানকৈ এই ভয়াবহ মূল্যবৃদ্ধিত জুৰুলা হ'ল। গাঁৱৰ ডেকা-বুঢ়া-জীয়ৰী-বোৱাৰী বাহিৰলৈ আহি-বলৈ, চহৰমুখী হবলৈ বাধ্য হ'ল, দুটা পইচা আৰ্জনৰ বাবে, নিজ প্ৰয়োজনকণ পূৰাবৰ বাবে, ঘৰখনক অভাৱ-অনাটনৰ পৰা ৰক্ষা কৰিবৰ বাবে। কিন্তু পথ কেনি? কঃ পন্থা? সৎভাৱে উপাৰ্জনৰ বাট কোনফালে?? কোনে দেখুৱাব? পথভ্ৰষ্ট কিছুৱে অসামাজিক পথকে বাচি ললে।

আজি সমগ্ৰ সমাজক আবৰি ধৰা "কেছেট কালচাৰ"ৰ দিনত মূল্যবৃদ্ধি ৰোধ সম্পৰ্কে এক আন্তৰিক প্ৰচেষ্টাৰ, দৃঢ়তাৰ অভাৱ দেখা যায়;—চৰকাৰ, প্ৰশাসন আৰু নানা সংগঠনৰ মাজত। এনে এক আন্তৰিকতাৰ, দৃঢ়তাৰ অভাৱৰ ফলতেই অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত অসমখন বহুদূৰ পিছপৰি থাকিল।

আমাৰ দেশত সকলো অৰ্থনৈতিক বোজা জনসাধাৰণৰ ওপৰতেই জাপি দিয়া হয়। কৰ, ঋণ, মূল্য আদি নানান নামকৰণেৰে সকলো টকাই জনসাধাৰণৰ পক্ষৰ পৰাহে আহে। কিন্তু ৰাজ্যৰ অৰ্থনৈতিক বিকাশৰ বাবে যি পৰিমাণৰ ধন খৰচ কৰা হয়, তাৰ সামান্য অংশহে জনসাধাৰণৰ কাষ পায়গৈ। প্ৰধানমন্ত্ৰী, অৰ্থমন্ত্ৰী বা আমাৰ মুখ্যমন্ত্ৰীয়ে বুজা উচিত যে জনসাধাৰণৰ জীৱনযাত্ৰাৰ মান বৃদ্ধি যদি অৰ্থনৈতিক বিকাশৰ মূল লক্ষ্য নহয়, তেনেহলে দেশৰ বা ৰাজ্যৰ অৰ্থনীতি সদায় দুৰ্বল হৈয়ে থাকিব।

ঔদ্যোগিক সামগ্ৰী দূৰৰ কথা, আজি জনসাধাৰণৰ বৃহৎ অংশৰ অতি আৱশ্যকীয় খাদ্য সামগ্ৰী কিনাৰ সামৰ্থ্য দিনে দিনে নোহোৱা হৈ আহিছে। পুৱা কাম বিচাৰি বা দিন-হাজিৰা কৰিবলৈ ওলাই আহি একোটা চাৰিআলিত গোট খাই থকা নিবনুৱাৰ সংখ্যা দিনে দিনে বৃদ্ধি পাইছে। একোটা কাৰখানা, ফেক্টৰিৰ লোহাৰ গে'টৰ বাহিৰত দিন-হাজিৰা কৰিবলৈ নিজ শ্ৰম আগবঢ়োৱা অনিপুন অৰ্দ্ধ-নিপুন লোকৰ ভিৰ বাঢ়ি আহিছে। চাহবাগানত সংস্থাপন নাপাই পথ নিৰ্মাণ বা মেৰামতিৰ কাম বিচৰা চাহশ্ৰমিক ডেকা-গাভৰুৰ ভিৰ কমোৱাৰ পথ কেনি?

আজি এই ৰাজ্যত সুলভমূল্যৰ খাদ্যবস্তুৰ দোকানৰ সুবিধা ভোগ কৰিছে এমুঠি নগৰৰ মানুহে। অ.গ.প. চৰকাৰৰ আঢ়ৈ টকীয়া চাউল আৰু চাৰে চাৰি টকীয়া মচুৰ দাইলৰ সুবিধা ভোগ কৰিছে নগৰৰ মানুহে। তাকো সকলো নগৰৰ সকলো ৱাৰ্ডৰ নাগৰিকে নহয়। (পূৰ্বাঞ্চল বাতৰি—১৮।৭।৮৬)

'দেশৰ এনে ভয়ংকৰ মূল্যবৃদ্ধিৰ পটভূমিত সচেতন নাগৰিক ক্ষুব্ধ হয়, ক্ৰুদ্ধ হয়, হতাশ হয়। বাতৰি কাকতত

২২ পৃষ্ঠাত চাওক

যোৰহাট বজাৰ

| সামগ্ৰী | ১৯৫৮ মোন | ১৯৫৮ সেৰ | ১৯৮৬ কুইন্টল | ১৯৮৬ কেজি |
|---|---|---|---|---|
| চাউল (শালী) | ২৪।। | /১। | ৩৫০ | ৩.৬০ |
| ,, (লাহী) | ২৮।। | /১।৵ | ৩৮০ | ৩.৯৫ |
| আটা— | ১৮ | ।। | ২৭০ | ২.৮০ |
| ময়দা— | ২৬ | ।।৶ | ২৯০ | ৩.১৫ |
| চুজি— | ২৬ | ।।৶ | ২৯০ | ৩.২৫ |
| ৰহৰ দাইল— | ২৩ | ।।৵ | ৬০০ | ৬.৫০ |
| মচুৰ দাইল— | ২৬ | ।।৶ | ৫৮০ | ৬.১৫ |
| মিঠাতেল (প্ৰতিটিন) | ৮২ | ২ | ২৫০ | ১৫.০০ |
| চেনি— | ৪১ | ১ /। | ৬৫৫ | ৬.৭৫ |
| আলু— | ২০ | ।। | ২৪০ | ৩.০০ |
| পিঁয়াজ— | ১৮ | ।। | ২৫০ | ৩.০০ |
| নিমখ— | ৬।। | ৶ | ৪৮ | ১.০০ |
| কাগজ (ফুলস্কেপ) | প্ৰতিদিস্তা | ।। | প্ৰতিদিস্তা | ৩.০০ |
| ,, (শ্ৰীৰামপুৰী) | ।। | ১ | ,, ,, | ৫.৫০ |

(নাগৰিক ১৯৫৮ জুন) (জনমভূমি ১৯৮৬, জুলাই)



# এম. এ. চূড়ান্ত পৰীক্ষাত অসমীয়া বিষয়ৰ পৰম্পৰাগত ফলাফল

দিলীপ কুমাৰ শৰ্মা

এম. এ. চূড়ান্ত পৰীক্ষাত অসমীয়া বিষয়টোত প্ৰথম শ্ৰেণী পোৱাটো প্ৰায় অসম্ভৱেই,— এনে এটা বিশ্বাস ছাত্ৰ-ছাত্ৰীৰ মাজত দ-কৈ শিপাইছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ এই পৰম্পৰা-গত বিশ্বাস এইবাৰ এগৰাকী ছাত্ৰীয়ে দুৰ্বল কৰিলে। "পৰ্বতত কাছ-কণী পোৱা" দীপালী বৰা অভিনন্দন আৰু শুভেচ্ছাৰ পাত্ৰী। এই বিৰল ঘটনাৰ কথা এৰি, অন্যান্য ঘোষিত স্নাতকোত্তৰ বিষয়ৰ ফলাফলৰ লগত অসমীয়া বিষয়ৰ ফলাফলৰ তুলনা কৰি চালেই এম. এ চূড়ান্ত পৰীক্ষাত অসমীয়া বিষয়ৰ ফলাফলৰ অৱস্থাটো বুজিব পৰা যাব (তালিকাখন চাওক)।

তালিকা খনত অসমীয়া বিষয়টোৰ ফলাফল তুলনামূলকভাৱে সৰ্বনিম্ন স্থানত আছে। অসমীয়া এম. এ. চূড়ান্ত পৰীক্ষাৰ ফলাফল প্ৰতিবছৰেই গতানু-গতিক আৰু অতি হতাশাজনক। মুঠ পৰীক্ষাৰ্থীৰ কৃতকাৰ্য হোৱাসকলৰ ভিতৰত ১০-১২ জন মানেহে শতকৰা পঞ্চাছৰ ওপৰত নম্বৰ পাবলৈ সক্ষম হয়। আনহাতে উত্তীৰ্ণ হোৱাসকলৰ ৭-৮ জনেহে ৫২.৫% নম্বৰ লাভ কৰে। বিশ্ববিদ্যালয়ৰ অনুদান আয়োগে প্ৰবক্তা পদত নিযুক্তিৰ বাবে নিৰ্ধাৰিত কৰা ৫২.৫% নম্বৰ ৯৫% ভাগ ছাত্ৰ-ছাত্ৰীয়ে সচৰাচৰ নাপায়। গতিকে অসমীয়া ভাষা-সাহিত্যৰ এই ডিগ্ৰি উত্তীৰ্ণ হোৱা শ শ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতি-বছৰেই ভালুকৰ সাঙীৰ দৰে বহন কৰিছে। নিম্ন মানৰ ফলাফলৰ বাবে শতকৰা ৯০ ভাগৰো অধিক অসমীয়া বিষয়ৰ স্নাতকোত্তৰ উপাধি আৰু শিক্ষা, ভেনচাৰ কলেজৰ প্ৰবক্তাৰ পদ বা টিউছন আদিৰ মাজতে মলণ্ডিছে।

ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ত স্নাত-কোত্তৰ বিষয় পঢ়িবলৈ যোৱাৰ এটা মূল কথা হ'ল—একোটা বিষয়ৰ প্ৰতি থকা বিশেষ অনুৰাগ। স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰীসকলৰ, প্ৰায় ভাগৰেই স্নাতক মহলাত সন্মান (Honours) থাকে। অসমীয়া ভাষা-সাহিত্যৰ স্নাতকোত্তৰ যুৱক-যুৱতীসকলৰো বেছি ভাগৰেই এনে অৰ্হতা থাকে। কিন্তু যেতিয়া বছৰৰ পাছত বছৰ ধৰি উচ্চতম শিক্ষিত এচাম যুৱক-যুৱতীয়ে সংস্থানৰ বাবে তাঁত-বাতি কাৰি থাকিব লাগে, তেতিয়া বিশ্ববিদ্যালয়ত মাতৃ-ভাষা শিক্ষণৰ মূল উদ্দেশ্য কি— বুজাটো কঠিন। গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া ভাষা সাহিত্যৰ পৰম্পৰাগত ফলাফলৰ কাৰণ কেইবাটাও বুলি কোৱা হয়; যেনে :

(১) ছাত্ৰ-ছাত্ৰীয়ে ভালদৰে নপঢ়ে।

(২) নিয়মিতভাৱে উক্ত বিষয়ত শ্ৰেণী অনুষ্ঠিত নহয়।

(৩) বিশ্ববিদ্যালয়ৰ শৈক্ষিক বাতা-বৰণ ভাল নহয়।

(৪) পৰীক্ষকে সৰহ নম্বৰ দিবলৈ সংকোচ কৰে। (আগৰপৰা ছাত্ৰ-ছাত্ৰীয়ে এনে নম্বৰেই পাই আহিছে বুলি ধাৰণা থকাৰ বাবে।)

এম. এ. চূড়ান্ত পৰীক্ষা : পোন্ধৰটা বিষয়ৰ ফলাফল

(১৯৮৬ চনত ঘোষিত)

| বিষয় | মুঠ পৰীক্ষাৰ্থী | উত্তীৰ্ণ হয় (জন) | অকৃতকাৰ্য হয় (জন) | উত্তীৰ্ণৰ হাৰ (শতকৰা) | প্ৰথম শ্ৰেণী (জন) |
|---|---|---|---|---|---|
| প্ৰাণী বিজ্ঞান | ৫৬ জন | ৫৬ | × | ১০০ | ২৫ |
| ভূতত্ত্ব | ১৪ ,, | ১৪ | × | ১০০ | ৮ |
| সংখ্যা বিজ্ঞান | ১৯ ,, | ১৯ | × | ১০০ | ১৫ |
| উদ্ভিদ বিজ্ঞান | ৬০ ,, | ৫৯ | ১ | ৯৮.৩৩ | ৩৫ |
| ভূগোল | ৩৪ ,, | ৩২ | ২ | ৯৪.১২ | ৬ |
| পদাৰ্থ বিজ্ঞান | ৪৯ ,, | ৪২ | ৭ | ৯২.১৩ | ১৮ |
| নৃতত্ত্ব | ১১ ,, | ১০ | ১ | ৯০.৯ | ৪ |
| ৰসায়ন বিজ্ঞান | ৩৯ ,, | ৩৫ | ৪ | ৮৯.৭৫ | ১৩ |
| সংস্কৃত | ২৯ ,, | ২৬ | ৩ | ৮৯.৬৬ | ৫ |
| আৰবী | ১৬ ,, | ১৩ | ৩ | ৮১.২৬ | ৪ |
| দৰ্শন | ৭৫ ,, | ৫৭ | ১৮ | ৭৬ | ১ |
| বাণিজ্য | ১২৮ ,, | ৯৭ | ৩১ | ৭৫.৭৯ | ১১ |
| গণিত | ৫০ ,, | ৩২ | ১৮ | ৬৪ | ১১ |
| ৰাজনীতি | ১৪৯ ,, | ১০০ | ৪৯ | ৬২.৯০ | ৬ |
| অসমীয়া | ৩৬৭ ,, | ২১২ | ১৫৫ | ৫৭.৭৭ | ১ |



OKDISCD

(৫) অসমীয়া ভাষা-সাহিত্যৰ প্ৰয়োজনীয় পাঠ্য-পুথি পোৱা নাযায়; —ইত্যাদি।

এনেবোৰ মন্তব্যৰ কোনটো কিমান সঁচা কোৱা টান। কাৰণ এইখন বিশ্ববিদ্যালয়ৰ পৰাই অন্য বিষয়ত ভাল ফলাফল দেখা গৈছে। সি যি হওক, অসমীয়া এম· এ· চূড়ান্ত পৰীক্ষাৰ শোচনীয় ফলাফলৰ পৰম্পৰাটো আঁতৰাবলৈ হ'লে এই পৰামৰ্শসমূহ বিচাৰ কৰি চাব পাৰি ঃ

(১) অসমীয়া ভাষা-সাহিত্যৰ পৰীক্ষাৰ্থীয়ে পৰীক্ষাত ১০ৰ ভিতৰত ১০ বা ৯ পাবলৈ হ'লে—উত্তৰৰ ধৰণ, মান বা কৌশল কেনেকুৱা হ'ব সেই বিষয়ে ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাৰ মাজত বিশেষভাৱে আলোচনা হ'ব লাগে। কি কাৰণে এই বিষয়টোত পৰীক্ষকৰ হাতত নম্বৰ মুঠে, সেইটো নিৰপেক্ষভাৱে বিচাৰ কৰিব লাগে।

(২) অসমীয়া স্নাতকোত্তৰ শ্ৰেণীৰ 'পাঠ্যক্ৰম অনুমোদিত' পুথি সহজতে ছাত্ৰ-ছাত্ৰীয়ে পোৱাকৈ দুইখন বিশ্ববিদ্যালয়ে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(৩) গ্ৰন্থ বিপণি আৰু পুথি ভঁৰালত বিচাৰি নোপোৱা উক্ত বিষয়ৰ পাঠ্যপুথি পুনৰ প্ৰকাশৰ ব্যৱস্থা বিশ্ববিদ্যালয়ৰ সংশ্লিষ্ট বিভাগে কৰাটো প্ৰয়োজনীয়।

(৪) অসমীয়া এম· এ· পৰীক্ষাত ফলাফল অনুসৰি প্ৰথম তিনিজনক ভাষা-সাহিত্যৰ গ্ৰন্থৰ টোপোলা বা মানপত্ৰ আদিৰে পুৰস্কৃত কৰিলে অন্য ভাষা-ভাষী ছাত্ৰ-ছাত্ৰীও উক্ত বিষয়লৈ আকৰ্ষিত হ'ব। এনে কামত অসম সাহিত্য সভাৰ সহযোগিতা উৎসাহজনক হ'ব।

(৫) এম· ফিল· অধ্যয়নৰ ক্ষেত্ৰত, অসমীয়া বিষয়ত কমেও কুৰিখন পোনপটীয়া আসনৰ ব্যৱস্থা কৰা উচিত।

(৬) গৱেষণাৰ ক্ষেত্ৰত অসমীয়া ভাষা-সাহিত্যৰ গৱেষকসকলক অধিক জলপানি বা সা-সুবিধা দিয়াৰ চিন্তা কৰা ভাল।

(৭) বিশ্ববিদ্যালয় অনুদান আয়োগে প্ৰৱক্তা নিযুক্তিৰ বাবে নিৰ্ধাৰিত কৰা নম্বৰ অসমীয়া স্নাতকোত্তৰসকলৰ ক্ষেত্ৰত অন্ততঃ ৪৮°/০ কৰা উচিত।

(৮) গুৱাহাটী আৰু ডিব্ৰুগড় দুইখন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে বছৰত অন্ততঃ দুবাৰ ভাষা-সাহিত্য বিষয়ক সন্মিলন পাতি পৰীক্ষা, শিক্ষণ ব্যৱস্থা আৰু শিক্ষা গ্ৰহণ আদি বিষয়ৰ মুকলি আলোচনা কৰিব লাগে আৰু তাত শিক্ষাৰ্থী-শিক্ষক-পৰীক্ষক সকলোৱে অংশ গ্ৰহণ কৰা উচিত।

(৯) ভাৰতৰ অন্য বিশ্ববিদ্যালয়ৰ আঞ্চলিক ভাষা-সাহিত্যৰ ফলাফল আৰু শিক্ষা প্ৰণালীৰ সৈতে অসমীয়া ভাষা সাহিত্যৰ অনুৰূপ বিষয়ৰ তুলনামূলক আলোচনা প্ৰতিটো চূড়ান্ত পৰীক্ষাৰ ফলাফলৰ অন্তৰে-অন্তৰে হোৱাটো যুগুত।

(১০) বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষা যাতে নিৰ্ধাৰিত সময়ত অনুষ্ঠিত হয়, সেই বিষয়ত সংশ্লিষ্ট বিভাগ কঠোৰ হোৱা উচিত।

---

২০ পৃষ্ঠাৰ পিছৰ পৰা

মূল্যবৃদ্ধি, আৰু ইয়াৰ সমাজৰ ওপৰত নানা প্ৰতিক্ৰিয়াৰ খবৰ পঢ়ি উত্তেজিত হৈ উঠা স্নায়ুসমূহ পুনৰ শান্ত হবলৈ কিছু সময় লাগে। মূল্যবৃদ্ধিত জুৰুলা হোৱা পুৰণা অসমীয়া পৰিয়ালে চহৰৰ মাজৰ অতি মূল্যবান পৈতৃক মাটি-ভেটি বেচি আঁতৰি যোৱা ঘটনাও ঘটিছে।

মূল্যবৃদ্ধিৰ এটা ফৰমুলা আছে। অত্যাৱশ্যকীয় সামগ্ৰীৰ এটা কৃত্ৰিম নাটনি সৃষ্টি কৰি ব্যৱসায়ী গোষ্ঠীয়ে এইবোৰ সামগ্ৰীৰ মূল্য বৃদ্ধি কৰে হু হু কৈ। জনসাধাৰণে আপত্তি আৰম্ভ কৰা দেখিলে প্ৰশাসনে কিছুমান সামগ্ৰীৰ মূল্য নিৰ্ধাৰণ কৰি চৰকাৰী ঘোষণা কৰে। ব্যৱসায়ী গোষ্ঠীয়ে প্ৰতিবাদ জনায়। আপত্তি কৰে। প্ৰশাসনে প্ৰতাপী ব্যৱসায়ী গোষ্ঠীৰ হেঁচাত পৰি নিৰ্ধাৰিত মূল্য পুনৰ বিচাৰ কৰি সালসলনি কৰে। (দৈনিক জনমভূমিঃ ২১।৭।৮৬) জনসাধাৰণে নিৰৱে এই নিৰ্দেশ মান্য কৰি সৎ নাগৰিকৰূপে নিজক প্ৰতিষ্ঠিত কৰে। ব্যৱসায়ীগোষ্ঠীয়ে হাঁহি মাৰি দুৰ্নীতি দুগুণে বঢ়ায়। এইদৰেই মূল্যবৃদ্ধি দুৰ্নীতিৰ অন্যতম কাৰণ ৰূপে স্পষ্ট হৈ পৰে।

আজি মূল্যবৃদ্ধিৰ বিষয়ে ছেমিনাৰ, কৰ্মশালা অনুষ্ঠিত হয়। কোনোদিন বজাৰ কৰি নোপোৱা বিজ্ঞ পণ্ডিতে পৰিসংখ্যাৰ ফুলজাৰিৰে অংশ গ্ৰহণকাৰীক ধেঁাৱা-কোঁৱা দেখুৱায়। বিভিন্ন সংগঠনে চৰকাৰী আমোলৰ হাতত স্মাৰকপত্ৰ প্ৰদান কৰি কৰ্তব্য শেষ হ'ল বুলি ঘৰলৈ যায়। ছাত্ৰই প্ৰতিবাদ দিবস পাতে।

কিন্তু চৰকাৰী প্ৰশাসন যন্ত্ৰই বজাৰ মূল্য সুস্থিৰৰূপে নিয়ন্ত্ৰণত দেখুৱাব লগা প্ৰয়োজনীয় দৃঢ়তা দেখুৱাত ব্যৰ্থ হোৱাত প্ৰশাসনক পূৰ্ণ হেঁচা প্ৰয়োগ কৰাৰ কথা কোনোৱে চিন্তা নকৰে।

যোৱা ২৫ বছৰে দেশৰ ভয়াবহ সামাজিক সমস্যা হৈ পৰিল— অত্যাৱশ্যকীয় সামগ্ৰীৰ ভীষণ নাটনি আৰু ভয়াবহ মূল্যবৃদ্ধি। এই দুই সমস্যাই জনসাধাৰণক জুৰুলা কৰিছে।

যোৱা ২৮ বছৰে খাদ্য সামগ্ৰীৰ মূল্য বাঢ়ি আকাশলংঘী হৈছেগৈ। এতেকে সমাজৰ প্ৰতি স্তৰত সোমাই পৰিছে দুৰ্নীতি আৰু ক'লা টকা। এই গুৰুতৰ সামাজিক সমস্যা সম্পৰ্কে প্ৰশাসনৰ দায়িত্বশীল মহল পূৰ্ণ সচেতন; কিন্তু প্ৰশাসনিক দৃঢ়তাৰ অভাৱত পৰিস্থিতি বেয়ালৈ ঢাল খাইছে।

এমুঠি অসৎ, অসাধু ব্যৱসায়ীৰ হেঁচাত প্ৰশাসনে মূৰ নোদোঁৱাই পৌৰুষ-দৃঢ়তাৰে সমস্যাৰ সন্মুখীন হ'ব লাগিব। ব্যৱসায়ীৰ মৰ্জিত অকাৰণত বস্তুৰ দাম বৃদ্ধি পালে, গ্ৰাহকে তেনে কাৰ্যৰ তীব্ৰ প্ৰতিবাদ কৰিব লাগিব। প্ৰশাসনে পূৰ্ণ সমৰ্থন আগবঢ়াব লাগিব। দৃঢ়তাৰে। তেহে খাদ্যবস্তুৰ মূল্যবৃদ্ধি কৰিবলৈ অসাধু ব্যৱসায়ীয়ে সাহস গোটাব নোৱাৰিব। ব্যৱসায়ীগোষ্ঠীয়েও প্ৰশাসনক বুঢ়া আঙুলি দেখুৱাই নিৰ্ধাৰিত মূল্যতকৈ বহুত বেছি মূল্য লৈ বস্তু বেছি থাকিব।



## ফিলিপাইনছৰ চিকিৎসা

# অস্ত্ৰোপচাৰ নে ভেলকি-বাজি ?

'প্ৰান্তিক'ৰ শেষপৃষ্ঠা'ত (১।৭।৮৬) এটা গুৰুত্বপূৰ্ণ কথা উত্থাপন কৰা হৈছে। আজি অলপ দিনৰেপৰা এই কথাটোৱে অসমত আলোড়নৰ সৃষ্টি কৰিছে। ফিলিপাইনছত এজন চিকিৎসক আছে। তেওঁ ৰোগীক কোনো যন্ত্ৰ-পাতি নোহোৱাকৈ শুদা-হাতেৰেই অস্ত্ৰোপচাৰ কৰে।

এদিন গম পালোঁ,—মোৰ এজন শিক্ষকবন্ধু ফিলিপাইনছলৈ যাবলৈ ওলাইছে। অসুখৰ কাৰণে তেওঁ বিদ্যালয়ৰপৰা ভালেমান দিন আঁতৰি আছিল। অসুখ নিৰাময়ৰ কাৰণে তেওঁ কোনো ডাক্তৰে নপঠিওৱাকৈ নিজ ইচ্ছাৰে ভেলোৰলৈকো গৈছিল। তাতো ভাল নোপোৱাত তেওঁ ফিলিপাইনছলৈ যাবলৈ স্থিৰ কৰিলে। বন্ধুজনৰ হাৰ্টৰ অসুখ, প্ৰস্ৰাৱৰ অসুখ। ভেলোৰৰ ডাক্তৰৰ ৰিপ'ৰ্টমতে ব্লাড কলেষ্টেৰল সম্পৰ্কীয় অসুখ। তথাপি যোৱা এপ্ৰিল মাহৰ শেষৰ ফালে বন্ধুৱে তেওঁৰ ককায়েকক লগত লৈ যাত্ৰা কৰিলে সুদূৰ ফিলিপাইনছলৈ।

আজিৰ এই বিজ্ঞানৰ যুগত এনে আশ্চৰ্যজনক পদ্ধতিৰে চিকিৎসা কৰাৰ কথাটো বিশ্বাস কৰিবলৈ টান লগাটোৱেই স্বাভাৱিক। তেওঁ আহি পোৱাৰ লগে লগে কথাবোৰ জানিবলৈ উৎসুক হৈ পৰিছিলো। মই বন্ধুজনৰ লগতে প্ৰথমে কথা পাতিছিলো। যেতিয়া তেওঁ "অসুখ সিমান ভালপোৱা নাই" বুলি ক'লে, তেতিয়া মনটো বৰ বেয়া লাগিছিল।

যিজন চিকিৎসকৰ লগত প্ৰথমে যোগাযোগ কৰা হৈছিল, তেওঁৰ নাম ৰামন জ'ন লেবো (Ramon Jone Laboo)। তেওঁ মে' মাহত লগ পাবলৈ তাৰিখ দিও সময়ত তাত উপস্থিত নথকাত মোৰ বন্ধুৱে বেলেগ এগৰাকী চিকিৎসকৰ লগত যোগাযোগ কৰে। সেইজনৰ নাম হ'ল Rev Jose Segundo· আমি দেখা সৰু পুস্তিকাখনত এওঁৰ ফটো আছে আৰু তলত এই বুলি লেখা আছেঃ Healer-Counsellor Specializes in: Psychic Spiritual Surgery, Dental, Chiropractic, Reflexologist, ইত্যাদি।

এই গৰাকীয়েই বন্ধুজনৰ চিকিৎসাৰ ভাৰ ললে। চিকিৎসাৰ সময়ত, অস্ত্ৰোপচাৰ কৰিলে যেনেকৈ ৰোগীক অচেতন কৰি লোৱা হয় সেইদৰে তেওঁ ৰোগীক একো কৰি লোৱা নাছিল। কাপোৰ-কানিও বিশেষ খুলিব লগা নহ'ল। কাপোৰৰ ভিতৰেদিয়েই হাত সুমুৱাই দি তেওঁ বুকুখন পিটিকি-পিটিকি চাইছিল। প্ৰস্ৰাৱৰ অসুখৰ কথা কোৱাত নাড়ীৰ অলপ তলত আঙুলিৰে হেঁচি চাইছিল আৰু আঙুলি আঁতৰাই আনোতে তাত তেজ লাগি অহা বন্ধুৱে ভালকৈ দেখা পাইছিল। যন্ত্ৰণা অনুভৱ কৰা নাছিল। পাছত বন্ধুজনক মই এই চিকিৎসাৰ ওপৰত তেওঁৰ বিশ্বাস কিমান বুলি সোধাত তেওঁ কৈছিল,— "এঃ, মোৰ দেখোন সকলো ভেলকি-বাজি যেনহে লাগিল।"

বন্ধুজনৰ লগত যোৱা ককায়েকক মই বেলেগে লগ ধৰি কথা পাতিছিলো। তেখেতৰ নাম শ্ৰীগহীন মজুমদাৰ। শ্ৰীমজুমদাৰে ক'লে যে তেখেতসকলে যোগাযোগ কৰা চিকিৎসক ৰামন জ'ন লেবোক লগ নাপাইহে ৰেভ· ছেগুণ্ডাক দেখুৱাব লগা হ'ল। শ্ৰীমজুমদাৰে তেনে কৌশলেৰে চিকিৎসা কৰা লোক এগৰাকী মহিলাকে ধৰি পাঁচগৰাকী আছে বুলি আমাক জানিবলৈ দিলে।

যিটো কোঠালিত বন্ধুজনক অস্ত্ৰোপচাৰ কৰা হৈছিল, তাত শ্ৰীমজুমদাৰক অস্ত্ৰোপচাৰ কৰা মেজখনৰপৰা তিনি-গজমান আঁতৰত থাকিবলৈ দিয়া হৈছিল। একেবাৰে ওচৰৰপৰা চাবলৈ দিয়া নহৈছিল। চিকিৎসকজনে খুটি-নাটি মাৰি কথাবোৰ বুজাই দিবলৈ ইচ্ছা নকৰিছিল। তেওঁ আঙুলিৰে ভায়েকক হেঁচি হেঁচি চোৱা শ্ৰীমজুমদাৰে দেখি আছিল যদিও আঙুলিবোৰ দেহৰ ভিতৰত সোমোৱা তেওঁ দেখা নাছিল। আঙুলিত তেজ লাগি অহা দেখিছিল, কিন্তু সেয়া এক বিশেষ কৌশল বুলিহে শ্ৰীমজুমদাৰে ভাবিলে। ভায়েকৰ গাৰপৰা ওলোৱা তেজ কলিকতাত পৰীক্ষা কৰি চাওঁতে গ্ৰুপ আদি মিলিছিল যদিও শ্ৰীমজুমদাৰৰ তাতো সন্দেহ আছিল। কাৰণ সোধাত তেখেতে কৈছিল যে ৰোগীজনৰ সকলো কাগজ পত্ৰ (আগৰ চিকিৎসকসকলে দিয়া ৰিপ'ৰ্ট) তেওঁ আগেয়ে চাই লয় যেতিয়া চতুৰালি কৰি একে গ্ৰুপৰ তেজ দিয়াত কি অসুবিধা থাকিব পাৰে? আগধৰি ৰোগীৰ কাগজ চাই সেইমতেই চিকিৎসা কৰা হয়। ৰোগ নিৰ্ণয় কৰাৰ ক্ষমতা তেওঁলোকৰ নাই। সকলো ৰোগীয়ে ৰেমাৰ কি, কিমানদিন হ'ল ইত্যাদি কৈ দিয়াৰ পাছতহে চিকিৎসা। তদুপৰি এওঁলোকৰ চিকিৎসাবিদ্যাৰ কথা বেলেগেই, পঢ়াশলীয়া ডিগ্ৰিও নাই বুলি শ্ৰীমজুমদাৰে আমাক জানিবলৈ দিলে।

এই চিকিৎসা পদ্ধতিয়ে শ্ৰীমজুমদাৰক অলপো সন্তুষ্ট কৰিব নোৱাৰিলে। তেখেতৰ মতে এই সকলোবোৰ ভেলকি-বাজি বা চাতুৰী। "চিকিৎসা কৰিবলৈ গড়ে ডেৰমিনিটো সময় নলয়। তদুপৰি মোৰ ভাইটোৰ অলপো ভাল হোৱা নাই।"

চিকিৎসাৰ বাবদ দিয়া হ'ল ওঠৰ শ টকা। অহাযোৱা, থকা-খোৱা আদি সকলো মিলাই বাইছ হাজাৰ টকা খৰছ হ'ল।

শ্ৰীগহীন মজুমদাৰ আৰু ৰোগীৰপৰা শুনা কথাৰপৰা এই অলৌকিক চিকিৎসা (spiritual surgery) পদ্ধতি অবিশ্বাস্য আৰু ব্যয়বহুল বুলিহে জানিব পাৰিলো।

(মোৰ অসুখীয়া বন্ধুজনে দুৰ্বল কাৰণে লিখা-মেলা কৰিব নোৱাৰে। গতিকে কথাখিনি ময়েই লিখিলো।)

হৰিদেৱ মহন্ত



OKDISCD

# অসমৰ অৰ্থনৈতিক ব্যৱস্থা

## এটা পৰ্যালোচনা

প্ৰফুল্ল চন্দ্ৰ বৰুৱা

ভাৰতৰ দক্ষিণে পশ্চিমে স্বাধীনতাৰ প্ৰাৰম্ভণিৰ পৰাই নতুন যুগৰ বা বলিল। কিন্তু দেশৰ ভালেখিনি অঞ্চল আগৰ দৰেই পিছ পৰি থাকিল। বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চল। কুৰি শতিকাৰ বতাহে যেন এই অঞ্চলটো নোচোৱাকৈ আঁতৰি গ'ল। আজি পৃথিৱীৰ অন্যান্যই একবিংশ শতিকাক আদৰিবলৈ প্ৰস্তুতি চলাইছে। কিন্তু উত্তৰ-পূব অঞ্চলটো এতিয়াও কুৰি শতিকাৰ সভ্যতাৰ শাৰীলৈ উঠাৰ যত্নতে ব্যস্ত আছে যেন লাগে। এটা বিগত যুগত পলমকৈ সোমাবলৈ যোৱা কামটো আগ বেলাতে গুচি যোৱা ৰেল পিছ বেলা ধৰিবলৈ যোৱাৰ দৰে কথা। গতিকে যি শতিকা পাৰ হৈ গ'ল তাৰ সভ্যতা, কাৰুকাৰ্য, কৃষি-শিল্পনীতি আয়ত্ত কৰিবলৈ যত্ন কৰাতকৈ এই অঞ্চলটোৱে শিল্প যুগৰ পৰৱৰ্তি যুগৰ সভ্যতা (post industrial civilization) আৰু শিল্পতত্ত্ব (technology) আহৰণ কৰিব লাগে। কুৰিশতিকাই আমাক স্নুচুলে নাই, আমি কুৰি শতিকাক চেৰাই একবিংশ, দ্বাবিংশ শতাব্দীলৈ আগ বাঢ়োঁহক। ৰাজনৈতিক ক্ষেত্ৰত অসমে এক নতুন পদক্ষেপ লৈছে, অন্যান্য ক্ষেত্ৰতো নিশ্চয় ল'ব পৰা হ'ব। অৱশ্যে পথত বাধা-বিঘিনি ইমান বেছি হ'ব যে তাৰ বিষয়ে সচেতন নহলে, সন্ধিৰ বাঁহ বুদ্ধিৰে কাটিব নোৱাৰিলে, হতাশ হ'ব লাগিব।

এনে কৰিবলৈ হলে আমি কিছুমান অমূলক ধাৰণা গুচাব লাগিব। আমি সাধাৰণতে কওঁ,— উত্তৰ-পূব অঞ্চলৰ প্ৰাকৃতিক ঐশ্বৰ্য অফুৰন্ত। আচলতে আমাৰ তথাকথিত ঐশ্বৰ্য এনে ধৰণৰ আৰু এইবোৰ এনেভাৱে সিচঁৰতি হৈ আছে যে তাক আহৰণ কৰাৰ পদ্ধতি আৰু শিল্পতত্ত্ব আজিও আবিষ্কৃত হোৱা নাই। সাগৰৰ পাৰত বহি সমুদ্ৰ তলিত থকা মুকুতাৰ ভাণ্ডাৰক লৈ গৌৰৱ কৰা আৰু উ. পূ. অঞ্চলৰ পাহাৰ, নদী, জলাশয় আদিৰ মাজত লুকাই থকা প্ৰাকৃতিক ঐশ্বৰ্যৰ কথা কৈ গৌৰৱ কৰাও একে শ্ৰেণীৰ ঘটনা।

তাৰ মানে এইটো নহয় যে আমি ঐশ্চৰ্যহীন বুলি মূৰত হাত দি বহি থাকিব লাগিব, আমাৰ এই দুষ্প্ৰাপ্য ঐশ্চৰ্য উদ্ধাৰ কৰাৰ পদ্ধতি আৰু শিল্প-প্ৰয়োগবিদ্যা উদ্ভাৱন কৰিব লাগিব।

আমাৰ সমস্যাবোৰো এনে যে তাক সমাধান কৰিব পাৰিলেই সেই সমস্যাই আমাৰ সম্পদ হৈ উঠিব। বানপানী এনে এটা সমস্যা। পৃথিৱীৰ অন্যতম দুমূৰ্ল্য বস্তু লৱনমুক্ত পানী আমি ধৰি ৰাখিব নোৱাৰি বানপানীৰ দুৰ্যোগ ভোগোঁ; এই দুমূৰ্ল্য বস্তু লোকৰ দেশলৈ বৈ যায়। আৰু বানপানী শেষ হোৱাৰ লগে লগে আমি পানী পিয়া চৰাইৰ দৰে পানীৰ কাৰণে হাঁহাকাৰ কৰোঁ। আমাৰ জলসিঞ্চন বিভাগ আছে। কিন্তু যি কেইখনমান নদ নলা হৈছে তাত খৰালি

**চাকৰিৰপৰা দেশ নতৰে, আমি ব্যৱসায় হস্তগত কৰিব লাগিব। নতুন উদ্যোগ কৰি শিল্পক্ষেত্ৰত নেতৃত্ব ল'ব লাগিব।**

পানী নাথাকে। গুৱাহাটী চহৰত বৰষুণৰ পানীত ওলাব নোৱৰা সময়তো ঘৰত খোৱা পানীকণৰ কাৰণে কষ্ট হয়। শুনা যায় যে আগৰ এজন মুখ্যমন্ত্ৰীয়ে গুৱাহাটীৰ ধনী মানুহে নিজে কুঁৱা খান্দি, পাম্প বহুৱাই লব পাৰিব বুলি চৰকাৰৰ তৰফৰপৰা পানীৰ যোগান আঁচনি নললে! আমাৰ দৃঢ় বিশ্বাস যে বৰ্তমানৰ চৰকাৰে আগৰ দৰে অৰ্থনীতিৰ পৰিপন্থী, অবৈজ্ঞানিক দৃষ্টিভংগী নলব।

ব্ৰহ্মপুত্ৰ অৱবাহিকাৰ (basin) পৰা আহৰণ কৰিবপৰা বৈদ্যুতিক শক্তি ১২,০০০ মেগাৱাট বুলি কোৱা হয়। অৰ্থাৎ ভাৰতৰ আন আটাইবোৰ ডাঙৰ নদীৰ মিলিত ক্ষমতাৰ শতকৰা ৩০ ভাগ কেৱল ব্ৰহ্মপুত্ৰই যোগাব পাৰে। কিন্তু ব্ৰহ্মপুত্ৰ অৱবাহিকাৰপৰা আহৰণ কৰা হৈছে শতকৰা এভাগ শক্তিৰ, সেই একে সময়তে কাবেৰী নদীৰপৰা আহৰণ কৰা শক্তিৰ পৰিমাণ শতকৰা ৯০ ভাগ; গংগা আৰু সিন্ধুৰপৰা শতকৰা ৪০ ভাগ। অথচ ব্ৰহ্মপুত্ৰৰ বুকুৱেদি প্ৰতি মিনিটত গংগাতকৈ প্ৰায় তিনিভাগ বেছি পানী বৈ যায়। ব্ৰহ্মপুত্ৰ ব'ৰ্ড হৈছে; তেওঁলোকৰ ডাঙৰ-দীঘল ঘৰ-দুৱাৰো হৈছেগৈ। আশাকৰোঁ তাৰ পাছত তেওঁলোকে পূৰ্ণাংগ আঁচনি নিৰ্মাণত আগবাঢ়িব পাৰিব। এওঁলোকে এতিয়ালৈকে প্ৰস্তুত কৰা আঁচনিত কিন্তু কেৱল সংৰক্ষণ কৰা বৈদ্যুতিক শক্তিৰ কথাহে আছে। জলসিঞ্চনকো সামৰি লৈ এখন পূৰ্ণাংগ আঁচনি এতিয়াও প্ৰস্তুত কৰা হোৱা নাই। আমাৰ চৰকাৰে এই ত্ৰুটিৰ প্ৰতি দৃষ্টিপাত কৰা আৱশ্যক। বৰ্তমানৰ এই আধা দুখৰীয়া আঁচনিও প্ৰয়োগ কৰিবলৈ বোলে ১০-১২ বছৰ লাগিব!

অসমৰ মানুহক দোষাৰোপ কৰা হয় —তেওঁলোকে একাধিক খেতি নকৰে। কিন্তু খেতিৰ কাৰণে পানী, গৰু-ম'হ চৰোৱাৰ ঠাই, গৰু ম'হৰ খোৱা বস্তুৰ অভাৱ দূৰ কৰিব নোৱাৰিলে একাধিক ফচল কৰা অতি টান কাম। অৱশ্যে এনে অৱস্থাৰ মাজতো বহুতে একাধিক খেতি কৰি আমাক খুৱায়। আমাৰ খেতিয়কে কষ্ট সাধ্য খেতি কৰিবলৈ শিকিব লাগিব আৰু কৃষিক বৃত্তি (profession) হিচাপে লবলৈ জানিব লাগিব। গাঁও অঞ্চলত "পথাৰ পৰিচালনা সমিতি", "কৃষিমণ্ডলী" পাতি তাৰ জৰিয়তে গাঁৱৰ উন্নতিৰ আৰু কৃষিৰ আঁচনি কৰিব পাৰিলে আমাৰ যোজনাসমূহ ফলপ্ৰসূ হোৱাৰ সম্ভাৱনা বৃদ্ধি পাব। কৃষিৰ লগতে কৃষি ভিত্তিক উদ্যোগ আৰু কৃষিৰ কাৰণে সহায়িকা ব্যৱস্থাও ইয়াৰ ভিতৰত পৰিব।

ৰাজনৈতিক দলসমূহে, এতিয়াৰ দৰে আমাৰ অৰ্থনৈতিক দুৰ্গতিৰ কাৰণে আন আন ৰাজনৈতিক দলকে দোষাৰোপ কৰাত ব্যস্ত নাথাকি বা আগৰ পুৰুষে কৰা ভুলৰ কথা আলচি নাথাকি, খেতিয়কেও যে বহুতো দোষ কৰিছে সেই কথা কবলৈ সাহ কৰিব লাগিব।

খনিজ সম্পদৰ বেলিকা ইয়াৰ তৈলক্ষেত্ৰ, অয়ল ইণ্ডিয়াৰ বৰ্ণনা মতে, low risk low yield; অৰ্থাৎ প্ৰমাণিত ক্ষেত্ৰত তেল পাব, কিন্তু বৰ বেছি পৰিমাণে নাপাব। ষষ্ঠ পৰিকল্পনা কালত অয়ল ইণ্ডিয়াই অসমৰ বাহিৰত তেল বিচাৰি কৃতকাৰ্য নহ'ল; তেওঁলোক ONGCৰ শাৰীলৈ উঠিব নোৱাৰিলে। খৰচ আৰু বিদেশ ভ্ৰমণ বেছি হ'ল। এতিয়া সপ্তম পৰিকল্পনাৰ কালত তেওঁলোকে পুনৰ অসম অঞ্চলত জোৰ দিব বুলি ঘোষণা কৰিছে। আমাৰ চৰকাৰৰ দুৰ্বলতাৰ সুযোগ লৈ দিনে প্ৰায় ৪ নিযুত কিউবিক মিটাৰ গেছ ধোঁৱা হৈ উৰিছে। আমাৰ চৰকাৰ সচেতন হ'লে এনে অপচয়ৰ, মানৱতাৰ প্ৰতি কৰা এই মহাপাপ আঁতৰ কৰিব পাৰিব।

অসমৰ কয়লাও গুণগতভাৱে বংগ, বিহাৰৰ কয়লাতকৈ বেলেগ কাৰণেই বহুতো কামত এই কয়লা ব্যৱহাৰ কৰিব নোৱাৰি আৰু সেই অজুহাততে এই কয়লাৰ অপচয় হয় বহু পৰিমাণে। যদি শোধন কৰা হয় তেন্তে এই কয়লাৰপৰা গন্ধক আহৰণ কৰিবপৰা হ'ব, আৰু আন ৰাসায়নিক পদাৰ্থ পোৱা যাব পাৰে। ই ব্যয়সাপেক্ষ আৰু ইয়াৰপৰা তৎকালীনভাৱে লাভ নহ'ব পাৰে কাৰণে অসমৰ কয়লাৰ উৎপাদন-শোধন বৈজ্ঞানিক পদ্ধতিৰে কৰা হোৱা নাই।

চাহ খেতিৰ ফালৰপৰা দেখা যায় যে মধ্যমীয়া আৰু সৰু চাহ বাগিচাই বাগানত যিমানত চাহ লগাব পাৰে সিমান নলগায়। স্বৰ্গীয় প্ৰফুল্ল চন্দ্ৰ বৰুৱাই এবাৰ কৈছিল যে অসমৰ চাহ বাগিছাৰ গছৰ মাজৰ সমূহ খালী ঠাই যদি চাহ গছেৰে পুৰোৱা হয়, তেন্তে দাৰ্জিলিং চাহ জিলাৰ সকলো বাগিছাৰ হোৱাৰ সমান পৰিমাণৰ চাহৰ উৎপাদন বাঢ়িব। চাহৰপৰা অসমে লাভৰপৰা চিটিকি পৰা অংশটোহে পায়। চৰকাৰী কৰৰ কথা ধৰা নাই। সি আমাৰ ৰাজ্যিক চৰকাৰৰ হাতত নপৰিলেও দেশৰ ৰাইজৰ হাততে থাকে। কিন্তু বহুতো চাহ বাগিছাৰ মালিকে লোকচান ভৰা আন ঠাইৰ ব্যৱসায় চাহৰ লগতে জড়িত কৰি ৰাখি চাহৰ লাভাংশ তালৈ লৈ যায়। মুকলি বজাৰৰ পৰা আৱশ্যকীয় বস্তু নিকিনি নিজৰ লগা ভগা মানুহৰ বা নিজৰে কলকাৰখানাৰ পৰা বস্তু কিনি সেই ফালেও লাভ ৰাখে আৰু লগতে আমাৰ স্থানীয় ব্যৱসায়িক বা উদ্যোগক বঞ্চিত কৰে। কলিকাতাৰ অফিছবোৰতো চাহশিল্পই অযথা খৰচ কৰে। স্বৰ্গীয় অতুল শইকীয়াই প্ৰমাণ কৰিছিল যে এটা কোম্পানিয়ে তেওঁলোকৰ ছজনীয়া কলিকাতাৰ অফিছটোৰ বাবদ এবছৰত ৬০ হাজাৰ টকা দৰৱত খৰচ দেখুৱাইছিল। অৱশ্যে অসমৰ বিক্ৰিকৰ নীতিও বহুপৰিমাণে দায়ী,—যাৰ কাৰণে বাহিৰৰ বজাৰৰ পৰা বস্তু অনা আমাৰ উদ্যোগৰ কাৰণে লাভদায়ক হয়। বিক্ৰিকৰ নীতিৰ সংশোধন নকৰিলে আমাৰ উদ্যোগ ব্যৱসায়ে সহজে গা কৰিব নোৱাৰিব।

আন বস্তুৰ দৰে ধনৰ বজাৰো "supply and demand" অৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰে। আমাৰ বেংকসমূহে ৰাইজৰপৰা জমা হিচাপে পৰ্যাপ্ত পৰিমাণে ধন উলিয়াবপৰা নাই যদিও, আৰু ভাৰতৰ গড় জমাৰ তুলনাত আমাৰ ইয়াত জমা কম যদিও. সেই কমকৈ জমাহোৱা ধনৰো ব্যৱহাৰ পুৰাকৈ ইয়াতে ৰাখিবপৰা নাই। উদাহৰণ স্বৰূপে বেংকৰ এটা শাখা অফিছত ১৯৮৫ চনত জমা পালে প্ৰায় ১৪০ লাখ, কিন্তু প্ৰয়োগ কৰিব পাৰিলে মাত্ৰ ৫২ লাখহে। চৰকাৰৰ বিভিন্ন যোজনা আৰু ৰিৰ্জাভ বেংকত ৰাখিব লগা টকাৰ কথা ধৰিলে, এই শাখাই অঞ্চলটোত বাকী থকা ৮৪/৮৫ লাখ প্ৰয়োগ কৰিব পাৰিব লাগিব।

কিন্তু বেংক বা বিত্তীয় সংস্থাই কেৱল ঋণ বঢ়াবৰ কাৰণেই ঋণ দিব নোৱাৰে। বেংকৰ টকা মানুহৰ কষ্ট কৰি গোটোৱা টকা আৰু চৰকাৰৰ আৱশ্যকীয় টকা। তাৰে দান-মেলা খুলি ৰাজনৈতিক বাঃ বাঃ লবলৈ গ'লে দেশৰ ভয়ানক অপকাৰ হ'ব। গতিকে আমাৰ দায়িত্ব হ'ল যাতে জনসাধাৰণৰ ঋণ সংগ্ৰহৰ ক্ষমতা বৃদ্ধি পায় তাৰ বাবে চেষ্টা কৰা। বেংক আৰু বিত্তীয় অনুষ্ঠানৰো এই বিষয়ত দায়িত্ব আছে যদিও ই গৌণ, মুখ্য নহয়। মুখ্য দায়িত্ব হ'ল আমাৰ উন্নয়ন নিগমসমূহৰ, কৃষি বিভাগৰ আৰু উদ্যোগ বিভাগৰ, সামাজিক উন্নয়নৰ কাৰণে থকা বিভাগসমূহৰো দায়িত্ব আছে যাতে স্কুল কলেজৰ শিক্ষা, পঞ্চায়তৰ প্ৰচাৰ আদিৰ জৰিয়তে মানুহৰ মাজত জাগৰণ আনিবপৰা যায়।

বেংক আৰু আধুনিক বিত্তীয় অনুষ্ঠান ভাৰতৰ প্ৰতি বৃটিছ শাসনৰ অৱদান। আমাৰ আগৰ মহাজন-সদাগৰ প্ৰথাৰ পৰিবৰ্তে বৃটিছে তেওঁলোকৰ বিত্তীয় অনুষ্ঠান প্ৰবৰ্তন কৰে। অসম অঞ্চল এই নতুনত্বৰ পৰা বহুতদিন বাদ পৰি ৰ'ল। প্ৰথম





OKDISCD

মহাযুদ্ধৰ পাছতহে শ্বিলঙত ইম্পিৰিয়েল বেংকৰ এটা শাখা (বৰ্তমানৰ State Bank) অফিছ খোলা হয় ;— প্ৰধানতঃ চৰকাৰী ধনৰ লেনদেন আৰু চৰকাৰৰ কামত সহায়ৰ বাবে। তাৰ পাছতে কুমিল্লা ইউনিয়ন বেংক আদি চাৰিটামান বেংকে ইয়াত সৰু আৰু মজলীয়া চাহ বাগিচাৰ ধনৰ লেনদেনৰ ভাৰসাত শাখা অফিছ খোলেহি। প্ৰথম শাখা অফিছ হয় যোৰহাটত। কিন্তু ডাঙৰ চাহ কোম্পানি, তেল কোম্পানি, বৃটিছ নাগৰিকসকল, ডাঙৰ চাকৰিয়ালসকল আৰু এনে অন্যান্য শ্ৰেণীয়ে কলিকাতাৰ বেংকসমূহৰ লগতে ব্যৱসায় কৰিছিল আৰু স্থানীয় ধনৰ যোগান ৰাজস্থানী ব্যৱসায়ীসকলৰ (কেঞা বুলি খ্যাত) লগত হুন্দিৰ (hundi) জৰিয়তে পাইছিল। উল্লেখযোগ্য যে এই হুণ্ডিৰ ব্যৱসায়ৰ ফলতে এক শ্ৰেণীৰ ব্যৱসায়ীয়ে বহুতো লাভ কৰিছিল আৰু পাছৰ যুগত সেই ধনেৰে তেওঁলোকে অসম অঞ্চলৰ বাণিজ্য ক্ষেত্ৰত একাধিপত্য বিস্তাৰ কৰিবলৈ আৰু চহৰ অঞ্চলবোৰত খোপনি পুতিবলৈ সক্ষম হৈছিল।

বেংকৰ ব্যৱসায়ৰ প্ৰসাৰ হ'ল দ্বিতীয় মহাযুদ্ধৰ পৰাহে। তেতিয়া যুদ্ধৰ কামৰ ঠিকা, বস্তু যোগান আদিৰ কাৰণে বাহিৰৰ আৰু ইয়াতে থকা ব্যৱসায়ীসকলে বেংকৰ ব্যৱহাৰ কৰিবলৈ ললে।

গুৱাহাটীতো দুটা বেংক খোলা হ'ল। যুদ্ধৰ ঠিকা-থুকলিত অসমীয়া মানুহ বৰ কমহে আছিল, কাৰণ আমাৰ মানুহ জাতীয় আন্দোলনত ব্যস্ত আছিল। যি কিছুমান আদবয়সীয়া বা আগৰ P. W. D. আদিৰ ঠিকা কৰা মানুহ যুদ্ধৰ যোগানত সোমাল, তেওঁলোকে সাধাৰণতে গুৱাহাটীৰ বেংক দুটা আৰু বংগদেশৰ পৰা নতুনকৈ অহা বেংকবোৰৰ লগত টকা-পইচাৰ লেনদেন কৰিলে।

যুদ্ধৰ সময়ৰ ধনৰ উভৈনদী অৱস্থা কিন্তু ক্ষণস্থায়ী হ'ল। নতুনকৈ অহা সকলো বেংকৰ দুৱাৰ হঠাতে বন্ধ হৈ গ'ল। লাভত অসমত নতুনকৈ যি দুই-চাৰিয়ে পইচা গোটাইছিল, তেওঁলোকৰ পইচা মৰা পৰিল। গতিকে, যুদ্ধৰ পাছত যেতিয়া বৃটিছ যাবলৈ ওলাল, মিলিটেৰিৰ অলাগতিয়াল কিন্তু মূল্যবান বস্তুবোৰ বিক্ৰিৰ কাৰণে বজাৰলৈ আহিল, তেতিয়া অসমীয়া মানুহৰ হাতত পইচাও নাই, পাকৈত বেপাৰীৰ দূৰদৰ্শিতাও নাই। ফলত অসমৰ অৰ্থনৈতিক নেতৃত্ব আমাৰ হাতৰ পৰা পিছলি যুদ্ধত নতুনকৈ পইচা কৰাসকলৰ হাতত পৰিল। মুঠতে ক'ব পাৰি যে দেশ স্বাধীন হোৱাৰ লগে লগেই অসমৰ অৰ্থনৈতিক স্বাধীনতাৰ স্বপ্ন ভংগ হ'ল। যুদ্ধোত্তৰ কালৰ আৰু স্বাধীনতাৰ পাছৰ প্ৰথম কালছোৱাত কামৰ ভিতৰত হ'ল: য'ত আয় ভাল হয়—যেনে ছিনেমা হল, আটা-ময়দাৰ কল, বৃটিছে আধামূলীয়াকৈ বেচা চাহ বাগান, চেনি-নিমখ টিনপাত-ছিমেণ্টৰ একচেটিয়া ব্যৱসায় —এই সকলো আমাৰ মন্ত্ৰীসকলে সোধাই দিলে পইচা থকা আৰু ক'লাধন খৰচ কৰিব পৰাসকলৰ হাতত। আমাৰ মন্ত্ৰীসকলে ধ্বনি তুলিলে— ল'ৰাহঁত, ৰাজনীতিত নানামিবা, আন্দোলন নকৰিবা, চাকৰী বিচৰাত লাগি যোৱা। কোনো এজন মন্ত্ৰীয়ে কোনো এটা শিল্প অনুষ্ঠানকো নকলে যে ঠিকা আৰু যোগানৰ কাম আমাৰ ডেকাহঁতক দিয়ক। আগৰ মন্ত্ৰীসকলৰ পোনপটিয়া আৰু অসমীয়া অনা অসমীয়া কৰ্মচাৰীৰ পৰোক্ষ সহযোগত অসমত বাহিৰাগত ব্যৱসায়ীয়ে খোপনি পুতিলে। আমাৰ পইচাৰে আনে দিল্লী কলিকতাত ১০-১২ মহলীয়া ঘৰ সাজিলে, তাৰ প্ৰতিদানত অসমৰ একোজনে গুৱাহাটীত ২-৩ মহলাৰ ঘৰ কৰাৰ পইচা লৈয়েই সন্তুষ্ট থাকিল। দুৰ্ভাগ্যৰ কথা যে এতিয়াও আমি সৰু-সুৰা চাকৰি কোনে কাক ক'ত দিলে তাতে বেছি জোৰ দি আছোঁ। আচল ৰস কোনে পাইছে তাৰ খবৰ আমি কৰা নাই। আশা কৰোঁ চৰকাৰে এই কথা বিবেচনা কৰিব। চাকৰিৰপৰা দেশ নতৰে, আমি ব্যৱসায় হস্তগত কৰিব লাগিব। নতুন উদ্যোগ স্থাপন কৰি শিল্পক্ষেত্ৰত নেতৃত্ব ল'ব লাগিব। কিন্তু ব্যৱসায় ক্ষেত্ৰত যি পৰিমাণে ধনৰ আৱশ্যক সিমান ধন আমাৰ ডেকাহঁতৰ হাতত নাই। তাতে আকৌ যোৱা দহ বাৰ বছৰে বেংক আদিয়ে অসমৰ থলুৱা ব্যৱসায়ী উদ্যোগক দিয়া ধনৰ বেছি ভাগেই ঘূৰাই পোৱা নাই কাৰণে তেওঁলোক এই বিষয়ত বীত শ্ৰদ্ধ হৈ আছে। এবাৰ সাপে খালে কেছুলৈকো ভয়। গতিকে বিত্তীয় অনুষ্ঠানে ডেকাহঁতক ঋণ দিব নোখোজে। credit squeeze অৰ নামত ধন নথকাৰ হাতত ধন দিয়াৰ পথ প্ৰায় বন্ধ কৰি থোৱা হৈছে। চৰকাৰে যদি বিশেষ ব্যৱস্থা নলয়, বা যদি NREPৰ দৰে নতুন কিবা এটা প্ৰয়াস কেন্দ্ৰীয় চৰকাৰৰ হতুৱাই কৰাব নোৱাৰে (বিত্তীয় অনুষ্ঠানে ৰাজ্যিক চৰকাৰৰ নিৰ্দেশ মানিব লাগিব, এনে বিধান কেন্দ্ৰীয় চৰকাৰে দিয়া নাই), তেন্তে নতুন ব্যৱসায়ীসকলে বিত্তীয় অনুষ্ঠানৰপৰা আৱশ্যকীয় পৰিমাণে সাহায্য পাব নোৱাৰিব। আশা কৰোঁ চৰকাৰে এই সমস্যা বিবেচনা কৰি চাব।

**আমাৰ এই অঞ্চল ব্যৱসায়ীৰ স্বৰ্গভূমি। ইয়াত বাহিৰৰপৰা বস্তু আনি অতি মাত্ৰা লাভত বেছিব পাৰি। আমাৰ কিনোতা সমাজৰ কোনো সংগঠন নাই আৰু বেছিভাগ বস্তুৰে ওপৰত চৰকাৰৰ নিয়ন্ত্ৰণ নাই।**



বেংক আৰু প্ৰধান বিত্তীয় অনুষ্ঠানবোৰে ১৯৬৯-৭০ চনৰ পৰাহে দেশৰ উন্নয়নৰ কামত অংশ গ্ৰহণ কৰিবলৈ লৈছে। ইয়াৰ আগলৈকে গ্ৰামোন্নয়ণৰ কামত চৰকাৰে পোনপটিয়াভাৱে সমবায় বেংক আদিৰ জৰিয়তে কাম কৰিছিল। দেখা গল যে সমবায় বেংক আদিয়ে সুবিধা মতে টকাৰ ব্যৱহাৰ প্ৰচলন কৰিব পৰা নাই। গতিকে বহুতো সমবায় সমিতি বেংকৰ লগত জড়িত কৰি দিয়া হল। ইপিনে ৰিজাৰ্ভ বেংকৰ পৰা সমবায় বেংকৰ প্ৰতি দিয়া সাহায্যও বেছি হল। ১৯৭০-৭১ চনত সমবায় খণ্ডলৈ আৰু কৃষিভিত্তিক কাৰ্যৰ বাবে ৰিজাৰ্ভ বেংকৰ পৰা দিয়া বিত্তীয় পৰিমাণ আছিল ৪১৩ কোটি টকা; ১৯৮৩-৮৪ চনত ই বৃদ্ধি পালে ২০২২ কোটি টকা লৈ। ব্যৱসায়ী বেংকবিলাকৰ বেলিকা ৰিজাৰ্ভ বেংকৰ তৰফৰপৰা কৃষি ভিত্তিক আৰু উন্নয়নৰ কামৰ কাৰণে বিত্তীয় সাহায্যৰ বিষয়ে কিছুমান নীতি নিৰ্ধাৰণ কৰি দিয়া হল। বেংকে দিয়া সেই সাহায্যৰ শতকৰা একভাগ কম সুতত দিয়া ধাৰ (DRI) হ'ব লাগিব। তাৰে ⅔ অংশ গ্ৰামাঞ্চলত আৰু তাৰ ৪০ শতাংশ হব লাগিব তপশীলভুক্ত (Scheduled Caste, Scheduled Tribe) লোকৰ কাৰণে।

১৯৮২ চনৰ ডিছেম্বৰ মাহত বেংকৰ মুঠ ধাৰ দিয়া টকাৰ পৰিমাণ আছিল ১১৬৭৮ কোটি; তাৰে ৩৯৫৪ কোটি আছিল কৃষিৰ বাবে আৰু ১১৫২ কোটি আছিল খেতি সংক্ৰান্ত ধাৰ। অৰ্থাৎ প্ৰায় ৪২% ভাগ কৃষি উন্নয়নৰ বাবে দিয়া হৈছিল। গতিকে ক'ব পাৰি যে গোটেই দেশৰ হিচাপত ধৰিলে বেংকসমূহে কৃষি তথা কৃষিভিত্তিক কাৰ্যৰ বাবে বহু পৰিমাণৰ ঋণ দিছে।

আমি ভাবোঁ যে বেংকৰ অফিছৰ (শাখা) সংখ্যা যথে মথে আৰু বঢ়াই বেছি লাভ নহব। কাৰণ তেনে কৰিলে বেংকৰ খৰচ যি পৰিমাণে বাঢ়িব, সেই পৰিমাণে কাম নহ'ব। অৱশ্যে নগৰ অঞ্চলত কিছুমান সৰু সৰু নগৰীয়া সমবায় পৰ্যায়ৰ বেংক খুলিব পাৰিব। আমাৰ ধাৰণা যে এতিয়া সমবায় সমিতিসমূহক কাৰ্যক্ষম কৰিব লাগে আৰু কিছুমান স্বেচ্ছাসেৱী অনুষ্ঠান (voluntary agency) গঢ়ি তুলি সেইবিলাকৰ জৰিয়তে টকা ধাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। অতি ভিতৰুৱা পৰ্বতীয়া অঞ্চল, বা য'ত এতিয়াও যাতায়াতৰ ব্যৱস্থা হোৱা নাই, তেনে ঠাইত বেংক সমবায়ৰ জৰিয়তে কিছুমান প্ৰতিনিধি (agent) নিয়োগ কৰি ভ্ৰাম্যমান বেংক শাখাৰ দ্বাৰা কাম চলাব পাৰি। বস্তুত সমিতিৰ এজেণ্টে এতিয়া সমিতিৰ হৈ ধাৰ দিয়া কৃষিৰ উপাদান (agricultural input) বিতৰণ কৰে। যদি তেওঁলোকক সমবায় বা বেংকৰ হৈ টকা ধাৰ দিব পৰা ক্ষমতাও দিয়া হয়, বা যদি ভাট্টা বা কমিছনৰ ভেটিত টকা ধাৰে দিবলৈ দিয়া হয়, তেন্তে কৃষিৰ কাৰণে বিত্তীয় সাহায্য বিতৰণ কৰাত সুবিধা বেছি হ'ব যেন লাগে। অৱশ্যে তেনে অনা-কৰ্মচাৰী প্ৰতিনিধিৰ ওপৰত নজৰ ৰাখিবলৈ আৰু তেওঁলোকক সকলো প্ৰকাৰ নিৰ্দেশ পৰামৰ্শ মানি চলাবৰ কাৰণে বিতং ভাৱে ব্যৱস্থা ল'ব লাগিব; আইনৰ সহায়ৰো আৱশ্যক হ'ব।

বেংকৰ আৰু বিভিন্ন অনুষ্ঠানৰ নিয়ম-কানুন যথেষ্ট জটিল। তাতে আকৌ বেংকে প্ৰতি নিয়মৰ তাৰতম্য। আমি ভাবোঁ যে বেংকৰ নিয়ম-কাৰণ সৰল কৰা আৱশ্যক। বহুতো ক্ষেত্ৰত দেখা যায় যে চৰকাৰৰ কৰ্মচাৰীয়ে এইবোৰ ভালকৈ বুজিব নোৱাৰে আৰু বিভিন্ন পক্ষই বেলেগ বেলেগ ব্যাখ্যা কৰে। ফলত আবেদনকাৰী বা চৰকাৰী কৰ্মচাৰীয়ে আবেদন শুদ্ধ হৈছে বুলি ভাবে যদিও বেংকৰ কৰ্মচাৰীয়ে তাক গ্ৰহণ নকৰে। এই অৱস্থা দূৰ কৰিবলৈ এটা উপায় হ'ল— চৰকাৰ আৰু বেংকৰ কৰ্মচাৰীক একেলগে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা। বিশেষকৈ উন্নয়ন খণ্ড কাৰ্যালয় আৰু গ্ৰামোন্নয়ন বিভাগত (DRDA) থকা কৰ্মচাৰীসকলক লৈ প্ৰতিখন জিলাতে এনে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে। উ· পূ. বেংক ব্যৱস্থাপনা প্ৰতিষ্ঠানে (NEIBM) এই কাৰ্যত সহায় কৰিব পাৰে। কিছুসংখ্যক প্ৰশিক্ষকৰ দলক প্ৰশিক্ষণ দিবলৈ নিয়োগ কৰা উচিত হ'ব। আৰু এটা কথা হৈছে,— বেংকৰ বা বিত্তীয় অনুষ্ঠানৰ স্থানীয় কৰ্মচাৰীৰ হাতত সিদ্ধান্ত লোৱাৰ ক্ষমতা সাধাৰণতে অতি সীমিত। স্থানীয় পৰিচালনা উপদেষ্টা সমিতিসমূহত স্থানীয় মানুহ নথকা বা কম থকাৰ কাৰণেও বহুত সময়ত এই অঞ্চলৰ সমস্যা আৰু দাবীসমূহ ভালদৰে বিবেচিত নহয়। তাতে আকৌ এই সমিতি বা ব'ৰ্ডবোৰত ৰাজনৈতিকভাৱে ব্যক্তি নিয়োগ হোৱাৰ কাৰণে সামূহিক স্বাৰ্থতকৈ ব্যক্তিগত আৰু দলীয় স্বাৰ্থহে বেছিকৈ সংৰক্ষিত হয়। ৰিজাৰ্ভ বেংকৰ পূৰ্বাঞ্চলৰ লোকেল ব'ৰ্ড বা উপদেষ্টা সমিতিত অসমৰ মানুহ নাই।

বেংকবিলাকত কাম চলোৱা মানুহৰ অভাৱৰ বাবেও ঋণদান আৰু টকা তোলাৰ কামত ব্যাঘাত হয়। বিত্তীয় সাহায্য দিয়াৰ পাছত ধন কেনেকৈ ব্যৱহাৰ কৰা হৈছে সেই বিষয়ে বেংকে বা সমবায় সমিতিসমূহে খবৰ ৰাখিব নোৱাৰে। ঋণ গ্ৰহণ কৰাসকলে কিবা উপদেশ বা কাৰ্যকৰী সাহায্য বিচাৰিলেও থলত একো নাপায়। কৃষি বিভাগৰ T & V পৰিকল্পনাও বিশেষ কাৰ্যকৰী হোৱা নাই। এই অৱস্থা দূৰ কৰাৰ উপায় দুটা: সমবায় সমিতিসমূহক, পঞ্চায়তক অধিক আৰ্থিক সাহায্য দি আৰু কৰ্মচাৰী বৃদ্ধি কৰি শক্তিশালী কৰি তোলা। সমবায়ৰ জৰিয়তে দিয়া কৃষিৰ ঋণৰ বাবদ সমিতিৰ প্ৰাপ্য সুতৰ পৰিমাণ (বৰ্তমান ২½%) বৃদ্ধি কৰা আৰু অল্পকালীন ঋণৰ কাৰণে এটা অনুদান ভাণ্ডাৰ (subsidy fund) সৃষ্টি কৰাৰ আৱশ্যক আছে বুলি আমি ভাবোঁ। তাকে নকৰিলে সমবায়সমূহ

এতিয়াৰ দৰে অকামিলা হৈ থাকিব। উদাহৰণ স্বৰূপে ৩৭খন গাঁৱৰ এখন সমবায় সমিতিয়ে ১৯৮২-৮৩ চনৰে ১৯ জন আবেদনকাৰীক ১৭,৪৪৬ টকা ঋণ যোগাৰ কৰি দিয়াৰ পাছত এতিয়ালৈকে (৩০/৪/৮৬ তাৰিখ পৰ্যন্ত) নতুন ঋণ দিব পৰা নাই। সেই সমিতিয়ে ৮৭ জন ধৰুৱাৰপৰা পাবলগীয়া আছে প্ৰায় ৮০ হাজাৰ টকা। তেওঁলোকৰ জৰিয়তে স্থানীয় বেংকে দিয়া টকাৰ শতকৰা ৯০ ভাগৰ পৰিশোধৰ দিন উকলি গৈছে। হয়তো সমিতিৰ কৰ্মকৰ্তাৰ হাতত মটৰ ছাইকেল এখন থাকিলে আৰু বেংকত বাকীজাই বিভাগ আৰু সমবায় বিভাগৰ সামূহিক প্ৰচেষ্টা থাকিলে ঋণ দিয়া আৰু পৰিশোধ কৰোৱা দুয়োটা কামৰে উন্নতি হ'লহেঁতেন।

দ্বিতীয় উপায় হ'ল বেংকবিলাকত স্থানীয় লোকৰ সংখ্যা বৃদ্ধি কৰা। স্থানীয় মানুহ কম থকাৰ বাবে বহু সময়ত ভুল বুজাবুজি হয়; কামত আন ধৰণেও ব্যাঘাত জন্মে। বহুতো ভিতৰুৱা ঠাইলৈ বাহিৰৰ মানুহ নাযায় আৰু স্থানীয় লোকৰ অভাৱত কৰ্মচাৰীৰ সংখ্যা আৱশ্যকতকৈ কম হয়। স্থানীয় মানুহ কম হোৱা কাৰণে সাধাৰণতে বেংক আদিক দোষাৰোপ কৰা হয়। ই কিন্তু অৰ্ধসত্য। বিভিন্ন কামৰ কাৰণে অনুষ্ঠানসমূহে পতা নিৰ্বাচনী আৰু অভ্যন্তৰীণ পৰীক্ষা আদিত কৃতকাৰ্য হ'বলৈ আমাৰ ডেকাচামে ভালদৰে চেষ্টা নকৰে। এইবোৰ নিৰ্বাচনী পৰীক্ষাৰ কাৰণে যথেষ্ট প্ৰস্তুতিৰ আৱশ্যক। তাকে নকৰিলে আমি উচ্চ খাপৰ চাকৰিৰ বেলিকা সংখ্যাত কম হৈ থাকিব লাগিব। আজি আমি গুণগতভাৱে আনতকৈ উৰ্ধ্বত থাকিব লাগিব, নহলে অৰ্থনৈতিক আৰু সাংস্কৃতিক স্বাৰ্থত ব্যাঘাত জন্মিব।

ভাৰতৰ শিল্প উন্নয়ন বেংক (IDBI) আৰু ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য উন্নয়নী বেংকে (NABARD) উ. পূ. অঞ্চলত শিল্প আৰু কৃষিৰ উন্নতিৰ বাবে কৰা ধনৰ বিনিয়োগ অতি কম। ১৯৮৪-৮৫ কালত IDBI-এ ভাৰতৰ পিছপৰা অঞ্চলত ১৭৮৮ কোটি টকাৰ বিত্তীয় সাহায্য আগবঢ়াইছে। তাৰ ভিতৰত উ. পূ. অঞ্চলৰ প্ৰাপ্য সাহায্যৰ পৰিমাণ হ'ল মাত্ৰ ৪৩ কোটি টকা। অসমৰ ভাগত পৰে ৩২ কোটি টকা। NABARDঅৰ বিত্তীয় সাহায্য পৰীক্ষা কৰি চালেও আমি দেখোঁ যে সেই প্ৰতিষ্ঠানৰ মুঠ সাহায্যৰ মাত্ৰ শতকৰা এভাগ এই অঞ্চলৰ সাতখন ৰাজ্যই পাইছে। যোৱা বছৰ নাবাৰ্ডে উ. পূ. অঞ্চলক মাত্ৰ প্ৰায় ১৪ কোটি টকা দিছে— ৫৭খন আঁচনিত। সেই একে সময়তে গোটেই ভাৰতত লোৱা হৈছিল ৫৬০০ খন আঁচনি আৰু খৰচ হৈছিল প্ৰায় ১০৬১ কোটি টকা। জীৱন বীমা নিগমে ৮৪-৮৫ বছৰ পৰ্যন্ত অসমৰ কাৰণে মাত্ৰ প্ৰায় ৫২ কোটি টকা আগবঢ়াব পাৰিছে। দুখৰ বিষয় যে ১৯৭৭-৭৮ চনতে বিত্তীয় সাহায্য আগবঢ়োৱা ছখন পানী যোগান আৰু তৎসংক্ৰান্ত আঁচনিৰ বিষয়ে জীৱন বীমা নিগমক ৩।৩।৮৬ তাৰিখ পৰ্যন্ত কাম সম্পূৰ্ণ কৰিব পৰাৰ বা সামৰণিৰ প্ৰতিবেদন দিয়া হোৱা নাই আৰু এনে বিত্তীয় সাহায্যৰ সুবিধা অসমে বেছিকৈ লব পৰা নাই।

I. F. C. I.ৰ পৰাও ভাৰতৰ অন্য অঞ্চলে বিত্তীয় সাহায্য লৈ ভালেমান উদ্যোগ স্থাপন কৰিছে। কিন্তু অসমত এই পৰ্যন্ত ২২ খন আঁচনিত মাত্ৰ ২০ কোটি টকাহে ব্যয় কৰা হৈছে। আটাইতকৈ দুখৰ কথা হৈছে যে আমাৰ অসম বিত্তীয় নিগমে (Assam Financial Corporation) অসম তথা উ. পূ. অঞ্চলৰ শিল্পোন্নতিৰ ক্ষেত্ৰত আশা অনুৰূপ অৰিহণা যোগাব পৰা নাই। এই নিগমে যোৱা বছৰলৈকে মঞ্জুৰ কৰা সাহায্য মাত্ৰ প্ৰায় ২৬ কোটি টকা। তাৰে প্ৰায় ৩ কোটি টকা ৮৪-৮৫ চনৰ। এই ৩ কোটিৰ ১ কোটি ৮৬ লাখ টকাহে বিতৰণ কৰা হ'ল। I. D. B. I. আৰু A. F. C.ৰ বিত্তীয় সাহায্যৰ বেছি ভাগেই হল যানবাহনৰ ব্যৱস্থাৰ কাৰণে। অৰ্থাৎ, প্ৰকৃত শিল্প উন্নতিৰ ক্ষেত্ৰত এই অনুষ্ঠানৰ অৰিহণা সীমিত। এই নিগমৰ এনে মৰামুজা অৱস্থাৰ সলনি নহলে ইয়াক বন্ধ কৰি IDBIক প্ৰত্যক্ষ দায়িত্ব দিলেই বেছি কাম কাম হ'ব।

আমাৰ অঞ্চলত সৰ্বভাৰতীয় বিত্তীয় সাহায্যৰ পৰিমাণ কম হোৱাৰ এটা প্ৰধান কাৰণ হল যে, আমাৰ এই অঞ্চল ব্যৱসায়ীৰ স্বৰ্গভূমি। ইয়াত বাহিৰৰ পৰা বস্তু আনি অতিমাত্ৰা লাভত বেচিব পাৰি। আমাৰ কিনোতা সমাজৰ কোনো সংগঠন নাই আৰু বেছিভাগ বস্তুৰে ওপৰত চৰকাৰৰ নিয়ন্ত্ৰণ নাই। কিনোতাৰ (consumer অৰ) এক বলিষ্ঠ আন্দোলন গঢ়ি তোলাৰ সময় হৈছে আৰু চৰকাৰে বিভিন্ন বস্তুৰ দৰদামৰ ওপৰত চকু ৰাখিবৰ আৱশ্যক হৈছে। এনে কিছুমান ব্যৱস্থা নললে বিত্তীয় অনুষ্ঠানসমূহৰ পৰা পোৱা সাহায্যৰ অপব্যৱহাৰ হয়, শিল্প আৰু কৃষি ব্যৱস্থাৰ খৰচ অমূলক বৃদ্ধি হয়।

তেনেদৰেই, বিভিন্ন উদ্যোগে যাতে অপচয় নকৰে তাৰ প্ৰতিও চকু ৰাখিব লাগে। উদাহৰণ স্বৰূপে কব পাৰি যে প্লাইউড কল কাৰখানাবিলাকে পুৰণা যন্ত্ৰেৰে কাম চলাই থকাৰ বাবে, আৰু তেওঁলোকৰ কাঠ সংৰক্ষণৰ যথোচিত ব্যৱস্থা নথকাৰ বাবে প্ৰায়বোৰ কাৰখানাই শতকৰা প্ৰায় ৪০ ভাগ কাঠ নষ্ট কৰে। মধ্যমীয়া চাহ বাগিচাবোৰেও ভালেখিনি মাটিত নাম মাত্ৰ চাহ লগাই বাকী মাটিখিনি এনেয়ে ৰাখি থয়। ফলত দেশৰ আয় কম হয়। যিহেতু উদ্যোগত অপচয় হয়, গতিকে এই উদ্যোগসমূহে লোৱা বিত্তীয় অনুষ্ঠানৰ সাহায্যবো অপব্যৱহাৰ হয়। বিত্তীয় অনুষ্ঠানে এনে অপব্যয়ৰ ওচৰত চকু ৰখা দৰকাৰ; কিন্তু ইয়াক ৰোধ কৰাৰ প্ৰধান দায়িত্ব হ'ল চৰকাৰৰ। ইয়াৰ কাৰণে চৰকাৰে উদ্যোগ বিভাগক শক্তিশালী আৰু বেছি কাৰ্যক্ষম কৰি তুলিব লাগে। বৰ্তমানে এই বিভাগ এটা "ফাইল সৰ্বস্ব" বিভাগ; য'ত ঘনাই মুৰব্বীৰ সাল-সলনি হয় আৰু তাৰ কৰ্মচাৰীসকলৰ ভাবধাৰা অবৈজ্ঞানিক। গ্ৰামোন্নয়ন আৰু ক্ষুদ্ৰ উদ্যোগ সম্প্ৰসাৰণৰ ক্ষেত্ৰত এওঁলোকে বিশেষ অৰিহণা যোগাব পৰা নাই। উদাহৰণ স্বৰূপে এটা উন্নয়ন খণ্ডৰ ১৯৮৫ চনৰ খতিয়ান লৈ দেখা গল যে তেওঁলোকে ৩৪ টা প্ৰস্তাৱৰ কথা প্ৰথমতে ভাবিছিল যদিও মাত্ৰ ২৭ টাহে হাতত ললে। ইয়াৰ ভিতৰত দুটা মাত্ৰ দুখন ক্ষুদ্ৰ উদ্যোগ আঁচনিয়ে শেষত মঞ্জুৰী পালে। ৫ টা আছিল কৃষি সংক্ৰান্ত আৰু বেছি ভাগেই আছিল দোকান-পোহাৰ আদিৰ বাবে। কৃষি বিভাগ, উদ্যোগ বিভাগ আৰু ঔদ্যোগিক গৱেষণাগাৰসমূহে ভাবধাৰা সলনি কৰিব লাগে।

জিলা উদ্যোগ কেন্দ্ৰসমূহে ৰাইজক সহায় কৰিছে; নে ইয়াৰ দ্বাৰা আৰু এটা থলপাৰ সৃষ্টি কৰি ৰাইজৰ খৰচ আৰু দুৰ্নীতিৰ এখন দুৱাৰ বেছিকৈ যোগান ধৰা হ'ল, ক'ব নোৱাৰি। প্ৰতিখন জিলা উদ্যোগ কেন্দ্ৰ হোৱাৰ পৰা উদ্যোগ বিভাগৰ খৰচ বহুগুণে বাঢ়িল। এটা কেন্দ্ৰৰ বাজেট পৰীক্ষা কৰি চাওঁতে দেখা গৈছিল যে জিলাৰ কাৰণে দিয়া ধনৰ এক তৃতীয়াংশ খৰচ হয় সেই কেন্দ্ৰৰ প্ৰশাসনৰ বাবদ। এনে কেন্দ্ৰ নুখুলি ৰাজধানীতে সকলো ব্যৱস্থা কৰি এখন দুৱাৰেদি (single window) সকলো কাম কৰি উদ্যোগী বা আন সাহায্য-প্ৰাৰ্থীক ৰাজধানীলৈ অহা যোৱা আদিৰ বাবদ এটা বিত্তীয় সাহায্য (subsidy) দিয়া হলেই অধিক লাভ হলহেঁতেন আৰু কাম হ'লহেঁতেন। এতিয়া তেওঁলোকে দুয়ো ঠাইতে সমানে কষ্ট কৰিব আৰু খাটিব কৰিব লাগে।

উদ্যোগ বিভাগৰ দৰেই অসমৰ বিভিন্ন নিগমসমূহৰ, যেনে অসম ঔদ্যোগিক নিগম, ক্ষুদ্ৰ উদ্যোগ নিগম আৰু পাৰ্বত্য ক্ষুদ্ৰ উদ্যোগ নিগম আদিৰ কাম প্ৰশংসনীয় নহয়। যোৱা প্ৰায় কুৰি বছৰ কাল নিগমসমূহৰ পৰিচালনা এনে বেয়াভাৱে কৰা হৈছিল যে এই অনুষ্ঠানবোৰ একোটা ব্যক্তিগত আৰু ৰাজনৈতিক স্বাৰ্থ পূৰণৰ আহিলা হৈ পৰিল। এই নিগমৰ বৰমুৰীয়াৰ কাৰ্যকাল কচুপাতৰ পানীতকৈও ক্ষণস্থায়ী আছিল। আন বহুতো চৰকাৰী বিভাগৰ দৰে এইবোৰতো কামতকৈ মানুহৰ সংখ্যা আৰু, বগাতকৈ ক'লাৰ প্ৰভাৱ বেছি হল। বৰ্তমান চৰকাৰে এই নিগমসমূহক কাৰ্যক্ষম কৰিবলৈ চেষ্টা কৰি চাইছে আৰু আমাৰ বিশ্বাস যে ভালদৰে নিৰ্বাচিত মুৰব্বী একোজনক চৰকাৰে বিভাগীয় সমৰ্থন দিলে আৰু ঘনাই সালসলনি নকৰিলে, কামত আগ বাঢ়িব পৰা যাব। চৰকাৰৰ সচিবালয়ৰ হাতত ন্যস্ত থকা প্ৰশাসনীয় আৰু বিত্তীয় ক্ষমতা এই নিগমসমূহৰ পৰিচালনা সমিতিৰ ওপৰত ন্যস্ত কৰা উচিত— যাতে প্ৰতি বিষয়তে নিগমে সচিবালয়ৰ সিদ্ধান্তলৈ বাট চাই থাকিব নালাগে। উদাহৰণ স্বৰূপে কব পাৰি —নিয়োগৰ ক্ষমতাৰ কথা। ৫০০ টকাৰ ওপৰৰ বেতনৰ কৰ্মচাৰী নিগমে মকৰল কৰিব নোৱাৰে, সচিবালয়ৰ বিভাগ সমূহৰ সন্মতি লাগিব। এসময়ত যেতিয়া ৫০০ টকাৰ মূল্য বহুতো আছিল তেতিয়াৰ এই নিয়মটো আজিও বাহাল ৰখা সচাকৈয়ে অযুক্তিকৰ। চৰকাৰৰ পৰা লোৱা ঋণবোৰো এই নিগমসমূহৰ কাৰণে ডাঙৰ বোজা হৈ পৰিছে। নিগমসমূহৰ মূলধন ইমান তাকৰ যে আজিকালিৰ টকাৰ মূল্যমান আৰু নিগমৰ ঋণৰ বোজাৰ পৰিপ্ৰেক্ষিতত নিগমসমূহৰ মূলধন একেবাৰে নাই বুলিব পাৰি।

সপ্তম পৰিকল্পনাৰ পাঁচ বছৰীয়া কালছোৱাত অসমৰ কাৰণে ১১০০ কোটি টকা ধাৰ্য কৰা হৈছে। এই ধন আমি আচলতে সম্পূৰ্ণকৈ পাম নে নাপাম তাৰ সঠিক হিচাপ পাছতহে পোৱা যাব। যদি আমাৰ চৰকাৰে আৰু বিভিন্ন উন্নয়ন বিভাগ তথা নিগমে এই সীমিত পুঁজি অযথা কামত বা তত্তাতৈয়াকৈ কৰিব নলগীয়া কামত খৰচ কৰে, তেন্তে আমি প্ৰকৃত উন্নতিৰ ক্ষেত্ৰত আগবাঢ়িব নোৱাৰিম। আমাৰ বোধেৰে বৰ্তমানৰ অৱস্থাত যি সন্তৰ কৃষি আৰু কৃষিভিত্তিক উদ্যোগত ব্যয় কৰিলেহে আমাৰ এই অঞ্চলৰ অৰ্থনৈতিক ভেটি দৃঢ় হ'ব আৰু মানুহৰ হাতলৈ ৰাহি ধন আহিব। ফলত ব্যক্তিগত ক্ৰয়ক্ষমতা আৰু সাঁচতীয়া পুঁজি বৃদ্ধি পাব। বৰ্তমান অৱস্থাত যিহেতু আমাৰ মানুহৰ ক্ৰয়-ক্ষমতা অতি সীমিত, আৰু যিহেতু আমাৰ মানুহ তাকৰীয়া, গতিকে ডাঙৰ-কিছুমান নতুন শিল্প অনা মানে আমাক নিজকে বিপদত পেলোৱা হ'ব। মানুহ বেছি আৱশ্যক হোৱা (employment oriented) শিল্প অনা মানে বহিৰাগতৰ সোঁত বঢ়োৱা। তাৰ ঠাইত আমি বিচাৰিব লাগে স্বয়ংক্ৰিয় কল কব্জা জড়িত শিল্প,—য'ত কৰ্মীৰ সংখ্যা সীমিত। অসমৰ আৰু উ. পূ. অঞ্চলৰ সকলো মানুহ সূক্ষ্ম কামত পাকৈত; তেওঁলোকৰ এটা স্বাভাৱিক দক্ষতা (inherent capacity for precission work) আছে। এই গুণৰ যথাযথ ব্যৱহাৰ কৰিব পৰা শিল্প উদ্যোগ আৰু কৃষি-পদ্ধতি আমদানি কৰিব লাগে।

মুঠতে ক'ব পাৰি যে আমাৰ পিছপৰা অৱস্থাৰ পৰা উদ্ধাৰ পাবলৈ হ'লে আমি আমাৰ চৰকাৰ, চৰকাৰী বিভাগসমূহ, বিভিন্ন স্থানীয় নিগমসমূহ আৰু ৰাইজৰ স্বেচ্ছাসেৱী অনুষ্ঠানবোৰক সক্ৰিয় কৰিব লাগিব। কেৱল কেন্দ্ৰীয় চৰকাৰক দোষ দি আমাৰ নিজৰ অকৰ্মণ্যতা ঢাকিবলৈ চেষ্টা কৰা স্বভাৱ পৰিত্যাগ কৰি, নিজৰ দায়িত্ব স্বীকাৰ কৰি আগবাঢ়িলেহে আমাৰ অৰ্থনৈতিক — সামাজিক— সাংস্কৃতিক ভেটি দৃঢ় হ'ব।





OKDIsCD

# মহাসাগৰ আৰু আমি

অৱনী কুমাৰ ভাগৱতী

পৃথিৱীৰ উপৰিভাগৰ মুঠ কালি ৫১২·২ নিযুত বৰ্গ কিল'মিটাৰ। ইয়াৰ ৭১ শতাংশ জলমণ্ডলে আবৰা। জলমণ্ডলৰ ৯৪ শতাংশ জুৰি আছে বিশাল মহাসাগৰসমূহ। সাধাৰণতে সমুদ্ৰপৃষ্ঠৰ উচ্চতা শূন্য বুলি ধৰি ভূপৃষ্ঠৰ উচ্চতা আৰু সমুদ্ৰৰ গভীৰতা জোখা হয়। সেইমতে সমুদ্ৰপৃষ্ঠৰ পৰা সমগ্ৰ স্থলভাগৰ গড় উচ্চতা ৮৪০ মিটাৰ আৰু মহাসাগৰৰ গড় গভীৰতা ৩,৮৬৫ মিটাৰ।

মহাসাগৰৰ লগত মানুহৰ সম্পৰ্কৰ ইতিহাস অতিশয় দীঘলীয়া আৰু সুদূৰপ্ৰসাৰী। অৱশ্যে মহাসাগৰৰ গভীৰতম অংশৰ লগত মানুহৰ সম্পৰ্ক সীমিত আৰু মাথোন যোৱা শতিকাৰ পৰাহে প্ৰকৃতাৰ্থত এই অংশৰ ওপৰত মানুহে বৈজ্ঞানিক অধ্যয়ন চলাবলৈ সক্ষম হৈছে। পৃথিৱীৰ জনসংখ্যা বৃদ্ধিয়ে মহাসাগৰৰ লগত মানুহৰ সম্পৰ্ক ক্ৰমে নিবিড় কৰি তুলিছে। তীব্ৰ হাৰত (বছৰি শতকৰা ২) জনসংখ্যা বৃদ্ধি হোৱা বাবে মানুহৰ প্ৰয়োজনীয় খাদ্য আদিৰ ক্ৰমে নাটনি হৈ আহিছে আৰু ইয়ে সমকালীন বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক মহাসাগৰলৈ সম্প্ৰসাৰিত কৰিছে। মহাসাগৰত মৎস্য শিল্পৰ বিস্তাৰণ, খনিজ তেল উৎঘাটন, ঔদ্যোগিক আবৰ্জনা নিক্ষেপণ, পৰিবহন আদিৰ যোগেদি মানব প্ৰগতি মহাসাগৰৰ লগত ইমানকৈ জড়িত হৈ পৰিছে যে, এনে কাৰ্যৰ ফলত সৃষ্টি হ'ব পৰা বিষময় প্ৰতিক্ৰিয়াৰ সম্ভাৱনাই সাম্প্ৰতিককালৰ বিজ্ঞানীমহলত আশংকাৰ উদ্ৰেক কৰিছে।

বিগত কেইবাহাজাৰ বছৰ ধৰি মানব সমাজে মহাসাগৰক মাছ, মণি-মুকুতা, লোণ আদিৰ উৎস; পৰিবহন আৰু আমোদ-প্ৰমোদৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰি আহিছে। দীৰ্ঘকাল ধৰি মানুহৰ ক্ৰিয়াই বিস্তীৰ্ণ মহাসাগৰত বিশেষ প্ৰতিক্ৰিয়া কৰিব পৰা নাছিল। কিন্তু যোৱা কেইদশক মানৱ ভিতৰত সামুদ্ৰিক পৰিবেশত মানুহৰ ক্ৰমবৰ্ধমান ক্ৰিয়াই সামুদ্ৰিক প্ৰাণীৰ মৃত্যুকে ধৰি এনে কিছুমান প্ৰতিক্ৰিয়া ঘটাইছে যিবোৰে সমগ্ৰ মানবজাতিৰ ভৱিষ্যত সম্পৰ্কত ভাবুকিৰ সৃষ্টি কৰিছে।

মহাসাগৰত মাছ ধৰা মানুহৰ এক অতি পুৰণি বৃত্তি। মহাসাগৰত প্ৰায় ১৬ হাজাৰ প্ৰজাতিৰ (species) মাছ পোৱা যায়। ইয়াৰে কিছুমান খাদ্য হিচাপে উপযুক্ত আৰু যথেষ্ট পৰিমাণে প্ৰ'টিনযুক্ত। সাম্প্ৰতিক কালত ক্ষিপ্ৰহাৰত জনসংখ্যা বৃদ্ধিয়ে মাছৰ চাহিদা বঢ়াইছে আৰু সেয়ে, বিশেষকৈ দ্বিতীয় বিশ্বযুদ্ধৰ পাছৰেপৰা মৎস্য উৎপাদনৰ হাৰ অভাবনীয়ভাৱে বৃদ্ধি পাইছে। ১৯৪৫ চনত সামুদ্ৰিক মাছৰ সৰ্বমুঠ উৎপাদন আছিল ১২ নিযুত টন আৰু ১৯৭০ চনত হয়গৈ ৫০ নিযুত টন। ১৯৯০ চনত এই পৰিমাণ হ'বগৈ প্ৰায় ৯০ নিযুত টন। সামুদ্ৰিক মৎস্য উৎপাদনৰ ভৌগোলিক বিতৰণৰ ক্ষেত্ৰত আঞ্চলিক বৈষম্য আছে। পৃথিৱীৰ সৰ্বমুঠ উৎপাদনৰ ৫৩ শতাংশ উত্তৰ গোলাৰ্ধৰ মহাসাগৰৰ পৰা, ১৯ শতাংশ বিষুবীয় অঞ্চলৰ মহাসাগৰৰপৰা আহে। প্ৰতি একক পৰিমাণৰ পানীৰপৰা (যেনে—এক ঘনমিটাৰ) উৎপাদনৰ ক্ষেত্ৰত প্ৰথম হ'ল আটলাণ্টিক মহাসাগৰ, দ্বিতীয়— প্ৰশান্ত মহাসাগৰ আৰু তৃতীয়— ভাৰত মহাসাগৰ।

মাছ ধৰা হাৰৰ লগত মাছৰ বংশবৃদ্ধি জড়িত। কড, হেৰিং, হেডক, চাৰদিন, তিমি আদি মাছৰ ক্ষেত্ৰত দেখা গৈছে যে, প্ৰাকৃতিকভাৱে বংশ বৃদ্ধিৰ হাৰতকৈ মাছ ধৰাৰ হাৰহে এখোপ চৰা আৰু ফলত এনে বহুবিধ মাছ বৰ্তমানে প্ৰায় বিলুপ্ত হোৱাৰ পথত। অৱশ্যে সাম্প্ৰতিক কালত মৎস্য সংৰক্ষণৰ উদ্দেশ্যে দেশীয় সংস্থাৰ উপৰিও আন্তঃৰাষ্ট্ৰীয় সংস্থা কিছুমানো গঢ়ি উঠিছে।

খনিজ সম্পদৰ ক্ষেত্ৰতো মহাসাগৰৰ ভূমিকা গুৰুত্বপূৰ্ণ। শক্তিৰ উৎস হিচাপে খনিজ তেল আৰু প্ৰাকৃতিক গেছৰ ব্যৱহাৰ ক্ৰমে বৃদ্ধি পাইছে। বৰ্তমান ব্যৱহৃত শক্তি-সম্পদৰ প্ৰায় ৭০ শতাংশ তেল আৰু গেছে নিৰূপণ কৰে। ১৯৫০ চনত ইয়াৰ পৰিমাণ আছিল ৩০ শতাংশ। ভূতাত্ত্বিকসকলে অনুমান কৰিছে যে মহাসাগৰীয় প্ৰাকৃতিক গেছ আৰু তৈলক্ষেত্ৰসমূহ পৰৱৰ্তী শতিকাত বিশ্বৰ শক্তি সম্পদৰ প্ৰধান উৎস হৈ পৰিব।

বৰ্তমানেও সমুদ্ৰতলিৰপৰা উৎপাদিত খনিজ তেলে বিশ্বৰ সমগ্ৰ তেল উৎপাদনৰ ১০ শতাংশ নিৰূপণ কৰিছে। ছোভিয়েট দেশ, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কানাডাৰ বাহিৰে অন্য ঔদ্যোগিক দেশবোৰত প্ৰয়োজন অনুসাৰে খনিজ তেল পোৱা নাযায়। আমেৰিকা যুক্তৰাষ্ট্ৰই বছৰি ৬০০ নিযুত টনতকৈও অধিক খনিজ তেল উৎপাদন কৰে যদিও, ই খনিজ তেলৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল নহয়। আমেৰিকাকে ধৰি আন উন্নত দেশসমূহে খনিজ তেলৰ ক্ষেত্ৰত বহুসময়ত অন্য অনুন্নত দেশৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয়। গতিকে অন্য দেশৰ ওপৰত নিৰ্ভৰ কৰাৰ পৰিবৰ্তে উন্নত দেশসমূহে নিজৰ অধীনত থকা সমুদ্ৰ অঞ্চলতে তৈলক্ষেত্ৰ উৎঘাটনৰ প্ৰচেষ্টা চলাইছে।

সমুদ্ৰতলিৰপৰা তেল উৎপাদনৰ প্ৰথম প্ৰচেষ্টা ১৮শ শতিকাতে বৰ্তমান ছোভিয়েট দেশৰ বাকুৰ ওচৰত চলিছিল। অৱশ্যে বাকুৰ ওচৰত কাস্পিয়ান সাগৰৰ তলিৰপৰা তেলৰ বাণিজ্যিক উৎপাদন ১৯২১ চনতহে আৰম্ভ হয়। সম্প্ৰতি মেক্সিক' উপসাগৰ, ভূমধ্যসাগৰ, পশ্চিম ইউৰোপৰ উত্তৰ সাগৰ (North Sea) অঞ্চল, পাৰস্য উপসাগৰ, আৰৱ সাগৰ আদিৰ পৰা খনিজ তেল আৰু প্ৰাকৃতিক গেছ উৎপাদন কৰা হয়।



প্ৰাকৃতিক গেছ আৰু খনিজ তেলৰ উপৰিও সমুদ্ৰ তলিত কয়লা, তাম, মেংগানিজ আদি খনিজ সম্পদৰ সন্ধেদ পোৱা গৈছে। সমুদ্ৰতলিত বিস্তৰ কয়লা সম্পদ আছে যদিও, বৰ্তমান ইয়াৰপৰা উৎপাদিত কয়লাৰ পৰিমাণ বিশ্বৰ মুঠ উৎপাদনৰ মাত্ৰ ২ শতাংশহে। এই ক্ষেত্ৰত কানাডা, জাপান, গ্ৰেট বৃটেইন আৰু চীন দেশৰ নাম উল্লেখযোগ্য। জাপানত দেশৰ মুঠ কয়লা উৎপাদনৰ প্ৰায় ৩০ শতাংশ সমুদ্ৰপৃষ্ঠৰপৰা ২৫০ মিটাৰ গভীৰতাৰ পৰা উৎঘাটন কৰা হয়। গ্ৰেট বৃটেইনত এনে উৎপাদনৰ পৰিমাণ ১০ শতাংশ। ইয়াৰ উপৰি মহাসাগৰৰ পানীত ৪,০০০ নিযুত টন পৰিমাণৰ ইউৰেনিয়াম, ৩০০ নিযুত টন ৰূপ আৰু ৪ নিযুত টন সোণ মিহলি হৈ থকা বুলি বিজ্ঞানীসকলে অনুমান কৰিছে।

জোৱাৰ-ভাটাৰ সৃষ্টিয়ে সামুদ্ৰিক পৰিবেশত বিশেষ প্ৰভাৱ পেলোৱা দেখা যায়। মহাসাগৰৰ পানী উঠা-নমা কৰা সম্বন্ধে মানুহৰ চাক্ষুষ অভিজ্ঞতা বহুদিনীয়া। কিন্তু ইয়াৰ ওপৰত লিখিত তথ্য খৃষ্টপূৰ্ব ৪৫০ চনত হেৰোডোটাছে দিয়া বিৱৰণৰপৰাহে পোৱা যায়। যিয়েই নহওক, চন্দ্ৰ আৰু সূৰ্যৰ আকৰ্ষণৰপৰা সৃষ্টি হোৱা জোৱাৰ অফুৰন্ত শক্তিৰ ভাণ্ডাৰ। এই শক্তিক বৈদ্যুতিক শক্তিলৈ ৰূপান্তৰিত কৰিব পাৰি। খনিজ তেল বা পাৰমানবিক ইন্ধন নোহোৱাকৈয়ে জোৱাৰৰ পৰা শক্তি উৎপাদন কৰিব পাৰি। প্ৰতি ৬ ঘণ্টা ১২ মিনিটৰ মূৰে মূৰে জোৱাৰে উচ্চ ঢৌৰ সৃষ্টি কৰে। কিন্তু ঢৌৰ শক্তি সকলো সময়তে সমানে নাথাকে। পূৰ্ণিমা তিথিৰ পাছৰেপৰা ক্ৰমে ঢৌৰ শক্তি হ্ৰাস পাবলৈ ধৰে। শক্তিৰ হ্ৰাস-বৃদ্ধি ঘটিলেও জোৱাৰৰপৰা পাব পৰা মুঠ শক্তিৰ পৰিমাণ ১,০০০ নিযুত কিল'ৱাট হ'ব বুলি অনুমান কৰা হৈছে।

ইয়াৰ বিপৰীতে পৃথিৱীৰ সকলো নদীৰপৰা পাব পৰা শক্তিৰ পৰিমাণ ৮৫০ নিযুত কিল'ৱাটতকৈ বেছি নহয়। জোৱাৰৰপৰা শক্তি উৎঘাটনৰ বিস্তৰ সম্ভাৱনা থকা দেশসমূহ হ'ল— ছোভিয়েট দেশ, আমেৰিকা যুক্তৰাষ্ট্ৰ, ফ্ৰান্স, কানাডা, বৃটেইন, আৰ্জেন্টিনা, পশ্চিম জাৰ্মানি, হলেণ্ড, ভাৰতবৰ্ষ ইত্যাদি। জোৱাৰৰপৰা শক্তি আহৰণকাৰী পৃথিৱীৰ প্ৰথম কেন্দ্ৰটো ফ্ৰান্সৰ লা ৰেঞ্চ নদীৰ মোহনাত অৱস্থিত।

ইয়াৰ উপৰি সমুদ্ৰৰ জলৰাশিয়ে অসীম সৌৰশক্তি শোষণ কৰি ৰাখে। সমুদ্ৰৰ পানীৰ উষ্ণতা পৃষ্ঠ ভাগৰপৰা গভীৰ অংশলৈ ক্ৰমে কমি যায়। নিম্ন অক্ষাংশৰ সমুদ্ৰ পৃষ্ঠৰ পানীৰ উষ্ণতা ৪০° ছেলছিয়াছ পৰ্যন্ত হ'বগৈ পাৰে আৰু কোনো কোনো অঞ্চলত মাত্ৰ ২০০ মিটাৰ গভীৰতাতে পানীৰ উষ্ণতা ০° ছে· হ'ব পাৰে। উত্তাপৰ এনে উল্লম্বিক (vertical পাৰ্থক্যই hydro-thermal শক্তি আহৰণ কৰাত সহায় কৰে। এনে এটা শক্তি আহৰণকাৰী কেন্দ্ৰ আফ্ৰিকাৰ আটলাণ্টিক উপকূলৰ আবিদজানৰ ওচৰত আছে। আমেৰিকাৰ মাছাচুচেট বিশ্ববিদ্যালয়ত মহাসাগৰৰপৰা সৌৰ শক্তি আহৰণ সম্বন্ধীয় গৱেষণা চলি আছে। গৱেষকসকলৰ মতে যুক্তৰাষ্ট্ৰৰ পুব উপকূলৰ ওচৰেদি প্ৰবাহিত উপসাগৰীয় সামুদ্ৰিক সোঁতৰ (Gulf Stream) পৰা ১৯৮০ চনত যুক্তৰাষ্ট্ৰই ব্যৱহাৰ কৰা শক্তিৰ ৭৫ গুণ বেছি শক্তি ভৱিষ্যতে আহৰণ কৰিব পৰা যাব।

পৃথিৱীত জলমণ্ডলৰ বিস্তৃতি বা পানীৰ পৰিমাণ যথেষ্ট (১,৫০০ নিযুত ঘন কি· মি·); তথাপি পৰিষ্কাৰ পানীৰ পৰিমাণ সৰ্বমুঠ পানীৰ মাত্ৰ ২ শতাংশহে। পৰিষ্কাৰ পানী সাধাৰণতে মহাসাগৰত হোৱা বাষ্পীভৱনৰ যোগেদি সৃষ্টি হৈ বৰষুণ আকাৰে পৃথিৱীৰ উপৰিভাগত পৰে আৰু নদ-নদী আকাৰে বৈ যায়। ভূগৰ্ভতো এনে পানী জমা হয়। মানুহৰ দৈনন্দিন ব্যৱহাৰৰ উপৰিও বৰ্তমান সময়ত জলসিঞ্চন আৰু বিভিন্ন ধৰণৰ উদ্যোগত পৰিষ্কাৰ পানীৰ ব্যৱহাৰ বৃদ্ধি পাইছে। এজন মানুহৰ দৈনিক ন্যূনতম প্ৰয়োজনীয় পৰিষ্কাৰ পানীৰ পৰিমাণ ২—২·৫ লিটাৰ। অৱশ্যে স্থান আৰু অৱস্থাভেদে এই পৰিমাণৰ পৰিৱৰ্তন ঘটে। মহানগৰত এজন ব্যক্তিক প্ৰায় ৫০০ লিটাৰ পৰিষ্কাৰ পানী লাগে। মৰু অঞ্চলৰ বহু ঠাইত পৰিষ্কাৰ পানীৰ ব্যৱহাৰৰ ক্ষেত্ৰত চৰকাৰী নিয়ন্ত্ৰণ আছে আৰু খোৱা পানী বিক্ৰিৰ ব্যৱস্থাও আছে।

জলসিঞ্চনৰ উপৰিও উদ্যোগ কেন্দ্ৰসমূহত অপৰ্যাপ্ত পৰিমাণৰ পৰিষ্কাৰ পানী লাগে। এক মিটাৰ উলৰ কাপোৰ উৎপাদনত ২·৫ টন পৰিমাণৰ পানী লাগে। তেনেকৈ এক টন তীখা উৎপাদনত ৬ টন, এক টন প্লাষ্টিক উৎপাদনত ৫০০ টন, এক টন ৰবৰ উৎপাদনত ২,৫০০ টন আৰু এক টন নাইলন উৎপাদনত ৫,০০০ টন পানীৰ প্ৰয়োজন হয় (উৎস : Ocean and its Resources: Progress Publishers)। পৰিষ্কাৰ পানীৰ এনে ধৰণৰ প্ৰয়োজনে মহাসাগৰীয় জলক লোণযুক্ত কৰি ব্যৱহাৰোপযোগী কৰি লবলৈ এক প্ৰকাৰ বাধ্য কৰা বুলি ক'ব পাৰি। ১৯৭৫ চনত বিশ্বৰ বিভিন্ন দেশত ৮০০ তকৈ বেছি সাগৰীয় পানী লোণযুক্তকাৰী কেন্দ্ৰ আছিল। ইয়াৰে ৫০ টা কেৱল কুৱেট দেশতে অৱস্থিত। কুৱেট মহানগৰীত এনে এটা কেন্দ্ৰই দৈনিক ২ লাখ ঘন মিটাৰ পৰিমাণৰ পৰিষ্কাৰ পানী যোগান ধৰে।

মহাসাগৰসমূহে মহাদেশবিলাকক কেৱল যে ইখনক সিখনৰপৰা বিচ্ছিন্ন কৰিছে এনে নহয়, মহাদেশবিলাকৰ মাজত পৰিবহনৰ মাধ্যম হিচাপেও মহাসাগৰে সুদূৰ অতীজৰেপৰা কাম কৰি আহিছে। আজিৰ সভ্যতাই মানুহৰ প্ৰয়োজনীয় সামগ্ৰীৰ প্ৰসাৰ (range) বৃদ্ধি কৰা বাবে দেশবিলাকৰ আন্তঃনিৰ্ভৰশীলতাও বৃদ্ধি পাইছে আৰু ইয়ে পৰিবহনক বিস্তৃত আৰু অত্যাধুনিক কৰি তুলিছে। যোৱা কেইটামান দশকত মহা-সাগৰীয় জলপৰিবহনৰ গুৰুত্ব যথেষ্ট বৃদ্ধি পোৱা দেখা গৈছে।



OKDISCD

১৯৫০ চনত বিশ্বৰ পুঁজিবাদী দেশসমূহৰ ব্যৱসায়িক জলপৰিবহনে সৰ্বমুঠ ৫১৪ নিযুত টন পৰিমাণৰ সামগ্ৰী অনা-নিয়া কৰিছিল। এই পৰিমাণ ১৯৭৫ চনত হয়গৈ ৩,৩৩৫ নিযুত টন।

মহাসাগৰীয় জলপথৰ ক্ষেত্ৰত আটলাণ্টিক মহাসাগৰৰ গুৰুত্ব অত্যধিক। পৃথিৱীৰ চাৰিখন মহাদেশৰ (ইউৰোপ, আফ্ৰিকা, উঃ আমেৰিকা আৰু দ. আমেৰিকা) দীঘলীয়া উপকূল এই মহাসাগৰৰ দ্বাৰা বিধৌত। ঔদ্যোগিক দিশত চহকী উ· আমেৰিকা আৰু পশ্চিম ইউৰোপীয় দেশসমূহে জল পৰিবহনৰ ক্ষেত্ৰত আটলাণ্টিক মহাসাগৰক সবাতোকৈ বেছিকৈ ব্যৱহাৰ কৰিছে। ১৮৬৯ চনৰ নৱেম্বৰ মাহত আৰু ১৯১৪ চনৰ আগষ্ট মাহত ক্ৰমে চুৱেজ আৰু পানামা খাল মুকলি কৰাৰ পাছত বিশ্বৰ জল পৰিবহনৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা হোৱা বুলি ক'ব পাৰি। এই দুয়োটা খালে জলপথেৰে বিভিন্ন দেশৰ মাজৰ দূৰত্ব কমাই আনিছে।

আমোদ-প্ৰমোদৰ ক্ষেত্ৰতো মানুহে মহাসাগৰক ব্যৱহাৰ কৰে। মহাসাগৰৰ তট অঞ্চল (shore) এঢ়লীয়া আৰু বালীয়া হ'লে তাক মানুহে আমোদস্থান হিচাপে ব্যৱহাৰ কৰে। ভাৰতৰ পূব উপকূল (পুৰী) আৰু পশ্চিম উপকূলৰ (বম্বে) সমুদ্ৰ তটলৈ বছৰি অসংখ্য পৰ্যটকে আমোদ লাভৰ নিমিত্তে যায়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ মুঠ লোকসংখ্যাৰ প্ৰায় ৭০ শতাংশ লোকে মহাসাগৰ বা বৃহৎ পঞ্চ সৰোবৰৰ (Great five lakes) পৰা সহজে ঢুকি পোৱা অঞ্চলত বাস কৰে। প্ৰায় ১০ কোটি লোকে বছৰি সামুদ্ৰিক আমোদ-প্ৰমোদত যোগদান কৰে আৰু ১৫ বিলিয়ন ডলাৰ পৰিমাণৰ ধন ব্যয় কৰে।

মানুহৰ সুদূৰপ্ৰসাৰী ভিন্নমুখী ক্ৰিয়া-বিক্ৰিয়াই মহাসাগৰীয় পৰিৱেশত (বিশেষকৈ উপকূল ভাগত) ক্ৰমবৰ্ধমান হাৰত হেঁচা দি আহিছে। পূৰ্বতে মহাসাগৰৰ বিস্তৃতিৰ তুলনাত মানুহৰ কাৰ্য নগন্য আছিল। কিন্তু বৰ্তমান কালত বিশাল মহাসমুদ্ৰতো মানুহৰ কাৰ্যই প্ৰদূষণজনিত বিভিন্ন সমস্যাৰ সৃষ্টি কৰিছে। এইটো ঠিক যে যুগ যুগ ধৰি মানুহৰ ক্ৰিয়া-বিক্ৰিয়া সহি অহা মহাসমুদ্ৰ যদি বিস্তৰভাৱে প্ৰদূষিত হয়, তেতিয়াহলে হয়তো পৃথিৱীত মানুহৰ জীৱনধাৰণ অসম্ভৱ হৈ পৰিব।

অতীজত নিয়মিতভাৱে মানুহে মহাসাগৰত আৱৰ্জনা পেলাইছিল আৰু ভাবিছিল যে মহাসাগৰে অতি সহজে, কোনো ধৰণৰ অনিষ্ট নোহোৱাকৈ আৱৰ্জনাসমূহ শোষণ কৰিব। অৱশ্যে অনৌদ্যোগিক পৰিবেশৰ আৱৰ্জনাৰ প্ৰদূষণ শক্তি কম হোৱা বাবে তেনে আৱৰ্জনাই বিশেষ সমস্যাৰ সৃষ্টি কৰিব পৰা নাছিল।

বৰ্তমান মহাসাগৰত নিক্ষিপ্ত আৱৰ্জনাই ঔদ্যোগিক পেলনীয়া, নগৰ-মহানগৰৰ পেলনীয়া আৰু বিস্ফোৰণৰ অৱশিষ্ট আদিক সামৰি লয়। অকল আমেৰিকা যুক্তৰাষ্ট্ৰই বছৰি ৫০ নিযুত টন পৰিমাণৰ আৱৰ্জনা মহাসাগৰত নিক্ষেপ কৰে। কিছুমান ঔদ্যোগিক বা কৃষিজনিত পেলনীয়া পদাৰ্থ যথেষ্ট বিষাক্ত আৰু বহুসময়ত সিবিলাক উপকূলীয় প্ৰাণীৰ মৃত্যুৰ কাৰণ হৈ পৰা দেখা যায়। কিছুমান সামুদ্ৰিক প্ৰাণীয়ে নিজৰ অনিষ্ট নোহোৱাকৈ দেহত প্ৰদূষক পদাৰ্থ সংৰক্ষণ কৰিব পাৰে। মানুহ নাইবা অন্য জীৱই তেনে প্ৰাণী ভক্ষণ কৰিলে সেইবোৰ ৰোগাক্ৰান্ত হৈ মৃত্যুৰ মুখত পৰিব পাৰে। জাপানৰ মিনিমাটা উপসাগৰত (Minimata Bay) ১৯৫৩ চনত এনে এটা ঘটনা ঘটিছিল। মিনিমাটা উপকূলীয় অঞ্চলত বহুতো জীৱ-জন্তুৰ লগতে মানুহেও এক অচিন ৰোগত ভুগিব লগাত পৰিছিল। পাছত বিজ্ঞানীসকলে অনুসন্ধান কৰি পাইছিল যে শ্বেলফিচ (shellfish) নামৰ এবিধ মাছ ভক্ষণ কৰাই আছিল সেই ৰোগত মৃত্যু হোৱাৰ কাৰণ। শ্বেলফিচে প্ৰদূষিত পানীৰ পৰা বিষাক্ত পাৰা-যৌগ নিজ দেহত সংৰক্ষণ কৰি ৰাখিব পাৰে। তেনে শ্বেলফিছ ভক্ষণ কৰা গৰ্ভৱতী নাৰীয়ে পাছত জন্ম দিয়া সন্তানেও মিনিমাটা ৰোগত ভোগাৰ উদাহৰণ আছে। সাধাৰণতে শ্বেলফিছ অখাদ্য নহয়। বেছিকৈ প্ৰদূষিত পানীত থকা শ্বেলফিছহে সময়ত বিষাক্ত হৈ পৰিব পাৰে।

কিছুমান দেশে আকৌ পাৰমাণবিক উদ্যোগৰ পেলনীয়া পদাৰ্থসমূহ মহাসাগৰতে নিক্ষেপ কৰে। সাধাৰণতে এনে পদাৰ্থ পাত্ৰত (containers) ভৰাই গভীৰ সমুদ্ৰতলত থৈ দিয়া হয়। সমুদ্ৰ তলিত পানীৰ প্ৰচণ্ড চাপ আৰু ৰাসায়নিক ক্ৰিয়াৰ ফলত কেতিয়াবা তেনে পাত্ৰ ভাগি পানী প্ৰদূষিত হ'ব পাৰে। মুঠতে তেজষ্ক্ৰিয় পদাৰ্থ যি ধৰণেই নিক্ষিপ্ত নহওক লাগে, সিবিলাকৰ পৰা হ'ব পৰা ভৱিষ্যত প্ৰদূষণৰ পৰা হাত সৰা কঠিন। ইয়াৰ উপৰি ভূ-ভাগত ব্যৱহৃত ডি· ডি· টি·, এলড্ৰিন, ডিএলড্ৰিন আদি কীটনাশক দৰৱেও নদী বা বতাহৰ দ্বাৰা প্ৰবাহিত হৈ সামুদ্ৰিক পৰিবেশ দূষিত কৰে।

সামুদ্ৰিক প্ৰদূষণত খনিজ তেলৰ গুৰুত্ব সুদূৰ প্ৰসাৰী। বছৰি কিমান পৰিমাণৰ খনিজ তেল মহাসমুদ্ৰৰ পানীত মিহলি হয়, তাক হিচাপ কৰা টান। সমুদ্ৰত পতিত এক টন পৰিমাণৰ খনিজ তেল সমুদ্ৰপৃষ্ঠৰ ১২০০ হেক্টৰ এলেকা জুৰি বিয়পি পৰিব পাৰে। সাধাৰণতে উপকূল অঞ্চলত অৱস্থিত শোধানাগাৰ, সমুদ্ৰতলিৰ তেল উৎঘাটন কেন্দ্ৰ আৰু তেলবাহী জাহাজৰ দুৰ্ঘটনাৰ পৰাই মহাসাগৰৰ পানীত তেল মিহলি হয়। অৱশ্যে প্ৰাকৃতিকভাৱেও ভূগৰ্ভৰ তেল নিগৰি সমুদ্ৰজলৰ লগত মিহলি হ'ব পাৰে। সমুদ্ৰত তেলবাহী জাহাজ দুৰ্ঘটনাগ্ৰস্ত হৈ বিস্তৰ পৰিমাণৰ তেল পানীৰ লগত মিহলি হোৱাৰ বহুতো উদাহৰণ আছে। ১৯৬৭ চনৰ ১৮ মাৰ্চ তাৰিখে

৩৭ পৃষ্ঠাত চাওক



## চিন্তা আৰু দুঃচিন্তা

# অসমৰ প্ৰস্তাৱিত আই. আই. টি.

অচিন্ত্য নয়ন বেজবৰুৱা

১৯৮৫ চনৰ ১৫ আগষ্টত ভাৰত চৰকাৰে অসমক 'অসম চুক্তি' মতে কাৰিকৰী উচ্চ শিক্ষাৰ বাবে এটা ভাৰতীয় কাৰিকৰী প্ৰতিষ্ঠান বা Indian Institute of Technology (I. I. T.) দিয়াৰ কথা ঘোষণা কৰিলে।

অসমৰ আই· আই· টি· খন হ'ব ভাৰতৰ ষষ্ঠ এনে প্ৰতিষ্ঠান। বোম্বাই, মাদ্ৰাজ, কাণপুৰ, খৰগপুৰ আৰু দিল্লীত এনে প্ৰতিষ্ঠান ইতিমধ্যেই আছে। শেষখন আই. আই. টি· প্ৰতিষ্ঠিত হোৱাৰ কেইবা দশকৰো পাছত হ'ব লগা এই নতুন আই. আই· টি·ৰ ওপৰত সমগ্ৰ ভাৰতৰ বুদ্ধিজীৱীসকলৰ চকু থকাতো স্বাভাৱিক। বহুতে আশা কৰে যে এই নতুন প্ৰতিষ্ঠানটো হ'ব বিশ্বৰ নবতম কাৰিকৰী জ্ঞানৰ ভঁৰাল। ইয়াত স্বাভাৱিকতে থাকিব লাগিব নতুনকৈ উদ্ভৱ হোৱা বিষয়সমূহৰ শিক্ষাৰ ব্যৱস্থা।

অসমীয়া মানুহে অসমত এখন আই. আই· টি· হ'লে— অসমৰ বহু লাভ হ'ব বুলি নিশ্চয় ভাবিব, কিন্তু সেই ভাব কিমান যুক্তিযুক্ত সেইটো বিচাৰ্য বিষয়। পৰোক্ষভাৱে আই. আই· টি· স্থাপনৰ দ্বাৰা অসমীয়া মানুহৰ ভালেমান উপকাৰ হ'ব কিন্তু প্ৰত্যক্ষভাৱে হ'ব পৰা উপকাৰসমূহ বৰ লেখত ল'ব লগা হয় নে নহয় সেইটো নিৰ্ভৰ কৰিব অসমীয়া মানুহ, অসম চৰকাৰ আৰু অসমীয়া ছাত্ৰ-শিক্ষকৰ কৰ্মপদ্ধতিৰ ওপৰত। লাভ-লোকচান হিচাপ কৰাৰ আগতে আই· আই· টি· সমূহৰ গঠন প্ৰণালী সম্পৰ্কে কিছু জনা প্ৰয়োজন।

আই. আই· টি· সমূহ ভাৰত চৰকাৰে প্ৰত্যক্ষভাৱে পৃষ্ঠপোষকতা কৰা সম্পূৰ্ণ স্বতন্ত্ৰ প্ৰতিষ্ঠান। কেন্দ্ৰীয় চৰকাৰে মুক্ত হস্তে এইবোৰলৈ দান-অনুদান আগবঢ়ায়। এনে অনুষ্ঠানৰ বিশেষ পৰিচালনা সমিতি থাকে আৰু প্ৰতিষ্ঠানৰ মুখ্য পৰিচালক হ'ল এজন অধীক্ষক বা ডাইৰেক্টৰ। কাৰিকৰী বিভাগবোৰৰ উপৰিও ইয়াত বিজ্ঞানৰ ব্যৱহাৰিক বিষয় (যেনে, পদাৰ্থ বিজ্ঞান, ৰসায়ন, গণিত, পৰিসংখ্যা, জৈৱ ৰসায়ন, ভূতত্ত্ব, ভূগোল, কম্পিউটাৰ বিজ্ঞান আদি) পঢ়োৱা হয়। লগতে কলা বিভাগৰ বিষয়ো থাকিব পাৰে। পৰিচালনা বিজ্ঞান বা management science নামৰ বিষয়টো থাকেই। সকলো আই· আই· টিয়ে লগহৈ সৰ্বভাৰতীয় ভিত্তিত সংযুক্ত প্ৰবেশ পৰীক্ষা (Joint Entrance Examination) বহু কেন্দ্ৰত (গুৱাহাটীকে ধৰি) পাতে। এনে পৰীক্ষাত উত্তীৰ্ণ হোৱা-নোহোৱাৰ কথা নাই, মাত্ৰ ক্ৰমে সৰ্বোচ্চ নম্বৰ পোৱাসকলক তেওঁলোকে বিচৰামতে বিভিন্ন বিষয়ত নাম ভৰ্তি কৰিবলৈ দিয়া হয়। সংবিধানৰ নিয়ম অনুসৰি পিছপৰা সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ সংৰক্ষণৰ ব্যৱস্থা থাকে; অৱশ্যে তেওঁলোকেও প্ৰবেশ পৰীক্ষা দিব লাগিব। ৰাজ্যবিশেষে আসন সংৰক্ষণৰ নীতি ইয়াত নাই। উচ্চ শিক্ষাৰ (স্নাতক শ্ৰেণী পাছৰ) বাবে ভাৰতৰ আন প্ৰতিষ্ঠান কিছুমানৰ লগ লাগি আই· আই. টি.সমূহে 'গেট' (GATE : Graduate Aptitude Test in Engineering) অনুষ্ঠিত কৰে। ইয়াতো নাম ভৰ্তিকৰণ পদ্ধতি একে। অৱশ্যে জে· ই· ই· তকৈ 'গেট' আপেক্ষিকভাৱে উজু। আই· আই· টিত ছাত্ৰ আৰু শিক্ষকৰ সংখ্যা প্ৰায় সমান; আনকি বহুক্ষেত্ৰত শিক্ষকৰ সংখ্যা ছাত্ৰতকৈ বেছিহে হয়। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত সৰ্বভাৰতীয় বিজ্ঞাপন দিয়া হয় আৰু সৰ্বভাৰতীয় ভিত্তিত বাছনি হয়। যি ৰাজ্যত এনে প্ৰতিষ্ঠান অৱস্থিত, সেই ৰাজ্যৰ বাবে বিশেষ সংৰক্ষণৰ ব্যৱস্থা নাই। শিক্ষক হিচাপে নিযুক্তি পোৱাৰ নিম্নতম অৰ্হতা নিৰ্দিষ্ট বিষয়ত স্নাতকোত্তৰ ডিগ্ৰি। নিযুক্তিৰ ক্ষেত্ৰতো আই· আই· টি·সমূহ সম্পূৰ্ণ স্বতন্ত্ৰ আৰু কোনো ধৰণৰ ৰাজনৈতিক হেঁচাত এইবোৰে কাম নকৰে বুলি কোৱা হয়। শিক্ষাৰ লগত জড়িত নোহোৱা নিম্ন শ্ৰেণীৰ পদ সমূহৰ সংখ্যা আপেক্ষিকভাৱে কম। সাধাৰণতে এইবোৰ স্থানীয় মানুহেই পাই যদিও এইবোৰো সৰ্বভাৰতীয় প্ৰতিযোগিতাৰ বাবে মুক্ত। প্ৰতিষ্ঠানৰ কাৰিকৰী বিশেষজ্ঞসকলে ভাৰত তথা বিশ্বৰ বিভিন্ন উদ্যোগ আৰু ব্যক্তিক ধনৰ বিনিময়ত উপদেশ প্ৰদান কৰে।

আই. আই· টিসমূহক শ্ৰেষ্ঠতাৰ প্ৰতিষ্ঠান (institute of excellence) বুলি কোৱা হয়। ভাৰতৰ বিভিন্ন উদ্যোগ তথা বিদেশী প্ৰতিষ্ঠানৰ বাবে আই· আই· টিৰ উৎপাদন (product) অৰ্থাৎ ছাত্ৰ-ছাত্ৰীসকল অতি আকৰ্ষণীয় লোক। বৰ্তমানে বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰত এনে ব্যক্তিৰ চাহিদা ইমান বেছি যে এতিয়া কটকটীয়া কৰা ভিছা (visa) ব্যৱস্থা এই ক্ষেত্ৰত শিথিল হৈ পৰে। দেখা যায় যে এনে প্ৰতিষ্ঠানৰ পৰা ওলোৱা প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়ে বিদেশলৈ গৈ সেই দেশবোৰৰ উন্নতিৰ ক্ষেত্ৰত অৰিহনা যোগায়। সেয়েহে বহু সময়ত এই ভাৰতীয় কাৰিকৰী প্ৰতিষ্ঠানসমূহক যুক্তিযুক্তভাৱেই বিদেশীৰ দালাল বুলি দোষাৰোপ কৰা হয়। আই· আই· টিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ব্যয় কৰা আমাৰ কোটি-কোটি টকা বিদেশীক সেৱা কৰাৰ কামত ব্যৱহৃত হয়। এনেবোৰ কথাৰ বাবে সময়ে সময়ে এই প্ৰতিষ্ঠানসমূহ



OKDISCD

অপ্ৰয়োজনীয় বুলি কাকতে-পত্ৰই লিখা-লিখি হয়। কিন্তু বৰ্তমানে আই· আই· টি· সমূহে এই ভুল উপলব্ধি কৰি ছাত্ৰই পঢ়ি থকাৰ সময়তে যাতে দেশৰ বাবে বা অন্ততঃ প্ৰতিষ্ঠানটো যি ঠাইত আছে সেই ঠাইখনৰ বাবে কিবা এটা কৰি যায় তাৰ বাবে পাঠ্যক্ৰম সলনি কৰাৰ কথা চিন্তা কৰিছে। আনহাতে বিদেশলৈ উচ্চ শিক্ষাৰ বাবে যোৱাটোত, আৰু গৈ স্বদেশলৈ ঘূৰি নহাটোত বাধা দিয়াৰ উপায় প্ৰায় নাই বুলিলেই হয়। অৱশ্যে অলপতে প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে এই সম্পৰ্কে এটা বিবৃতিত brain drain বন্ধ কৰা বাবে চৰকাৰৰ নীতিগত সিদ্ধান্তৰ কথা ঘোষণা কৰিছে। সেই ঘোষণাৰ ফলাফল কি হয়, সেইটো সময়েহে দেখুৱাব।

এই কথাও কোৱা হয় যে আই· আই· টি·সমূহত পঢ়াৰ বাবে সোমোৱা যিমান টান তাৰপৰা উত্তীৰ্ণ হৈ ওলোৱা সিমানে সহজ। এই কথাৰ সত্যতা এনে প্ৰতিষ্ঠানসমূহত বৰ্তি থকা ক্ষয়কাৰী ঔষধ, সুৰা আৰু অন্যান্য ৰাগীয়াল বস্তুৰ পয়োভৰ আৰু চৰিত্ৰ জনিত কেলেংকাৰীৰপৰা অনুমান কৰিব পাৰি। কোনোখন আই· আই· টি·য়েই এনে বদনামৰপৰা মুক্ত নহয়। আনকি বহুসময়ত এনে প্ৰতিষ্ঠানৰ ছাত্ৰাবাসত দেহোপজীৱিনীৰ পয়োভৰ ঘটাৰ কথাও বাতৰি কাকতত পঢ়া মনত আছে। বৰ্তমানে কাকতে-পত্ৰই অমুক ঠাইত আই· আই· টি· লাগে বুলি দাবী কৰাসকলে কথাটো দকৈ ভাবি চাব। এনে প্ৰতিষ্ঠানলৈ ছাত্ৰ আহিব, ছাত্ৰ যাব কিন্তু তেওঁলোকৰ ক্ৰিয়া-কাণ্ডৰ 'অমিয়া জোকাৰ' ৰৈ যাব চাৰিওকাষৰ সমাজখনত।

এতিয়া অসমত হ'ব লগা আই· আই· টি·ৰপৰা অসমে পাব পৰা লাভ কেনে ধৰণৰ হ'ব সেই কথা গভীৰভাৱে চিন্তা কৰাৰ সময় উপস্থিত। এইকথা সত্য যে এখন ভাৰতীয় কাৰিকৰী প্ৰতিষ্ঠানৰপৰা ৰাজ্যখনৰ সৰ্বসাধাৰণ দুখীয়া মানুহৰ লেখত ল'ব লগা লাভ একো নহয়। (এই কথাৰ প্ৰতিবাদ কৰাসকলে অসমত বৰ্তমানে থকা অভিযান্ত্ৰিক মহাবিদ্যালয় তিনিখনৰপৰা দুখীয়া ৰাইজে পোৱা সুবিধাবোৰৰ বিশ্লেষণ কৰি চাব পাৰে। 'অসম চুক্তি'ৰ লগত জড়িত বহু ব্যক্তিয়ে এতিয়া আক্ষেপ কৰি কয় যে আই· আই· টি·ৰ সলনি 'এইম্‌ছ' AIIMS : All India Institute of Medical Science) এখন বেছি লাভজনক আছিল। স্বাভাৱিকতে 'এইম্‌ছ'ৰ দৰে সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান এখন অসমীয়া জনসাধাৰণৰ বাবে স্বৰ্গীয় দানৰদৰে হ'লহেঁতেন। আকৌ, বৰ্তমান থকা অভিযান্ত্ৰিক মহাবিদ্যালয় কেইখনলৈ 'অসমৰ বাবে বিশেষ অনুদান' কেন্দ্ৰীয় চৰকাৰৰপৰা আদায় কৰা হ'লে ছাত্ৰ আৰু শিক্ষক ভৰ্তিৰ ক্ষেত্ৰত অসমীয়াৰ প্ৰভুত্ব অটুট থাকিলহেঁতেন। বহুতে আকৌ আই· আই· টিৰ ঠাইত চাৰিখন আই· টি· আই· বা ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনৰো পোষকতা কৰে। মুঠতে আমাৰ মূল উদ্দেশ্য —উন্নতি আৰু কেন্দ্ৰৰপৰা প্ৰাপ্য আদায় কৰাৰ লক্ষ্য স্থিৰে ৰাখি আমি যি কোনো প্ৰতিষ্ঠান স্থাপন কৰিবলৈ আগবাঢ়িব পাৰোঁ। কিন্তু যিহেতু এইক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্যচৰকাৰ বহুদূৰ আগবাঢ়িলেই, সেয়ে এতিয়া 'আমাক আই· আই· টি· নালাগে' বুলি কোৱাতকৈ ইয়াৰপৰা কেনেকৈ সৰ্বোত্তম লাভ আহৰণ কৰিব পাৰোঁ তাৰ চিন্তা কৰাই সমুচিত হ'ব।

অলপতে এটা স্থানীয় বিজ্ঞান প্ৰতিষ্ঠানৰ (INSTER : Institute for Scientific and Technological Research) সৌজন্যত বৰ্তমানে আমেৰিকাত অধ্যাপনা কৰি থকা ড' দিলীপ কুমাৰ দত্তৰ সভাপতিত্বত এখন অভিবৰ্তনৰ আয়োজন কৰা হৈছিল। বোম্বাই আই· আই· টি·ৰ অধ্যাপক তথা পৰিকল্পনা বিভাগৰ ডিন ড' ধীৰেন্দ্ৰ নাথ বুঢ়াগোঁহাই (গোলাঘাটৰ আমোলাপট্টিৰ), অসমৰ কাৰিকৰী শিক্ষা অধীক্ষক ড° নিৰ্মল কুমাৰ চৌধুৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° দেব প্ৰসাদ বৰুৱাকে আদি কৰি প্ৰায় একুৰি দহজন বিশেষজ্ঞই ইয়াত যোগ দিয়ে। অভিবৰ্তনে অসমত হ'ব লগা আই· আই· টি· খনৰ পৰা কেনেকৈ অধিক লাভৱান হ'ব পাৰি তাৰ ওপৰত আলোচনা কৰি অসম মন্ত্ৰীসভাৰ ওচৰত এখন প্ৰতিবেদন দাখিল কৰিছে। ইয়াত বহু উপায় সন্নিবিষ্ট কৰা আছে।

নাম ভৰ্তিকৰণৰ কথা ওলালেই লগে লগে প্ৰশ্ন উঠে : অসমীয়া ছাত্ৰই অসমৰ আই· আই· টি· খনত স্থান পাবনে ? আপাত দৃষ্টিত অসমীয়া ছাত্ৰৰ জ্ঞান গভীৰতালৈ চাই "স্থান পাব" বুলি ক'বপৰা যায় যদিও ইয়াৰ বাবে উপযুক্ত প্ৰশিক্ষণ লাগিব। (সমগ্ৰ ভাৰতে 'স্পুন ফিডিঙ'ত বিশ্বাস কৰে যেতিয়া অসমে তাকে নকৰাৰ যুক্তি ক'ত!) এই ক্ষেত্ৰত আমি ভবাত অসম চৰকাৰে 'অসম চুক্তি ৰূপায়ণ বিভাগ'ৰ অধীনতে এটি বিশেষ বিভাগ খুলি প্ৰশিক্ষণ ব্যৱস্থা হাতত ল'ব পাৰে। এই ক্ষেত্ৰত অসমৰ বিভিন্ন মহাবিদ্যালয় আদিত 'আই· আই· টি·ৰ প্ৰশিক্ষণ দিবলৈ' অনুদান দি টকা খৰচ নকৰাই মংগল। তাকৰেই হওক লাগিলে, লাগে মাথো গুণী লোক। ড° বুঢ়াগোঁহাইৰ দৰে ব্যক্তিক কিছুবছৰৰ বাবে আনি এই দায়িত্ব দিবপৰা যায়। বাহিৰৰ প্ৰশিক্ষণ অনুষ্ঠানসমূহে জে· ই· ই·ৰ সম্ভাব্য প্ৰশ্ন কাঁটোতাক (Paper Setter) বিশেষ ভাৱে আমন্ত্ৰিত কৰি ছাত্ৰ-ছাত্ৰীৰ আগত ভাষণ দিয়াৰ ব্যৱস্থা কৰে। আই· আই· টি·ত স্থান পোৱা ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ পুৰস্কাৰ তথা জলপানিৰ কথা চৰকাৰে ঘোষণা কৰিব লাগে। 'অসমৰ বাবে বিশেষ সংৰক্ষণ' বুলি ১০ বা ২০খন আসন সংৰক্ষণ কৰাটো কিমান যুক্তিযুক্ত হ'ব সি ভাবিব লগা কথা। উক্ত অভিবৰ্তনে অসমীয়া ছাত্ৰ-ছাত্ৰীৰ প্ৰতিযোগিতাৰ



ভাব আৰু নোহোৱা হ'ব বুলি চৰকাৰৰক আসন সংৰক্ষণ নকৰিবলৈ বিশেষ অনুৰোধ কৰিছে। এইখিনিতে এই কথা উনুকিওৱা ভাল যে সংৰক্ষিত আসনত স্থান পোৱাসকলৰ বাবে বৰ্তমানে আই· আই· টি·সমূহত বিশেষ অনানুষ্ঠানিক (unofficial) প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়। 'অসমীয়া ছাত্ৰ-ছাত্ৰীৰ যোগ্যতা আছে কিন্তু তেওঁলোকে সুবিধা পোৱা নাই' বুলি কোৱাসকলে এতিয়া কি যুক্তিত সংৰক্ষণ লাগে বুলি ক'ব ? বহুতৰ মতে অন্ততঃ দহ বছৰৰ বাবে সংৰক্ষণ থাকিব লাগে। অসমীয়া মানুহৰ বাবেই গ্ৰহণযোগ্য হ'ব যদিও এই ক্ষেত্ৰত সৰ্বভাৰতীয় বিৰোধিতা হোৱাৰ সম্ভাৱনা। তদুপৰি 'অসম চুক্তি'তো এনে সংৰক্ষণৰ উল্লেখ নাই। ব্যক্তিগতভাৱে আমি এনে সংৰক্ষণ ব্যৱস্থাৰো প্ৰতিবাদ জনাম; কাৰণ আই· আই· টি· খন হ'বলৈ এতিয়াও অন্ততঃ তিনিটা বছৰ বাকী; এই তিনি বছৰত অসমীয়া ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ দিব নোৱৰাৰ কোনো যুক্তি খাটিব নোৱাৰে। উচ্চতৰ মাধ্যমিকৰ প্ৰথম বাৰ্ষিকৰপৰাহে প্ৰশিক্ষণৰ প্ৰয়োজন; অৰ্থাৎ দুটা বছৰৰ বাবে; কিন্তু আমাৰ হাতত আছে তিনিটা বছৰ।

নিয়োগৰ ক্ষেত্ৰতো আই· আই· টি·খনৰ পৰিচালনা সমিতিয়ে অসম বা অসমীয়া লোকৰ বিশেষ সুবিধাৰ বাবে কোনো বিশেষ নীতি নামানিব,— সি খাটাং। অসম চৰকাৰ বা অসম চুক্তি স্বাক্ষৰকাৰীসকলৰ কোনো নিৰ্দেশ বা হেঁচা তেওঁলোকে সহ্য নকৰিব। এই ক্ষেত্ৰত অসম চৰকাৰেও অযোগ্যজনক শিক্ষক নিযুক্তিৰ দাবী তোলা বুদ্ধিমানৰ কাম নহ'ব। বাতৰি-কাকতৰ বৰ বৰ হৰফৰ চোকা কথা তেতিয়া ভোটা হ'ব। অৱশ্যে ডাইৰেক্টৰ হিচাপে এজন অসম প্ৰেমীক নিয়োগৰ বাবে প্ৰয়োজন হ'লে ৰাজনৈতিক চাপ দিব পৰা যায়; এয়ে হ'লে বহু ক্ষেত্ৰত অসমৰ স্বাৰ্থ ৰক্ষা পৰিব। শিক্ষক নিযুক্তি পাবলৈ স্নাতকোত্তৰ হোৱাটোৱেই নিম্নতম অৰ্হতা যদিও বহু বেছি অৰ্হতা সম্পন্ন ব্যক্তিকহে অৱশেষত নিয়োগ কৰা হয়। শিক্ষকতাকেই জীৱিকা হিচাপে লোৱাসকলৰ আই· আই· টি·খন হ'ব ভাৰতত চৰম লক্ষ্য; কাৰণ ইয়াত ৰাজনৈতিক তথা বিত্তীয় বান্ধোন নাই আৰু ইয়াৰ প্ৰতিজন ব্যক্তিয়েই সমগ্ৰ বিশ্বৰ বহু ওচৰৰ। এনে প্ৰতিষ্ঠানত শিক্ষক নিযুক্তি নিলাম কাৰ্যৰ লগত মিলে। কেতিয়াবা নিলামৰ নিৰ্ধাৰিত দামতকৈ বহু বেছি দামত বস্তুবোৰ বিক্ৰি হয়। ঠিক তেনেকৈয়ে নিম্নতম অৰ্হতাতকৈ বহু বেছি অৰ্হতা থকা লোক শিক্ষক হিচাপে নিযুক্ত হয়। এতিয়া অসমৰ মানুহে ইয়াত কাম পাবলৈ হ'লে নিম্নতম অৰ্হতাৰ উপৰিও তেওঁলোকৰ নিজৰ বিষয়ত ডক্টৰেট ডিগ্ৰি থকা আৰু (বা) প্ৰকাশিত গৱেষণা পত্ৰ (published research paper) থকা বাঞ্চনীয়। অন্যান্য বিজ্ঞানৰ বিষয়ৰ ব্যক্তিসকলৰ উপযুক্ত অৰ্হতা অৱশ্যে আছে, কিন্তু কাৰিকৰী দিশত প্ৰতিযোগিতাত নামিব পৰা অৰ্হতা অসমীয়া মানুহৰ খুব কমৰহে আছে। অসমত উপযুক্ত সংগঠন, গৱেষণা পত্ৰিকা আৰু চৰকাৰী মনোযোগিতাৰ অভাৱৰ বাবে গৱেষণা-পত্ৰ আদি প্ৰকাশ কৰাটো দুঃসাধ্য হৈছে। তদুপৰি কাৰিকৰী মহাবিদ্যালয়সমূহৰ পদোন্নতিৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ দৰে গৱেষণা-পত্ৰ আদিৰ বাধ্যবাধকতা নথকাৰ বাবে এইবোৰৰ প্ৰকাশ দেখা নাযায়। (ভৱিষ্যতৰ কথা চিন্তা কৰি কেৱল বয়সৰ ভিত্তিত পদোন্নতিৰ নীতি পুনৰ বিবেচনা কৰাৰ প্ৰয়োজন। অসমৰ বাহিৰৰ গৱেষণা-পত্ৰিকাসমূহত গৱেষণা-পত্ৰ প্ৰকাশ কৰিবলৈ হ'লে বহু নীতি-নিয়ম মনাৰ উপৰিও বহু সময়ৰ প্ৰয়োজন; একোখন পত্ৰ দাখিল কৰাৰ অন্ততঃ দুই/তিনি বছৰৰ পাছতহে ই প্ৰকাশৰ মুখ দেখে। বৰ্তমানে যিহেতুকে আই· আই· টি·খন সোনকালে স্থাপন কৰাত বিশেষ প্ৰধান্য দিয়া হৈছে, গতিকে আশা কৰা মতে কাম হৈ উঠিলে দুই-এবছৰতে শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। কিন্তু দুৰ্ভাগ্যবশতঃ উক্ত কাৰণটোৱেই থলুৱা কৃতী ছাত্ৰ-শিক্ষকে কাম নোপোৱাৰ প্ৰধান কাৰণ হ'বগৈ। এই ক্ষেত্ৰত আগতীয়াকৈ উপযুক্ত ব্যৱস্থা নললে অসমৰ বুদ্ধিজীৱী সমাজ তথা অসম চৰকাৰ সমানেই জগৰীয়া হ'ব। সময় হাতত যথেষ্ট তাকৰ কাৰণে অসম চৰকাৰে এই বিষয়টো বিশেষ গুৰুত্বপূৰ্ণ বিষয়ৰূপে গণ্য কৰাৰ প্ৰয়োজন। স্থানীয়ভাৱে হ'লেও গৱেষণা-পত্ৰ প্ৰকাশ কৰি অসমীয়া ছাত্ৰ-শিক্ষকে উপযুক্ততা আহৰণৰ বাবে সময় হাতত নিচেই কম। এই ক্ষেত্ৰত শিক্ষা তথা বিজ্ঞান, কাৰিকৰী আৰু পৰিবেশ বিভাগ ৰঙাফিটাৰ মেৰপাকত নপৰি তৎপৰ হোৱাটো অতীব প্ৰয়োজনীয়। (অসম মন্ত্ৰীসভাৰ চিনাকি পণ্ডিত আৰু বাৰ্তাজীৱী ড° সুৰিন্দৰ সুৰি দেৱে বোলে এবাৰ গৱেষণাৰ বাবে টকা বিচাৰি কোনোবা কাৰ্যালয়লৈ যোৱাৰ সম্ভেদ পাই স্বৰ্গীয় প্ৰধানমন্ত্ৰী নেহৰুৱে বিশেষ বিষয়াৰ হতুৱাই তেওঁক নিজৰ বাস ভৱনতে মঞ্জুৰী দি অহাৰ ব্যৱস্থা কৰে। আশা কৰোঁ অসমৰ সংশ্লিষ্ট মন্ত্ৰীসকলেও অনুৰূপ ব্যৱস্থা অন্ততঃ এই ক্ষেত্ৰত লব।) অসম চুক্তি স্বাক্ষৰকাৰী প্ৰতিনিধি, মাননীয় শিক্ষামন্ত্ৰী তথা সংশ্লিষ্ট উপদেষ্টা তথা বিষয়াসকলৰ এই কথাখিনি দৃষ্টি গোচৰ হ'ব বুলি আশা ৰাখিলো। আকৌ চৰকাৰী দপ্তৰত সোমাই থকা পূৰ্বৰ শিক্ষা জীৱনত সন্তোষজনক ফলাফল দেখুউৱাসকলক সেই দপ্তৰসমূহৰ পৰা বিশেষ ছুটি মঞ্জুৰ কৰি উচ্চ শিক্ষাৰ বাবে পঠিওৱা বাঞ্চনীয়। উচ্চমানৰ গৱেষণা-পত্ৰ প্ৰকাশ কৰা জনক তথা উচ্চশিক্ষাত কৃতিত্ব দেখুউৱাজনক উপযুক্তভাৱে পুৰস্কৃত কৰাৰ বিশেষ নিয়মৰ প্ৰবৰ্তন কৰিব পৰা যায়। বৰ্তমানৰ কাৰিকৰী মহা-



OKDISCD

বিদ্যালয়সমূহৰ সকলো বিষয়তে স্নাতকোত্তৰ শ্ৰেণী খোলাৰ দাবীও আই. আই. টি.ৰ স্বাৰ্থৰ ফালৰপৰা যুক্তিযুক্ত। বিদেশত থকা অসমীয়া ছাত্ৰ-ছাত্ৰী সকলৰ লগত চৰকাৰীভাৱে যোগাযোগ কৰি যোগ্যতা থকাজনক আই. আই. টি. আদিত আবেদন জনাবলৈ বিশেষ অনুৰোধ কৰিব পৰাও যায়। (এইখিনিতে উনুকিয়াই থোৱা ভাল হ'ব যে মেঘালয়ত সৰ্ব-ভাৰতীয় চিকিৎসা প্ৰতিষ্ঠানৰ এটা শাখা কাৰ্যালয় স্থাপন কৰা হ'ব আৰু অসমত এটা কেন্দ্ৰীয় বিশ্ববিদ্যালয় হ'ব। এইবোৰতো অসমীয়া মানুহে কাম পাব পৰাকৈ উপযুক্ত প্ৰশিক্ষণ তথা শিক্ষাৰ ব্যৱস্থা কৰাটো অতীব প্ৰয়োজনীয়।)

অৰুণাচলত স্থাপিত হোৱা কাৰিকৰী প্ৰতিষ্ঠানত উত্তৰ-পূবৰ মানুহৰ নিযুক্তি হতাশজনক। তদুপৰি প্ৰায়বোৰ কামৰ বাবে প্ৰাৰ্থী সাক্ষাৎকাৰ উত্তৰ-পূব অঞ্চলৰ বাহিৰত হোৱা বুলি আক্ষেপ কৰা শুনা যায়। এই প্ৰতিষ্ঠানৰ পৰিচালনা সমিতিৰ মতে উত্তৰ-পূব অঞ্চলত উপযুক্ত বিশেষজ্ঞ (expert) নাই হেনো। অসম চৰকাৰ তথা অসম প্ৰেমী ছাত্ৰ-সংগঠনসমূহ এই ক্ষেত্ৰত সতৰ্ক হ'ব বুলি আমি আশা কৰোঁ। নিম্নশ্ৰেণীৰ পদসমূহৰ ক্ষেত্ৰত থলুৱা-লোকে নিযুক্তি পোৱাটো প্ৰয়োজনীয়।

শেষত, পুনৰ অসম চৰকাৰ তথা অন্যান্যসকলক সঁকিয়াই দিয়া ভাল হ'ব যে যোগ্যজন নিমিষতে উৎপন্ন কৰিব নোৱাৰি। অযোগ্যজনক আই. আই. টি. বা 'এইমছ'ৰ দৰে প্ৰতিষ্ঠানত ৰাজনৈতিক হেঁচাৰে নিযুক্তি দিবলৈ বা ভৰ্তি কৰিবলৈ চেষ্টা কৰাটোক শিক্ষিত সমাজে কেতিয়াও ক্ষমা কৰিব নোৱাৰে। পূৰ্বৰ চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰৰ গাত দোষ জাপি দিয়াৰ সময় এইটো নহয়। এতিয়াও জোৰ পুৰি হাত পোৱাহি নাই। কিন্তু "এতিয়া নহ'লে কেতিয়াও নহ'ব।"

## *বিভিন্নজনৰ মন্তব্য*

(৭ আৰু ৮ মাৰ্চ, ১৯৮৬ ত গুৱাহাটীত অনুষ্ঠিত আই. আই. টি. সম্পৰ্কীয় 'ইন্ষ্টাৰ' অভিবৰ্তনৰ কাৰ্য-ক্ৰমণিকাৰপৰা।)

**ড° দেবপ্ৰসাদ বৰুৱা উপাচাৰ্য, গুৱাহাটী বিশ্ববিদ্যালয়):** উত্তৰ-পূব অঞ্চলৰ মানুহক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নত সুবিধা প্ৰদান কৰিলে তেওঁলোকো দেশ গঠনত অন্যতম প্ৰধান ভূমিকা ল'ব পৰা হ'ব। প্ৰস্তাৱিত আই. আই. টি.ত স্থানীয় ছাত্ৰ-ছাত্ৰীয়ে পঢ়াৰ সুবিধা নাপাব বুলি কৰা ভয় 'অসম চুক্তি' আৰু ভাৰতীয় সংবিধানৰ ৩৭১ (খ) দফাৰ বিশেষ সুবিধা লৈ দূৰ কৰিব পৰা যায়।

**ড° দিলীপ কুমাৰ দত্ত (অধ্যাপক, ৰ'ড আইলেণ্ড বিশ্ববিদ্যালয়, আমেৰিকা যুক্তৰাষ্ট্ৰ):** অসম ৰাজ্যৰ ভৱিষ্যতৰ প্ৰয়োজনসমূহ আগত ৰাখি আই. আই. টি.খনৰ পৰিকল্পনা কৰা উচিত। অসমত হোৱা প্ৰতিষ্ঠানটো অসমৰ বুলি কোৱা যুক্তি নাথাকিব যদিহে ই অসমীয়া মানুহৰ আশা-আকাংক্ষা পূৰণ নকৰে।

**ড° নিৰ্মল কুমাৰ চৌধুৰী, কাৰি-কৰী অধীক্ষক, অসম):** অসমত হ'ব লগা আই. আই. টি.খনৰ সম্পৰ্কত হোৱা সকলো আলোচনাত আমি গুৰুত্ব দিয়া উচিত যাতে এইখনো শ্ৰেষ্ঠ প্ৰতিষ্ঠানেই হয়। আমি মনত ৰখা উচিত যে এখন আই. আই. টি. য'তেই অৱস্থিত নহওক কিয়, সি হ'ব সমগ্ৰ দেশৰ বাবে; অৱশ্যে আমাৰ অঞ্চলটোৱেও প্ৰস্তাৱিত প্ৰতি-ষ্ঠানটোৰপৰা পাব পৰা সকলো সুবিধা আদায় কৰিব লাগিব।

**ড° ধীৰেন্দ্ৰ নাথ বুঢ়াগোঁহাই (পৰিকল্পনা ডিন আৰু অধ্যাপক, আই. আই. টি., বোম্বাই)** অসমৰ বাবে 'বিশেষ' সংৰক্ষণ ব্যৱস্থাৰ বিৰোধিতা কৰা মই হ'ম প্ৰথম জন ব্যক্তি। (লেখকৰ লগত আলোচনাত)

**শ্ৰীধীৰেন্দ্ৰ নাথ বেজবৰুৱা সম্পাদক, 'দি ছেণ্টিনেল'):** অসমৰ শিক্ষকসকলে আই. আই. টি.ৰ বাবে ছাত্ৰ প্ৰস্তুত কৰিবলৈ প্ৰয়োজন হোৱা প্ৰশিক্ষণৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিব লাগিব। প্ৰস্তাৱিত আই. আই. টি.ত যোগ্যতাৰ ক্ষেত্ৰত কোনো ধৰণৰ সন্ধি হ'ব নোৱাৰে।

**ড° পদ্ম কুমাৰ বৰা, অধ্যাপক, অসম অভিযান্ত্ৰিক মহাবিদ্যালয়):** প্ৰাক স্নাতক অৱস্থাতে আই. আই. টি.ৰ ছাত্ৰ-ছাত্ৰীৰ পৰা স্থানীয় অঞ্চলৰ উন্নতিৰ বাবে কিছু কৰাই ল'ব পৰাকৈ পাঠ্যক্ৰম প্ৰস্তুত কৰিব লাগে।

**শ্ৰীপ্ৰদীপ কুমাৰ ভূঞা (প্ৰাক্তন আই. আই. টি.ৰ ছাত্ৰ, গুৱাহাটী):** অসমত হ'ব লগা আই. আই. টি.-খনে কেৱল এই অঞ্চলটোৰ বাবেহে বিশেষত্ব থকা বিশেষ কিছুমান বিষয়ত গুৰুত্ব দিব লাগিব আৰু ইয়াৰ দ্বাৰা উন্নয়নৰ কামত গতিশীলতা আহিব লাগিব।

**শ্ৰীপ্ৰবোধ চন্দ্ৰ শৰ্মা (অতিৰিক্ত মুখ্য অভিযন্তা, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ):** আই. আই. টি. স্থাপনৰ দ্বাৰা বৰ্তমানে থকা অভিযান্ত্ৰিক মহাবিদ্যালয়সমূহ গ্ৰহণৰ গ্ৰাসত নপৰে, বৰং এনে বিদ্যালয়ৰপৰা উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক আই. আই. টি.ত বিশেষ প্ৰশিক্ষণ দিব পৰা যাব (যাৰ বাবে সুবিধা সাধাৰণ মহাবিদ্যা-লয়বোৰত নাই।)

**ড° প্ৰবীৰ মোহন দস্তিদাৰ (মুখ্য সঞ্চালক, অসম ইলেক্ট্ৰনিকছ উন্নয়ন নিগম):** আই. আই. টি. একোখন সমগ্ৰ দেশৰ বাবে যদিও আঞ্চলিক প্ৰয়োজনসমূহৰ প্ৰতি বিশেষ চকু দিলে এনে প্ৰতিষ্ঠানৰ মান উন্নতহে হ'ব।

**ড° কুলেন্দু পাঠক (অধ্যাপক, কটন কলেজ):** আই. আই. টি.ৰ ডিগ্ৰিধাৰীসকলৰ পশ্চিমীয়া পৰিবেশত কাম কৰাৰ প্ৰতি দুৰ্বলতা থাকে, কাৰণ তাৰ সংগঠন আৰু ধনৰ কোনো সমস্যা নাই। বিদেশলৈ নগৈ স্বদেশত থকাসকলে নিজৰ বিদ্যা-বুদ্ধিৰ উপযুক্ত প্ৰয়োগৰ সুবিধা নাপায়।

**ড° দীনেশ চন্দ্ৰ গোস্বামী (মুখ্য পৰিকল্পনা বিজ্ঞানী, যোৰহাট আঞ্চ-লিক গবেষণাগাৰ):** মুঠ স্থানৰ কিছু শতাংশ উত্তৰ-পূবৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এক নিৰ্দিষ্ট সময়লৈ (ধৰোঁ ১০ বছৰ) বা শিক্ষাৰ ক্ষেত্ৰত অঞ্চলটো ৰাষ্ট্ৰীয় ভাৰসাম্যলৈ নহালৈকে সংৰক্ষণ কৰা উচিত।

**ড° প্ৰফুল্ল কুমাৰ ডেকা (অধ্যাপক যোৰহাট বিজ্ঞান মহাবিদ্যালয়):** প্ৰস্তাৱিত আই. আই. টি.ৰ সঞ্চালক বা ডাইৰেক্টৰজন এজন অসমীয়া হ'বই লাগিব; কেৱল জন্মৰে নহয়, অন্তৰেৰেও। তেতিয়াহে ইয়াৰ নিযুক্তি গুণগত (quality-based) হ'ব।

**শ্ৰীৰাজেন্দ্ৰনাথ বৰুৱা (অধ্যাপক, অসম অভিযান্ত্ৰিক মহাবিদ্যালয়):** জল-সম্পদ উন্নয়ন আৰু পৰি-চালনা বিজ্ঞানৰ এটি শাখা এইখন আই. আই. টি.ত থকা উচিত।

**শ্ৰীশান্তিকাম হাজৰিকা (প্ৰাক্তন আই. আই. টি.ৰ ছাত্ৰ, গুৱাহাটী):** অসমত এখন আই. আই. টি.ৰ প্ৰয়োজন নাই। তাৰ সলনি ৰাষ্ট্ৰীয় পৰ্যায়ত উত্তৰ-পূবৰ ৰোগ গৱেষণা প্ৰতিষ্ঠান (Research Institute for Diseases Common to North-East বা RIDICONE), ৰাষ্ট্ৰীয় ইক'লজিকেল গৱেষণাগাৰ(NERLA : National Ecological Research Laboratory) ৰাষ্ট্ৰীয় ৰোপণ আৰু শস্য পৰিচালনা প্ৰতিষ্ঠান (NIP-CROM : National Institute of Plantation and Cash Crop Management) আদি স্থাপন কৰিব লাগে।

**অধ্যাপক ছি. পি. সিংহ আৰু নয়ন শৰ্মা (ৰুৰকি বিশ্ববিদ্যালয়, উত্তৰ প্ৰদেশ):** উত্তৰ-পূবৰ প্ৰয়োজন পূৰাব পৰাকৈ জল সম্পদ উন্নয়ন আৰু পৰিচালনা বিজ্ঞানৰ নৱতম বিষয়সমূহ প্ৰস্তাৱিত আই. আই. টি.ত থাকিব লাগে।

**ড° ব্ৰজমোহন গোস্বামী (অধ্যক্ষ, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়):** মলেকুলাৰ (Molecular) জীৱ-বিজ্ঞান আৰু জেনেটিক ইঞ্জিনিয়াৰিঙৰ বিষয়ৰ বিভাগ প্ৰস্তাৱিত আই. আই. টি.ত খুলিব পৰা যায়।

**ড° প্ৰতুল চন্দ্ৰ গোস্বামী (অধ্যা-পক, গুৱাহাটী চিকিৎসা মহা-বিদ্যালয়):** বায়'টেকন'লজি (bio-technology), জেনেটিকছ (genetics) আৰু মাইক্ৰ'বায়'লজি (micro-biology) আদি বিষয় প্ৰস্তাৱিত আই. আই. টি.ত প্ৰৱৰ্তন কৰি অন্যান্য বিষয়ৰ লগতো এইবোৰৰ সমন্বয় (co-ordination) ঘটাব পাৰি।

**ড° হেমকান্ত বৰুৱা (সম্পাদক, 'দি কনষ্ট্ৰাকশ্যন ট্ৰিবিউন', যোৰহাট)** অসমৰ বৰ্তমানৰ তিনিওখন অভিযান্ত্ৰিক মহাবিদ্যালয় এখন কাৰিকৰী বিশ্ব-বিদ্যালয়ৰ তলত ৰখা প্ৰয়োজন; প্ৰস্তাৱিত আই. আই. টি.খনে বিশ্ব-বিদ্যালয়ৰ ভূমিকা ল'ব পাৰে। এনে হ'লে বৰ্তমান মহাবিদ্যালয় কেইখনৰ-পৰা ওলোৱা অভিযন্তাৰ মান (বা গুণ) বৃদ্ধি পাব।

অচিন্ত্যনয়ন বেজবৰুৱা

৩২ পৃষ্ঠাৰ পিছৰ পৰা

ফ্ৰান্সৰ কৰ্ণৱাল উপকূল অঞ্চলত সংঘটিত হোৱা এটা দুৰ্ঘটনাৰ ফলত প্ৰায় ১১৭,০০০ টন তেল পানীত মিহলি হয়। ১৯৭৬ চনৰ ১৫ ডিছেম্বত আটলাণ্টিক মহাসাগৰত ধ্বংস হোৱা আৰগ' মাৰ্চেণ্ট নামৰ জাহাজৰ পৰা ৩০,০০০ টন তেল পানীত মিহলি হয়। ১৯৬৯ চনত সমুদ্ৰতলিত এক তৈলকূপৰ পৰা প্ৰায় ৩০০ দিন ধৰি তেল ওলাই থাকি কেলিফ'ৰ্নিয়া তট অঞ্চল প্ৰদূষিত কৰে। এনে উদাহৰণ অলেখ আছে। খনিজ তেলে সামুদ্ৰিক চৰাই আদিৰ মৃত্যু ঘটোৱাৰ উপৰিও মাছ আৰু মাছৰ কণী আৰু মাছৰ খাদ্য প্লেংকটন ধ্বংস কৰে।

সাম্প্ৰতিক কালত অৱশ্যে বিশ্বৰ বিভিন্ন দেশে নিজাকৈ আৰু আন্তঃ-ৰাষ্ট্ৰীয় ভাৱেও আইন-কানুন প্ৰণয়ন কৰি সামুদ্ৰিক প্ৰদূষণ হ্ৰাস কৰাৰ চেষ্টা চলাইছে। সামুদ্ৰিক সম্পদ বৈজ্ঞানিক দৃষ্টিভংগীৰে, উপযুক্ত বিচাৰ সহকাৰে উদঘাটন কৰা উচিত আৰু ই সম্ভৱো। ভৱিষ্যতৰ কথা চিন্তা কৰি উপযুক্ত উদঘাটন প্ৰক্ৰিয়া হাতত ল'লে আৰম্ভণিতে আৰ্থিক খৰচ বেছি হয় যদিও; এনে কাৰ্যই সমগ্ৰ মানৱ-জাতিক অৱশ্যম্ভাৱী ভৱিষ্যত দুৰ্যোগৰ পৰা ৰক্ষা কৰিব। সদ্যহতে যথেমথে সামুদ্ৰিক পৰিবেশ নষ্ট কৰি পাছত প্ৰদূষণাদি হ্ৰাস কৰাৰ কথা ভাবিলে, মানৱ সমাজৰ স্বাস্থ্যহানি, অৰ্থহানিকে ধৰি এনে ক্ষতি সাধন হ'ব, যাৰ পৰা পৰিত্ৰাণ পোৱা অসম্ভৱ হৈ উঠিব। সেয়ে এতিয়াৰপৰাই পৰিকল্পিতভাৱে সাৱধানতা অৱলম্বন কৰিবলৈ বিজ্ঞানী-সকলে আহ্বান জনাইছে। মানৱ সমাজৰ সৰ্বপ্ৰকাৰৰ আবৰ্জনা নিক্ষে-পনৰ নিমিত্তে মহাসমুদ্ৰক একোটা পাৰাপাৰহীন অটল স্বসৃষ্ট 'ডাষ্টবিন' বুলি জ্ঞান কৰিলে মহা ভুল কৰা হ'ব।

ড° হীৰেণ গোহাঁইৰ—
উপন্যাসৰ আধুনিক
সমালোচনা— ৬ টকা

এলবিএছ পাব্লিকেশ্যন
আমবাৰী : গুৱাহাটী-১

OKDISCD

# কম্পিউটাৰৰপৰা বিপদ

বৰ্তমান যুগত বিশ্বৰ বিভিন্ন দেশত বিভিন্ন ক্ষেত্ৰত ইলেকট্ৰনিক কম্পিউটাৰৰ ব্যৱহাৰ দিনক দিনে বাঢ়ি আহিছে। পশ্চিমীয়া দেশসমূহত ব্যক্তিগত কম্পিউটাৰৰ প্ৰচলনো ব্যাপক হৈ উঠিছে। সমাজত কম্পিউটাৰৰ প্ৰভাৱ সম্পৰ্কে সমাজবিজ্ঞানী, মনোবিজ্ঞানী আৰু বিজ্ঞানী সকলো সচেতন হৈ উঠা দেখা হৈছে। সম্প্ৰতি কম বয়সীয়া ল'ৰা-ছোৱালী এই কম্পিউটাৰ ব্যৱহাৰৰ ফলত মানসিক ৰোগত আক্ৰান্ত হয় বুলি সিদ্ধান্ত কৰা হৈছে। অলপতে গ্লাছগোৰ ডিউকষ্ট্ৰিট হস্পিটেলৰ চিকিৎসক ড° প্ৰেম মিশ্ৰই কেইজনমান কিশোৰক পৰীক্ষা কৰি কম্পিউটাৰে মানসিক অস্থিৰতাৰ সৃষ্টি কৰে বুলি ধাৰণা কৰিছে।

মনোবিজ্ঞানীজনৰ মতে, কম্পিউটাৰ ব্যৱহাৰৰ ফলত কিশোৰসকলৰ নিদ্ৰাহীনতা, ক্লান্তি, বাতুলতা, অস্থিৰতা আদিৰ উদ্ভৱ হয়। পশ্চিমৰ দেশত কিশোৰ-কিশোৰীহঁতে দিনে ১২ ঘণ্টা পৰ্যন্ত কম্পিউটাৰৰ খেলা, প্ৰ'গেমিং আদিত কটায়। আনকি সেইবোৰ দেশত ল'ৰা-ছোৱালীয়ে এইবোৰ খেলা ওৰে ৰাতি টোপনি ক্ষতি কৰিও খেলে।

কেৱল কিশোৰ-কিশোৰীহঁতৰ ক্ষেত্ৰতে নহয়, প্ৰাপ্ত বয়স্কসকলৰ জীৱনতো কম্পিউটাৰ দানৱে অশুভ পৰিস্থিতিৰ সূচনা কৰিছে। বৃটেইনৰ এখন কম্পিউটাৰ সম্পৰ্কীয় বাৰ্তালোচনীৰ সম্পাদক ৰোনাল্ড ক'টছৰ মতে, পশ্চিমৰ দেশত গিৰিয়েকে কম্পিউটাৰৰ খেলাত নিমগ্ন হৈ থাকি অধিক সময় খৰচ কৰাৰ দায়ত ঘৈণীয়েকে বিবাহ-বিচ্ছেদ কৰাৰ ঘটনাও ঘটিব ধৰিছে।

### মানুহ শকত কিয় হয়?

খাই থাকিলে কেতিয়া খোৱা বন্ধ কৰিব লাগে, তাক নজনাটোও হেনো মানুহ শকত হোৱাৰ অন্যতম কাৰণ। এই ধৰণৰ মানুহে কেতিয়াও পেট পূৰা হোৱাটো অনুভৱ নকৰে। এই ক্ষেত্ৰত অৱশ্যে হৰম'নৰ ভূমিকা নোহোৱা নহয়। টমাছ জেফাৰছন বিশ্ববিদ্যালয়ৰ গৱেষক ষ্টিফেন পেইকিনৰ মতে এই ক্ষেত্ৰত দায়ী হ'ল ক'লেচিষ্ট'কেনিন নামৰ এবিধ হৰম'ন। এই বিধ হৰম'নে মানুহ আৰু অন্যান্য স্তন্যপায়ী প্ৰাণীৰ পেটৰ সম্পূৰ্ণতা নিৰ্দেশ কৰে।

গৱেষকসকলে পৰীক্ষা কৰি দেখিছে যে শকত এন্দুৰবোৰে এই হৰম'ন বেছি পৰিমাণে উৎপন্ন কৰে আৰু ক্ষীণকায় এন্দুৰৰ তুলনাত শকত এন্দুৰবোৰৰ এই হৰম'ন গ্ৰহণ কৰিব পৰা অংগ কম। ফলত সিহঁতে গম নোপোৱাকৈয়ে ভালেখিনি খাদ্য গ্ৰহণ কৰে।

আন এটা অধ্যয়নত দেখা গৈছে যে ট্ৰিপছিন নামৰ এনজাইম বিধ খালে ক'লেচিষ্ট'কিনিনৰ নিঃসৰণ বাধাপ্ৰাপ্ত হয়। ই শকত আৰু ক্ষীণ দুয়োবিধ এন্দুৰৰ ক্ষেত্ৰতেই খাদ্য গ্ৰহণৰ মাত্ৰা বৃদ্ধি কৰে। অন্যহাতে, ট্ৰিপছিনৰ নিঃসৰণক বাধা দিয়া দ্ৰব্য খালে উক্ত হৰম'নৰ পৰিমাণ বাঢ়ে আৰু খাদ্য গ্ৰহণ প্ৰক্ৰিয়াটো বাধাপ্ৰাপ্ত হয়। শকত এন্দুৰক দীৰ্ঘ দিন ধৰি ট্ৰিপছিনৰ বাধক-দ্ৰব্য খুৱালে ওজন কমি যোৱা দেখা যায়।

### নাক বজাই শোৱাটো মৃত্যুৰ কাৰণ হ'ব পাৰে

নাক ঘোৰঘোৰাই শোৱাটো বহুতো মানুহৰে অভ্যাস। কিন্তু এই বদ অভ্যাসে মানুহৰ মৃত্যু পৰ্যন্ত ঘটাব পাৰে বুলি শেহতীয়া গৱেষণাৰপৰা সিদ্ধান্ত কৰিব পৰা গৈছে। নাকৰ ঘোৰঘোৰনি আনৰ কাৰণে কেৱল আমনিদায়ক হোৱাটোৱেই নহয়, ই মানুহজনৰ ৰক্তচাপ বৃদ্ধি কৰে, হৃদ স্পন্দন বন্ধ কৰিব পাৰে আৰু আনকি মগজুৰ ক্ষতিও সাধন কৰিব পাৰে।

অলপতে 'নিউ ছাইন্টিষ্ট মেগাজিন' নামৰ আলোচনীত এই বিষয়ে গৱেষণা কৰি থকা বিজ্ঞানী ড° জিম হৰ্নে নাক ঘোৰঘোৰাই শোৱাৰ বিপদৰ কথা বিশদভাৱে বৰ্ণনা কৰিছে। তেওঁ কয় যে নাক বজাই শুলে ডিঙিৰ বায়ু-প্ৰৱেশ পথ ৰুদ্ধ হৈ যাব পাৰে আৰু তাৰ ফলত 'অৱষ্ট্ৰাকটিভ শ্লিপ এপনিয়া (Obstructive Sleep Apnoea—OSA) নামৰ অৱস্থাৰ সৃষ্টি হয়। ইয়াৰ ফলত উচ্চ ৰক্তচাপ আৰু হাৰ্ট ফেইলাৰ হ'ব পাৰে। নাক ঘোৰঘোৰোৱা ব্যক্তিয়ে উশাহ লোৱাত কষ্ট পাই বেছি জোৰ দিব লগা হয় আৰু তেতিয়া হাওঁফাওঁত বায়ুৰ চাপৰ অস্বাভাৱিক ধৰণে পৰিবৰ্তন হয়। ই বুকু, হাওঁফাওঁ আৰু হৃদপিণ্ডলৈ তেজৰ সোঁত বৈ যোৱাত বাধা দিয়ে। ফলত তেজৰ চাপ বাঢ়ে আৰু হৃদপিণ্ডৰ স্পন্দন অনিয়মীয়া হয়। তেজত অক্সিজেনৰ মাত্ৰা কমি গ'লে হৃদপিণ্ডৰ অৱস্থা অধিক শোচনীয় হৈ পৰে। হৃদপিণ্ড আৰু ৰক্ত সঞ্চালনৰ অসুস্থতা থকা মানুহৰ এনে অৱস্থাত হঠাৎ মৃত্যু ঘটে।

ক্ষীৰধৰ বৰুৱা

### শিল্প-বিপ্লৱৰ কুফল

শিল্প-প্ৰযুক্তি-সভ্যতাৰ এটা অশুভ ফল এছিড বৰষুণ এতিয়া বিদেশৰ প্ৰযুক্তিসমৃদ্ধ দেশতে আবদ্ধ হৈ থকা নাই। ই আমাৰ ভাৰতো পাইছেহি। তাজমহল, লালকিল্লা, জুম্মা মছজিদ, কুটুবমিনাৰ আৰু উৰিষ্যাৰ কোনাৰক মন্দিৰত এছিডৰ প্ৰতিক্ৰিয়া দেখিবলৈ পোৱা গৈছে। কলিকতাৰ ভিক্টোৰিয়া মেম'ৰিয়েলো ইয়াৰ কুপ্ৰভাৱৰপৰা সাৰিব পৰা নাই।

ছালফাৰ-ডাই-অক্সাইড আৰু ইয়াৰ পৰা সৃষ্টি হোৱা অন্যান্য ৰাসায়নিক পদাৰ্থৰ বাবে ঘৰ-দুৱাৰ, স্তম্ভ, ঘৰ-সজ্জা আহিলাও এনে প্ৰতিক্ৰিয়া হোৱা দেখা গৈছে। মাৰ্বল, চূণশিল আদিৰ লগত ছালফাৰ-ডাই-অক্সাইডে ৰাসায়নিক প্ৰতিক্ৰিয়া ঘটায়, আৰু ছালফিউৰিক এছিডে তাম, লো, তীখা আদি ধাতু লাহে লাহে নষ্ট কৰে।

CEE-NFS





# কাকুতিঃ নবীন কবিলৈ

নাৰায়ণ বৰপূজাৰী

নবীন কবি বন্ধু মোৰ
লোৱা নমস্কাৰ!
শুনা মোৰ হৃদয়ৰ আকুল বাৰতা
তোমাৰ দৰেই লিখিব খুজিছিলো
ময়ো এটি নতুন কবিতা।
ভাবিছিলো—মোৰ কবিতাই
মই খটা কাৰখানাৰ হাতুৰীৰ শবদে শবদে
তুলিব হিল্লোল,
মোৰ ভাইটোৰ নাঙলৰ শিৰলুৰ ফাঁকে ফাঁকে
দিব দোল—তুলি কলৰোল।
কিন্তু নোৱাৰিলোঁ বন্ধু,
ভাব আছিল নাছিল ভাষা
নাছিল শব্দ নতু ছন্দ,
কবিতা ৰচোঁতে হ'ল মাথোঁ গৃহিণীৰে দ্বন্দ।
হাতভগা মাচিয়াত বহি
নালভগা লিখনিটো
কাণভগা মৈলামৰ মহীত তিয়াই
যেতিয়াই আৰম্ভিলোঁ ৰচিব কবিতা
অভাৱৰ হাতিয়াৰ লৈ
গৃহিণীয়ে মোৰ কবিতাক কৰে আক্ৰমণ।
শীতত ঠেটুৰা লগা
গৰমত শৰীৰৰ ঘাম
আৰু পৃথিৱীৰ মাটিৰ প্ৰলেপ লোৱা
অকণি পোণাটিহঁতে
কান্দোনৰ ঝংকাৰেৰে
মোৰ কবিতাত তোলে
পঞ্চাছৰ ভূকম্পন।

*

নবীন কবি বন্ধু মোৰ
মই শুনিছোঁ—
তুমি হেনো দ্ৰষ্টা, তুমি স্ৰষ্টা
তুমি শিল্পী, তুমি সত্যৰ পূজাৰী।
তুমি জানো শুনা কেতিয়াবা
মোৰ অন্তৰৰ বেদনাৰ ৰোল?
কেনেদৰে অহৰ্নিশে মোৰ অন্তৰত
সত্য আৰু অসত্যৰ চলে মালযুঁজ?
জীৱিকাৰ বাবে কৰোঁ পৰৰ গোলামী,
মোৰ ওপৰত চলে মালিকৰ প্ৰৱল পীড়ণ।
অবিচাৰ অন্যায়েৰে জৰ্জৰিত মই।
ইবোৰৰ উচ্ছ্বাসত কবিতা ৰচিবলৈ
যেতিয়া কলম লওঁ তুলি
তেতিয়াই পাব লাগে চৰম যাতনা,
দুবেলা দুমুঠি খাই কোনোমতে জী থকা
মোৰ সংসাৰত উঠে
অভাৱৰ ক্ৰন্দনৰ মৃত্যুৰ নিনাদ।
আজি মোৰ মুখ বন্ধ
কণ্ঠ স্তব্ধ
পুত্ৰ-কন্যা পৰিবাৰ পোষণৰ বাবে
আজি মোক লাগে অৰ্থ
অৰ্থৰ সন্ধানত ঘূৰোঁতে ঘূৰোঁতে
মোৰ হাতৰ লিখনি পৰে সৰি,
কবিতাৰ চিন্তা হয় অৰ্থহীন কিবা।

*

নবীন কবি বন্ধু মোৰ,
মোৰ কবিতা ৰচা নহ'ল।
সেয়ে মোৰ অন্তৰৰ অনুভূতি
তোমাক কৰিলোঁ নিবেদন।
মোৰ অনুভূতিৰ সমলেৰে
তুমি যেন কবিতা এটি ৰচা!
কিন্তু তোমাক কাকুতি কৰিছো বন্ধু
মোৰ অন্তৰৰ কথা যেন
মই বুজি পোৱাকৈ
কোমল কোমল কথাৰে ৰচনা কৰা!
মোৰ কাহিনী তুমি মোৰ হৈ
মোৰ বাবেই লিখিবা
মই তাক নুবুজিলে হ'ব বৰ দুঃখৰ কথা।
তোমাৰ ৰচনাৰো নহ'ব সাৰ্থকতা।
ভালকৈ ধুনীয়াকৈ সহজ-সৰলকৈ
মই পঢ়িব পৰাকৈ লিখিবা দেই বন্ধু!
চকুৰেও নমনো নহয়।
মই আজি ষাঠিৰ দেওনা চেৰোৱা বৃদ্ধ,
তুমি ত্ৰিছৰ তলৰ যুৱক।
মই নল, তুমি গজালি।
মই মৰিম, তুমি সূৰ্যমুখে উধাবা।
মোৰ হাড়ত ডুবৰি গজিবলৈ নিদিবা বন্ধু,
মোৰ হাড়েৰে লিখনি সাজি লোৱা
ৰচা কবিতা—অপাৰ, অজস্ৰ।
তুমি জয়ী হোৱা
হোৱা আলোকৰ যাত্ৰী।

# উপলব্ধি

সুনীল কুমাৰ দত্ত

চতুৰ্থ শ্ৰেণীত পঢ়া ছোৱালীজনীৰ কৌতূহলী চকুত ৰিক্সাখন এটা অতি ৰহস্যজনক বস্তু। তাইৰ চুটি জীৱনকালত কোনোদিনেই তাই ৰিক্সাত উঠি পোৱা নাই। ঘৰৰপৰা স্কুললৈ



OKDISCD

বেছি দূৰ নহলেও দেউতাকৰ নিজৰ গাড়ীৰেহে সদায় তাইক স্কুললৈ অনা নিয়া কৰা হয়। নিজৰখন গাড়ী নাথাকিলে দেউতাকৰ অফিছৰ গাড়ীৰে নি থৈ অহা হয়, আকৌ ছুটিৰ পাছত লৈ অহা হয়। কেতিয়াবা যদি দুয়োখন গাড়ীয়েই নাথাকে তেনেহলে অফিছলৈ ফোন কৰা হয়। অফিছত কিছু সময়ৰ কাৰণে দিব পৰা গাড়ী এখন নহয় এখন থাকেই। গাড়ীৰ বাহিৰে খোজ কাঢ়িতো দূৰৰ কথা, ৰিক্সাৰেও ছোৱালীজনীয়ে অহা-যোৱা কৰি পোৱা নাই। সেয়েহে ৰিক্সাত উঠাটো ছোৱালীজনীৰ কাৰণে এটা স্বপ্ন, মধুৰ কল্পনা।

দেউতাক পুলিছ বিভাগৰ উচ্চ-পদস্থ বিষয়া। তেওঁৰ প্ৰতিপত্তি আৰু ক্ষমতাই চহৰখন জিনি আছে। এই-হেন প্ৰতাপী অফিছাৰৰ জীয়েকে মানুহে চলোৱা ৰিক্সাত উঠি আটাইৰে চকুৰ আগেদি স্কুললৈ যাব—সেইটো যেন অসম্ভৱ কথা! এয়া যেন লাজৰ কথা। দেউতাকৰ বাবে সন্মান আৰু মৰ্যাদা হানিকৰ কথা।

তাই দেখে গাড়ীতকৈ ৰিক্সাৰ সংখ্যা সৰহ। কেতিয়াবা ৰিক্সাৰ ভিৰত গাড়ী আগবাঢ়িবই নোৱাৰে। এটা মানুহে টিলিঙা বজাই-বজাই অতি দ্ৰুত বেগে ৰিক্সাখন চলাই লৈ গৈছে। ছিটত বহি গৈছে তাইৰে দৰে দুজনী-এজনী ছোৱালী, মূৰৰ ওপৰৰ ছৈখন প্ৰয়োজন মতে মেলি লৈছে বা জপাই থৈছে; —এই দৃশ্যটো গাড়ীৰ ভিতৰৰ-পৰাই চাই চাই ছোৱালীজনীয়ে ৰোমাঞ্চ অনুভৱ কৰে। তাইৰ কল্পনাৰ পখিলাজনী ঘূৰি-ঘূৰি গৈ ৰিক্সাখনৰ ওপৰতহে পৰেগৈ। ওচৰতে বহি থকা মাকক তাই কয়, —মা এই ছোৱালী-বোৰৰ দেউতাকহঁতৰ বহুত টকা আছে নহয়? আমাতকৈ সিহঁত বেছি ধনী নহয়নে? ৰিক্সাত চাগৈ বহুত টকা দিলেহে উঠিব পাৰে। আমাৰ সিমান টকা নাই বাবে সদায় আমি গাড়ীৰে অহা যোৱা কৰোঁ।

মাকে মিচিকি মাচাকৈ হাঁহে।

আকৌ তাই মাকৰ ওচৰত আবদাৰ ধৰে,—এদিন আমিও ৰিক্সাত উঠিমচোন দেই মা। কিমান ভাল লাগিব চাগে।

মাকে তাইৰ ৰিক্সাপ্ৰীতি দূৰ কৰিবলৈ যিমানপাৰে ৰিক্সাৰ দোষ-বোৰৰ কথা কয়। বৰষুণ দিলে পানীত জুৰুলি জুপুৰি হ'ব লাগে, খুন্দা খাই পৰি যোৱাৰ সম্ভাৱনা।

কিন্তু এইবোৰ কথাই ছোৱালী-জনীৰ মনত অকণো প্ৰভাৱ পেলাব নোৱাৰে— ; না-মা, আমি এদিন উঠিমেই।

অৱশেষত মাকে এদিন ঠিক কৰিলে—স্কুলৰপৰা ঘৰলৈ আহোঁতে ৰিক্সাৰেই লৈ আহিব জীয়েকক।

সিদিনা স্কুলৰপৰা ওলাই গাড়ীখন নেদেখি ছোৱালীজনীৰ মুখত তৎক্ষণাত এটা কথাই ফুটিল—আজি তেনেহলে ৰিক্সাৰেই যাওঁ মা! মাকে অ' বুলি কোৱাত তাইৰ কিমান ফুৰ্তি! বহুদিনৰ আশা, সপোন আজি বাস্তৱত পৰিণত হ'ব। দৌৰি গৈ তাই ৰিক্সা এখনত উঠিলগৈয়ে। কাণ্ড দেখি ৰিক্সাৱালা-বোৰো অবাক! হতভম্ব! অভাৱনীয় কথা। যিখন ৰিক্সাত তাই উঠিল, সেইখন চলোৱা মানুহটো যেন আনন্দত আপ্লুত! কি বিৰল সৌভাগ্য!

ৰিক্সাত বহি যাওঁতে ছোৱালীজনী চঞ্চল হৈ উঠিল। ৰিক্সাৰ ঠেকেচনি-বোৰো তাইৰ ভালহে লাগিল। মাকৰ ইচ্ছা ওপৰৰ ছৈখন মেলি লয়;— কাৰণ চাৰিওফালৰ মানুহবোৰে দেখিছে। তাইৰ কিন্তু সেইখন খুলি-বলৈ ইচ্ছা নাই। নালাগে—চাৰিও-ফালে চাই যাব পাৰিম। আৰু এটা ইচ্ছা— সদায় ৰিক্সাত উঠি যোৱা তাইৰ সমনীয়াহঁতকো দেখুউৱাৰ ইচ্ছা —চা মইয়ো ৰিক্সাত আহিছোঁ আজি!

ৰিক্সা আহি ঘৰৰ চৌহদ সোমালহি। বৰ সোনকালে পালেহি যেন লাগিল তাইৰ। ৰিক্সাৰপৰা নামি দৌৰি তাই ভিতৰ সোমালগৈ আৰু সেই সুখবৰটো দেউতাকক জনালেগৈ,—দেউতা; আজি আমি ৰিক্সাৰে আহিছোঁ। ইমান ভাল লাগিল জানা! মোক সদায় পঠাবা দেই ৰিক্সাৰে।

কথা শুনি দেউতাক অগ্নি শৰ্মা। আজি হ'ল কি? গাড়ী নগ'ল কিয়? দুখনকৈ গাড়ীৰ এখনো নাছিলনে? দেউতাকক বুজাই মেলি শান্ত কৰিবলৈ যথেষ্ট সময় লাগিল মাকৰ। গাড়ীৰ অভাৱত নহয়, ছোৱালীজনীৰ ইচ্ছাত সহঁাৰি দিবলৈহে ৰিক্সাত অহা হ'ল।

ৰিক্সাৱালাটো তেতিয়াও আগফালে থিয় হৈ আছিল। সৰু ছোৱালীজনীয়েই মনত পেলাই দিলে—ৰিক্সাৱালাক পইচা দি দিয়া দেউতা। দেউতাকে জেপৰপৰা নোট এখন উলিয়াই তাৰ ফালে দলি মাৰি দি ক'লে—হেঁা— লৈ যা! ৰিক্সাৱালাটোৱে পইচা লোৱা দূৰতে থাওক তললৈ মূৰকৈ নমস্কাৰ এটা কৰি নোটখন ছোৱালীজনীৰ হাততে গুজি দি লাহে লাহে ৰিক্সা-খন লৈ ওলাই গ'ল। পুলিছৰ ছাহাবৰ ঘৰৰ মানুহ কঢ়িয়াইছে— ইয়াতকৈ ডাঙৰ সৌভাগ্য তাৰ বাবে আৰু কি হ'ব পাৰে! পইচা লৈ সেই গৌৰৱ খিনি সি ম্লান কৰিব নোখোজে। সি যে পইচা নলয়, তাকে দেখুৱাবলৈকে সি যেন ৰৈ আছিল।

কাণ্ড দেখি ছোৱালীজনী অবাক! তাই তেতিয়াও ভাবি পাৰ পোৱা নাই—মানুহটোৱে পইচা কিয় ঘূৰাই থৈ গ'ল? পইচা বৰ কম হ'ল নেকি? অবাক বিস্ময়েৰে তাই ৰিক্সাৱালাটোৰ ফালে চাই থাকিল। —তাৰ খাটনিৰ বিনিময়ত দিব পৰাকৈ যথেষ্ট পইচা তাইৰ দেউতাকৰ নাই?

### সম্পাদকৰ কোঠালিত

বন্ধু: এসময়ত,— দিছপুৰ অঞ্চলত ডেকা ল'ৰা কিছুমানে ঘূৰা-পকা কৰি থকা দেখিলে মনটো বেয়া লাগিছিল;— এই হেন সময়ত, এওঁ-লোকৰ বয়সৰ ল'ৰা,— ইয়াত?

আৰু, আজিকালি দিছপুৰ অঞ্চলত বয়সীয়া মানুহ দেখিলে মনটো ভাল লাগি যায় বুইছা?





# অপ্ৰেম

ফনীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী



হয়, আপুনি ঠিকেই অনুমান কৰিছে; এই গল্পটো মই আপোনাক লৈয়ে লিখিম বুলি ভাবিছোঁ। কল্পনাৰ যাদুৰে এটা সুখপাঠ্য কাহিনী ৰচনা কৰি নিজৰ লগতে পঢ়ুৱৈকো প্ৰৱঞ্চনা কৰাতকৈ মাজে মাজে এইদৰে বাস্তৱৰ পৰাই চৰিত্ৰ একোটা তুলি আনি পঢ়ু-ৱৈৰ সৈতে চিনাকি কৰি দিয়াৰ আইডিয়াটো জানো অধিক মনোগ্ৰাহী নহয়? অন্ততঃ ফাঁকিৰে ঢাকি ৰখা আমাৰ এই সুষম জীৱনত সত্যৰ সৈতে মুখামুখি হোৱাৰ এটা ক্ষীণ প্ৰচেষ্টা চলোৱা হ'ব।

ৰিংকুৰ আজি জন্মদিন।

আপুনি ইমানকৈ মাতি গৈছে, আমি নিশ্চয় যাম। ৰিংকু আপোনাৰ একমাত্ৰ ছোৱালী। জন্মদিন ডাঙৰকৈ পতাটোৱেই স্বাভাৱিক। আপোনাৰ লগত একেটা অফিছতে কাম কৰোঁ, অফিছত ক'লেই হ'লহেঁতেন। তথাপি আপুনি নিজে ঘৰলৈ আহি আমি দুয়োজনকে— অণু আৰু মোক আন্তৰিকতাৰে নিমন্ত্ৰণ কৰি গৈছে; নোযোৱাৰ প্ৰশ্নই নুঠে।

অণুকো কৈ গৈছে আপুনি— অণু, নীৰাই কিন্তু তোমাৰ কথা স্পেছিয়েলি কৈ পঠাইছে। নগ'লে বেয়া পাব।

ৰাতিপুৱা অফিছলৈ যাবৰ সময়ত অণুৱে আজি কৈছিল— তোমাৰ অফিছৰপৰা আহোঁতে সদায় দেৰি হয়। আহিবৰ সময়ত চৌখানী ষ্ট'ৰছত সোমাই ৰিংকুৰ বাবে কিবা এটা কিনি লৈ আহিবা। নহ'লে বজাৰলৈ যাবলৈ পাছত সময়েই নহ'ব।

—মোৰ দ্বাৰা সেইবোৰ নহ'বহে। ছোৱালীৰ বাৰ্থ-ডে'ত কি দিয়ে মই কি জানো? নিজৰো কিবা এটা হওক দিয়া, তেতিয়াহে জানিম।

অণু ক্ষন্তেকৰ বাবে অলপ তেনে-দৰে ৰঙা পৰিল, যেনেদৰে ৰঙা



OKDISCD

পৰিলে মই বুকুৰ ভিতৰত এটা উম অনুভৱ কৰোঁ।

দুমাহ চলি আছে তেওঁৰ। শোৱনী কোঠাত মাকে কৈ পঠোৱা মতে নতুনকৈ কেঁচুৱা এটাৰ ফটো ওলমাই লৈছে কিছুদিনৰপৰা।

—তুমি ল'ৰা-কেঁচুৱাৰ ফটো লগাইছা দেখোন ; ছোৱালীওতো হ'ব পাৰে। ছোৱালীৰ ফটোও লগোৱা।

—চব কথাতে তোমাৰ ধেমালি। নাপায় তেনেকৈ ক'ব।

মোৰ দৰে অকৰ্মণ্য মানুহ এটাৰ দ্বাৰা যে কোনো কাম নহয় অণুৱে জানে আৰু জানি-শুনিয়েই কামকৰা ছোৱালী ৰূপাকলৈ বজাৰলৈ ওলাই গৈছে এতিয়া,— কিবা এটা কিনিবৰ বাবে।

আৰু ক্ষন্তেকৰ এই নিঃসংগ মুহূৰ্ত্তে হঠাতে আপোনাক লৈ মোৰ এটা গল্প লিখিবৰ মন গৈছে।

*

স্মৃতিৰ পাতবোৰ এটা এটাকৈ লুটিয়াই চালে আপোনাৰ কেতিয়াবা নিঃসংগ মুহূৰ্ত্তত কং নামৰ সেই খাছি ছোৱালীজনীৰ প্ৰতিচ্ছবি চকুৰ সন্মুখত ভাঁহি উঠেনে? সেই তেজাল ছোৱালীজনীৰ পাহাৰত ঠেকা খাই কঁপি উঠা মুক্ত হাঁহিৰ শব্দ স্মৃতিৰ সুৰুঙাৰে ভাহি আহি আপোনাৰ হৃদয়ত কেতিয়াবা অজানিতে মুহূৰ্ত্তৰ বাবে জিৰণি ল'ব খোজে নে?

আপুনি মিছাকৈয়ে উচপ খাই উঠিছে। ভয়ৰ কোনো কাৰণ নাই। গল্প-লেখকে আপোনাৰ সন্মুখত সদায় বিচৰণ কৰি ফুৰা মানুহজনকে গল্পত এনেদৰে উপস্থাপন কৰে যে আপোনাৰ ভাব হ'ব —সেয়া অইন এখন ঠাইৰ এজন অচিন লোক : গল্পৰ বাবেই যেন সেই চৰিত্ৰৰ জন্ম।

মোৰ এই গল্প পঢ়িও কোনো পঢ়ুৱৈয়ে নাজানিব যে এই গল্পৰ প্ৰধান নায়ক আপুনিয়েই। শব্দৰ যাদুৰে মাথো ইংগিতময় কৰি মূল চৰিত্ৰক মই ৰহস্যৰ মাজতেই আবৃত ৰাখিম ; গতিকে আপোনাৰ জীৱনৰ এটা পাহৰি যোৱা অতীত পঢ়ুৱৈৰ সন্মুখত এইদৰে আচম্বিতে দাঙি ধৰি আপোনাৰ সুখৰ, সুষম জীৱনত ব্যাঘাত সৃষ্টি কৰিম বুলি অকাৰণে আশংকিত হোৱাৰ কোনো প্ৰয়োজন নাই। আপোনাৰ সুন্দৰী পত্নী নীৰাই জানে— নীৰাকেই আপুনি ভাল পাই আহিছে : সকলো পত্নীয়ে ঠিক এই একেদৰে নিজক একেই ফাঁকিৰে সান্ত্বনা দি থাকে, যিদৰে মোৰ পত্নী অণুৱেও··· (সেয়া অন্য এক কাহিনী, অন্য এদিন কম)।

গুৱাহাটীৰপৰা মাত্ৰ কুৰি কিল'মিটাৰ আঁতৰৰ সৰু চহৰখনৰ সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা আপুনি। একেখন চহৰৰে ল'ৰা বাবে আপোনাক, আপোনাৰ পৰিয়ালক সৰুৰেপৰাই চিনি পাওঁ। অঞ্চলটোত নাম আছে আপোনালোকৰ পৰিয়ালৰ। গাঁৱৰপৰা চহৰলৈ উত্তৰণ হোৱাৰ লগে লগেই অঞ্চলটোৰ কেইবাটাও পৰিয়ালৰ ঐতিহ্যৰ ভেটি লাহে লাহে তললৈ খহি পৰিল। কাৰোবাৰ ল'ৰাই মাক-দেউতাকৰ কথা নুশুনি অজাতিত বিয়া কৰাই ঘৰৰপৰা আঁতৰি গ'ল ; কাৰোবাৰ স্কুলত পঢ়া ভায়েকক সদায় সন্ধিয়া জুৱাৰ আড্ডাত দেখা গ'ল ; কাৰোবাৰ ককায়েক সন্ধিয়াপৰত পানী এটুপি নহ'লে থাকিব নোৱৰা হ'ল ; কাৰোবাৰ উৎপাতত ৰাস্তাৰে ছোৱালী ওলাব নোৱৰা হ'ল ; —আৰু কত কি!

আপোনালোকৰ ঘৰখন কিন্তু বিশাল আকাশত ধ্ৰুৱতৰাৰ দৰেই স্থিৰ হৈ জিলিকি থাকিল। চৌধুৰী বংশৰ সুদৃঢ় ঐতিহ্যত সময়ে সামান্যতম কম্পনৰো সৃষ্টি কৰিবলৈ সক্ষম নহ'ল। এজন এজনকৈ কোনোবা ডাক্তৰ হ'ল, কোনোবা ইঞ্জিনিয়াৰ আৰু কোনোবা হয়তো অধ্যাপক। এজন এজনকৈ কেইবাজনৰো ধুমধামেৰে বিয়া হৈ গ'ল। আজিৰ যুগৰ ডেকাৰ চৰিত্ৰতো সামান্য উচ্ছৃংখলতাৰ চিন নেদেখি সকলোৱে বংশৰ মহীয়ান ৰূপ সপ্ৰশংস দৃষ্টিৰে চাই ৰ'ল।

এয়াহে বংশ, এয়াহে ল'ৰা ; পঢ়িছে, চাকৰি কৰিছে। লক্ষ্মী ছোৱালী বিয়া কৰাইছে, বিছুৰি-সবাহে আহি সকলোৰে লগত হাঁহি-মাতি গৈছে। আমাৰ জনক চা, চাকৰি এটা পালেনে, উঠিল পিৰপিৰণি! আনিলে ক'ৰ এজনী ধৰি ; —এনেকুৱা কথাবোৰ ঘৰলৈ গ'লে এতিয়াও কেতিয়াবা কাণত পৰে।

এইবাৰ ঘৰলৈ যাওঁতে জিতেন ছাৰে আপোনাৰ খবৰ সুধিছিল আৰু প্ৰাক্তন ছাত্ৰৰ প্ৰশংসাত গদগদহৈ আপোনমনে কৈছিল,— সেইবোৰ ল'ৰাৰ কথাই বেলেগ বুজিছ। যি মুলা বাঢ়িব তাৰ দুপাততে চিন। কি সুন্দৰ ব্যৱহাৰ! দাগ এটা নাই চৰিত্ৰত। আজিৰ যুগত এনেকুৱা ল'ৰা কেইজন আছে? সিহঁতৰ মাক-দেউতাকে গৌৰৱ নকৰি কোনে কৰিব?

আপোনাৰ মনত থাকিব পায়— জিতেন ছাৰৰ ডাঙৰজন ল'ৰা আপোনাৰ লগত স্কুলত একেটা শ্ৰেণীতে পঢ়িছিল। অৰুণাচলৰ ফালে কোনোবা স্কুল এখনত কাম কৰি থাকোঁতে তাৰেই ছোৱালী এজনীক বিয়া কৰাইছে। জিতেন ছাৰে বোৱাৰীক এতিয়াও ঘৰ সোমাবলৈ দিয়া নাই।

আপুনি শ্বিলঙত চাকৰি কৰাৰ সময়ত মই গুৱাহাটীত। কিছুদিন পাছত মোৰো শ্বিলঙলৈ ট্ৰেন্সফাৰ হ'ল। প্ৰথম প্ৰথম ভাব হ'ল আপুনি যেন সন্ধিয়াবোৰ মোক এৰাই ফুৰিছে। কিছুদিন থকাৰ পাছতেই মই আবিষ্কাৰ কৰিলো— খাছি ছোৱালীজনীৰ লগত আপোনাৰ ঘনিষ্ঠতাৰ কথা।

মই জানো এইদৰে আজি আপোনাক সময়ৰ সীমা ভেদি অতীতলৈ টানি নিয়াৰ প্ৰয়াস কৰাটো উচিত হোৱা নাই। কিন্তু যিজনী ছোৱালীৰ লগত এসময়ত প্ৰতিটো সন্ধিয়া নিবিড় অন্তৰংগতাৰে পাৰ কৰি দিছিল, তেওঁক আজিৰ এই সুখৰ মুহূৰ্ত্তত মাত্ৰ ক্ষন্তেকৰ বাবে পাহৰণীৰ গৰ্ভৰ পৰা উলিয়াই আনিলে জানো সাংঘাটিক অন্যায় কৰা হ'ব?

লেকৰ পাৰত হঠাতে এদিন আপোনালোকৰ লগত দেখা হৈছিল। আপুনিয়েই মোক চিনাকি কৰি দিছিল সেই সজীৱ মুখৰ খাছি ছোৱালীজনীৰ লগত। আপোনালোকৰ অন্তৰংগতাৰ গভীৰতা দেখি মই মাথো সংশয়েৰে ভাবিছিলো-চৌধুৰী বংশত এই ব্যতিক্ৰম জানো গৃহীত হ'ব? আপোনাৰ চাৰিত্ৰিক দৃঢ়তাত মোৰ বিশ্বাস আছিল ; ধৰি লৈছিলো বংশ পৰম্পৰা সকলো অতিক্ৰম কৰি এদিন হৃদয় জয়ী হ'ব।

আপুনি এদিন ছুটি লৈ ঘৰলৈ গ'ল। ছুটিৰ সময়ছোৱাত মাজে মাজে কেতিয়াবা বজাৰৰ ভিৰত মাজত সেই সৰল ছোৱালীজনীক লগ পাইছিলো। তাই আপোনাৰ খবৰ সুধিছিল। শ্বিলঙৰ পাইন গছৰ পাতৰ মৃদু মধুৰ কম্পনে হয়তো তাইক আপোনাৰ কথা মনত পেলাই দিছিল। হয়তো লেকৰ নিস্তৰংগ পানীত তাই আপোনাৰ প্ৰতিবিম্ব দেখা পাইছিল। হয়তো অবাধ্য ফিৰফিৰিয়া বতাহ জাকে তাইক আনমনা কৰি তুলিব খুজিছিল।

আপুনি ঘূৰি নাহিল।

বহুতদিন পাছত জানিব পাৰিলো আপোনাৰ দেউতাকেই কিবা এটা সন্দেহ কৰি, লাগি-ভাগি আপোনাক অন্য এখন ঠাইলৈ ট্ৰেন্সফাৰ কৰাই দিছিল। বৰদিনৰ বন্ধত ঘৰলৈ যাওঁতে গম পালো নীৰাৰ লগত বিয়াৰ পাছত দীঘলীয়া ছুটিত আপুনি ফুৰিবলৈ গৈছে।

কঙক এদিন লগ পাইছিলো হঠাতে। তেওঁৰ সজীৱ মুখত সন্ধিয়াৰ আকাশৰ বিষণ্ণ ছাঁয়া আৰু দেহত মাতৃচিহ্নৰ পূৰ্ণ পয়োভৰ।

মই মাথো মনে মনে ভাবিছিলো : হয়তো এতিয়া দূৰণিৰ কোনোবা পৰ্ব্বতীয়া চহৰৰ হোটেলৰ বন্ধ কোঠালিত আপোনাৰ বুকুত লেতুসেতু হৈ শুই আছে নীৰা আৰু হয়তো আবেগজড়িত অস্ফুট কণ্ঠেৰে আপুনি সেইবোৰ কথাকে নীৰাক শুনাইছে, যিবোৰ এদিন আপোনাৰ মুখত শুনি কঙৰ দুচকু আবেশত মুদ খাই গৈছিল।

আপুনি নাভাবিব আপোনাক কিবা বেয়া কাম কৰা বুলি ক'ব খুজিছোঁ। আপুনি সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা। এটা বংশৰ ঐতিহ্য ৰক্ষাৰ ক্ষেত্ৰত আপোনাৰো দায়িত্ব আছে। যুগ যুগৰ সংযমে গঢ়ি তোলা এই ঐতিহ্য এজনী সাধাৰণ ছোৱালীৰ প্ৰেমৰ বাবে এদিনতে ধূলিসাৎ কৰি দিলে আপোনাক কোনেও ক্ষমাৰ চকুৰে নাচালেহেঁতেন। যিসকললোক আজি আপোনাৰ গুণানুকীৰ্তনত মাজে মাজে সৰৱ হৈ উঠে, তেওঁলোকেই আপোনাক লৈ, আপোনালোকৰ ঘৰখনক লৈ হাঁহিলেহেঁতেন। আপুনি সেয়া হ'বলৈ দিয়া নাই।

ঘৰলৈ গ'লে এতিয়াও সকলোৰে মুখত শুনিবলৈ পাওঁ আপোনাৰ নিষ্কলুষ চৰিত্ৰৰ অকৃপণ গুণানুকীৰ্তন। আপোনাৰ মাক আৰু দেউতাকৰ মুখত তৃপ্তিৰ জিলিকনি। চৌধুৰী বংশৰ ঐতিহ্য এতিয়াও অম্লান। অঞ্চলটোৰ সকলোৱে মনে-প্ৰাণে কামনা কৰে তেওঁলোকৰ নিজৰ ল'ৰা যেন আপোনাৰ দ'ৰেই ভাল ল'ৰা হয়।

আপুনি পত্নী হিচাপে ভাল ছোৱালী পাইছে। নীৰাও সম্ভ্ৰান্ত বংশৰ ছোৱালী। সমানে সমানে সম্বন্ধ কৰি আপুনি বুদ্ধিমানৰ কাম কৰিছে। ৰিংকুও বেচ মৰমলগা হৈছে। আপোনাৰ মুখৰ লগত মিল আছে। একমাত্ৰ ছোৱালী বুলিয়েই হয়তো আপুনি আৰু নীৰাই তাইক গভীৰ অপত্য স্নেহে আৱৰি ৰাখিছে।

কঙেও হয়তো এই একেদৰেই তেওঁৰ সন্তানক আৱৰি ৰাখে ; জন্মদিন পাতে (যদি পাতে)। মাথোন সেই জন্মদিনত কোনো আমন্ত্ৰিত নহয় : কোনো দেউতাক নাথাকে।

অসমীয়া সংস্কৃতিৰ বৰসবাহক
জ্যোতি-তিথিত
বিষ্ণু ৰাভা স্মৃতি-চাৰণত
আবৃত্তি উপযোগী
আৰু
আজিৰ মানুহৰ বাবে
আজিৰ কবিতা

ৰত্ন ওজাৰ
**এয়ে জানো শেষ গান**
মূল্য : পাঁচ টকা

অসমীয়া ক্ৰীড়া সাহিত্যলৈ
পুলক লাহিড়ীৰ
নৱতম সংযোজন
**খেলজগতৰ তাৰকা**
মূল্য : সাত টকা

"৮৬-ৰ বিশ্ব কাপ ফুটবলৰ মহানায়ক ম্যাৰাদোনা, বিৰল প্ৰতিভাৰ প্লাতিনি, বিতৰ্কিত ছক্ৰেটিছ, জিকো, সংগ্ৰামী মহীন্দৰ অমৰ নাথ, দুৰ্বাৰ ৰিচাৰ্ড হেডলী, দুৰন্ত বথাম, ফ্লাইং শিখ মিলখা সিং, যন্ত্ৰ মানৱ, জেটোপেক ইত্যাদিৰ জীৱনী লগতে বৰদলৈ ট্ৰফিৰ ইতিহাস।

এলবিএছ পাব্লিকেশ্যন
জি. এন. বৰদলৈ ৰ'ড
আমবাৰী, গুৱাহাটী - ১




OKDISCD

## আশা

দিব্যজ্যোতি দুৱৰা

তাই কেতিয়াবাই অহাৰ কথা
মাগুৰ বৰণীয়া ৰ'দটোৱে
মুৰিয়াই অনা হাবিতলীয়া বাটটো
ইমানপৰে বিলীন হৈ গ'ল,
বনৰীয়া চৰাইবোৰৰ গীতত।
মোৰ মৰমৰ
চিমিক-চামাক জুপুৰীটো
বতাহত ভাগি যোৱাৰ আগতেই
তাই অহাৰ কথা।
তাই অহাৰ পথটোত
মই পুতি থৈছোঁ,
এখন সেউজীয়া ৰঙৰ পতাকা।
গীত পোৱা চৰাইবোৰে
মোৰ বুকুত
ঘৰ বান্ধিবলৈ লোৱাৰে পৰা
মই তাইলৈ বাট চাই আছোঁ।

## সূৰ্য

ৰাজীৱ বৰুৱা

সূৰ্যটো
নামি আহে
সৰু টিলাটোৰ পৰা—
দেহত এটি উকথা পঁজা।

হাতত জোলোঙা
পাহোৰাল আশাৰ
সুতাৰে গোঁঠা।

হাতৰ সাৰথিক সোধে
"মৌন সখী মোৰ
ধনৰ বজাৰলৈ
কিমান দুৰ বাট?"
... ... ... ...


সূৰ্যটো আজি
ফুটপাথৰ ৰজা!

নামি আহে
ডুব যায়— নিৰাশাত
শিলাময় হাতৰ
তুচ্ছতাত।

## এটা কবিতা

পুঞ্জন কুমাৰ বৰুৱা

আচলতে,
মানুহৰ হৃদয়খনেই মানুহৰ মন্দিৰ
ইয়াত,
চিন্তা-দুশ্চিন্তা
কৰ্ম-অকৰ্মৰ
সুপ্ত অৱতাৰ।



## কবিতা

পংকজ দত্ত

নিজৰি
নিজৰি পৰে

নিজানৰ
স্তুপৰ মুখ।

বুকত
বগুৰা বায়

কবিতাৰ
কাতৰ দুখ॥

## নিঃস্ব মানুহজন

অঞ্জন শইকীয়া


উকা পথাৰত
আঁঠুৰ ধুলি দুহাতেৰে মচি
মানুহজনে এতিয়াও কান্দে।
তাৰ তৰ্জনী আঙুলিৰ চকুপানীত
দূৰৈৰ মন্দিৰৰ ছাঁ জিলিকিছে
... ...
তেজে ধোৱা জোনাকত
সি এতিয়াও
বোৰৰ তেজাল আঙুৰ সৱায়।
জোনাকে জানো বুজি পায় তাৰ দুখ।





# অনুসন্ধান — পাঁচ

শীলভদ্ৰ



[১৪]

আজিকালি কোনো এটা নিৰ্দিষ্ট বিষয়ত বেছি পৰ মনোনিবেশ কৰি থকা সম্ভৱ নহয়। মনটো এটা বিষয়ৰ পৰা আনটো বিষয়লৈ জাপমাৰি যাবলৈ বাধ্য হয়। ভৃগু চৌধুৰীয়ে কৰ্ণাটকৰ মাতংগি দেৱীৰ মন্দিৰৰ পূজাৰ কথা ভাবি আছিল। কৰ্ণাটকৰ মালানাড় অঞ্চলৰ চন্দ্ৰগুত্তি গাঁও। তাতেই আছে দেৱী মাতংগিৰ মন্দিৰ। বছৰৰ এটা বিশেষ তিথিত ভক্তসকলে চাৰি কিল'মিটাৰ দূৰৰ বৰদা নৈত গা ধুই উলংগ অৱস্থাত খোজকাঢ়ি আহি মাতংগি দেৱীৰ মন্দিৰত পূজা দিয়ে। সৰহভাগ ভক্ত হ'ল মহিলা। এইবেলি (২০ মাৰ্চ, ১৯৮৬) দলিত সংঘৰ্ষ সমিতিৰ স্বেচ্ছাসেৱকসকলে এই জঘন্য প্ৰথাত বাধা দিবলৈ চেষ্টা কৰিলে। সমবেত বিৰাট জনতাই সক্ৰোধে সিহঁতৰ ওপৰত জপিয়াই পৰি প্ৰহাৰ কৰিবলৈ আৰম্ভ কৰিলে। প্ৰাণৰ ভয়ত সিহঁত পলাই যাবলৈ বাধ্য হ'ল। জনতাই উপস্থিত পুলিছবোৰক (মহিলা পুলিছকে ধৰি) উলংগ কৰি সমদলত যোগ দিবলৈ বাধ্য কৰালে। এই হ'ল একবিংশ শতাব্দীৰ দুৱাৰডলিত উপনীত হোৱা ভাৰতৰ মানসিক বিকাশৰ চিত্ৰ। এতিয়াও উত্তৰ ভাৰতৰ গাঁৱেভূঁয়ে সতীদাহ প্ৰথা পালন কৰাৰ বাতৰি ওলায়। চাৰিওফালৰ মানুহে ঢোলদগৰ বজাই মহোল্লাসে এই উৎসৱত যোগ দিয়ে।

ভৃগু চৌধুৰীৰ চিন্তাত বাধা পৰিল। তেওঁৰ কাষত গাড়ী এখন ৰ'ল। তেওঁ আৰু বেছিকৈ দাঁতিৰ ফালে গ'ল।

"মামা ক'লৈ যায়?"

"ফাঁচী বজাৰৰ ফালে।"

"আহক।"

"ভালেই হ'ল, তোমাৰ কলেজ পৰ্যন্ত যাব পাৰিম।"

"কলেজ পৰ্যন্ত কিয়? ড্ৰাইভাৰে আপোনাক ফাঁচী বজাৰত থৈ আহিব।"

মীনাহঁতৰ গাড়ী। মীনা চৌধুৰীৰ সম্বন্ধীয় ভাগিনী ছোৱালী।

"জোঁৱাইৰ খবৰ কি?"

"অফিছৰ কামত দিল্লীলৈ গৈছে। সেই কাৰণেইতো আজি গাড়ীখন পাইছো।"

চৌধুৰীৰ মনৰপৰা আগৰ চিন্তাবোৰ গুচি গ'ল। তেওঁলোকে শিক্ষা সংক্ৰান্ত বিষয় লৈ আলোচনা কৰিবলৈ ল'লে।

মীনাই ক'লে, "কি নো হ'ব? এই ফেব্ৰুৱাৰীৰপৰা ক্লাছ হোৱা নাই।"

তেওঁ আঙুলিৰ মূৰত গণিবলৈ ল'লে। — "ফেব্ৰুৱাৰী, মাৰ্চ, এপ্ৰিল, মে', জুন, জুলাই; বিভিন্ন পৰীক্ষাৰ কাৰণে ছমাহ ক্লাছ নাই। বাকী থকা সময়ৰ ভিতৰত পূজাৰ বন্ধ আছে, বিহুৰ বন্ধ আছে, শ্ৰেণী বৰ্জন আছে। তিনি মাহমানহে ক্লাছ হয়। এই বিশাল পাঠ্যক্ৰম শেষ হ'ব কেনেকৈ? অসম্ভৱ কথা। পৰীক্ষাততো গোটেই পাঠ্যক্ৰম অনুসাৰে প্ৰশ্ন আহিব! শতকৰা সত্তৰ ভাগ বা আশী ভাগ ছাত্ৰই ফেল নকৰি কি কৰে?"

সেই কাৰণে চহৰৰ অৱস্থাপন্ন ঘৰৰ ল'ৰা-ছোৱালীয়ে নিজাকৈ বন্দবস্ত কৰি শিক্ষকৰ ঘৰত গৈ পঢ়ে। কিছুদিন আগৰ ঘটনা এটা ভৃগু চৌধুৰীৰ মনত পৰিল। তেওঁ খবৰ পালে যে তেওঁৰ পুৰণি সহকৰ্মী অধ্যাপক দাসৰ খুব অসুখ। বহুত দিন একেলগে কাম কৰিছে, ভাল মানুহ, নিষ্ঠাবান শিক্ষক। এবাৰ অন্ততঃ খবৰ লোৱা উচিত। আবেলি চৌধুৰী খবৰ লবলৈ ওলাল। গৈ দেখিলে যে দাসে দহজনমান ল'ৰা-ছোৱালীক লৈ পঢ়ুৱাই আছে। ৰীতিমতে এটা ক্লাছ। দাসে প্ৰথমে চৌধুৰীক চিনি পোৱা নাছিল। ভুৰু কোঁচাই অলপ সময় তেওঁৰ ফালে চাই থাকি দাস উৎফুল্ল হৈ উঠিল।

"আৰে, চৌধুৰী, আহক আহক।"



OKDISCD

ল'ৰা-ছোৱালীবোৰক তেওঁ সিদিনাৰ কাৰণে যাবলৈ নিৰ্দেশ দিলে।

চৌধুৰীয়ে হাক দিলে। "কিয়? নালাগে, পঢ়ুৱাওক আপুনি।"

"একো নহয়। অইন এদিনা দেখুৱাই দিম।" দাস লৰালৰিকৈ ভিতৰৰ ফালে গ'ল। বোধহয় চাহ দিয়াৰ নিৰ্দেশ দিবৰ কাৰণে। চৌধুৰীয়ে লক্ষ্য কৰিলে যে তেওঁ সোঁভৰিখন টানি লৈ গৈ আছে। অসুখৰ কথা মিছা নহয়।

উভতি অহাত চৌধুৰীয়ে সুধিলে, "এতিয়া আপোনাৰ ভাল, নহয়।"

"ভালেই। দেখিছেই নহয়, ল'ৰা-ছোৱালীবোৰক পঢ়ুৱাই আছোঁ।"

"ভালেই কৰিছে। কিবা এটা লৈ ব্যস্ত হৈ আছে। খুব ভাল কাম কৰিছে।"

"নকব আৰু। চম্ভালিব নোৱৰা হৈছোঁ। ল'ৰা-ছোৱালীৰ মাক-দেউতাকে ধৰ্ণা দি থাকে। নোৱাৰোঁ বুলি ক'লেও নুশুনে; মহা জুলুম। ছটা বেট্চ ইতিমধ্যে লৈছোঁ। সপ্তাহত দুদিনকৈ। পুৱা একোটা বেট্চ, আবেলি একোটা বেট্চ। অভিভাৱকৰো উপায় নাই। ক্লাছততো একো নহয়। আজি বন্ধ, কাইলৈ ষ্ট্ৰাইক, কিবা নহয় কিবা এটা লাগিয়েই আছে। ক'ৰ্ছৰ আধাও শেষ নহয়।"

"ভালেই কৰিছে। ল'ৰা-ছোৱালীবোৰৰো উপকাৰ হৈছে, আপুনিও কিবা এটা লৈ ব্যস্ত হৈ আছে।"

"কথাষাৰ মিছা নহয়। এইবোৰ নকৰিলে নিজেও অশান্তি পালো হয়, ঘৰতো অশান্তিৰ সৃষ্টি কৰিলো হয়।"

চৌধুৰীৰ মনটো ভাল লাগিল। সত্তৰ বছৰৰ ওপৰ মানুহজনৰ বয়স। এই বয়সতো মানসিকভাৱে সক্ষম হৈ আছে; অপ্ৰয়োজনীয় জড়পিণ্ডত পৰিণত হোৱা নাই। চৌধুৰীয়ে নিজকে কেইবছৰমান আগলৈ প্ৰসাৰিত কৰি দিলে। নিজৰ কাৰণেও তেওঁৰ মনটো ভাল লাগি গ'ল।

দাসে হুলস্থুল লগাই দিলে। পৰিবাৰক মাতি আনিলে। বোৱাৰী নাতি-নাতিনীয়েকক মাতি আনিলে।

"সেৱা কৰ, ভৰি চুই সেৱা কৰ, ককা হয়।" দাস সঁচাকৈ বৰ উৎফুল্ল হৈ পৰিছে। বিনা উদ্দেশ্যে কেৱল খবৰ লবৰ কাৰণে আজিকালি কোনো তেওঁৰ ঘৰলৈ নাযায়।

অনন্ত দাস মানুহজন বৰ ভাল মানুহ। ভাল এই অৰ্থত যে তেওঁ কাৰো পিছত লাগিবলৈ নাযায়। কোনোবাই পৰীক্ষাৰ কাম কৰি বা কিতাপ এখন লিখি দুই-চাৰি পইচা পালে তেওঁ অশান্তি পোৱা নাছিল। পিছে এই বয়সত, এই অৱস্থাত তেওঁ ইমান ছাত্ৰ লৈছে কিয়? কাম কৰিছে ভালেই কৰিছে, কিন্তু তাৰোতো এটা সীমা আছে।

দাসে পৰিবাৰক ক'লে, "চাহ-তাহ নিদিয়া?" দাসে হাঁহিয়েই আছে, খুব ফুৰ্তি। তেওঁৰ পৰিবাৰৰ মনলৈও এই ভাব সংক্ৰমিত হৈছে।

"ল'ৰা-ছোৱালীক পঢ়ুৱাইছে, ভালেই কৰিছে। এই লৈ ব্যস্ত হৈ আছে, মই হাক নিদিওঁ। পিছে নিজৰো অলপ বিশ্ৰামৰ প্ৰয়োজন। বিনা পইচাত পঢ়ুৱালে ভিৰ নালাগিব কিয়? এনেকৈ চলি থাকিলে ইয়াৰ পাছত হল ভাৰা ল'ব লাগিব।"

ভৃগু চৌধুৰী আচৰিত হৈ গ'ল। তেওঁ ইমানপৰে হিচাপ কৰি আছিল দাসে কিমান টকা উপাৰ্জন কৰে। ছটা বেট্চ, প্ৰতি বেট্চত দহজনকৈ ছাত্ৰ। প্ৰতিজন ছাত্ৰই যদি এশ টকাকৈ দিয়ে তেনেহ'লে কিমান হয়? পূৰণ ক্ৰিয়া শেষ হোৱাই নাছিল।

দাসে অস্বস্তি বোধ কৰিবলৈ ধৰিলে।

"নহয়হে, মানে কিবা এটা কৰি নাথাকিলে ... ... বুজিছে নহয়।"

নাই, চৌধুৰীয়ে একো বুজা নাই। এনেকুৱা কাম কোনেও নকৰে; অন্ততঃ নকৰে বুলিয়েই তেওঁৰ ধাৰণা আছিল।

দাসে কৈফিয়ৎ দিয়াৰ চেষ্টা কৰিলে।

"আপুনিয়েই কওকচোন চৌধুৰী, টকা লৈ এতিয়া আৰু মই কি কৰিম? খাব নোৱাৰোঁ, পিন্ধিব নোৱাৰোঁ, ফুৰা-চকা যে কৰিম তাৰো উপায় নাই। আপোনালোকৰ আশীৰ্বাদত ল'ৰা দুজনে ভাল কামেই কৰে। ডাঙৰজনী বোৱাৰীও একজিকিউটিভ ইঞ্জিনিয়াৰ হৈছে। কোনেও মোৰ টকাৰ ওপৰত নিৰ্ভৰ নকৰে। তেনেহ'লে কওকচোন চৌধুৰী, একো নকয় দেখোন!"

"কি আৰু কম? বাহিৰততো গুজৱ যে আপুনি ঘৰতেই এটা টাকশাল পাতি লৈছে।"

অনন্ত দাসে হাঁহি দিলে। নিৰ্মল স্বচ্ছ হাঁহি। টকা লৈ এতিয়া আৰু মই কি কৰিম? এইটোৱেইতো প্ৰশ্ন। কেইদিনমান আগতে বনমালী শৰ্মা ভৃগু চৌধুৰীৰ ঘৰলৈ আহিছিল। বুঢ়া মানুহ, চৌধুৰীৰ শুভাকাংক্ষী।

"ইফালে দুটামান কোঠা বঢ়াই দি ভাৰা নিদিয়া কিয়? ঘৰৰ কাৰণে যিটো হাহাকাৰ, কমেও হাজাৰ টকা পাবা।"

[১৫]

সত্যজিতৰ মনত কি আছে কোনে কব? পিছে তাৰ কথা-বতৰা শুনিলে বা চালচলন দেখিলে ধাৰণা হয় যে ল'ৰাজনে কোনো কথাই গহীনভাৱে নলয়। এই বয়সতেই যেন পৃথিৱীৰ সকলো গোপন ৰহস্য জনা হৈ গৈছে। এক কৌতুকৰ দৃষ্টিৰে সি পৃথিৱীখনৰ ফালে চাই আছে।

সিদিনা মিনতিয়ে ক'লে, "এই কুকুৰকেইটাই বাৰুকৈয়ে পিছৰ্ত লাগিছে।"

সত্যজিতে সুধিলে, "কোনকেইটা?"

"এই ৰাণাহঁত।"

"কি কৰে? জোকায়? ময়ো জোকালো হয়। পিছে চুবুৰীৰ ছোৱালী, চক্ষুলজ্জা বুলিতো এটা শব্দ আছে।"

"নহয় অ'। বেয়া কথা ক'লে বা জোকালে কোনে কাণ দিয়ে। দিনে দিনে মাত্ৰা চেৰাই গৈ আছে। বিশ্বাস কৰিবি? পৰহি গধূলি বজাৰ কৰি ৰেল লাইনেদি আহি থাকোঁতে অকলে পাই ৰাণাই কাষেৰে পাৰ হৈ যাওঁতে হঠাতে গাতলোৱা চাদৰখনত ধৰি টান মাৰি দিলে। ময়ো চম্ভালি লৈ ছেণ্ডেল খুলি ঠাঁচ কৰে তাৰ মুখত এক কোব লগাই দিলো। ঠিক সেই-সময়তে কমলা মাহীদেউহঁতে লাইন পাৰ হবলৈ ওলোৱাত সি আঁতৰি গ'ল। কালি বাটত পাই সি মোক মটৰছাইকেলেৰে চেপি মাৰিব খুজিছিল। ভাগ্যে জাপমাৰি ড্ৰেইনটো পাৰ হৈ আঁতৰি গ'লো। নহ'লে তাতেই মাৰি পেলাই থৈ গ'লহেঁতেন।"

"মোক এইবোৰ কথা কৈ একো লাভ নাই। মই লেণ্ডেৰা মানুহ। বীৰত্ব দেখুৱাবৰ মোৰ শক্তিও নাই সাহসো নাই। তদুপৰি সিহঁত হ'ল ডাঙৰ মানুহৰ ল'ৰা। পুলিছেও সিহঁতলৈ ভয় কৰে। মোক উচটাই দিয়াৰ চেষ্টা কৰি লাভ নাই। মই দাৰাসিং হোৱা হ'লে চিন্তা নাছিল।"

"কোনে তোক উচটাই দিয়াৰ চেষ্টা কৰিছে? আই কেন টেক কেয়াৰ অব মাইছেলফ।"

সিদিনা ভৃগু চৌধুৰীৰ লগত কথা হোৱাৰ পাছত মিনতিয়ে সত্যজিতক ধৰিলে।

"তই দেখোন ফুটনি মাৰি কৈছিলি যে মোৰ কথা লৈ কাৰো লগত লাগিবলৈ নাযাব। লেণ্ডুৰ-ভেণ্ডুৰ মানুহ, এইবোৰ বাহাদুৰি দেখুৱাবলৈ নাযাবি। এখন ভৰিতো লেণ্ডেৰা, ইখনো যাব।"

সত্যজিতে একো উত্তৰ নিদিলে। মুখৰ মাংসপেশীবোৰ কোঁচাই সি এটা বেকুবৰ দৰে ভংগী কৰিলে মাত্ৰ।

প্ৰচলিত সম্বন্ধবোৰৰ লগত ৰিজাই এইটো সম্বন্ধৰ নামকৰণ কৰিব নোৱাৰি। ভাই-ভনীৰ মাজত থকা সম্বন্ধ নহয়, স্বামী-স্ত্ৰীৰ মাজত থকা সম্বন্ধ নহয়। অইন শব্দ নথকাত বন্ধুত্ব বুলি কব পাৰি। এইটো এটা বহুবোধক শব্দ। বহুতো ভিন্ন পৰ্যায়ৰ সম্বন্ধ বুজাবলৈ থুলমূলকৈ এই একেটা শব্দ ব্যৱহাৰ নকৰি উপায় নাই।

"মনেৰ আগুণ জ্বলেয়া গেইলেন, নিবিয়া গেইলেন না।"

মিনতিৰ আগত গানটো গাই সত্যজিতে লাজ পাইছিল। সি বিনয়ৰ কথা ভাবি গানটো গোৱা নাছিল। মানুহৰ দুৰ্বলতাৰ সুযোগ লৈ তামাচা কৰাটো সত্যজিতৰ স্বভাৱ নহয়।

[১৬]

এজন মানুহৰ অতীতেই হ'ল মানুহজনৰ পৰিচয়। যেতিয়া কোনোবাই কয় এওঁ বৰ ভাল মানুহ তেতিয়া বুজিব লাগিব যে মানুহজনৰ অতীতৰ কাৰ্যকলাপ বিশ্লেষণ কৰি এই সিদ্ধান্ত লোৱা হৈছে। কোনো এজন মানুহৰ অতীতৰ ঘটনাবোৰ নাজানিলে মানুহজনক জানিব নোৱাৰি। মিনতিয়ে তাইৰ জীৱনৰ এটা অধ্যায়ৰ কথা পাহৰিবলৈ বিচাৰে। পিছে অতীত হ'ল জীৱনৰ এটা অংশ। জীৱনৰ এটা অংশ কাটি বাদ দিবতো নোৱাৰি!

বিনয় তালুকদাৰ শৈলেন বৰুৱাৰ দূৰ সম্পৰ্কৰ ভতিজা ল'ৰা আৰু মিনতিৰ মাক স্বৰ্ণলতা মহন্ত হ'ল শৈলেনৰ দূৰ সম্পৰ্কীয় বায়েক। বৰুৱাৰ লগত বিনয় এদিন মিনতিহঁতৰ ঘৰলৈ আহিছিল।

মিনতিৰ দেউতাক যোগেন মহন্ত সদায় অসুস্থ। অন্ততঃ তেওঁৰ ধাৰণা যে তেওঁ অসুস্থ। ৰাতিপুৱা ভাত-পানী খাই ডি. ছি অফিছলৈ যায় আৰু আবেলি অফিছৰপৰা ঘৰলৈ উভতি আহে। তাৰ বাহিৰে তেওঁ কেতিয়াও ঘৰৰপৰা নোলায়; ঘৰলৈ কোনোবা মানুহ আহিলেও তেওঁ ওলাই মাত নিদিয়ে। অফিছলৈ যাওঁতেও তেওঁ মূৰ দাঙি কোনোফালে নাচায়। খোজ-কাঢ়িয়েই তেওঁ অহা-যোৱা কৰে। তেওঁ খোজকাঢ়েও এক বিশেষ ধৰণে। খোজকাঢ়োঁতে প্ৰথমে গোৰোহাটোহে মাটিত পৰে, তাৰ পাছত সমুখৰ অংশ। তেওঁ চুৰিয়াখনো পিন্ধে এক বিশেষ ধৰণে। সমুখত য'ত গাঠি দিয়ে তাৰ পৰা কাপোৰখন সোঁফালে কিছুদূৰ আনি কঁকালৰ ওচৰত খোঁচ মাৰি দি আকৌ সমুখৰ ফালে লৈ যায়। কোনোবাই মাত দিলে সি চৰতি হৈ থকা দৃষ্টিক কেন্দ্ৰীভূত কৰি মানুহজনক চিনি পাওঁতে তেওঁৰ কিছু সময় লাগে।

কোনোবাই দুৱাৰত টুকৰিয়ালে ঘৰত থাকিলেও যোগেন মহন্তই দুৱাৰ খুলি নিদিয়ে। তেওঁৰ পৰিবাৰে বা মিনতিহঁতে ওলাই আহি মাত দিয়ে। তেওঁৰ মনত কি আছে কোনেও নাজানে; তেওঁৰ পৰিবাৰেও নাজানে। কোনো মানুহ বা কোনো বিষয় সম্বন্ধে কেতিয়াও তেওঁ মতামত ব্যক্ত নকৰে। হয়তো কোনো বিষয়ে তেওঁৰ কোনো মতামত নাই, থাকিলেও কাৰো আগত প্ৰকাশ নকৰে। ৰাজনৈতিক পৰিবৰ্তন, চৰকাৰৰ পতন, দেশৰ চাৰিওফালে গা কৰি উঠা বিভিন্ন অশান্তি, একোৱেই তেওঁৰ মনত কোনো প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰে। দক্ষিণ আফ্ৰিকাৰ বৰ্ণ বৈষম্য নীতি, জয়প্ৰকাশ নাৰায়ণৰ আন্দোলন, বেলচিৰ হৰিজন হত্যা, কোনো কথাই তেওঁৰ মনলৈ চাঞ্চল্য কঢ়িয়াই নানে। ঘৰৰ পৰা অফিছ আৰু অফিছৰ পৰা ঘৰ। মানুহৰ লগত তেওঁ কি লৈ কথা পাতিব? মুদ্ৰাস্ফীতি, ক'লা বজাৰ, দুৰ্নীতি, এইবোৰেও নিজ মতামত ব্যক্ত কৰাৰ জোখাৰে তেওঁক উত্তেজিত কৰি নোতোলে।

যোগেন মহন্তৰ পৰিবাৰ স্বৰ্ণলতা মহন্তই ঘৰখনৰ সকলো দায়িত্ব লৈছে; লবলৈ বাধ্য হৈছে। পিছে এইটো তেওঁৰ প্ৰকৃত ভূমিকা নহয়। কেতিয়াবা তেওঁ সংসাৰৰ খৰচ কমোৱাৰ কাৰণে ব্যস্ত হৈ উঠে। খোৱাবোৱাৰ মান একেবাৰে নিকৃষ্ট হৈ পৰে। যোগেন মহন্তই অৱশ্যে একো নকয়; যি দিয়ে তাকেই খায়। মিনতিয়েও আপত্তি নকৰে। কিন্তু প্ৰণতি আৰু আৰতিয়ে ভাতৰ পাতত বহি থেন-থেনাবলৈ ধৰে। স্বৰ্ণলতাৰ খং উঠি যায়।

"পোলাও কালিয়া লাগে? ৰাজকুঁৱৰী! যি পাইছ তাকে খা। এইখিনি যে পাই আছ এইটোৱেই তহঁতৰ ভাগ্য।"



OKDISCD

কেতিয়াবা আকৌ তেওঁ উদাৰ হৈ পৰে। খোৱাবোৱাৰ মান উন্নত হৈ পৰে।

"আচল কথা হ'ল স্বাস্থ্য। স্বাস্থ্য ভাল নাথাকিলে সকলো মিছা। বেমাৰ-আজাৰ হ'লে পাছত কোনে চম্ভালিব? ভাতবোৰ এৰিলি কিয়? ৰ, এডোখৰ মাছ দিওঁ।"

হয় তেওঁৰ স্বামী এজন অপদাৰ্থ বা বেয়া মানুহ আৰু বাকী সকলো ভাল, অথবা তেওঁৰ স্বামী এজন ভাল মানুহ আৰু বাকী সকলো বেয়া। স্বৰ্ণলতা মহন্তৰ সন্মুখত এই দুটা বিকল্প পন্থা আছিল। তেওঁ শেষৰ চিন্তাধাৰাটোকেই বাছি ল'লে। তেওঁ নিজকে পতিয়ন নিয়ালে যে যোগেন মহন্ত এজন অতিশয় ভাল মানুহ আৰু আত্মীয় স্বজনকে ধৰি বাকী সকলো মানুহ তেওঁলোকৰ শত্ৰু। সকলোৱে তেওঁলোকক তুচ্ছ-তাচ্ছিল্য কৰে, অৱজ্ঞা কৰে। এই লৈ চিন্তা কৰি কৰি তেওঁ নতুন নতুন অৱজ্ঞাৰ উদাহৰণ আবিষ্কাৰ কৰে। তেওঁৰ প্ৰত্যয় দৃঢ়তৰ হয়। আত্মীয়-স্বজনৰ প্ৰতিটো ভংগী আৰু প্ৰতিটো উক্তিৰ অন্তৰালত অৱজ্ঞাৰ ইংগিত বিচাৰি উলিয়াই আৰু বেছিকৈ উত্তেজিত হৈ পৰে। অইন কোনো কথাতেই আগ্ৰহ নাথাকিলেও এই বিষয়ে যোগেন মহন্ত যথেষ্ট আগ্ৰহশীল। এই বিষয়ে স্বামী-স্ত্ৰীৰ খুব মিল। সৰু ছোৱালী দুজনীও সমান তালত গঢ়ি উঠিছে। মিনতিয়ে এইবোৰ আলোচনাত যোগ নিদিয়ে। শুনি শুনি কেতিয়াবা তাই বিৰক্ত হৈ উঠে।

"কি এইবোৰ বাজে কথা লৈ আলোচনা কৰি থাকা? ভাল্ নালাগে।"

"কিহৰ বাজে কথা? কোনে আমাৰ খবৰ লয়?"

"তোমালোকে কাৰ খবৰ লোৱা?"

"তয়েই কচোন, তোৰ মামাৰহঁতে কেইদিন আহি খবৰ লয়?"

মামাইঁতো প্ৰায়েই আ.ে। দেউতা কেতিয়াবা গৈছে?"

"কিয় যাব? সিহঁত ডাঙৰ মানুহ। তোৰ দেউতাৰে অপমান গাত পাতি ল'বলৈ কিয় যাব?"

"মিছা কথাবোৰ ভাবি ভাবি জ্বলি থাকিলে কোনে কি কৰিব?"

শৈলেন বৰুৱাই বিনয়ক লৈ এদিনা মহন্তহঁতৰ ঘৰলৈ আহিছিল। বিনয় ভাল ছাত্ৰ, অৰ্থনীতিত প্ৰথম শ্ৰেণী পাই এম. এ. পাছ কৰি স্থানীয় কলেজ এখনত কাম কৰি আছে।

এনেয়ে স্বৰ্ণলতা দেৱীৰ মেজাজ উগ্ৰ। ঘৰৰ সকলোকে চৌবিছ ঘণ্টা গালি পাৰি থাকিলেও বাহিৰা মানুহৰ লগত তেওঁৰ ব্যৱহাৰ খুব ভাল।

তেওঁ বিনয়ক ক'লে, "আহিবা, মাজে মাজে আহি থাকিবা।"

বিনয় ডেকা ল'ৰা, ঘৰত তিনিজনী ধুনীয়া ছোৱালী। অজ্ঞাতসাৰে মনত এটা আকৰ্ষণৰ সৃষ্টি হোৱাটো স্বাভাৱিক।

হঠাতে এটা চিন্তাই স্বৰ্ণলতা মহন্তৰ মনত ঠাই ল'লে। কিয় হ'ব নোৱাৰে? মিনতি দেখাত ধুনীয়া, পঢ়াতো ভাল। অৰ্থনীতিত অনাৰ্ছলৈ বি. এ. পঢ়ি আছে। যোগেন মহন্তক তেওঁ নিজে যে ভাল ভাল বুলি কৈ থাকে সেইবোৰ কথা তেওঁ পাহৰি গ'ল। এইজন মানুহে দৰা ঠিক কৰি ছোৱালীৰ বিয়া দিব? সেই আশাত বহি থাকিলে হৈছে। আত্মীয় স্বজন? কাৰ কি গৰজ? সকলোৱে নিজ নিজ তাল লৈ ব্যস্ত। অইনৰ কথা চিন্তা কৰাৰ সময় ক'ত? টকা থকা ডাঙৰ মানুহ হোৱা হ'লে সকলো আগবাঢ়ি আহিলে হয়। এতিয়া তেওঁলোকক মানুহে কিয় খাতিৰ কৰিব?

বিনয় সঁচাকৈ বৰ ভাল ল'ৰা। ঘৰৰ ল'ৰাৰ দৰে আহি থাকে, ভেম-ফুটি নাই। এনেকুৱা দৰা পোৱা ভাগ্যৰ কথা। পাব নোৱৰাৰ কি কাৰণ আছে? সম্ভাৱনাৰ কথা ভাবি স্বৰ্ণলতা উত্তেজিত হৈ উঠিল। পৃথিৱী সম্বন্ধে তেওঁৰ জ্ঞান হ'ল পৰোক্ষ জ্ঞান। বাধ্য হৈ সংসাৰ চলোৱাৰ দায়িত্ব লবলগীয়া হৈছে। নিজৰ দুখৰ কথা ভাবি তেওঁৰ মনটো বেদনাৰ্ত হৈ উঠিল। এইজন মানুহৰ হাতত পৰি তেওঁৰ জীৱনত একোৱেই নহ'ল। গোটেই জীৱন ধৰি সেই ৰন্ধাবঢ়া আৰু খোৱা। এইটো এটা মানুহ নে?

মিনতিক তেওঁ উপদেশ দিলে।

"অনাৰ্ছৰ কিবা বুজি পোৱা নাই বুলি কৈ আছিলি দেখোন। বিনয়দাৰ পৰা বুজি নলৱ কিয়?"

বেচেৰী সৰল মহিলা। তেওঁৰ ধাৰণা অনুমান সিদ্ধ কাল্পনিক ধাৰণা। প্ৰেম সম্বন্ধে তেওঁৰ কোনো ধাৰণাই নাই। চৈধ্য পোন্ধৰ বছৰমান বয়সত বিয়া হৈছে। মহন্তই কোনোদিনাই তেওঁৰ লগত প্ৰেমালাপ কৰা নাই। ভাৱসাম্য ৰক্ষা কৰি স্থিৰ হ'ব পৰাৰ আগতেই মিনতিৰ জন্ম হ'ল। স্বৰ্ণলতা ৰক্ষণশীল পৰিয়ালৰ ছোৱালী। এনেকুৱা পৰিয়ালৰ ছোৱালী প্ৰেমত নপৰে। পৰম্পৰাও নাই, সুবিধাও নাই। ছিনেমা চাই আৰু সাধাৰণ উপন্যাস পঢ়ি তেওঁৰ প্ৰেমৰ ধাৰণা গঢ়ি উঠিছে। বাস্তৱ জীৱনৰ লগত এইবোৰ ঘটনাৰ কোনো সম্পৰ্ক নাই। জীৱনত তেওঁ অসমৰ বাহিৰলৈ যোৱা নাই। অসমৰ বাহিৰলৈ কিয়? অসমৰ কেইখন ঠাই তেওঁ দেখিছে? ইমান আৰ্থিক অনাটনৰ মাজতো তেওঁ পিছে প্ৰভাৱতী দেৱী সৰস্বতী, সৌৰীন্দ্ৰ মোহন মুখোপাধ্যায় ইত্যাদি আপেক্ষিকভাৱে অখ্যাত বাঙালী লেখকৰ উপন্যাস গোগ্ৰাসে গিলিছে আৰু ছিনেমা চাইছে। তেওঁৰ জীৱনৰ একমাত্ৰ চখ হ'ল ছিনেমা চোৱা। কোনো এখন ছিনেমা বাদ নিদিয়ে। যোগেন মহন্তৰ এইবোৰত আগ্ৰহ নাই। স্বৰ্ণলতাই চুবুৰীৰ আৰু-তাক লগ ধৰে, লগ নাপালে অকলেই যায়। ছিনেমাখন যিমানেই আবেগসৰ্বস্ব হয় সিমানেই ভাল। ছিনেমাৰ নায়িকাৰ জীৱনত নিজৰ জীৱনৰ আশা-আকাংক্ষাৰ তীৰ্যক প্ৰতিফলন দেখি তেওঁ ৰোমাঞ্চিত হৈ উঠে। স্বৰ্ণলতাৰ প্ৰেম সম্বন্ধে ধাৰণা সম্পূৰ্ণৰূপে কল্পনা-প্ৰসূত ধাৰণা।



মিনতিক বহাকোঠাৰ পৰা আহি শোৱাকোঠাত সোমোৱা দেখি স্বৰ্ণলতা বিৰক্ত হৈ গ'ল। নাই, এইজনী ছোৱালীৰ একো নহয়। আৰু নো কিমান স্পষ্টকৈ নিৰ্দেশ দিব পাৰি? খণ্ডত তেওঁৰ মুখখন বিকৃত হৈ গ'ল। চেষ্টা কৰি মুখৰ ভাব সহজ কৰি তেওঁ স্বাভাৱিক সুৰত মিনতিক মাতিলে।

"এই মিনতি।"

"কি?"

"এই অলপ বাহিৰৰ কোঠাত বহচোন, মই চাহকাপ কৰি লৈ যাওঁ। ল'ৰাজন অকলে অকলে থমথমকৈ বহি আছে।"

মিনতিয়ে মাকৰ কথালৈ কাণ নিদিয়াকৈ কোঠালৈ সোমাই গ'ল। কথাৰ উত্তৰ দিয়াৰো তাইৰ অৱস্থা নাছিল। এক অসহনীয় মানসিক অস্থিৰতাত তাই অস্থিৰ হৈ আছিল। নিজৰ কলেজৰে হওক বা অইন কলেজৰে হওক অসমীয়া ভাল ছাত্ৰ-ছাত্ৰীৰ অধ্যাপক সম্বন্ধে স্বাভাৱিক সমীহৰ ভাব এটা থাকে। বিনয় তালুকদাৰ নিজে সিহঁতৰ ঘৰলৈ আহিছে, এইটোৱেই এটা ডাঙৰ কথা। কোনোৰকম অহংকাৰ নাই; কি সহজ আৰু অমায়িক ব্যৱহাৰ! বিনয়ে তাইক কিবা ক'লে তাইৰ খেলিমেলি লাগি যায়; বুকুখনৰ ইমান ধিপধিপনি উঠে যে তাই মুখেৰে একোকে মাতিব নোৱৰা হৈ পৰে। বিনয়ৰ সমুখত কেনেকৈ থিয় হ'ব, হাতদুখন কি অৱস্থাত ৰাখিব তাই কব নোৱৰা হৈ পৰে।

"এনেকৈ থিয় হৈ আছা কিয়? বহা।"

বিনয়ে কথাৰ লাচতে মিনতিৰ হাতখনত ধৰি সামান্যভাৱে আকৰ্ষণ কৰিলে। আকস্মিক সামান্য স্পৰ্শ। কলেজলৈ তাই ছিটিবাছেৰে অহা যোৱা কৰে। মানুহৰ গাত গা লগা ঠেলাহেঁচা, সেইবোৰক খাতিৰ কৰিলে তাইৰ নচলে। কিন্তু বিনয়ে সামান্য-ভাৱে তাইৰ হাতখন স্পৰ্শ কৰাৰ লগেলগে তাইৰ গোটেই শৰীৰেদি এটা বিদ্যুৎ তৰংগ প্ৰবাহিত হৈ গ'ল। তাই একো কব নোৱৰা হৈ পৰিল। তাইৰ দেহৰ কোষবোৰ স্বাভাৱিক কামকাজ কৰাৰপৰা বিৰত হ'ল। ইন্দ্ৰিয়বোৰ নিশ্চল হৈ পৰিল। এইয়া কি তেনেহ'লে মৃত্যু?

নাই, তাই বিনয়ৰ কাষত বহিব নোৱাৰে। অসম্ভৱ। তাতেই তাই মৰি থাকিব। থিয় হৈ থকাও অসম্ভৱ। মূছকছ গৈ বাগৰি পৰাৰ বেছি দেৰী নাই। স্খলিত পদক্ষেপেৰে যন্ত্ৰৰ দৰে শোৱাকোঠাৰ বিছনাখনত বাগৰি পৰি-বলৈ তাই আগবাঢ়ি গ'ল।

বিনয় তালুকদাৰে ইণ্ডিয়ান ইক-নমিক ছাৰ্ভিছত কাম পাই গুচি গ'ল। উচ্চাকাংক্ষা আছে, যোগ্যতা আছে, চেষ্টাও আছে, উন্নতি নহ'ব কিয়? মিনতিহঁতে একো গম পোৱা নাছিল। কিছুদিনৰপৰা বিনয় অহাও নাই। সত্যজিতেই খবৰটো দিলে।

"গুণাৰ মিৰ্ডালে কলেজৰ কাম এৰি গ'ল।" মিনতিয়ে একো বুজি নাপালে।

"কোন?"

"আৰে বাবা, গুনাৰ মিৰ্ডাল। তহঁতৰ ঘৰলৈকো মাজেমাজে আহি আছিল দেখোন। কিবা হয় নেকি?"

"ধেমালি বাদ দেচোন। কাৰ কথা কৈছ?"

"তোৰ ইকনমিকছত অনাৰ্ছ আছে দেখোন।"

"তাতে কি হ'ল?"

"গুনাৰ মিৰ্ডালৰ নাম শুনা নাই, তেওঁৰ লিখা এছিয়ান ড্ৰামা কিতাপ-খনৰ কথা নাজান? বিনয় তালুক-দাৰে ক্লাছত পাঠ্য বিষয়ৰ কথা নকৈ মিৰ্ডালৰ বিষয়ে লেকচাৰ দিয়ে। সক-লোৱে তেওঁক গুনাৰ মিৰ্ডাল বুলি জানে।"

ইয়াৰ পাছত স্বৰ্ণলতা মহন্তৰ কিবা এটা হ'ল। বিনয়ে মিনতিক বিয়া কৰাব এই আশাক প্ৰশ্ৰয় দিয়াটোৱেই বলিয়ালিৰ লক্ষণ। কেঁচুৱা এটাই জোনবাই বিচাৰিব পাৰে, সেইবুলি বয়সীয়াল মহিলা এজনীয়েও জানো পাৰে? বিনয়ক দোষ দিয়া উচিত নহয়। কাৰোবাৰ মনত যে সি এটা অবাস্তৱ সপোনৰ সৃষ্টি কৰিছিল এই বিষয়ে সি আছিল সম্পূৰ্ণ অজ্ঞ। স্বৰ্ণলতা মহন্তই নিজৰ কল্পিত মনো-ভাব বিনয়ৰ ওপৰত জাপি দিলে। সকলো পিনৰপৰা বঞ্চিত এজনী মহি-লাৰ মনত সি যে কি ধুমুহাৰ সৃষ্টি কৰিছিল সেইকথাৰ সি সামান্যও ভু পোৱা নাছিল।

স্বৰ্ণলতা দেৱী পগলা হ'ল। পগলা বুলিয়েই ক'ব পাৰি। বলিয়া-লিৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নাই আৰু ইয়াৰ প্ৰকাশেও কোনো নিৰ্দিষ্ট সূত্ৰ মানি নচলে। বিনয়ৰ সমুখলৈ তেৱেঁই মিনতিক ঠেলি দিছিল। এতিয়া আকৌ তেওঁ মিনতিৰ যৌন শুচিতা আৰু মানসিক পবিত্ৰতা ৰক্ষা কৰাৰ কাৰণে অতিপাত সতৰ্ক হৈ পৰিল। তাই কলেজৰ পৰা অলপ পলমকৈ আহিলে তেওঁ অধৈৰ্য হৈ উঠে।

"কলেজত পঢ়ি এওঁ ফলাব। আমি নো কোন কলেজত পঢ়িছোঁ?"

ডেকা ল'ৰা, আনকি সম্বন্ধীয় কোনো ডেকা ল'ৰাৰ লগত মিনতিক কথা পাতি থকা দেখিলেও তেওঁ জ্বলি উঠে।

"তই ইয়াত কি মেল মাৰি আছ? ঘৰৰ কামবোৰ পৰি আছে, কোনে সেইবোৰ কৰিব, মই?"

মিনতিয়ে আচৰিত হৈ প্ৰশ্ন কৰিলে "দুলুদাৰ সমুখত এনেকুৱাকৈ ডাবি দিলা কিয়?"

"মতা মানুহৰ লগত গা ঘেলাব নালাগে। বিনয়ে কি কৰিলে? ভৰিত ধৰিবলৈ গৈছিলি নহয়, ভৰিখন জোকৰ মাৰি আঁতৰাই দি গুচি নগ'ল?"

মিনতি হতবাক হৈ গ'ল। তাই সপোনতো ভবা নাছিল যে মাকে মনত এই ধৰণৰ এটা আশা পোষণ কৰি আছিল। লাজ আৰু অপমানত তাই মৰি যোৱা যেন হ'ল। বন্ধ

৫৪ পৃষ্ঠাত চাওক



OKDISCD

# অসমীয়া ভাওনাৰ স্বৰূপ

জয়কান্ত গন্ধীয়া

এজনৰ ভাব-ভংগী, ধ্যান-ধাৰণা আন এজনে তৃতীয় ব্যক্তিক দেখুউৱাই হ'ল ভাওনা। ভাওনা শব্দটো শংকৰদেৱৰ দিনৰপৰাহে (বা পাছৰপৰাহে) অধিকভাৱে প্ৰচলিত হোৱা বুলি অনুমান কৰিব পৰা যায়। বৈষ্ণৱ ধৰ্ম-প্ৰচাৰৰ বাহন স্বৰূপে মহাকলাকাৰ শংকৰদেৱে উদ্ভাৱন কৰা 'ভাওনা'ৰ শুভাৰম্ভ হয় ১৪৬৮ খৃ.ৰপৰা; হেঙুল-হাইতালেৰে সাত বৈকুণ্ঠৰ চিত্ৰপট আঁকি 'কপিলী নদীৰ মুখৰপৰা কুমাৰ অনাই' মাটিৰে খোল গঢ়াই 'চিহ্নযাত্ৰা' অভিনয় কৰা দিনৰেপৰা। শংকৰদেৱেই হ'ল অসমৰ নাট্য-আন্দোলনৰ প্ৰথম হোতা। নিজে নাট লিখি, গাই-গোৱাই, নাচি-নচুৱাই তেওঁ নাট্যজগতত এক অভূতপূৰ্ব আলোড়নৰ সূচনা কৰি গ'ল, সামাজিক আৰু সাংস্কৃতিক বিপ্লৱ সংঘটিত কৰি গ'ল। ভাওনা আমাৰ জাতীয় সম্পদ। "অনুকৰণ বিষয়ত নিখুঁতভাৱে সুকুমাৰ কৌশল প্ৰকাশতেই ভাওনাৰ শ্ৰেষ্ঠতা প্ৰকাশ পায়। গুৰুজনাৰ অংকীয়া নাট বা অংকীয়া ভাওনাৰ লগত আংগিক আৰু বিষয়ৰ সম্পৰ্ক ৰক্ষা কৰি পৰিবেশন কৰা ভাওনা এবিধ উৎকৃষ্ট কলা।" এই কলা সম্পূৰ্ণৰূপে শাস্ত্ৰ সংগৃহীত (মাৰ্গীয় বুলিহে ক'ব লাগে) আৰু আধ্যাত্মিকতাৰ ওপৰত আধাৰিত। প্ৰবন্ধটিত আমি নাট এখন ভাওনা (থিয়েটাৰ বা যাত্ৰা নহয়) কৰিবৰ বাবে নিম্নতম যিখিনি কলা-কৌশল সাধাৰণভাৱে জনা দৰকাৰ, তাৰে চমু আলোচনা কৰিবলৈ আগবাঢ়িছোঁ।

## ভাওনাৰ থলী

সাধাৰণতে নামঘৰেই ভাওনাৰ থলী। নামঘৰ আহল-বহল নহ'লে, নামঘৰৰ কাষৰ ঠাইকণ সুচল নহ'লে মুকলি ঠাইত পুবা-পশ্চিমাকৈ ডাঙৰ ৰভা দিও ভাওনা কৰা হয়। ৰভা ঘৰৰ পুব পিনে থাপনা (নামঘৰত থাপনা থাকেই) পতা হয়। ওচৰতে জ্ঞানৰ প্ৰতীক এগছি বন্তি। থাপনাৰ কাষতে ভাওনা কৰিব লগা নাটখন শৰাই বা ঠগাত সজাই থোৱা হয়। নাটখন পাছত সূত্ৰধাৰে ৰংগথলীলৈ আনি ল'বৰ নিয়ম। থাপনাৰপৰা কিছু পশ্চিমলৈ বা মণিকূট বাদ দি নামঘৰৰ প্ৰথম দুকোঠাত বা তিনি-কোঠাত তিনি ফালৰপৰা দৰ্শকে ভাওনা চাব পৰাকৈ ভাৱৰীয়াই নাচ-ৰাগ কৰিবলৈ, গায়ন-বায়ন বহিবলৈ এডোখৰ আছুতীয়া ঠাই ৰখা হয়। ইয়াৰে নাম ৰংগভূমি বা ৰংগথলী। আগৰ দিনত ৰংগথলীৰ উত্তৰে-দক্ষিণে এফালে ন গছি আৰু এফালে বাৰ গছি (ইয়াৰ তাত্ত্বিক ব্যাখ্যা আছে) চাকি জ্বলোৱা হৈছিল। মাটিৰ ঘটত বা দীঘল বাঁহৰ চুঙাত মিঠা তেল ভৰাই শলিতা দি এই চাকি তৈয়াৰ কৰা হয়। ইয়াত কেৰাছিন তেল দিয়া নিষেধ। এই চাকিৰ নাম 'মতা' বা 'মহতা' (আঠ ভুজ বেকত কৰিলা সেহিক্ষণ। লগায়া ছিলন্ত 'মতা' পৰম শোভন॥)। বিজুলী চাকি আৰু বেলি-চাকিৰ (মেন্থল-লাইটৰ) দিনতো কোনো কোনো ঠাইত মহতা জ্বলোৱা নিয়ম ৰক্ষা কৰা দেখা যায়। ৰংগথলীৰ কিছু পশ্চিমলৈ এটি তোৰণ। তাতো আকৌ নৱৰসৰ প্ৰতীক ন-গছি বন্তি। সেয়ে অগ্নিগড়। গায়ন-বায়নকে আদি কৰি ভাওনাৰ যি কোনো চৰিত্ৰই (ভাৱৰীয়াই) এই অগ্নিগড়ৰ মাজেদি প্ৰবেশ কৰাৰ নিয়ম। অগ্নিগড়ৰো তাত্ত্বিক ব্যাখ্যা আছে। ৰভাঘৰৰ গাতে লগাকৈ ছোঁ-ঘৰ। তাতে ভাৱৰীয়াই সাজ-পাৰ পিন্ধে। ছোঁ-ঘৰ আৰু ৰভাঘৰৰ মাজত এখন আঁৰ কাপোৰ তৰিবৰ নিয়ম। তাতে ম'ৰা চৰাই, ঐৰাৱত, গৰুড় পখী, গছ-বন আদি আঁকিব লাগে।



## গায়ন-বায়ন

অসমীয়া ভাওনাৰ সৰ্বপ্ৰথম অংশ (বা অংগ) হ'ল গায়ন-বায়ন। সংস্কৃত নাটৰ পূৰ্বৰংগৰ আহিৰে মহাপুৰুষে এই অংশটি সৃষ্টি কৰিলেও ইয়াত তেওঁৰ নিজস্বতা সম্পূৰ্ণই বিদ্যমান। 'গায়ন' শব্দই গায়ক আৰু 'বায়ন' শব্দই বাদকক বুজায়। গায়ন-বায়নসকলে 'বচোৱাল' নামৰ এবিধ সাজ পিন্ধাৰ নিয়ম। বচোৱালৰ ওপৰ ভাগত এটা বুকু-চোলা। এই চোলা চুটি। ৰঙত বগা। গায়ন-বায়নৰ মূৰত বগা পাগুৰি। এই পাগুৰিৰ সন্মুখ ভাগ ওপৰলৈ জোঙাকৈ বিশেষ কায়দাত মাৰিব লাগে। বচোৱাল আৰু পাগুৰিৰ অবিহনে গায়ন গাবলৈ যোৱাটো অশুদ্ধ কাম। গায়নৰ প্ৰথম বাজনা— ধেই তাওঁ তা তাওঁ তাচ তাওঁ···। পিছে 'ধেই' ধ্বনিত কৰাৰ আগত তলৰ শ্লোকটিৰে গায়ন-বায়নে দৰ্শকক সাৱধান কৰি দিয়াৰ নিয়ম:

যেষাং শ্ৰীমদ্ যশোদাসুতপদ্ কমলে
নাস্তিভক্তিৰ্নৰাণাম্।
যেষামাভিৰ কন্যা প্ৰিয়গুণা, কথনে
নানুৰক্তা ৰসজ্ঞা॥
যেষাং শ্ৰীকৃষ্ণ লীলা ললিত নিশমনে
সাদৰৌ নৈবতু কৰ্ণৌ।
ধিকতান্ ধিকতান্ ধিগেতান কথয়তি
নিয়তং কীৰ্ত্তনস্থো মৃদঙ্গঃ॥

গায়ন-বায়নে চাহিনীৰ উপৰিও নাট ধেমালি, বান ধেমালি, সৰু ধেমালি, বৰ ধেমালি, ঘোষা ধেমালি, দেৱ ধেমালি, ৰাগ ধেমালি, চোৰ ধেমালি আদি বজাই 'পূৰ্বৰংগ'ৰ কাম-সামৰিব লাগে। সত্ৰবিলাকত সত্ৰাধিকাৰ বা গুৰুজন আহি নামঘৰত আসন গ্ৰহণ কৰাৰ পাছত গায়ন-বায়নে 'গুৰুঘাত' বজায়। ইয়াৰ পাছতে গুৰুৰপৰা আনুষ্ঠানিক অনুমতিৰ বাবে 'গুৰু-প্ৰদক্ষিণ' কৰাৰ নিয়ম। গুৰু-প্ৰদক্ষিণৰ লগে লগে ঘোষা ধেমালি মৰা হয়। এই সময়ত বাঁও আঁঠু মাটিত পেলাই সোঁ আঁঠু দাঙি ল'ব লাগে। এনেদৰে প্ৰতিখন বাজনাত বেলেগ বেলেগ মুদ্ৰা ভংগী আৰু বেলেগ বেলেগ পদ-চালনাৰ নিৰ্দিষ্ট নিয়ম আছে, এইখিনি সম্পূৰ্ণ আয়ত্ত নকৰাকৈ গায়ন-বায়নৰ বচোৱাল পিন্ধি ঐতিহ্য নষ্ট কৰাটো অপৰাধমূলক কাম (অথচ অসমৰ প্ৰায়বোৰ গাঁৱত আজি সেয়ে হৈ আছে।) ঘোষা ধেমালিৰ সময়তে গায়ন-বায়নৰ সন্মুখৰ ঠাইকণ মচি-কাচি দিব লাগে; তালৈ গৈ গায়নে নাম-ঘোষাৰপৰা অতি কমেও তিনিফাকিমান পদ গায়। পদ গোৱা শেষ হ'লেই বায়নৰ খোলত বাজি উঠে আমাৰ সেই চিৰ পৰিচিত বাজনাখন···গ্ৰীং··· গ্ৰীং···তাক্··· ধিন···তাচ্···তাওঁ···

লগে লগে ছোঁ-ঘৰৰ পৰা ওলাই আহি অগ্নিগড়ৰ মাজেদি সূত্ৰধাৰ প্ৰৱেশ কৰে। প্ৰকাশ কৰে পদ্ম মুদ্ৰা, ভ্ৰমৰ মুদ্ৰা আৰু আন আন ভক্তি-জ্ঞাপক মুদ্ৰা। "অসমীয়া নাটত সূত্ৰধাৰ কেন্দ্ৰীয় চৰিত্ৰ, নাটৰ আদিৰ পৰা অন্তলৈকে অবিচ্ছেদ্যভাৱে জড়িত। অসমীয়া নাট-ভাওনাত সূত্ৰধাৰ একেধাৰে গায়ক, নৰ্ত্তক, পৰিস্থিতি ব্যাখ্যাকাৰী আৰু অভিনয় পৰিচালক"। প্ৰৱেশৰ পাছতে সূত্ৰধাৰে এই ৰাগটি দিব লাগে—আ···তা···না···না···না। অৰ্থাৎ আত্মাৰ বিনাশ নাই। সূত্ৰধাৰৰ সাজ-পাৰ মন কৰিব লগা। ব'গা, হাত-দীঘল চোলা আৰু ঘৰ্গা বহল ঘূৰি। মূৰৰ পাগটোৰ ৰাজপুত সেনানীৰ পাগ আৰু মোগল সম্ৰাটৰ পাগৰ লগত মিল আছে। এওঁ হাতত গামখাৰু, ভৰিত জুনুকা, ডিঙিত সোণৰ মণি, ককালত টঙালি পিন্ধিব লাগে। সূত্ৰধাৰৰ গোটেই সাজটোৱে উভয় লিংগকে সূচনা কৰে, প্ৰকৃতি-পুৰুষৰ (জড়-চৈতন্যৰ) সমাহাৰ বুজায়।

## অন্যান্য ভাৱৰীয়া

অসমীয়া ভাওনাৰ লগত গীত আৰু নৃত্যৰ সম্পৰ্ক বৰ ওচৰ চপা। গীত নৃত্যক বাদ দি আমাৰ ভাওনা নহয়। নৃত্য শব্দৰে ইয়াত বিভিন্ন ভাৱৰীয়াৰ প্ৰৱেশ-নাচ, অন্যান্য নাচ আৰু প্ৰাসংগিক খোজ-কাটলবিলাকক বুজোৱা হৈছে। অসমীয়া ভাওনাত সূত্ৰধাৰৰ পিছতে ৰাম বা কৃষ্ণৰ প্ৰৱেশ। এওঁলোকৰ পিছতহে আন আন ভাৱৰীয়াই প্ৰৱেশ কৰাৰ নিয়ম। বিশেষ উল্লেখযোগ্য কথা যে আমাৰ ভাওনাৰ সকলো ভাৱৰীয়াই অগ্নিগড়ৰ তলেদি সোমাই জনাই নাচি নাচি প্ৰৱেশ কৰিব লাগে। প্ৰৱেশ-নাচবিলাক বেলেগ-বেলেগ। ভাওনাৰ যুদ্ধ আদিৰ সকলো কামেই নাচি-নাচি কৰা হয়। ভাৱৰীয়াই বচন মাতোঁতেও একো-একোটা ভংগিমা দেখুৱাইহে মাতে। ৰংগথলীলৈ নাচি নাচি প্ৰৱেশ কৰা, অন্যান্য কাৰ্যবিলাকো নাচি-নাচি কৰা এই ব্যৱস্থাটোৰ আহি নাট-ভাওনাৰ আদি গুৰু শ্ৰীশংকৰে প্ৰাচীন অসমৰ 'কামৰূপীয়া ঢুলীয়া', ওজাপালি, পুতলা নাচ আৰু তাঞ্জোৰ অঞ্চলত প্ৰচলিত 'ভাগৱত মেল নাটক'ৰ পৰা লোৱা যেন অনুমান হয়। অসমীয়া ভাওনাত ভাৰতীয় মাৰ্গীয় নৃত্যৰ প্ৰথম দুজনা নৰ্ত্তক নটৰাজ শিৱ আৰু নটবৰ কৃষ্ণৰ উল্লাহপূৰ্ণ, গম্ভীৰ, পৌৰুষ-প্ৰধান (তাণ্ডৱ) আৰু চপল, চিত্তাকৰ্ষক, লাস্যপূৰ্ণ (লাস্য) নৃত্যৰ সুন্দৰ প্ৰকাশ দেখিবলৈ পোৱা যায়। প্ৰথম অৱস্থাত ভাৱৰীয়াৰ চাপকন, টঙালি, ডাঢ়ি-চুলি, মুখত ঘঁহিবলৈ নানা বিধ ৰং আমাৰ ইয়াতে তৈয়াৰ কৰা হৈছিল।

আগৰ ভাৰৱীয়াৰ জামা নাছিল, বঙলুৱা শাৰীৰ ধুতি (চুৰিয়া) নাছিল; আগৰ ভাৰৱীয়াই নাইলনৰ মোজা নলৈছিল। ঘৰতে তৈয়াৰ কৰা বা আন ৰংচঙীয়া চুৰিয়াৰ থোৰ ওলোটাই পিছপিনে পোন্ধ মাৰি টঙালিৰে আঁতি লৈছিল। বীৰ বা সৈন্যৰ পোছাক কটকটীয়াকৈ বন্ধা। বুকু ফালে বুকালি। ভাৰৱীয়াই কুৰ্তা, কুৰমণি, মুকুট আদি ব্যৱহাৰ কৰে। শ্ৰীকৃষ্ণৰ মুকুট কোনো ঠাইত দীঘল-দীঘল ম'ৰা পাখিৰে আৰু বিশেষ কৌশলেৰে সজা হৈছিল। সাধাৰণ স্ত্ৰী চৰিত্ৰৰ প্ৰধান সাজ ৰিহা-মেখেলা। তাৰ ওপৰত ৰাজকীয় সাজ-পোছাকৰ প্ৰলেপ প্ৰয়োজন মতে দিবই লাগিব। বিশেষ কিছুমান স্ত্ৰী চৰিত্ৰই 'লহঙা' নামৰ এবিধ বিশেষ পোছাক পৰিধান কৰাৰহে নিয়ম। ভাৰৱীয়া সকলৰ কথোপকথন, বিলাপ আদি আৰু খোজ-কাটল ৰংগথলীত অৰ্থাৎ সূত্ৰধাৰৰ সন্মুখতহে হ'ব লাগে। কোনো নাটকীয় চৰিত্ৰ বা বীৰৰ মৃত্যু হ'লে ভাও লোৱা মানুহজনক অইন লোকে (এই কামৰ বাবে অতিৰিক্ত দুটি চৰিত্ৰ সংযোজন কৰি সাজ-পাৰ পিন্ধাই ৰাখিলে দৰ্শকৰ ৰস ভংগ হ'বৰ ভয় নাথাকে। তেওঁলোকৰ বাবে প্ৰবেশ নাচ বা কথা-বতৰাৰ প্ৰয়োজন নহ'ব।) ৰংগথলীৰপৰা আঁতৰ কৰি দিয়াৰ নিয়ম। মৰা বীৰে জী উঠি খোজকাঢ়ি নাযায়। ভাৰৱীয়াই ভাও শেষ হোৱাৰ পাছত যেনে আছিল তেনেদৰেই ছোঁ-ঘৰত জিৰণি ল'ব লাগে বা ৰংগথলীৰ একাষে বহি থাকিব লাগে। কিয়নো মুক্তিমংগল ভটিমা গোৱাৰ পাছত সকলো ভাৰৱীয়াই একেলগে দৰ্শক মণ্ডলীক সেৱা কৰাটো ধৰা-বন্ধা নিয়ম। এই সেৱাৰ পাছতহে ভাৰৱীয়াৰ কাম শেষ হয়।

### বাদ্য-যন্ত্ৰৰ সংযোজনা

অসমীয়া ভাওনাৰ প্ৰধান বাদ্য-যন্ত্ৰ খোল আৰু তাল। পূৰ্বে আমাৰ ইয়াত মিদং (বা মৃদং) নামৰ বাদ্য বিধহে প্ৰচলিত আছিল। এই বাদ্যযন্ত্ৰ-বিধ আজিও অৱশ্যে লোপ পোৱা নাই। এই প্ৰবন্ধৰ লেখকে তেলপানী সত্ৰত মিদঙেৰেই ভাওনাৰ সকলো কাম সম্পন্ন কৰা দেখিছে। দিহিং সত্ৰৰ ফালে হেনো কোনো কোনোৱে খোলকো মিদং বুলি কয়। মিদঙৰ আহিঁতে শংকৰদেৱে খোল নামৰ অপূৰ্ব বাদ্য-যন্ত্ৰ বিধ সৃষ্টি কৰে। ভাওনাত ব্যৱহাৰ কৰা পাতিতালো তেওঁৰেই সৃষ্টি। ইয়াত অৱশ্যে ওজাপালিয়ে ব্যৱহাৰ কৰা খুটি-তালৰ আহিঁ বিদ্যমান। খোল প্ৰথমতে মাটিৰেই তৈয়াৰ কৰা হৈছিল, পাছতহে কাঠৰ কৰা হয়। কৰকৰা ভাত আৰু লোৰ গুৰি মিহলি কৰি খোলত ঘুণ দিয়া হয়। ঘুণ দিয়া আঘাত-স্থানৰ (তালি আৰু কোবনি দুয়ো ফালৰ) নিৰ্ধাৰিত জোখ আছে। সোঁ ফালে ন আঙুল আৰু বাওঁ ফালে তেৰ আঙুল হ'ব লাগে (বলোৰাম আতৈ আনিয়া তেখনে খোলৰ জোখ দিল। ত্ৰয়োদশাঙ্গুল বেঁৱা ভাস যানা ডাইনা নৱাঙ্গুল কৈল ॥) আজিকালি অৱশ্যে আঘাত স্থানৰ জোখ ছআঙুল আৰু ন আঙুলতহে বৈছেগৈ। খোল-তালৰ আধ্যাত্মিক ৰাখ্যা আছে, ব্যৱহাৰৰ নিয়মো নিৰ্দিষ্ট। কথাতে কয় ৰোলে 'দুহাত খোলৰ তিনিহাত ডোল। তেহে বায়নে বজায়, খোল ॥' খোল বহি বজাবৰ হ'লে পদ্মাসনৰ দৰে উপবিষ্ট হৈ খোলটো কোলাত লৈ বজাব লাগে। খোলৰ প্ৰতিটো চাপৰেই একোটা কৃষ্ণ স্তৱক। গভীৰ আধ্যাত্মিক অৰ্থযুক্ত।

### সামৰণি

এইটো পৰিবৰ্তনৰ যুগ। এই যুগত আন আন দেশৰ দৰে অসমৰ সাহিত্য-সংস্কৃতিকে আদি কৰি সকলো ক্ষেত্ৰলৈকে পৰিবৰ্তন আহিছে। সেইদৰে শংকৰগুৰুৰ অপূৰ্ব অৱদান 'ভাওনাৰ ক্ষেত্ৰ'কো পৰিবৰ্তনৰ বতাহে চুই যোৱা দেখা গৈছে। প্ৰতিযোগিতাৰ যুগত ভাওনা প্ৰতিযোগিতাৰো আৰম্ভ কৰি দিয়া হৈছে। কিন্তু পৰিবৰ্তনৰ প্ৰতিক্ৰিয়াই আমাক মহত্ব দান কৰিছে বুলি, সুন্দৰৰ ন-দিগন্তইদি ঠিকমতে লৈ গৈছে বুলি একে আষাৰে কৈ দিব নোৱাৰি। শংকৰগুৰুৱে দুৱাৰ মুকলি কৰি যোৱা অংকীয়া ভাওনাৰ আহিঁত একেই আংগিক আৰু একেই (প্ৰায়) বিষয়ৰে গঢ় লৈ উঠা অসমীয়া ভাওনাই আধুনিক ৰূপ ল'বলৈ গৈ অসমৰ চহৰবিলাকত আৰু গ্ৰামাঞ্চলৰ কোনো কোনো ঠাইত এক কিম্ভূত-কিমাকাৰ, এক বিকৃত ৰূপ লোৱাহে দেখা গৈছে। সাজ-পাৰৰ নামত উত্তৰ ভাৰতীয় ৰামলীলাৰ আৰু কলিকতীয়া যাত্ৰাৰ, কলিকতীয়া ৰং-বিৰঙৰ অসহনীয় প্ৰভাৱ। অসমীয়া ভাওনাত আজি ইমান দিনে বাধ্যতামূলকভাৱে চলি থকা খোজাকাটলবোৰো পালবোৰো পালমৰা বিধৰ হৈ আহিছে আৰু 'যাত্ৰাৰ গান'ৰ উৎকট প্ৰভাৱত বহুতে খোজ-কাটল বাদেই দিবলৈ লৈছে। আজিৰ ভাওনাত আগৰ দৰে পৰিমাৰ্জিত প্ৰবেশ-প্ৰস্থানৰ খোজ, উদ্দাম লহৰৰ যুদ্ধ যাত্ৰাৰ খোজ দেখিবলৈ পোৱা নাযায়। আজিৰ পাণ্ডৱে গাঁও ফুৰিবলৈ যোৱাদিহে যুদ্ধ কৰিবলৈ যায়। উপযুক্ত গদা-যুদ্ধ, বাহু-যুদ্ধ, তৰোৱাল যুদ্ধ আজিৰ গাঁৱৰ ভাওনাবিলাকত নাইকিয়া হ'ল। তৰোৱালৰ আকাৰো মিত দাৰ আকাৰলৈ সংকুচিত। সূত্ৰধাৰৰ নাচটোৱেই আমাৰ ভাওনাৰ অপূৰ্ব নাচ। অথচ প্ৰায়বোৰ ভাওনাতে সূত্ৰধাৰক চৰমভাৱে অৱজ্ঞা কৰা দেখা যায়। দিন যোৱাৰ লগে লগে ইবিধ সিবিধৰ দৰে ভাওনাও নগৰৰ মঞ্চলৈ আহিছে আৰু ই পুৰণিৰ ঐতিহ্য, পুৰণিৰ মহত্ব হেৰুৱাই গৈ আছে। মঞ্চৰ পৰিবেশ ভাওনাৰ লগত খাপ নাখায়; নামঘৰৰ পৰিবেশহে ভাওনাৰ বাবে গ্ৰহণীয়। ঐতিহ্যৰ মোহত বলিয়া নহ'লেও জনাবুজা মানুহখিনিয়ে অন্ততঃ ঐতিহ্য ৰক্ষাৰ যত্ন কৰিব বুলি আশা কৰোঁ।



# নাটক ঃ হোলী, জামুগছ আৰু অন্ধযুগ

সমুদ্ৰ গুপ্ত কাশ্যপ

গুৱাহাটীত নাটক মঞ্চস্থ কৰাৰ পৰিমাণ শেহতীয়াভাৱে বৃদ্ধি পাইছে। বিশেষকৈ আগষ্ট মাহত গুৱাহাটীত তিনিখন উল্লেখযোগ্য নাটক মঞ্চস্থ কৰা হৈছে। প্ৰথমখন হ'ল গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে কৰা 'অন্ধযুগ', দ্বিতীয়খন সূৰ্যৰ 'হোলী' আৰু তৃতীয়খন সমলয়ৰ 'সেই গছজোপা'।

তিনিওখন নাটকেই অৱশ্যে অনা-অসমীয়া নাট, গল্প আৰু চলচিত্ৰৰ ভিত্তিত কৰা। 'অন্ধযুগ' ধৰ্মবীৰ ভাৰতীৰ মূল হিন্দি নাটৰ অসমীয়া অনুবাদ, 'সেই গছজোপা' কৃষণ চন্দৰৰ বিখ্যাত 'জম্বু বৃক্ষ' গল্পৰ ভিত্তিত যুগুতোৱা, আৰু 'হোলী' মহেশ এলকুঁচৱাৰৰ একে নামৰ মাৰাঠী নাটকৰ অসমীয়া অভিযোজনা।

গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ উদ্যোগত ৪৫ দিন জুৰি ৰাজ্যিক সাংস্কৃতিক সঞ্চালকালয়ে আয়োজন কৰা নাট কৰ্মশালাৰ সামৰণি হিচাপে 'অন্ধযুগ' দুদিন মঞ্চস্থ কৰা হৈছিল—এদিন বিশ্ববিদ্যালয়ৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত, আনদিনা ৰবীন্দ্ৰ ভৱনত।

নাট-কৰ্মীৰ প্ৰচুৰ অনুশীলনৰ প্ৰয়োজন। কৰ্মশালাৰ নিৰ্দেশক দুলাল ৰয়ে এই কথাত সদায় গুৰুত্ব দি আহিছে। তথাপি, নাটৰ প্ৰতি কেৱল আগ্ৰহেই যে এজনক শিল্পী বা অভিনেতালৈ ৰূপান্তৰিত কৰিব, সেইটো সঁচা নহয়। কৰ্মশালাৰ অন্তত 'অন্ধযুগ' মঞ্চস্থ কৰাত অংশ গ্ৰহণকাৰীসকলৰ কাৰ আগ্ৰহ কিমান সেইটোতকৈও কাৰ প্ৰতিভা আৰু একাগ্ৰতা কিমান (কম ?) সেইটোহে প্ৰকাশ পাইছে। একোখন নাটক বা নাটকৰ একোটা চৰিত্ৰক বুজি পোৱাটো বচন মুখস্থ কৰাতকৈ বহু উৰ্ধ্বৰ কাম। সেই গুৰুত্ব ভালদৰে হয়তো উপলব্ধি নকৰাৰ বাবেই 'অন্ধযুগ'ৰ দৰে এখন কালজয়ী ৰাজনৈতিক নাটকক অভিনেতাসকলে ভাওনা বা পৌৰাণিক ঠাঁচৰপৰা বিশেষ আঁতৰাই আনিব নোৱাৰিলে।

নাটকখন চাই উঠি ধাৰণা হয় যে সমসাময়িক নাট-জগতৰ বিষয়ে অধিক পঢ়াশুনা কৰাৰ সুযোগ নোপোৱা বা নোলোৱাটো আমাৰ বাবে দুৰ্ভাগ্য-জনক। কুৰুক্ষেত্ৰৰ ৰণৰ কেইটিমান গুৰুত্বপূৰ্ণ চৰিত্ৰক কেন্দ্ৰ কৰি ধৰ্মবীৰ ভাৰতীয়ে ৰচনা কৰা সমসাময়িক ৰাজনীতিৰ চিত্ৰখন প্ৰতিফলিত কৰাত কোনে কেনে অভিনয় কৰিলে সেইটো বিচাৰ্য নহয়, নাটকক গণ-সংযোগৰ মাধ্য হিচাপে ব্যৱহাৰ কৰাত অংশ গ্ৰহণ কৰোঁতাই কিমান সাফল্য (বিফলতা ?) আৰ্জিলে সেইটোহে চাবলগীয়া।


নাট-কৰ্মশালাৰ নিতান্তই প্ৰয়োজন। শিক্ষাৰ পাঠ্যক্ৰমত নাটক আৰু অভিনয় বিষয় অন্তৰ্ভুক্ত হোৱাটোও প্ৰয়োজনীয়; কিন্তু বছৰেকৰ মূৰত বুজন ৰাজহুৱা ধন ভাঙি মাহেক জোৰা শিবিৰ পতাতকৈ বিশ্ববিদ্যালয়ৰ দৰে অনুষ্ঠানত নিয়মিত নাট-চৰ্চাৰ পৰিবেশ এটাৰ সূচনা কৰাটোহে বেছি প্ৰয়োজনীয়।

□□

'হোলী' গুৱাহাটীৰ মঞ্চত এক অগতানুগতিক ঘটনা। কুমাৰ ভাস্কৰ নাট্য মন্দিৰৰ প্ৰেক্ষাগৃহ নিচেই সৰু; —'হোলী'ৰ দৰ্শকৰ বাবে আসন আছিল নিতৌ ৬৬ খন। নাটখনৰ চৰিত্ৰ প্ৰায় ৩০ টা। অভিযোজনাৰ বিশেষত্ব আছিল,— নাটখন অভিনয় মঞ্চত নকৰি প্ৰেক্ষাগৃহৰ মজিয়াত, দৰ্শকৰ প্ৰায় চাৰিও-দিশে কৰা হৈছিল। (অথচ, এসময়ত অতি প্ৰচলিত, দৰ্শকৰ মাজৰ পৰা 'আচম্বিতে' একোজন অভিনেতা উঠি যোৱাৰ প্ৰয়াস ইয়াত নাই।) সমগ্ৰ প্ৰেক্ষাগৃহই মঞ্চ, আনকি বেলকনিও বাদ পৰা নাই।

'হোলী' 'অন্ধযুগ'ৰ দৰে ৰাজনৈতিক নাট নহয়; ই পাৰিপাৰ্শ্বিকতাই জুকলা কৰা, নৈতিক স্খলন ঘটা যুব-সমাজৰ চিত্ৰ। 'হোলী'ত পৰিচালক আৰু অনুবাদক নয়ন প্ৰসাদে দৃশ্যান্তৰৰ প্ৰশংসনীয় কাম কৰিছে। মূল মাৰাঠী নাটকখনৰ এই অসমীয়া অভিযোজনাত দৰ্শকে চহৰৰে কলেজ এখনৰ পৰিবেশত সোমাই পৰা যেন অনুভৱ কৰিবলৈ বাধ্য। নাটকক সাংঘাতিভাৱে এটা অন্তৰংগ মাধ্যম হিচাপে ব্যৱহাৰ কৰিলে 'হোলী'য়ে।

হোলী: একঘেয়ামী পৰিহাৰৰ প্ৰয়াস



আকৌ অনুশীলন, আগ্ৰহ আৰু প্ৰতিভাৰ কথা আছে। 'সূৰ্য' তেনেই নতুন নাট-গোষ্ঠী। ১৯৮৫ চনত ৰাজ্যিক নাট সমাৰোহত অৰুণ শৰ্মাৰ 'কুকুৰনেচীয়া মানুহ' নাটক কৰি শ্ৰেষ্ঠ দলৰ পুৰস্কাৰ লোৱাবাৰেই তেওঁলোকৰ প্ৰথম আত্মপ্ৰকাশ। তেনেক্ষেত্ৰত একঘেয়া নাটশৈলী পৰিহাৰ কৰি 'সূৰ্য'ই এটা সামগ্ৰিক পৰিবৰ্তন ঘটোৱাৰ স্বাক্ষৰ বহন কৰিছে। নামঘৰৰ মজিয়াৰপৰা ভাওনাক মঞ্চলৈ নিয়াসকলেও নয়ন প্ৰসাদৰ অভিযোজনা মন কৰা উচিত।

□□

ভাৰতীয় সাহিত্যত হিন্দী গল্পকাৰ কিষণ চন্দৰৰ নাম যুগমীয়া। তেওঁৰ 'জম্বু বৃক্ষ' নামৰ গল্পটোও দেশজুৰি লাখ লাখ মানুহে পঢ়িছে। অসমীয়াতো এই গল্পৰ বিভিন্নজনে কৰা অনুবাদ প্ৰকাশ হৈছে।

চিৰাচৰিত আমোলাতান্ত্ৰিক একঘেয়ামিত সৰ্বসাধাৰণৰ কিমান দুৰ্গতি হয় সেইটো এজোপা জামুগছ ভাগি হেঁচি ধৰা এজন কবিৰ দুৰৱস্থাৰ কাহিনীৰে গল্পকাৰে দেখুৱাই গৈছে। কিন্তু এই বিখ্যাত গল্পৰ কমল (ৰাণা) শৰ্মাই দিয়া অসমীয়া নাট্যৰূপক পৰিচালক ড° অমৰজ্যোতি চৌধুৰীয়ে ব্যংগৰপৰা কৌতুকৰ পৰ্যায়লৈহে লৈ যোৱা যেন লাগিল। গল্পৰ মঞ্চৰূপতো বহুসময়ত অনাতাঁৰ নাটৰ গোন্ধ বৈ গৈছে।

একাধিক প্ৰতিষ্ঠিত অভিনেতায়ো নাটখনক ক্লাইমেক্স পৰ্যন্ত ধৰি ৰাখিব নোৱাৰিলে। মূল কাহিনীক বেছি অসমীয়া কৰিবলৈ সূত্ৰধাৰসদৃশ চৰিত্ৰ এটাও ব্যৱহাৰ কৰা হৈছিল, কিন্তু সত্ৰীয়াৰপৰা শেহৰফালে জনপ্ৰিয় হিন্দী গীতৰ সুৰৰ প্ৰয়োগে অপ্ৰয়োজনীয় হাস্যৰসৰ বাহিৰে অসাধাৰণ একো নকৰিলে।

সমলয়ে এবছৰমানৰ আগতে কবিতা-আবৃত্তিৰ এটা সুন্দৰ অনুষ্ঠান আগবঢ়াইছিল। সেই পৰম্পৰা 'সেই গছজোপা'ত ৰক্ষা নপৰিল।

৪৯ পৃষ্ঠাৰ পিছৰ পৰা

পাগল। এনেকুৱা এটা সম্ভাৱনাৰ কথা তেওঁ ভাবিব পাৰিলে কেনেকৈ? বিনয় এজন সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা, ৰূপবান, গুণবান, উচ্চ শিক্ষিত। জীৱনত উন্নতি কৰাৰ প্ৰেৰণা আছে। সি এনেকুৱা নিছলা ঘৰৰ ছোৱালীক কিয় বিয়া কৰাব? মাকৰ দুৰাশাৰ উমান পাই মিনতি হতবাক হৈ গ'ল।

পিছে মিনতিয়ে ভুল কৰিলে। জীৱনৰ প্ৰতিটো মুহূৰ্ততে মানুহে ভুল কৰি কৰিয়েই যায়। তাইৰ কাৰণে এইটো এটা ভাবিব নোৱৰা কথা যে স্বৰ্ণলতা দেৱীয়েই বিনয়ৰ প্ৰেমত পৰিছিল। এজন নায়কৰ যি যি গুণ থকা উচিত বিনয়ৰ সকলোখিনিয়েই আছে। ধন সম্পদ, প্ৰতিষ্ঠা, বিদ্যা, ৰূপ। তেওঁৰ গোটেই জীৱনত এনেকুৱা এজন মানুহৰ সংস্পৰ্শলৈ তেওঁ কেতিয়াও অহা নাছিল। উপন্যাস আৰু ছিনেমাৰ জৰিয়তেহে এনেকুৱা মানুহৰ লগত তেওঁৰ পৰিচয়। ছিনেমাৰ পৰ্দাৰপৰা নামি আহি নায়ক এজনে পোনেপোনে তেওঁলোকৰ বহা কোঠাত ভৰি দিছে। গোটেই জীৱনৰ বঞ্চনা আৰু ব্যৰ্থতাৰ দাঁতিত হঠাতে কাঠফুলাৰ দৰে কিছুমান ৰুগ্ন আকৃতিৰ ফুল ফুলি উঠিল। তেওঁ জোৰকৈ সেইবোৰৰ পৰা চকু ঘূৰাই আনিলে। এই ধুনীয়া নাটকখনত মিনতিয়ে তেওঁৰ চৰিত্ৰটোক সাৰ্থক ৰূপ দিব নোৱাৰিব জানো? অইনক এই ভূমিকাত অৱতীৰ্ণ হ'বলৈ দিয়াৰ প্ৰয়োজন কি? অন্ততঃ নিজৰ ছোৱালীৰ প্ৰতি তেওঁতো ঈৰ্ষা বোধ নকৰে। কৰিব জানো?

[আগলৈ]

১২ পৃষ্ঠাৰ পিছৰ পৰা

সদায় উপস্থিত আছিল। আৰু এনেকুৱা দিশো আছিল যেতিয়া তেওঁ বিদেশত থকাৰ বাবে হোৱা অনুপস্থিতিৰ কাৰণে সদনৰ ওচৰত ক্ষমা খুজিছিল। সংসদত বয়স পাঁচ বছৰো নোহোৱা ৰাজীৱ গান্ধীৰপৰা এনে মনোভাব স্বাভাৱিকভাৱেই প্ৰকাশ পাব লাগিছিল।

জৱাহৰলাল নেহৰুৰ সম্পৰ্কত কোৱা হয় যে তেওঁ অভ্যন্তৰীণ সমস্যাৱলীতকৈ বৈদেশিক পৰিক্ৰমাৰ প্ৰতি অধিক আগ্ৰহী আছিল। কথাটো যথেষ্ট পৰিমাণে শুদ্ধ। কিন্তু তেওঁ এগৰাকী বিশ্ব-নেতা আছিল আৰু বিদেশী চৰকাৰবোৰে তেওঁৰ মত শুনিবৰ কাৰণে তেওঁলোকৰ মাজত তেওঁক পাবলৈ কঢ়াআজোৰা লগাইছিল আৰু তেওঁৰ মতামতক শ্ৰদ্ধা কৰিছিল। আৰু তেতিয়া অতি বিশিষ্ট লোকসকল নেহৰুৰ সহকাৰী আছিল, প্ৰথম চৰ্দাৰ পেটেল আৰু মৌলানা আজাদ আৰু তাৰ পাছত গোবিন্দবল্লভ পন্ত, লাল বাহাদুৰ শাস্ত্ৰী আৰু টি· টি. কৃষ্ণমাচাৰী— যিসকলে নেহৰুৰ অনুপস্থিতিৰ সময়ছোৱাত সৰহভাগ বিষয়তে নিজে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব পাৰিছিল। কিন্তু তথাপি নেহৰুৱে প্ৰধানমন্ত্ৰী হিচাপে তেওঁৰ প্ৰথম দুটা বছৰত ৰাজীৱ গান্ধীৰ দৰে ইমান ভ্ৰমণ কৰা নাছিল।

মূৰকত নেহৰুৱেও উপলব্ধি কৰিছিল —আৰু কিছুমানক ভিতৰ বিশ্বাসত কৈছিলো— যে দেশৰ অভ্যন্তৰীণ সমস্যাবোৰৰ প্ৰতি তেওঁ অধিক মনোযোগ দিয়া উচিত আছিল। ৰাজীৱ গান্ধী নতুনকৈ পাথি গজা প্ৰধানমন্ত্ৰী আৰু তেওঁ বৰ্তমান কৰাৰ দৰে দেশৰ অভ্যন্তৰীণ ক্ষেত্ৰখন কেতিয়াও আওহেলা কৰিব নালাগে। আচলতে এখন দেশৰ নিজৰ শক্তিহে সেই দেশৰ বৈদেশিক নীতি আউজি থকা গাঁথনিটো। ভাৰত যেতিয়া অভ্যন্তৰীণভাৱে স্পন্দিত আৰু শক্তিশালী হৈ উঠিব তেতিয়াহে ভাৰতে যি কয় তালৈ বিদেশী শক্তিসমূহে কৰ্ণপাত কৰিব। ৰাজীৱ গান্ধীয়ে এই কথাটো জনা উচিত।





# মাৰডেকা টুৰ্ণামেণ্ট আৰু ভাৰতীয় ফুটবল দল

বহু তৰ্ক-বিতৰ্ক আৰু অনিশ্চয়তাৰ পাছত ভাৰতীয় ফুটবল দলে মাৰডেকা ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল আৰু প্ৰশিক্ষকৰ আশা পূৰণ কৰি ছেমিফাইনেল পৰ্যায়লৈ উঠিছিল। ছেমিফাইনেলত চেকোশ্লোভাকিয়াৰ লগত প্ৰতিদ্বন্দ্বিতামূলক খেলত ১-০ গলত পৰাজিত হৈ দলটোৱে প্ৰতিযোগিতাৰপৰা বিদায় গ্ৰহণ কৰিছিল। বহুত দিনৰ মূৰত ভাৰতীয় দল এনে এখন প্ৰতিযোগিতাত ছেমিফাইনেললৈকে উঠাৰ বাবে এচাম লোক বৰ উৎফুল্লিত হৈ পৰাৰ বাতৰিও শুনা যায়। কিন্তু ভাৰতীয় দলৰ এই খেলৰপৰা জানো কিবা বিশেষ সন্তোষ লাভ কৰিব পাৰি? মাৰডেকা প্ৰতিযোগিতাত যোগদান কৰা দলসমূহৰ ফালে চালে দেখিবলৈ পোৱা যায় যে দক্ষিণ কোৰিয়াই তেওঁলোকৰ বিশ্বকাপ খেলা দলটোৰ সলনি চাৰ্ভিছেজ দলটোহে পঠাইছিল। চেকোশ্লোভাকিয়া দল সম্বন্ধেও বিশেষ কবলগীয়া নাই; কাৰণ এই দলটো আজিকালি ভাৰতৰ নেহৰু স্বৰ্ণকাপ খেলিবলৈ অহা বিদেশী দলবোৰৰ দৰে। নামত ৰাষ্ট্ৰীয় দল, কিন্তু আচলতে ই খৰতকীয়াকৈ সংগ্ৰহ কৰা খেলুৱৈৰে পৰিপুষ্ট দলহে। ভাৰতত নেহৰু স্বৰ্ণকাপ খেলা পেৰুদল বা তাৰ আগৰ চীন দেশৰ জুনিয়ৰ দলৰ কথা পাঠকসকলৰ নিশ্চয় মনত আছে। এনেবোৰ দলৰ মাজত হোৱা প্ৰতিযোগিতা এখনত ছেমিফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰাত বিশেষ কৃতিত্ব নাই। ভাৰতৰ নিচিনা জনবহুল দেশ এখন,— যি দেশ এসময়ত অন্ততঃ এছিয়াৰ দেশবোৰৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ আছিল,— সেই দেশৰ দলৰ এনে শোচনীয় অৱস্থাৰ নিশ্চয় বহুতো কাৰণ আছে আৰু তাৰে কেতবোৰ চকুৰ আগত থিতাতে ভাঁহি উঠে। অভিজ্ঞতা আহৰণৰ নামত আজি প্ৰায় কেইবাবছৰো ধৰি প্ৰায় একেটা দলকে ইফালৰপৰা সিফাললৈ পঠোৱা হৈছে;—কেতিয়াবা ৰুছিয়ালৈ, কেতিয়াবা মধ্য প্ৰাচ্যৰ দেশবোৰলৈ, কেতিয়াবা আকৌ সুদূৰ প্ৰাচ্যৰ দেশলৈ। এই বেলেগ বেলেগ দেশবোৰলৈ যদি বেলেগ বেলেগ দল পঠিওৱা হ'লহেঁতেন, তেনেহলে হয়তো প্ৰকৃততে কিছু কামত আহিলহেঁতেন। কিন্তু প্ৰায় একেটা দলকে বাৰে-বাৰে ঘূৰাই ফুৰাটো এখন 'তামাছা'ৰ নিচিনাহে যেন লাগে। সকলো খেলতে খেলুৱৈৰ বয়সৰ এটা সীমা আছে,— এটা বয়সৰ পাছত খেলৰ নতুন নতুন দিশবোৰ আয়ত্ত কৰা তেওঁ কাৰণে কঠিন হৈ পৰে বা একেবাৰে অসম্ভৱ হৈয়েই পৰে। তেনে অৱস্থাত ৰাষ্ট্ৰীয় ফুটবলৰ বৰ্তমানৰ পৰিচালনা অদূৰদৰ্শী বুলিয়েই কব লাগিব। পৃথিৱীৰ সকলো ঠাইতে দেখা যায় যে দেশৰ ভৱিষ্যতৰ দলৰ বাবে সচৰাচৰ তৰুণ উদীয়মান খেলুৱৈসকলকহে প্ৰশিক্ষণ আৰু বাহিৰত খেল খেলিবৰ সা-সুবিধাৰে, অৰ্হতা অৰ্জন কৰিবলৈ বিশেষ সুবিধা দিয়া হয়। ভৱিষ্যতৰ প্ৰস্তুতি, খেলবোৰৰ পৰিচালনা বা মূল্যাংকণো আৰু অধিক বাস্তৱবাদী কৰাৰ প্ৰয়োজনে দেখা দিছে। ভাৰতৰ ৰাষ্ট্ৰীয় ফুটবলৰ প্ৰধান প্ৰশিক্ষকজনে মাৰডেকা খেলিবলৈ যোৱাৰ আগতে উক্তি কৰিছিল যে মাৰডেকাত ভাৰতে ছেমিফাইনেল পৰ্যন্ত উঠিবই লাগিব; তেতিয়াহে ছিউলত এছিয়ান গেমছ খেলিবলৈ যাব পৰা যাব আৰু সেই যাত্ৰাৰ সকলো খৰচ চৰকাৰে নহলে ভাৰতীয় অলিম্পিক সন্থাই বহন কৰিব। এতিয়া কথা হৈছে,—ৰাষ্ট্ৰীয় দল এটাই যেতিয়া এখন প্ৰতিযোগিতা খেলিবলৈ যায় তেনে সময়ত দলটোৰ মূল উদ্দেশ্য কি হ'ব লাগে? প্ৰতিযোগিতা জিকিবলৈ নে কোনোমতে দুই এখন খেলা জিকি ভৱিষ্যতে আৰু এবাৰ বিদেশ ভ্ৰমণ কৰিবলৈ? লক্ষ্য হোৱা উচিত আছিল ফাইনেলত বিজয়ী হোৱা, ছেমিফাইনেলত পৰাজিত হোৱা নহয়। বাতৰি-কাকতত ওলোৱা ফুটবলৰ কৰ্মকৰ্তাসকলৰ মন্তব্যবোৰৰ মাজত পিছৰ দিশটোহে ভাহি উঠে। এছিয়ান গেমছৰ প্ৰস্তুতিৰ কাৰণে মাৰডেকা দলটোৰ উপৰিও আৰু কেইজনমান খেলুৱৈক প্ৰশিক্ষণ শিবিৰলৈ আমন্ত্ৰণ কৰা হৈছে। এই খেলুৱৈসকলক দলৰ পৰা আগতেই আশানুৰূপ খেল দেখুৱাব নোৱৰাত বাদ দিয়া হৈছিল। এনে খেলুৱৈসকলক আকৌ শিবিৰলৈ মতাৰ কি উদ্দেশ্য? যদি কৰ্মকৰ্তাসকলে ভৱিষ্যতৰ কথা ভাবিলেহেঁতেন, তেনেহ'লে নতুন উদীয়মান খেলুৱৈকহে প্ৰশিক্ষণলৈ মাতিলেহেঁতেন। আমাৰ প্ৰশ্ন— 'বুঢ়া শালিকাই জানো মাত লয়'? প্ৰশিক্ষণৰ দিশলৈ চালে দেখা যায় যে এসময়ত মিলোভানক প্ৰশিক্ষণ দিবৰ কাৰণে বহুদিন দলৰ লগত ৰখা হৈছিল। কিন্তু মিলোভানৰ কথা খেলুৱৈসকলে নুবুজে আৰু খেলুৱৈসকলৰ কথা মিলোভানে নুবুজে। একো নুবুজাকৈ জানো প্ৰশিক্ষণ হ'ব পাৰে? বিদেশী প্ৰশিক্ষক হলেইতো আৰু সুফল পোৱা নাযায়! মিলোভান আৰু বুটলেগুক লৈ হোৱা ভেকোভাওনাৰ কথা কাৰো অবিদিত নহয়।

আগতেই কৈছোঁ, ভাৰত এসময়ত এছিয়াত সৰ্বশ্ৰেষ্ঠ দল আছিল। এবাৰ অলিম্পিকৰ ছেমিফাইনেলো খেলিছিল। এনে পৰম্পৰাৰ এই জনবহুল দেশৰ আজি ফুটবলখেলৰ মান তেনেই নিম্নস্তৰত। সুদূৰ বা মধ্যপ্ৰাচ্যৰ দেশবোৰৰ মাজত হোৱা সৰুসুৰা প্ৰতিযোগিতা এখনতে কোৱাৰ্টাৰ ফাইনেল, ছেমিফাইনেল খেলিব পৰাটোৱেই বৰ্তমানৰ ভাৰতীয় দলৰ মুখ্য উদ্দেশ্য হৈ পৰিছে। ইফালে দক্ষিণ কোৰিয়া বা ইৰাক বা প্ৰাচ্যৰ অন্য তেনে দেশবোৰলৈ চাওকচোন, এই পিছপৰা সৰু-সৰু দেশবোৰে নিজৰ লক্ষ্য স্থিৰ কৰি লৈ এতিয়া এছিয়ান গেমছৰ কথাই



OKDISCD

নকওঁ, বিশ্ব কাপৰ ফাইনেল ৰাউণ্ড খেলিবলৈ তুমুল প্ৰতিযোগিতা কৰে। যি দলবোৰে ফাইনেল ৰাউণ্ডলৈ উঠে সেই পৰ্যায়তো ভাল খেল প্ৰদৰ্শন কৰে। দক্ষিণ কোৰিয়াৰ এইবাৰৰ বিশ্বকাপ ফুটবলত আৰ্জেণ্টিনা আৰু ইটালিৰ লগত হোৱা খেলে এই কথা প্ৰমাণ কৰে। আমাৰ কৰ্মকৰ্তাসকলৰ উক্তিবোৰত প্ৰতিযোগিতা খেলিবলৈ যোৱাৰ আগতেই যদি কোৱাৰ্টাৰ ফাইনেল বা ছেমিফাইনেল খেলাই মূল উদ্দেশ্য বুলি কোৱা হয়, তেনেহলে আশা ক'ত ? ভাৰতীয় ক্ৰীড়াজগতৰ এটা অবিস্মৰণীয় মুহূৰ্তত যেতিয়া (১৯৮৩ চনত) প্ৰবল প্ৰতাপী ৱেষ্ট ইণ্ডিজ দলক সকলো গণনা, ভৱিষ্যৎবাণীৰ বিপৰীতে পৰাজিত কৰি ভাৰতীয় দলে ক্ৰিকেটৰ বিশ্বকাপ লাভ কৰিলে, তেতিয়াতো অধিনায়ক বা মেনেজাৰে ৱেষ্ট ইণ্ডিজৰ লগত ভাৰতীয় দলৰ পৰাজয় অৱশ্যম্ভাৱী বুলি উক্তি কৰা নাছিল ! বৰঞ্চ তাৰ বিপৰীতে কৈছিল---ৱেষ্ট ইণ্ডিজ দল অতি শক্তিশালী সন্দেহ নাই ; কিন্তু ভাৰতীয় দলেও বিনাযুদ্ধে হাৰ নামানে। ক্ৰিড়াজগতত খেলুৱৈৰ দৃঢ় মনোবলৰ ই এটা উল্লেখযোগ্য উদাহৰণ। এইবাৰ মাৰডেকাৰপৰা অহাৰ পাছত প্ৰশিক্ষণ শিবিৰৰ স্থান সম্পৰ্কে প্ৰধান প্ৰশিক্ষকজনে উক্তি কৰিলে যে শ্বিলঙত (এছিয়ান গেমছ হ'বলগা ছিউলৰ বতৰৰ লগত শ্বিলঙৰ বতৰৰ বহুতো মিল আছে) প্ৰশিক্ষণ কেন্দ্ৰ পতা নহব, কাৰণ তাত মুষলধাৰে বৃষ্টিপাত হৈছে। ইফালে বাস্তৱলৈ চাওকচোন, অসম মেঘালয়ত এইবাৰ বৰষুণ বৰ কম ; সচৰাচৰ এনে সময়ত চাৰিশ ছেণ্টিমিটাৰৰো অধিক বৰষুণ হোৱা শ্বিলঙত এইবাৰ দুশ ছেণ্টিমিটাৰ বৰষুণেই হোৱা নাই। এনে অৱস্থাত প্ৰশিক্ষকজনৰ উক্তিৰ কি ভিত্তি বা উদ্দেশ্য ধৰা পৰে ? আজি বহুত দিন ধৰি ভাৰতৰ ফুটবলৰ মান দিনে দিনে অধিক শোচনীয় অৱস্থালৈ গৈছে ; কৰ্মকৰ্তাসকলৰ পৰিচালনা আৰু মূল্যাংকণৰ ত্ৰুটিবোৰ ক্ৰমে স্পষ্ট হৈ পৰিবলৈ ধৰিছে। এনে এটা অৱস্থাত যদি কওঁ যে ভাৰতীয় ফুটবলৰ হেৰাই যোৱা সন্মান ৰক্ষা কৰিবলৈ নতুন ভাবধাৰাৰ প্ৰয়োজন হৈছে, ৰাষ্ট্ৰীয় দায়িত্ববোধেৰে আৰু নতুন প্ৰেৰণাৰে উদ্বুদ্ধ নন পুৰুষৰ দৰকাৰ হৈছে, তেনে উক্তি অযুক্তিকৰ হবনে ?

—অমূল্যহাস গোস্বামী

## "আমাৰ সন্মুখত কঠিন পৰীক্ষা" ঃ পি. কে.

ছিউলত হ'বলগীয়া দশম এছিয়াডত ভাৰতৰ ফুটবল দল শক্তিশালী গ্ৰুপত পৰিছে। প্ৰধান প্ৰশিক্ষক পি. কে. বেনাৰ্জী আৰু এ. আই. এফ. এফৰ সচিব অশোক ঘোষে গ্ৰুপৰ তালিকা দেখি কিছু হতাশ হৈছে। পি. কে. বেনাৰ্জীয়ে কৈছে, "প্ৰাৰ্থনা কৰিছিলোঁ ড্ৰ'টো যেন কিছু সুবিধাজনক হ'য় কিন্তু যি ভয় কৰিছিলোঁ সিয়েই হ'ল। এটা শক্তিশালী দল হ'লেও কথা আছিল, কিন্তু দূৰ প্ৰাচ্যৰ দুটা শক্তিশালী দল দক্ষিণ কোৰিয়া আৰু চীন আমাৰ গ্ৰুপতে পৰিছে। এই দুখন দেশ সমানে চূড়ান্ত বিজয়ীৰ সন্মান লাভৰ যোগ্য। তদুপৰি কোৰিয়াই ঘৰুৱা খেলপথাৰত খেলৰ সুযোগ পাইছে ; চীনেও খেলিব প্ৰায় পৰিচিত পৰিৱেশত। দূৰ প্ৰাচ্যৰ খেলপথাৰত এই শ্ৰেষ্ঠ দল দুটাক পৰাজিত কৰা বেচ কঠিনেই হ'ব। এই গ্ৰুপৰপৰা কোৱাৰ্টাৰ ফাইনেললৈ যাবলৈ হ'লে আমাৰ দলে অসম্ভৱ ভাল খেলিব লাগিব। এছিয়ান গেমছৰ উদ্বোধনৰ দিনাই ভাৰতৰ প্ৰথম খেল দক্ষিণ কোৰিয়াৰ লগত। বিশ্বকাপ দলৰ সৰহভাগ খেলুৱৈ আৰু বিপুল জনসমৰ্থন লৈ দক্ষিণ কোৰিয়া দলে খেলিব। প্ৰথমখন খেলতেই যদি বেয়াধৰণে পৰাজিত হওঁ তেতিয়াহলে তাৰ প্ৰভাব পৰিব বাকী থকা খেল সমূহৰ ওপৰত। তাৰ পাছত আকৌ মূৰ দাঙি উঠা আমাৰ পক্ষে বেচ কঠিন হ'ব। ইয়াৰ সলনি যদি দূৰ প্ৰাচ্যৰ আনদেশ, নাইবা মধ্য প্ৰাচ্যৰ কুৱেট নাইবা কাটাৰ থাকিলহেঁতেন তেনেহলে আমাৰ বিশেষ সমস্যা নহ'লহেঁতেন। কিয়নো মধ্য প্ৰাচ্যৰ দলসমূহে নিজৰ পৰিচিত পৰিৱেশত যিমান ভালেই নেখেলক লাগিলে আন ঠাইত সিমান সুবিধা কৰিব নোৱাৰে।"

পি. কেই কয়, "আমি আমাৰ ক্ষমতা অনুযায়ী প্ৰাণপণে খেলি জিকিবৰ চেষ্টাই কৰিম। মাৰডেকাত ভাল খেলি আমাৰ দলৰ মনোবল কিছু বাঢ়িছে। সেই মনোবল যদি ধৰি ৰাখিব পাৰোঁ, তেনেহলে কিছু অঘটনো ঘটিব পাৰে। আমাৰ সন্মুখত এতিয়া কঠিন পৰীক্ষা।"

## ভাৰতীয় এথলেটিকছ দলৰ সদস্য সংখ্যা ৪৯

ছিউল এছিয়াডৰ বাবে ভাৰতীয় এথলেটিকছ দলৰ বাবে ৪৯ জন খেলুৱৈ নিৰ্বাচিত হৈছে। ইয়াৰে ভিতৰত ১৯ জনে চৰকাৰে কৰি দিয়া নিৰ্দিষ্ট যোগ্যতামান (যোৱা এছিয়াড নাইবা এছিয়ান মিটৰ তৃতীয় স্থানাধিকাৰীৰ সমান যোগ্যতা) অতিক্ৰম কৰিছে। আন ৩০ জনে আই. অ. এৰ নিৰ্দিষ্ট যোগ্যতামান (অৰ্থাৎ ষষ্ঠ স্থানাধিকাৰীৰ সমান যোগ্যতা) অতিক্ৰম কৰিছে। ১৯ জনৰ ব্যয়ভাৰ বহন কৰিব চৰকাৰে,— আন এথলিটসকলৰ ব্যয় বহন কৰিব এথলেটিকছ ফেডাৰেশ্যন, নাইবা তেওঁলোকে নিজে। দলৰ নেতা হ'ব খ্যাতনামা চান্দৰাম।

## এছিয়াডত ভাৰতীয় হকি

ছিউল এছিয়াডত ভাৰতৰ মহিলা হকিদলে তেওঁলোকৰ প্ৰথম মেচখন খেলিব মালয়েছিয়াৰ বিৰুদ্ধে ২২ ছেপ্টেম্বৰত। মহিলা হকিত ভাৰতকে লৈ মুঠতে ছখন দেশে ভাগ ল'ব— আৰু ৰাউণ্ড লিগ ভিত্তিত খেলসমূহ হ'ব। ভাৰতৰ বাহিৰে আন দেশসমূহ হৈছে—থাইলেণ্ড, হংকং, জাপান, দক্ষিণ কোৰিয়া আৰু মালয়েছিয়া।

পুৰুষ বিভাগত ভাৰতক নেতৃত্ব দিব সুনিপুণ ইনছাইড লেফট মহম্মদ ছহীদে। নখন দেশে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব। যোৱাবাৰৰ বিজয়ী পাকিস্তান আৰু ৰানাৰ্ছ আপ ভাৰতৰ বাহিৰে আনদেশসমূহ হৈছে—দক্ষিণ কোৰিয়া, জাপান, হংকং, থাইলেণ্ড, বাংলাদেশ, মালয়েছিয়া আৰু ওমান।

## বৃটেইনত উচ্ছৃংখল ফুটবল দৰ্শকৰ প্ৰতি কঠোৰ ব্যৱস্থাৰ প্ৰস্তাৱ

ফুটবল খেলপথাৰৰ ক্ৰমবৰ্ধমান উচ্ছৃংখলতা দেখি বৃটেইনৰ মন্ত্ৰীসভাৰ সদস্যসকল উদ্বিগ্ন হৈছে আৰু তেওঁলোকে চৰকাৰক খেলপথাৰৰ অশান্তি বন্ধ কৰিবলৈ শাস্তি হিচাপে বেত্ৰাঘাত পুনৰ প্ৰবৰ্তন কৰিবলৈ অনুৰোধ জনাইছে। পাৰ্লিয়ামেণ্টৰ ৰক্ষণশীল-দলৰ অন্যতম সদস্য আৰু তেওঁলোকৰ ক্ৰীড়া কমিটিৰ চেয়াৰমেন জন কাৰ্লাইলে কয় যে, বেত্ৰাঘাতেই হ'ব এই মুহূৰ্তৰ উপযুক্ত শাস্তিমূলক ব্যৱস্থা। ১৯৪৮ চনত এই বেত দিয়াৰ শাস্তি তুলি দিয়া হৈছিল। কাৰ্লাইলৰ মতে খেল-পথাৰত যিসকলে গণ্ডগোলৰ সৃষ্টি কৰে, তেওঁলোকৰ শাৰীৰিক শাস্তিহে প্ৰাপ্য। যিহেতু তেওঁলোকে ইচ্ছাকৃতভাৱে আনক আঘাত কৰে, গতিকে তেওঁলোককো শাৰীৰিকভাৱেহে আঘাত কৰা উচিত।

## কপিলদেৱে ফুটবল খেলিব

এই ছেপ্তেম্বৰৰ প্ৰথম সপ্তাহত কপিলদেৱক হয়তো কলিকতাৰ ফুটবল খেলপথাৰত ফুটবল খেলুৱৈৰ ৰূপে দেখা পোৱা যাব। তেওঁ প্ৰথম ডিভিজন লিগ খেলিব নে প্ৰীতিমেচ খেলিব এই বাতৰি পোৱালৈকে সেইটো ঠিক হোৱা নাই। কপিলে খেলিলে তেওঁৰ কৰ্ম-প্ৰতিষ্ঠান বাটাৰ হৈ খেলিব। যোৱা মাৰ্চত কপিলে বাটা ইণ্ডিয়াত যোগদান কৰিছে। এপ্ৰিলৰ দ্বিতীয় সপ্তাহত কলিকতালৈ আহোঁতে বাটাৰ কৰ্মকৰ্তাসকলক তেওঁ জনাইছিল যে, তেওঁৰ বৰ ইচ্ছা কলিকতাত এবাৰ ফুটবল খেলাৰ। কাৰণ ছাত্ৰজীৱনত



(আনন্দবাজাৰ পত্ৰিকাৰ সৌজন্যত)

তেওঁ চণ্ডীগড়ত ফুটবল খেলিছিল। কপিলৰ এই উৎসাহ দেখি বাটাৰ পিনৰপৰা আই. এফ. এ অফিছত খা-খবৰ লোৱা হ'ল— ভাৰতীয় দলৰ ক্ৰিকেট অধিনায়কক লিগত খেলাবলৈ ৰেজিষ্ট্ৰেশ্যনৰ কথাটো এটা সমস্যা হৈ উঠিব নেকি ? জনা যায় যে যিহেতু কপিলৰ নাম আন ৰাজ্যৰ কোনো ফুটবল দলত নথিভুক্ত হোৱা নাই, সেইবাবে ২৪ ঘণ্টাৰ বিজ্ঞপ্তিত তেওঁৰ নাম ৰেজিষ্ট্ৰি কৰিবপৰা যাব। কপিলৰ ফুটবল খেলালৈ কিছু চিন্তাৰ উদ্ৰেক হৈছে এই কাৰণেইই যে, ব্যস্ত কাৰ্যসূচীৰ মাজত তেওঁ যদি কোনো শাৰীৰিক আঘাত পায় ! আমেৰিকাৰপৰা ঘূৰি আহিয়েই কপিলে খেলিব লাগিব অষ্ট্ৰেলিয়াৰ বিপক্ষে। কপিলৰ আঁঠুত দুবাৰ অস্ত্ৰোপচাৰ হৈ গৈছে ; পুনৰ যাতে তেওঁ অষ্ট্ৰেলিয়া ছিৰিজৰ আগতে আঘাত নাপায় ইয়াকে ভাবি বাটা কোম্পানিৰ কৰ্মকৰ্তাসকলে দ্বিধাপ্ৰকাশ কৰিছে। কিন্তু কপিলে যদি নিজে উৎসাহী হৈ আগুৱাই আহে ফুটবল খেলিবলৈ, তেতিয়াহ'লে ভাৰতীয় ক্ৰিকেটদলৰ অধিনায়কক আমি নতুন ৰূপত দেখিম।

## অমহিমাত ইয়ান বথাম

শাস্তিৰ সময়সীমা উত্তীৰ্ণ হোৱা সত্ত্বেও টেষ্টমেচত উপেক্ষিত ইংলণ্ডৰ প্ৰাক্তন অধিনায়ক, বিশ্বৰ অন্যতম, শ্ৰেষ্ঠ অলৰাউণ্ডাৰ ইয়ান বথামে ছামাৰছেটৰ হৈ 'জন প্লেয়াৰ ছান ডেলিগত' নৰদামটনশ্বায়াৰৰ বিৰুদ্ধে দুৰ্দান্ত বেটিং কৰিছে। মাত্ৰ ১২২ টা বল খেলি, ১৩ টা অভাৰ বাউণ্ডেৰি আৰু ১২ টা বাউণ্ডেৰিৰ সহায়ত ১৭৫ ৰান কৰি তেওঁ নট-আউট হৈ থাকে। জন প্লেয়াৰ লিগত অভাৰ বাউণ্ডেৰি হিট কৰাৰ ৰেকৰ্ড আছিল ১০ টা ; —বথামে এই ৰেকৰ্ড ভংগ কৰে। কিন্তু বথামে মাত্ৰ এক ৰাণৰ কাৰণে এই লিগ প্ৰতিযোগিতাৰ সৰ্বোচ্চ ব্যক্তিগত ৰাণ সংগ্ৰহকাৰী গুচৰ (১৭৬) ৰেকৰ্ড ভাঙিব নোৱাৰিলে।

## মহিলাৰ ২০০ মিটাৰ ব্ৰেষ্ট ষ্ট্ৰ'কত বিশ্বৰেকৰ্ড

মাদ্ৰিদত অনুষ্ঠিত বিশ্ব সাঁতোৰ চেম্পিয়নশ্বিপত পূব জাৰ্মানিৰ ছোৱালী ছিলকে হোৰেনাৰে ২০০ মিটাৰ ব্ৰেষ্ট ষ্ট্ৰোকত বিশ্বৰেকৰ্ড কৰিছে। যোৱা ফেব্ৰুৱাৰীত লেলিনগ্ৰেডত পূবজাৰ্মানিৰ আৰু এগৰাকী ছোৱালী ছিলভিয়া জেৰাস্কে এই ইভেণ্টত ২ মিনিট ২৮.২০ ছেকেণ্ড সময়ত যি বিশ্বৰেকৰ্ড কৰিছিল, হোৰেনাৰে ২ মিনিট ২৭.৪০ ছেকেণ্ডত উক্ত দূৰত্ব অতিক্ৰম কৰি সেই ৰেকৰ্ড ভংগ কৰিলে।

## ভিভিয়ান ৰিচাৰ্ডছৰ সন্মান

ৱেষ্ট ইণ্ডিজ ক্ৰিকেট দলৰ অধিনায়ক ভিভিয়ান ৰিচাৰ্ডছক একছিটাৰ বিশ্ববিদ্যালয়ে ডক্টৰেট ডিগ্ৰি প্ৰদান কৰি সন্মান জনাইছে। ইংলণ্ডৰ ডেভনত অৱস্থিত একছিটাৰ বিশ্ববিদ্যালয়ৰ এনে ধৰণৰ প্ৰশংসনীয় কাৰ্যত আন্তিগুৱাৰ অধিবাসীসকলে আনন্দ প্ৰকাশ কৰিছে। ক্ৰিকেট খেলত ৰিচাৰ্ডছৰ অসাধাৰণ অৱদানৰ কাৰণে ৰিছাৰ্ডছক একছিটাৰ বিশ্ববিদ্যালয়ে এই সন্মান জনাইছে।

— পুলক লাহিড়ী



OKDISCD

# সহযোগিতাৰ বাবে পৰিকল্পনা

অসম চৰকাৰৰ শিক্ষা-বিভাগে এবছৰৰ ভিতৰতে (চলিত বিত্তীয় বছৰৰ ভিতৰতে?) সাত হাজাৰখন প্ৰাথমিক পঢ়াশালিৰ বাবে নতুন ঘৰ সজাৰ কথা ঘোষণা কৰিছে। এইটো বৰ প্ৰয়োজনীয় কাম। ঘোষণা মতে কাম হ'ব লাগে। তাৰ পাছত প্ৰতি বছৰেই এই আঁচনিৰ ওপৰত গুৰুত্ব দি থাকিব লাগে,— যেতিয়ালৈকে সকলো পঢ়াশালিৰ ঘৰবোৰৰ অৱস্থা অন্ততঃ এটা সহ্য কৰিব পৰা, নিয়াৰিকৈ কাম চলাব পৰা মানলৈ নাহে, তেতিয়ালৈকে। সুচিন্তিত আঁচনি প্ৰস্তুত কৰাৰ ক্ষমতা থাকিলে, এটা ভাল কাম কৰাৰ নিস্বাৰ্থ ইচ্ছা থাকিলে, দুৰ্নীতিমুক্ত আৰু দক্ষ মেছিনেৰি এটাই কামৰ দায়িত্ব ললে, কেৱল টকাৰ অভাৱত কাম পৰি নাথাকে ; হাতত লোৱা কাম নোহোৱাকৈও নাথাকে।

ইমান ডাঙৰ আৰু প্ৰয়োজনীয় কাম এটা হাতত লোৱা হৈছে যেতিয়া, আৰম্ভণিতে কেইটামান কথালৈ সংশ্লিষ্ট কৰ্তৃপক্ষই নিশ্চয় মন কৰিছে বা কৰিব। ঘৰবোৰৰ ইঞ্জিনিয়াৰিং পৰিকল্পনা একে হলে, অৰ্থাৎ সমগ্ৰ ৰাজ্যতে এই আঁচনিৰ অধীনত নিৰ্মিত স্কুল ঘৰবোৰ একে হ'লে ভাল হয়। সাত হাজাৰ স্কুলঘৰৰ কাৰণে শিক্ষা বিভাগে কিমান টকা ব্যয় কৰিব পাৰিব? কেইবাটাও দিশত কথাবোৰ বিচাৰ কৰি ধৰি ললোঁ— চৈধ্য কোটি টকা। একোটা ঘৰৰ বাবে গড়ে বিছ হাজাৰ টকা। বিছ হাজাৰ টকাৰে এটা পাঠশালা কমেও কিমান সা-সুবিধাৰে নিৰ্মাণ কৰিব পাৰি সেইটো কেন্দ্ৰীয়ভাৱে ঠিক কৰিব লাগে। এক ধৰণৰ হিচাপ মতে বিছ হাজাৰ টকাৰে আজিকালি চকীদাৰ থকা ডেৰ-কুঠলীয়া ঘৰ এটাহে হয়। গতিকেই কেন্দ্ৰীয়ভাৱে প্ৰস্তুত কৰা সুচিন্তিত ডিজাইন এটাৰ প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু অন্যান্য গুৰুত্ব অনুসৰি এ'-টাইপ, বি-টাইপ আদিৰ ঘৰ হ'ব পাৰে, কিন্তু তাৰো পৰিকল্পনা কেন্দ্ৰীয়ভাৱেই কৰিব লাগে। ক'ৰবাত কাঠত খৰচ বেছি, ক'ৰবাত পৰিবহনৰ খৰচ বেছি,—সেইবোৰ কথা সাত হাজাৰ ঘৰৰ গড়-খৰচৰ ভিতৰতে সুমুৱাই ৰখাৰ ব্যৱস্থা কৰিব পাৰি। মুঠতে এই সুযোগতে কম খৰচত নিৰ্মাণ কৰিব পৰা এবিধ পাঠশালাৰ মডেলৰ উদ্ভৱ হোৱাটো বাঞ্ছনীয়।

এইখিনি কথা আমি সাত হাজাৰ নতুন স্কুলঘৰ সজা হ'ব বুলি ধৰি লৈহে কৈছোঁ। ইতিমধ্যে থকা কিছুমান স্কুলঘৰৰ মেৰামতিৰ বাবে সাত-আঠ হাজাৰ টকা দিয়া হ'ব, পঞ্চাছ-ষাঠি হাজাৰ টকা খৰচ কৰি ক'ৰবাত-ক'ৰবাত নতুন ঘৰ সজা হ'ব,— আৰু এই সকলো মিলি সাত হাজাৰৰ হিচাপটো পূৰ হ'ব,—ঘটনাটো তেনেকুৱা হ'লে বেলেগ কথা।

কিন্তু কম খৰচত পাঠশালাৰ ঘৰ-দুৱাৰৰ অৱস্থা উন্নত কৰিবলৈ হ'লে চৰকাৰৰ টকা আৰু মেছিনেৰিটোৰ সমানে, বা তাতোকৈ বেছি, প্ৰয়োজনীয় বস্তু হৈছে পাঠশালাটোৱে যি অঞ্চলৰ সেৱা কৰিছে, সেই অঞ্চলৰ ৰাইজৰ সহায়-সহযোগিতা। চৰকাৰৰপৰা ঘৰ-দুৱাৰৰ নামত ফুটা-পইচা এটা নোপোৱাকৈ আৰম্ভ হোৱা আৰু চলি থকা বহু স্কুল আছিল, আছে আৰু আগলৈকো থাকিব। কিন্তু চৰকাৰ সোমালেই ৰাইজে গা-এৰা দিয়া এটা প্ৰৱণতাই আজিকালি গা কৰি উঠিছে। এসময়ত নামঘৰেই হওক, স্কুলঘৰেই হওক, ঠিক কৰি ৰাখিবলৈ, মেৰামতি কৰিবলৈ ৰাইজে "হজ" কৰিছিল। একোটা দিন ঠিক কৰি গাঁওখনৰ কৰ্মক্ষম লোকসকল দা-কুঠাৰ-কোৰ লৈ ওলাই আহিছিল ; এপোলা খেৰ, এডাল বাঁহ,— যেয়ে যি পাৰে ঘৰৰপৰা লৈ গৈছিল ; দিনটো বা এবেলা কাম কৰি ঘৰটো মেৰামতি কৰিছিল, চৌহদটো চাফা কৰিছিল. জেওৰা বাতিছিল। এতিয়াও ৰাইজে চৰকাৰৰ সহায় নোলোৱাকৈ ৰাস্তা-ঘাট, নলা-নৰ্দমাৰ কাম কৰাৰ কথা শুনা যায়, কিন্তু সামগ্ৰিকভাৱে ৰাইজৰ এই মনোবৃত্তি কমিছে। আৰ্থিক, বৈষয়িক, সাংসাৰিক, ৰাজনৈতিক কাৰণতে এনে হৈছে। ভিতৰুৱা গাঁৱতো যদি এডাল বাঁহৰ বাবে ঘৰতে গৃহস্থই পাঁচ টকা পায়, আৰু সেই পাঁচ টকাৰ যদি তেওঁৰ বৰ প্ৰয়োজন, বাৰীৰ বাঁহ বেচি যদি পুতেকে জেপ খৰচ উলিয়াই আছে, পতাকা উত্তোলনৰ বাঁহডালৰ বাবেও যদি হিচাপত দহ টকা লিখাৰ মনোবৃত্তি গাঁৱে-ভূঁয়ে প্ৰচলিত হৈ গৈছে, তেনেহলে ঘৰৰ খেৰ-বাঁহেৰে হজ কৰাৰ মনোবৃত্তি মানুহৰ থাকে কেনেকৈ? ধৰি ললোঁ, এই আৰ্থিক অনাটনৰ দিনত কাৰো ঘৰৰ খেৰ-বাঁহ বিনামূলীয়াকৈ কোনেও দাবী কৰিব নালাগে, কিন্তু কায়িক পৰিশ্ৰম? অন্ততঃ মাহটোত এদিন?

অন্ততঃ পাঠশালাৰ ঘৰটোৰ ক্ষেত্ৰত চৰকাৰ আৰু ৰাইজ উভয়েই এই কথাটো ভাবিব লাগে। ৰাইজে প্ৰায়েই স্কুলৰ বাবে ধন বিচাৰি চৰকাৰৰ কাষ চাপে, কিন্তু ধনৰ বাহিৰে বাকীখিনি বিচাৰি চৰকাৰো ৰাইজৰ কাষ চাপিব লাগে।

আমি কিন্তু বিছ হাজাৰ টকীয়া স্কুলঘৰটো এনেকুৱা হ'ব বুলি ধৰিয়েই লৈছোঁ— যিটোত ৰাইজৰ বাবে কাম থাকিবই। নে ডিজাইনটোতে চৰকাৰে সেই সুবিধা বা সুৰুঙা ৰখাই উচিত?

৬।৮।৮৬

